পৰিহাস

The Nabin Bardalai Hall & Library
৬/৩৭৮
26 Mar 63
GAUHATI

ডক্টৰ প্ৰসন্ন চন্দ্ৰ গোস্বামী এম, এচ-ছি, পি, এইচ, ডি

অসম বুক ডিপো
কলিকতা :: গুৱাহাটী

প্রকাশক :
শ্রীঅরুণ চন্দ্র গুহ
অসম বুক ডিপো
২১, পটুয়াটোলা লেন,
কলিকতা-৯

প্রথম সংস্করণ :
সেপ্টেম্বর, ১৯৬২ইং

প্রচ্ছদপদ অঙ্কন :
শ্রীঅমূল্য দাস

মূল্য—চারি টকা

প্রিণ্টার :
রূপশ্রী প্রেস (প্রাঃ) লিঃ
৯, এ্যাণ্টনী বাগান লেন,
কলিকতা-৯

পাতনি

'পৰিহাস' তিনিটা সুদীৰ্ঘ গল্পৰ সমষ্টি। 'দিগম্বৰৰ গৃহ নিৰ্মাণ' আৰু 'বিলাত ফেৰতৰ কাহিনী'ত কেইবাটাও চৰিত্ৰ থকাত আৰু ইয়াৰ ঘটনা বিন্যাসো প্ৰধান চৰিত্ৰৰ জীৱনৰ এটা সুদীৰ্ঘ অধ্যায়ৰ হোৱাত এই দুয়োটা গল্প, উপন্যাসৰ শ্ৰেণীতো পৰে। 'লিখকৰ বিলৈ' অৱশ্যে এটা দীঘলীয়া গল্প। ইয়াত লিখকৰ জীৱনৰ এদিনৰ ঘটনাহে বৰ্ণনা কৰা হৈছে। 'দিগম্বৰৰ গৃহ নিৰ্মাণ' আৰু 'বিলাত ফেৰতৰ কাহিনী' উপন্যাসৰ শ্ৰেণীত পৰিলেও, ইয়াৰ গৌণ চৰিত্ৰবোৰ পূৰ্ণৰূপে অঙ্কিত নকৰাত এই দুয়োটা প্ৰকৃততে গল্প আৰু উপন্যাসৰ মাজৰ বুলিহে ধৰিব পাৰি।

তিনিওটা কাহিনীতে বিধাতা আৰু সমাজৰ পৰিহাস অঙ্কিত কৰা কাৰণে গোটেই কিতাপখনৰে নাম 'পৰিহাস' দিয়া হৈছে। পৰিহাস কোনো ব্যক্তি বিশেষক, কোনো বিশেষ সমাজক, কোনো বিশেষ দেশক উদ্দেশ্য কৰি লিখা নাই। প্ৰকৃততে পৰিহাসৰ কাহিনী তিনিওটাৰে স্থান, কাল, পাত্ৰ নাই। অৰ্থাৎ তিনিওটা কাহিনী অতীত, বৰ্ত্তমান আৰু অদূৰ ভবিষ্যতৰ কাহিনী বুলিও কব পাৰি। আকৌ তিনিওটা কাহিনী এচিয়াৰ প্ৰায় সকলো দেশৰ কাহিনী বুলিও ধৰি লব পাৰি। 'দিগম্বৰৰ গৃহ নিৰ্মাণ'ত অতীত কালৰ কথা ক'লেও, সেই কাহিনীটোৰ কথাবোৰ বৰ্ত্তমানেও খাটে আৰু অদূৰ ভবিষ্যতেও খাটিব। সেইদৰে 'বিলাত ফেৰতৰ কাহিনী'ৰ চৰিত্ৰবোৰৰ নামাকৰণ টং, চু, চেন আদি কৰি কাহিনীটোৰ সামান্য পৰিবৰ্ত্তন কৰিলেই সেইটো কাহিনী চীন, ব্ৰহ্মদেশ আদি যি কোনো দেশৰে কাহিনী হব। প্ৰত্যেকটো কাহিনীৰে কথা ভাৰতৰ সকলো প্ৰদেশ আৰু ভাৰতৰ বাহিৰে এচিয়াৰ সকলো দেশতে খাটে।

সাহিত্যৰ মুখ্য উদ্দেশ্য হ'ল ৰস সৃষ্টি কৰা। এই মুখ্য উদ্দেশ্যৰ পৰিও সাহিত্যৰ গৌণ উদ্দেশ্য হ'ল সমাজৰ দোষ, ক্ৰটিবোৰ দেখুৱাই

সেইবোৰ দূৰীভূত কৰা। এই দুয়োটা উদ্দেশ্য লৈ পৰিহাস লিখা হৈছে। অৱশ্যে লিখক ইয়াত কিমান কৃতকাৰ্য্য হৈছে তাক পাঠক সকলোহে বিচাৰ কৰিব।

তিনিওটা গল্পৰে কিছু কিছু অংশ ছিলঙৰ 'মুকুল সন্ঘ'তো পাঠ কৰা হৈছিল আৰু সন্ঘৰ সুধীসমাজে তাক প্ৰশংসা কৰিছিল। ইয়াৰ বাহিৰে লিখকৰ বন্ধু-বান্ধৱেও তিনিওটা কাহিনী প্ৰশংসা কৰি লিখকক ছপাবলৈ উদগনি দিছিল। গতিকে কাহিনী তিনিটাই ভাল বুলি বাইজৰ প্ৰশংসা পালে, সেই প্ৰশংসা যেনেকৈ লিখকে পাব, সেইদৰে তিনিওটা কাহিনী বেয়া বুলি নিন্দা কৰিলে সেই নিন্দা লিখকক উদগনি দিয়া বন্ধু-বান্ধৱৰ ওপৰতে পৰিব।

পৰিশেষত 'অসম বুক ডিপো'ৰ মালিক বন্ধুবৰ শ্ৰীঅৰুণচন্দ্ৰ গুহই নিজেই উপযাচী কিতাপখন ছপাবলৈ দায়িত্ব লোৱাত তেওঁ লিখকৰ যিদৰে শলাগৰ পাত্ৰ হৈছে সেইদৰে পাঠকসকলৰো নিন্দা বা প্ৰশংসা লবলৈ মুৰ পাতিব লাগিব। ইতি—

ছিলং
১৯ চেপ্তেম্বৰ, ১৯৬২ চন

শ্ৰীপ্ৰসন্ন চন্দ্ৰ গোস্বামী

সূচী

১। দিগম্বৰৰ গৃহ নিৰ্মাণ ... ১

২। লিখকৰ বিলৈ ... ৫৫

৩। বিলাত ফেৰতৰ কাহিনী .. ৮৮

উপসংহাৰ ... ২০৩

দিগম্বৰৰ গৃহ নিৰ্মাণ

১

বহুদিনৰ আগৰ কথা। এখন ৰাজ্যত বৃদ্ধীন্দ্ৰ নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল। এদিন ৰজাই হুকুম কৰিলে তেওঁৰ ৰাজ্যৰ ৰাজধানী দেৱপুৰৰ পৰা স্থানান্তৰিত কৰি পৰ্বতৰ ওপৰত থকা উদয়গিৰি নামৰ জনবিৰল ক্ষুদ্ৰ ঠাইখনলৈ নিব লাগে। ৰজাৰ হুকুম। পাত্ৰমন্ত্ৰী, সৈন্য সামন্ত সকলোৱে টালি টোপোলা বান্ধি গৰুৰ গাৰীত, ঘোঁৰাৰ গাৰীত, মানুহৰ পিঠিত, হাতীৰ পিঠিত, গাধৰ পিঠিত বয়বস্তু বোজা দি ভালেমান দিনৰ মূৰত উদয়গিৰি পালেগৈ। বাটত বহুত মানুহ পথ কষ্টত অনাহাৰত প্ৰাণত্যাগ কৰিলে। উদয়গিৰিত ঘৰদুৱাৰ বন্ধা হ'ল। ৰজাৰ প্ৰাসাদ, মন্ত্ৰীৰ প্ৰাসাদ, সেনাপতিৰ প্ৰাসাদ নিৰ্মাণ হ'ল। উচ্চকৰ্মচাৰীবোৰৰো প্ৰাসাদ তৈয়াৰী হ'ল। ৰজাক বা মন্ত্ৰীক তোষামোদ কৰিব পৰা উচ্চ, মধ্য আৰু নিম্ন শ্ৰেণীৰ কৰ্মচাৰীসকলক ৰজাই মাটি দিলে। সেই মাটিত কৰ্মচাৰীসকলে নিজৰ ঘৰ নিৰ্মাণ কৰিলে। ঘৰ নিৰ্মাণৰ বাবে ৰজাই আগতীয়াকৈ ধনো কৰ্মচাৰীসকলক দিলে। সেই নব নিৰ্মাণৰ ঘৰবোৰৰে একো একোটা অংশ আকৌ ৰজাৰে বিভিন্ন দপ্তৰখানা বহিবলৈ কৰ্মচাৰীসকলে ৰজাক ভাৰা দিলে। এই দৰে বুদ্ধি থকা কৰ্মচাৰীসকলে মাছৰ তেলেৰে মাছ ভাজিলে। ৰজাৰ ৰাজধানী উদয়গিৰিলৈ অহাত জনবিৰল উদয়গিৰি জনবহুল হৈ পৰিল।

উদয়গিৰি দেৱপুৰৰ পৰা বহুত দূৰৈত। সাধাৰণ প্ৰজাৰ পৰা আমনি নোপোৱাকৈ ৰাজকাৰ্য্য পৰিচালনা কৰাত উদয়গিৰিত যথেষ্ট সুবিধা। দেৱপুৰ দৰিদ্ৰ প্ৰজাৰে ভৰা। ৰাতি নৌপুৱাওঁতেই

ৰজাই প্ৰজাৰ বিপদৰ কথা, দুখ-শোকৰ কথা শুনিব লাগে। ৰাতি পুৱাৰে পৰা কেৱল প্ৰজাৰ দুখ-দুৰ্গতিৰ কথা শুনি জানো ৰাজকাৰ্য্য সুকলমে পৰিচালনা কৰা সম্ভৱ? প্ৰজাৰ করুণ ক্ৰন্দনৰ কথা শুনি থাকি জানো কবিতা, শিল্প, দৰ্শন, বিজ্ঞানৰ চৰ্চা কৰিব পাৰি? ভাত কাপোৰৰ অভাৱৰ কথা শুনি জানো ৰূপহী যুৱতীসকলৰ নৃত্য, গীত উপভোগ কৰিব পাৰি? মহাৰাজ বুদ্ধীন্দ্ৰ কামে কাজে বুদ্ধিমান ৰজা। সেইহে প্ৰজাৰ হাই উকমিৰ পৰা বহুদূৰৈত নি ৰাজধানী পাতিলে। উদয়গিৰিত ৰজাই এতিয়া পুৱাৰে পৰা প্ৰজাৰ দুখ-দুৰ্গতিৰ কথা শুনিব নালাগে। উচ্চচিন্তা কৰিবলৈ ৰজাৰ এতিয়া যথেষ্ট অৱকাশ। উদয়গিৰি দেৱপুৰৰ দৰে গৰমো নহয়। পৰ্বতৰ ওপৰত অৱস্থিত কাৰণে উদয়গিৰি গ্ৰীষ্মকালতো শীতল। দুহাত ওখ কোমল তুলি পৰা সোণৰ পালেঙত শুই শুই ৰজাই নানা কথা চিন্তা কৰিবলৈ অৱকাশ পাইছে। গোধূলি পাত্ৰমন্ত্ৰীসকলৰ লগত সুস্বাদু অমৃত তুল্য সুৰা পি পি ৰজাই অপেচৰা সকলৰো ৰূপক নিন্দা কৰিব পৰা যুৱতীসকলৰ মধুৰ কামোদ্দীপক নৃত্যগীত উপভোগ কৰিব পাৰিছে। সুৰাৰ পিয়লা খালি হলেই যুৱতী-সকলে ৰজাৰ পিয়লা ভৰাই দিয়ে। কোনো জনীয়ে আকৌ ৰজাক বিচি থাকে, কোনোজনীয়ে বা ৰজাৰ ভৰি টিপি ৰজাৰ ভৰিৰ কাষতে বহি থাকে। অৰ্দ্ধনিমিলিত চকুৰে ৰজাই ৰূপহীৰ নৃত্যগীত উপভোগ কৰি কৰি ৰাজ্যৰ উন্নতিৰ অৰ্থে এতিয়া নানাচিন্তা কৰিবলৈ অৱকাশ পাইছে।

এইদৰে চিন্তা কৰি থাকোতে ৰজাৰ মনত এদিন ভাব খেলালে—হিমালয়ৰ সিপাৰে থকা দানৱ ৰাজ্যখন জয় কৰাৰ। দানৱ ৰাজ্য পুৰণি ৰাজ্য। ধন সোণেৰে ভৰা। দানৱ ৰাজ্য জয় কৰিব পাৰিলে কত ধন সোণ ৰজাই প্ৰজাৰ মাজত বিলাই দিব পাৰিব! প্ৰজাৰ দুখ-দুৰ্গতি তেতিয়া চিৰদিনলৈ বিদায় হ'ব। ৰজাই তৎক্ষণাৎ সেনাপতিক মাতি আনি সেনাপতিক দানৱ ৰাজ্য জয় কৰিবলৈ হুকুম দিলে। ৰজাৰ আদেশ। কোনে অৱজ্ঞা কৰিব?

কোনে বা ৰজাক দানব ৰাজ্য জয় কৰা যে সহজ নহয় এই কথা কয়? দানব ৰাজ্যৰ ৰজাও যে বুদ্ধীন্দ্ৰ ৰজাতকৈ বেছি ক্ষমতাশালী নহলেও অন্ততঃ বুদ্ধীন্দ্ৰ ৰজাৰ সমান ক্ষমতাশালী তাকে বা কোনে ৰজাক কয়? কোনোবাই আপত্তি কৰিলে বা অসুবিধাৰ কথা দেখুৱালে ৰজাই তাক ভাবিব শত্ৰু, নহলে অপদাৰ্থ কাপুৰুষ। ৰজাক বেঢ়ি থকা তোষামোদকাৰীসকলেও ৰজাৰ কথাতে হয়ভৰ দিব। গতিকে ঢাল তৰোৱাল, যাঠি জোং, লাঠি, বাটলুগুটি যি আছে তাকে লৈ বুদ্ধীন্দ্ৰ ৰজাৰ সৈন্য ওলাল দানব ৰাজ্য জয় কৰিবলৈ। বুদ্ধীন্দ্ৰ ৰজাৰ সৈন্য দানব ৰাজ্য নাপালে। হিমালয় পৰ্বতৰ বৰফৰ মাজতে লুপ্ত হ'ল।

দানব ৰাজ্য বিজয় অভিযান ব্যৰ্থ হোৱাৰ পাচত এদিন ৰজাই ৰাজপালেংত শুই শুই ভাবিছে কেনেকৈ ৰাজদৌলত সোণ ৰূপৰে ভৰপূৰ কৰিব পাৰি। ভাবি ভাবিও ভাবনাৰ অন্ত নহয়। ৰূপহী যুৱতীসকলে ৰজাৰ সুৰাৰ পিয়লা প্ৰতি পাঁচ মিনিটে পাঁচ মিনিটে ভৰাইয়ে আছে, তথাপি ৰজাই উপায় বিচাৰি পোৱা নাই। অৱশেষত ভালেমান পৰৰ মূৰত বাৰিষাৰ ডাৱৰ ফালি ব'দৰ জিলিঙনি অহা দি ৰজাৰ মগজুলৈও বুদ্ধি আহিল। ৰজাই ভাবিলে প্ৰজাই সোণ ৰূপৰ মুদ্ৰাৰে কাৰবাৰ কৰে। এই সকলো সোণ ৰূপৰ মুদ্ৰা অচল কৰি তামৰ মুদ্ৰা চলালে কেনে হয়? তামৰ মুদ্ৰাৰ বিনিময়ত প্ৰজাই ধান কিনিব, চাউল কিনিব, শাক-সব্জি, মাছ-মাংস, কাণি-কাপোৰ কিনিব। তামৰ মুদ্ৰাৰে প্ৰজাই সকলো লেনদেন কৰিব। তেতিয়া সকলো সোণ ৰূপৰ মুদ্ৰা ৰাজ ভঁৰাললৈ আহিব। পুনৰ ৰাজ আজ্ঞা ঘোষিত হ'ল। সোণ ৰূপৰ মুদ্ৰা অচল। সোণ ৰূপৰ মুদ্ৰাৰে যিয়ে কিনাবেচা কৰিব তাৰে প্ৰাণদণ্ড হব। সোণ ৰূপৰ মুদ্ৰাৰ পৰিবৰ্তে তামৰ মুদ্ৰা চলিব। ৰাজকৰ্মচাৰীক সোণ ৰূপদি তাৰ পৰিবৰ্তে প্ৰজাই তামৰ মুদ্ৰা লব। ৰজাৰ হুকুম শুনি প্ৰজাৰ মুখ শুকাল। সোণ ৰূপৰ পৰিবৰ্তে তাম কোনে লব? প্ৰজাই ভাবিলে আজি ৰজাই তাম দি সকলো ধন সোণ হৰণ

কৰিব খুজিছে ; কাইলৈ আকৌ কাগজ দি তামো হৰণ কৰিব। ৰাজ্যত প্ৰকাশ্য বেহাবেপাৰ গতিকে বন্ধ হ'ল। গোপনে সোণ ৰূপৰ কিনাবেচা চলিব ধৰিলে। বৃদ্ধীন্দ্ৰ ৰজাৰ তামৰ মুদ্ৰাৰ প্ৰচলন নহ'ল, ৰাজভৰাললৈ সোণ ৰূপবো নৈ নব'ল।

উদয়গিৰিৰ প্ৰমোদ উদ্যানত শীতল বতাহ উপভোগ কৰি কৰি এদিন ৰজাই ভাবিলে যে তেওঁৰ নানা সুপৰিকল্পনাৰ ব্যৰ্থতাৰ কাৰণ তেওঁৰ ৰাজকৰ্মচাৰীবোৰেই। এই ৰাজকৰ্মচাৰীবোৰে ৰজাৰ আগত এক কথা কয়, কিন্তু পিচত আন প্ৰকাৰে কাম কৰে। আকৌ উদয়গিৰিলৈ আহি এই কৰ্মচাৰীবোৰে ৰাজকাৰ্য্য অৱহেলা কৰি নৃত্যগীত, ৰঙতামছাতে মনোনিবেশ কৰিছে। উদয়গিৰিত নানাঠাইত ৰাজদপ্তৰখানাবোৰ সিচৰিত হৈ থকাত ৰজাৰ উচ্চ ৰাজকৰ্মচাৰীবোৰে কাজকাৰ্য্যই কৰিছে নে উদয়গিৰিৰ ৰূপহী গিৰিবালাবোৰৰ সৈতে চুপতি কৰি সময়ে কটাইছে তাকো জনা টান। ৰজাই সেইবাবে ভাবিলে সকলোবোৰ উচ্চ ৰাজকৰ্মচাৰীক তেওঁৰ চকুৰ আগত ৰাখি কাম কৰিব দিলে কেনে হয় ? তেতিয়াতো উদয়গিৰিৰ ৰূপহীসকলৰ লগত এই কৰ্মচাৰীবোৰে চুপতি কৰি সময় কটাব নোৱাৰিব। ৰজাই তৎক্ষণাৎ মন্ত্ৰীক মাতি আনি তেওঁৰ পৰিকল্পনাৰ কথা কলে। মন্ত্ৰীয়ে ৰজাৰ পৰিকল্পনা উত্তম বুলি শলাগিলে। বুঢ়া মন্ত্ৰী ; মূৰৰ চুলি পকিছে। তথাপি এই বয়সতো উদয়গিৰিৰ ৰূপহীৰ লগত ৰঙ তামছা কৰি ভাল পায়। উদয়গিৰিৰ ৰূপহীয়ে দিয়া সুৰাৰ পিয়লা পি বা ৰূপহীৰ গালত টোকৰ মাৰি আনন্দ লভে। এতিয়া এই পাগল ৰজাৰ চকুৰ আগত থাকি কাম কৰিব লাগিলে কিমান যে বিপদ নহব ! মন্ত্ৰীয়ে বহুত ভাবিচিন্তি ৰজাক কলে "মহাৰাজৰ পৰিকল্পনা যে অতি উত্তম হৈছে সি ঠিক। মইও দেখিছো উদয়গিৰিলৈ আহি আমাৰ কৰ্মচাৰীবোৰে বিলাসৰ পিনেহে মন দিছে। ধুনীয়া ধুনীয়া কাপোৰ পিন্ধিছে, সুৰাপান কৰিছে, গোধূলি নৃত্যগীত কৰিছে। উদয়গিৰিৰ সুশীতল বতাহ আৰু ইয়াৰ ৰূপহীসকলৰ চকুত ছাট মাৰা ৰূপে কাজকৰ্মচাৰীবোৰৰ

ৰাজকাৰ্য্যৰ অৱহেলাৰ প্ৰধান কাৰণ। এতিয়া এই কৰ্মচাৰীবোৰক মহাৰাজৰ চকুৰ আগত ৰাখি কাম কৰিব দিলে তেওঁলোকৰ কোনেও যে ৰাজকাৰ্য্যত ফাকি দিব নোৱাৰিব সি ঠিক; কিন্তু প্ৰত্যেক কৰ্মচাৰীৰে তলত আৰু অসংখ্য সৰু কৰ্মচাৰী আছে। এতিয়া মহাৰাজে উচ্চ কৰ্মচাৰীবোৰক নিজ নিজ দপ্তৰখানাৰ পৰা আঁতৰাই আনি মহাৰাজৰ আগত কাম কৰিব দিলে জানোচা তেওঁলোকৰ তলত থকা ক্ষুদ্ৰ কৰ্মচাৰীবোৰ লেকাম নোহোৱা ঘোঁৰাৰ দৰে হৈ আমাৰ সকলোকে চেৰ পেলাই দিন ৰাতি সুৰা আৰু ৰূপহীৰ ৰূপকে পান কৰি থাকে সেইটোহে ভয় হৈছে।" বুদ্ধীন্দ্ৰ ৰজাই মন্ত্ৰীৰ কথাত বিৰক্তি পালে। কিবা এটা ভাল পৰিকল্পনা মনত খেলালেই মন্ত্ৰীয়ে এইদৰে নানা অসুবিধা দেখুৱায়। ৰজাই ভাবিলে এই মন্ত্ৰী থাকে মানে তেওঁৰ পৰিকল্পনা কাৰ্য্যকৰী কৰা টান। এই মন্ত্ৰীক খেদিহে কেতিয়াবা তেওঁৰ পৰিকল্পনাবোৰ কাৰ্য্যকৰী কৰিব লাগিব। শত্ৰুপক্ষৰ লগতো এই মন্ত্ৰীৰ যোগ থকা অসম্ভৱ নহয়। মন্ত্ৰীক খেদিবলৈ সুযোগ নোলায়মানে বৰ্তমানে পৰিকল্পনাবোৰ পৰিত্যাগ কৰাই ভাল বুলি ৰজাই ভাবিলে।

২

দিগম্বৰ বুদ্ধীন্দ্ৰ ৰজাৰে মধ্যতৰপৰ ৰাজকৰ্মচাৰী। দিগম্বৰৰ পত্নীৰ নাম যশোধৰা। দুই পুত্ৰ-কন্যাৰ মাক যশোধৰা। পুতেকৰ নাম সুবল আৰু কন্যাৰ নাম দেৱযানী। দেৱপুৰৰ পৰা ৰাজধানী উদয়গিৰিলৈ অহাৰ লগে লগে দিগম্বৰেও পুত্ৰ-কন্যা আৰু পত্নী যশোধৰাৰে সৈতে উদয়গিৰিলৈ আহিছে। উদয়গিৰিত দিগম্বৰ স্ত্ৰী পুত্ৰ কন্যাসহ কিছুদিন মনৰ সুখতে আছিল। অৱশ্যে তোষামোদ বিদ্যা নজনাৰ দোষত দিগম্বৰে অন্য ৰাজকৰ্মচাৰীবোৰৰ দৰে উদয়-গিৰিত মাটি পোৱা নাছিল। অন্য ৰাজকৰ্মচাৰীবোৰেই বহুতা সৰু ঘৰ এটাত মাহে দুই স্বৰ্ণমুদ্ৰা ভাৰা দি থাকিছিল। দিগম্বৰে ভাৰা

কৰি থকা ঘৰটো আগেয়ে এক ৰাজকৰ্মচাৰীৰ ভৃত্য থকা ঘৰহে আছিল ; কিন্তু উদয়গিৰিত নিতৌ মানুহৰ সংখ্যা বৃদ্ধি হোৱাত আৰু ইপিনে থকাঘৰবো অভাৱ হোৱাত, চতুৰ ৰাজকৰ্মচাৰীয়ে ভৃত্যক সেই ঘৰৰ পৰা আঁতৰাই ঘৰটোৰ নাম "সুখ কুটীৰ" দি দিগম্বৰক সেই ঘৰত থাকিবলৈ দি দিগম্বৰৰ পৰা মাহে দুই স্বৰ্ণমুদ্ৰা লাভ কৰিব ধৰিলে। বাৰিষা ঘৰৰ ফুটা ছালেৰে পানী ভিতৰত পৰি ডোঙা বান্ধিলেও আৰু ঘৰৰ ওচৰত থকা গোবৰৰ দমৰ পৰা দিনৰাতি দুৰ্গন্ধ আহিলেও, দিগম্বৰে সুখ কুটীৰত মনৰ সুখতে দিন কটাই 'উকথা ঘৰ, মুখৰা নাৰী দুখৰ কাৰণ" বোলা চলিত প্ৰবাদ বাক্যটো মিথ্যা প্ৰমাণ কৰিলে। অৱশ্যে মাজে মাজে পত্নী যশোধৰাই 'সুখ কুটীৰৰ' সুখ ভোগ পৰিত্যাগ কৰিবলৈ দিগম্বৰক কৈ থাকি দিগম্বৰৰ সুখৰ জীৱনত ব্যাঘাত জন্মাইছিল।

ইপিনে বুদ্ধীন্দ্ৰ ৰজাৰ উৰ্বৰ মস্তিষ্কলৈ নিতৌ নানা পৰিকল্পনা আহিবই ধৰিছে। প্ৰজাসকলে গোপনে ৰজাক পাগল বুলি কোৱাকুই কৰাও হ'ল। বুদ্ধীন্দ্ৰ ৰজাৰ পৰিকল্পনাত প্ৰজাৰ চকুত নিদ্ৰা নোহোৱা হ'ল, মনৰ সুখ শান্তি গুচিল, গোটেই দেশতে ত্ৰাসৰ সৃষ্টি হ'ল। ৰাজ আজ্ঞাত কোন কেতিয়া কলৈ যাব লাগে, কাৰ ধনসোণ কেতিয়া অপহৰণ হয়, কাৰ কেতিয়া শিৰোচ্ছেদ হয় একো ঠিক নোহোৱা হ'ল। যি ৰাজ্যৰ ৰজাই পাগল, সেই ৰাজ্যৰ অৱস্থা যে কেনে হব পাৰে তাক নকলেও হব। পাগল ৰজাৰ পাগল আদেশত প্ৰজাও পাগল হব লগীয়া হ'ল। দিগম্বৰে ভাবিলে পাগল ৰজাৰ আদেশত দিগম্বৰৰ কেতিয়া প্ৰাণ যায়, কেতিয়া তাৰ শিৰ ভূমিলুণ্ঠিত হয় ঠিক নাই। কাইলৈ হয়তো ৰজাই স্বৰ্গৰাজ্যলৈ বাট অনুসন্ধান কৰিবলৈ আদেশ দিব, নহলে পৃথিবী ঘূৰণীয়া নে চেপেটা তাৰে সমিধান বিচাৰিবলৈ দিগম্বৰক সমুদ্ৰ যাত্ৰা কৰিবলৈ কব। গতিকে পাগল ৰজাৰ পাগল আদেশত দিগম্বৰৰ 'সুখ কুটীৰৰ' সুখ ভোগৰ কেতিয়া অন্ত হয়, কেতিয়া প্ৰাণাধিকা পত্নী যশোধৰা বিধবা হয়, কেতিয়া সুবল দেৱযানী পিতৃহীন হয় তাৰ ঠিক নাই।

তেতিয়া দিগম্বৰৰ পুত্ৰ কন্যা স্ত্ৰীৰ কি অৱস্থা হব? যদিও দিগম্বৰে ৰাজকাৰ্য্যতে আজি ১২।১৪ বছৰ অতিবাহিত কৰিলে তথাপি দিগম্বৰে আজিকোপতি থাকিবলৈ এটা ঘৰকে সাজিব পৰা নাই। শিশুকাল পিতৃগৃহত, কৈশোৰ গুৰু গৃহত আৰু যুবাকাল ভাৰাঘৰত কটালে। এতিয়া যুবাকালৰ অন্ততো দিগম্বৰৰ নিজা বুলিবলৈ এটা ঘৰ নাই। দিগম্বৰৰ অবিহনে পত্নী যশোধৰাই স্নুবল দেৱযানীক লৈ হয় ৰাজআলিত থিয় দিব লাগিব, নহয় যশোধৰাৰ পিতৃগৃহত বা শ্বশুৰালয়ত ভ্ৰাতৃ বা দেৱৰ সকলৰ গালি-গঞ্জনা খাই যে থাকিব লাগিব সি ঠিক। শ্বশুৰালয়ত যশোধৰাক জা-ননন্দ সকলে কুলক্ষণীয়া স্ত্ৰী বুলি গঞ্জনা কৰিব, পিতৃগৃহতো পতিৰ মূৰ খাই এতিয়া ককাই ভায়েকহঁতৰো মূৰ খাবলৈ অহা বুলি নবৌয়েক আৰু ভাই বোৱাৰীহঁতে গালি পাৰিব। গতিকে বুদ্ধীন্দ্ৰ ৰজাৰ আদেশত প্ৰাণ নৌ যাওঁতেই যে এটা অন্তত: থাকিবলৈ নিজা ঘৰ বন্ধা উচিত সেইটো দিগম্বৰে ভাবিলে আৰু পত্নী যশোধৰাক এই পৰিকল্পনাৰ কথা কলে। যশোধৰাই দিগম্বৰৰ পৰিকল্পনাৰ কথা শুনি নথৈ আনন্দ পালে আৰু অতি শীঘ্ৰেই দিগম্বৰক কামত হাত দিবলৈ কলে।

৩

ঘৰ বন্ধাৰ পৰিকল্পনা কৰিলেই যে ঘৰ নহয় সেইটো ঠিক। পৰিকল্পনা কাৰ্য্যকৰী হব নে নহয় সেইটোকে প্ৰথমতে জনা উচিত। গতিকে এই ভবিষ্যতৰ কথা জানিবলৈ দিগম্বৰ জ্যোতিষ শিৰোমণি পণ্ডিত প্ৰবৰ ভাস্কৰাচাৰ্য্যৰ ওচৰলৈ গল। পণ্ডিত ভাস্কৰাচাৰ্য্যই কপাল দেখিয়ে মানুহৰ ভূত ভবিষ্যত কৈ দিব পাৰে। দিগম্বৰে ৰাতি-পুৱাই গা ধুই, একো খোৱা পিয়া নকৰি, পৰম পবিত্ৰ ভাবত পণ্ডিত ভাস্কৰাচাৰ্য্যৰ ওচৰ পালে। পণ্ডিতে স্নান আহ্নিক কৰি কপালত ৰক্ত চন্দনৰ দীঘল ফোট আৰু ?াত নামাৱলী লৈ ব্যাঘ্ৰচৰ্মৰ ওপৰত

পদ্মাসন কৰি বহি আছে। সূৰ্য্যক গ্ৰহবোৰে চাৰিওপিনে বেঢ়ি থকাৰ দৰে সূৰ্য্যৰ দৰেই দীপ্তিমান জ্যোতিষ শিৰোমণি পণ্ডিত ভাস্কৰাচাৰ্য্যকো শিষ্য প্ৰশিষ্যসকলে চাৰিওপিনৰ পৰা বেঢ়ি আছে। দিগম্বৰে পণ্ডিত ভাস্কৰাচাৰ্য্যক দূৰৈৰ পৰাই দণ্ডবত কৰি প্ৰণাম কৰিলে। পণ্ডিত ভাস্কৰাচাৰ্য্যই দিগম্বৰক উঠিব কৈ কলে, 'বেটা, তোৰ মনত বৰ চিন্তা। তোক দেখিয়ে মই তোৰ চিন্তা আৰু চিন্তাৰ কাৰণ জানিছোঁ। কোনো কথা নাই। ভগবান সূৰ্য্যৰ প্ৰসাদত সকলো ঠিক হব।"

দিগম্বৰে পণ্ডিত ভাস্কৰাচাৰ্য্যক পুনৰ দণ্ডবতে প্ৰণাম কৰিলে আৰু তাৰপিচত হাতজোৰ কৰি কলে "বাবা, মই মহাৰাজ বুদ্ধীন্দ্ৰৰ ক্ষুদ্ৰ ৰাজকৰ্মচাৰী। মোৰ এক স্ত্ৰী, এক পুত্ৰ আৰু এক কন্যা। মহাৰাজ বুদ্ধীন্দ্ৰৰ ৰাজকৰ্মচাৰী হৈ আজি ১২।১৪ বছৰ মই কটালো যদিও, আজিকোপতি মোৰ নিজা এটা ঘৰ নাই। এতিয়া এটা ঘৰ বন্ধাৰ পৰিকল্পনা কৰিছো। মোৰ এই ঘৰ বন্ধাৰ পৰিকল্পনা কাৰ্য্যকৰী হব নে নহব তাকে জানিবলৈ এতিয়া বাবাৰ ওচৰলৈ আহিছোঁ।"

পণ্ডিত ভাস্কৰাচাৰ্য্যই দিগম্বৰৰ কথাত দিগম্বৰৰ কপাললৈ তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি তন্ময় ভাবত কিছু সময় চাই থাকিল। তাৰপিচত দিগম্বৰৰ সোঁহাতখন টানি নি প্ৰথমতে সংস্কৃতেৰে সৰস্বতী বন্দনা গালে। তাৰ পিচত "বিধাতা লিখিতং কৰং" গাই দিগম্বৰৰ হাতত্তলুৱাৰ ৰেখাবোৰ তন্ন তন্নকৈ চাব ধৰিলে। তাতো তুষ্ট নহৈ পণ্ডিত ভাস্কৰাচাৰ্য্যই অতচী কাঁচ উলিয়াই ৰেখাবোৰ গভীৰ মনোযোগৰে বহুসময়লৈ চাই কলে,

"বেটা, তই বহুত ভাগ্যবান। তোৰ ভাগ্যস্থানত বৃহস্পতি আৰু কৰ্মস্থানত পূৰ্ণচন্দ্ৰ আছে। শনি একাদশত থাকি তোৰ আয়পথ সুগম কৰিছে। কিন্তু তোৰ সুখস্থানত ৰাহু নীচ। চন্দ্ৰমাৰ লগতো কেতু নীচ হৈ আছে। এতেকতে তোৰ কপালত গৃহসুখ নাই। মনতো সদায় অশান্তি লাগি থাকিব। তোৰ গৃহনিৰ্মাণৰ

কাম আৰম্ভণ কৰিলেও সেই খিনি কাৰ্য্য পাঁচ বছৰৰ আগতে সম্পূৰ্ণ নহয়। বহুতো বাধাবিঘিনীও দেখা যায়। আকৌ ঘৰ বান্ধিবলৈ যি জমিনৰ দৰ্কাৰ সেই জমিনো দেখোন তোৰ কপালত নাই। কিবা প্ৰকাৰে তই জমিন অলপ কৰিলেও সেই জমিন হয় দুৰ্গমস্থানত লোকালয়ৰ পৰা বহুদূৰৈত হব, নহলে সি পৰিত্যক্ত খাল ডোবা হে হব। আকৌ তোৰ জমিন খালি ঘৰকা আস্তে হে হব। বাগান আদি ঘৰৰ চাৰিওপিনে কৰি সুন্দৰ অট্টালিকা নিৰ্মাণ কৰা তোৰ ভাগ্যত নাই।”

পণ্ডিতৰ কথাত দিগম্বৰৰ মনৰ সকলো উৎসাহ মৰি গল। বুদ্ধীন্দ্ৰ ৰজাৰ পৰিকল্পনাবোৰৰ দশাৰ দৰে এতিয়া দিগম্বৰৰো পৰিকল্পনাৰ দশাৰ গতি একে হয় নেকি? পণ্ডিত ভাস্কৰাচাৰ্য্যইতো ঠিকেই কৈছে। দিগম্বৰৰ মনততো সুখ নাই। “সুখ কুটীৰত” থাকিও ঘৰৰ ভিতৰতে বাৰিষা পানীত তিতি কষ্ট পায়, পত্নী যশোধৰাৰ গঞ্জনা খায়। মাটিওতো তাৰ নাই বুলিব পাৰি। যিবা উদয়গিৰিত অতি কষ্টে অলপ মাটি কিনিলে সিও লোকালয়ৰ পৰা বহুদূৰৈত আৰু পণ্ডিতে-কোৱামতে সেই মাটিও খালি ঘৰকা আস্তে অৰ্থাৎ মাটিৰ কালি একঠাৰ বেচি নহয়। দেৱপুৰত তাৰ যি মাটি আছে সিও খালি ঘৰকা আস্তে অৰ্থাৎ তাৰো পৰিমাণ একঠা। আকৌ দেৱপুৰত যি ঠাইত তাৰ মাটি, সেই ঠাইও সুদূৰ অতীতত হয় মহাবাহু লৌহিত্যৰ গৰ্ভত আছিল, নহয় সি কোনো ৰজাৰ পুষ্কৰিণী আছিল। এতিয়া কি উপায়? দিগম্বৰে পণ্ডিত শিৰোমণি ভাস্কৰাচাৰ্য্যক সেইবাবে পুনৰ দণ্ডবত কৰি সুধিলে, “বাবা, মই বহুত দুখী। বাবাই দিব্য চক্ষুৰে দেখি যি কৈছে সি অক্ষৰে অক্ষৰে সঁচা। এতিয়া এই ৰাহুকেতুৰ দোষ প্ৰশমন কৰিবলৈ কিবা প্ৰতিকাৰৰ ব্যৱস্থা নাই জানো? মাত্ৰ থাকিবলৈ এটা নিজৰ ঘৰ সাজিব নোৱাৰিলে মোৰ অবিহনে পত্নী যশোধৰা, পুত্ৰ সুবল আৰু কন্যা দেৱযানীৰ যে বিলাই বিপত্তি কুলাই পাচিয়ে নধৰা হব সি ঠিক।”

পণ্ডিত ভাস্কৰাচাৰ্য্য এই কথাত চকু মুদি ধ্যানত বহিল। কিছু

সময় পিচত তেওঁ গুৰুগম্ভীৰ স্বৰত কলে, "বেটা, বিধাতাৰ লিখন কোনে খণ্ডাব? পূৰ্বজন্মৰ কৰ্মফল ভুগিবই লাগিব। তথাপি গ্ৰহ তুষ্ট হলে দুখো সুখৰ হয়, বেয়াও ভাল হয়। তই গ্ৰহ পূজা কৰি জ্যোতিষী ব্ৰাহ্মণক ভালদৰে দান দক্ষিণা কৰিলে তোৰ ঘৰ সোণৰ নহলেও ৰূপৰ হব, মাৰ্বল পাথৰৰ নহলেও ইটাৰ হব, ঘৰৰ চাৰিও-পিনে মনোমোহা উদ্যান নাথাকিলেও দুই এজোপা ফুল থাকিব। তই ৰাহুকেতুৰ শান্তিৰ বাবে দুই স্বৰ্ণমুদ্ৰা মোক দিলে মই গ্ৰহদ্বয়ৰ তুষ্টিৰ বাবে আগত কৃষ্ণাচতুৰ্দশী তিথিত মধ্যৰাত্ৰি সকলো প্ৰকাৰৰ পূজা পাৰ্বন কৰিম। নবগ্ৰহৰ কৃপাত, মোৰ মন্ত্ৰৰ বলত তোৰ সকলো অশুভ কাটিব আৰু মনৰ কল্পনা সিদ্ধি হব।"

দ্বি স্বৰ্ণমুদ্ৰা! পণ্ডিত ভাস্কৰাচাৰ্য্যৰ কথাত দিগম্বৰৰ মূৰত যেন বজ্ৰপাতহে হ'ল। দিগম্বৰে নিজৰ দুখদুৰ্দশাৰ কথা পণ্ডিতক কলে। দ্বি-স্বৰ্ণমুদ্ৰাৰ বিনিময়ত দ্বি তাম্ৰমুদ্ৰা দিলে জানো নহব? অসমৰ্থ, অপাৰগ মানুহবোৰৰ বাবে শাস্ত্ৰত দেখোন এনে বহুত বিধি ব্যৱস্থাই আছে। সত্যনাৰায়ণৰ পূজাৰ বিধিতো গোধুমচুৰ্ণকৰ অভাৱত শালি তণ্ডুল দিয়াৰ দেখোন ব্যৱস্থা আছে।

পণ্ডিত ভাস্কৰাচাৰ্য্যই দিগম্বৰৰ কথাত আৰু কাকুতি মিনতিত অৱশেষত দ্বি তাম্ৰমুদ্ৰাতে গ্ৰহ পূজা কৰিবলৈ মান্তি হ'ল। মাত্ৰ স্বৰ্ণ নহলে নিতান্ত নহয় বাবে দুই গ্ৰহৰ বাবে দ্বি ৰতি পৰিমাণ স্বৰ্ণ দিবলৈ কলে আৰু পূজাৰ দক্ষিণাৰ বাবে এক ৰৌপ্য মুদ্ৰা খুজিলে। দিগম্বৰেও তেতিয়া বংমনে দ্বি ৰতি স্বৰ্ণ, দ্বি তাম্ৰমুদ্ৰা আৰু এক ৰৌপ্য মুদ্ৰা পণ্ডিত ভাস্কৰাচাৰ্য্যক গ্ৰহ পূজাৰ বাবে দি ঘৰলৈ ফিৰিল।

৪

ঈশ্বৰৰ কৃপাত এতিয়া দূষিত গ্ৰহবোৰৰ তুষ্টিৰ যেনিবা এটা ব্যৱস্থা লগোৱা হ'ল। এতিয়া গৃহ নিৰ্মাণৰ পৰিকল্পনা কৰিব লাগিল। প্ৰথমতে ঠিক কৰিব লাগিল ঘৰ উদয়গিৰিতে সজাব

নে দেৱপুৰতে সজাব। জ্যোতিষীয়ে কোৱামতে ছুয়োঠাইতে দিগম্বৰৰ ঘৰকা আস্তে মাটি আছে। উদয়গিৰিত থাকিবলৈ ভাল। ষড়ঋতুৰ গ্ৰীষ্ম ঋতু উদয়গিৰিত নাই। উদয়গিৰি ৰজাৰ ৰাজধানী। উদয়গিৰি ভোগ বিলাসৰ ঠাই। উদয়গিৰিত দিগম্বৰো ৰাজকাৰ্য্য কৰি থাকিব লগীয়া হৈছে। এতেকতে সকলোপিনৰ পৰা চাই দিগম্বৰে উদয়গিৰিতে গৃহ নিৰ্মাণৰ পৰিকল্পনা কৰিলে। পত্নী যশোধৰাই কিন্তু উদয়গিৰিত গৃহ নিৰ্মাণৰ পৰিকল্পনা শুনি জাপ মাৰি উঠিল। উদয়গিৰিত ঘৰৰ কি দৰ্কাৰ? ভৈয়ামৰ মানুহ ভৈয়ামত নাথাকি গিৰি শিখৰত বাস কৰাৰ কল্পনাও দেখোন কৰা টান। দেৱপুৰত ঘৰ হলে যশোধৰাই মাক পিতাক, বায়েক ভনীয়েক, ভিনিহি, ভনীজোৱাই, পেহা পেহী, মামা মামী, আদিক লগ পাই থাকিব পাৰিব আৰু মাজে মাজে তেওঁলোকো আহি যশোধৰাৰ লগত থাকিব পাৰিব। দিগম্বৰো মাক পিতাক, ককায়েক বৌয়েক, ভায়েক ভনীয়েক আদি মাজে মাজে আহি দিগম্বৰৰ ঘৰত থাকিব পাৰিব। উদয়গিৰিলৈ কোন আহিব? যশোধৰাৰ বুঢ়া মাক পিতাক, শহুৰ-শাহুৱেক উদয়গিৰিলৈ কিয় মৰিবলৈ আহিব? নিজৰ পবিত্ৰ ঠাইত হাৰ নেপেলাই এই ধৰ্মহীন অপবিত্ৰ ঠাইত মৰিবলৈ তেওঁলোক কিয় আহিব? আকৌ উদয়গিৰিত কাকে বা যশোধৰাই নিজৰ ঘৰ দেখুৱাই গৰ্ব কৰিব পাৰিব? ইপিনে বৃদ্ধেন্দ্ৰ ৰজাই ৰাজধানী এতিয়া উদয়গিৰিত পাতিছে সঁচা; কিন্তু ৰজাৰ এই কথাত প্ৰজাসকল অতিশয় ক্ষুণ্ণ আৰু ৰাজধানী পুনৰ দেৱপুৰলৈ স্থানান্তৰিত কৰিব লাগে বুলি চিঞৰো উঠিছে। গতিকে যশোধৰাৰ মতে ঘৰ যদি সজা হয় তেনেহলে সেই ঘৰ দেৱপুৰতে হব লাগিব।

দিগম্বৰে ঘৈণীয়েকৰ কথাত কলে, "দেৱপুৰত ঘৰ কেনেকৈ বন্ধা হব? উদয়গিৰিৰ পৰা মই দেৱপুৰত ঘৰ বান্ধিবলৈ লোহা লক্কৰ, শিল, বালি আদিয়ে বা কেনেকৈ গোটাওঁ আৰু মিস্ত্ৰীৰ কামৰে বা কেনেকৈ তত্ত্বাৱধান কৰো? গতিকে মোৰ মতে ঘৰ উদয়গিৰিতে হব লাগে। আকৌ আমিও থাকো উদয়গিৰিত। দেৱপুৰত কাৰ

ৰাবে ঘৰ সাজো ? দেৱপুৰত আমি ঘৰ সাজিম আৰু সেই ঘৰত মজা কৰি থাকিব আন মানুহ আৰু আমি উদয়গিৰিত 'সুখ কুটীৰত' বৰষুণৰ পানীত তিতি, গোবৰৰ গোন্ধ লৈ হাঁহ পাৰৰ দৰে থাকিম ? এইটো কেতিয়াও হব নোৱাৰে। গতিকে ঘৰ উদয়গিৰিতে হব লাগিব।"

যশোধৰাই কলে "দেৱপুৰত ঘৰ হলে আমি সেই ঘৰ আনক থাকিবলৈ দি তাৰ বিনিময়ত কমপক্ষেও দশ স্বৰ্ণমুদ্ৰা ভাৰা মাহে পাম। তেতিয়া আমি দ্বিস্বৰ্ণমুদ্ৰা ভাৰাৰ সুখকুটীৰ পৰিত্যাগ কৰি উদয়গিৰিতে পঞ্চস্বৰ্ণমুদ্ৰা ভাৰাত ডাঙৰ ঘৰ লৈ সুখতো থাকিব পাৰিম আৰু নিজৰ হাতলৈও মাহে পঞ্চ স্বৰ্ণমুদ্ৰা অতিৰিক্তকৈ আহিব।"

দিগম্বৰে কলে, "সেইটো বাৰু বুজিলো ; কিন্তু ইমান দূৰৈত মোৰ পক্ষে ঘৰ জানো সজোৱা সম্ভৱ হব ? মইতো নিজকে দুভাগ কৰি এভাগ দেবপুৰত আৰু এভাগ উদয়গিৰিত থব নোৱাৰোঁ।"

"কিয় ? ৰাজকাৰ্য্যৰ পৰা কেইমাহমান অৱসৰ লৈ দেৱপুৰতে থাকি দেখোন নিজেই ঘৰৰ সা সজুলি গোটাব পাৰিব আৰু মিস্ত্ৰীৰ কামো চাব পাৰিব ? তেনেকৈ দেখোন মোৰ সখি বসুন্ধৰাৰ গিৰিয়েকে দেৱপুৰত ঘৰ সাজিছে ?" যশোধৰাই কলে।

দিগম্বৰে তেতিয়া কলে "কথাটো কোৱাতহে সহজ, কামত খটোৱাত হলে সহজ নহয়। তোমাৰ সখি বসুন্ধৰাৰ গিৰিয়েক ধনী মানুহ। ৰাজকাৰ্য্যৰ পৰা কেইমাহমান নালাগে কেইবা বছৰো অৱসৰ লৈ ঘৰতে বহি থাকিলেও, নিজৰ সঞ্চিত ধনেৰে খাই বৈ থাকিব পাৰিব ; কিন্তু আমি দিন ভিক্ষা, প্ৰাণ ৰক্ষা কৰা মানুহ। ৰাজকাৰ্য্য কৰি মাহেকৰ মূৰত যি টকা পাওঁ তাৰে কোনোমতেহে খাই বৈ থাকো। ৰাজকাৰ্য্যৰ পৰা বিৰতি ললে কেনেকৈ খাই বৈ থাকিম ? মই নমৰোমানে ৰাজকাৰ্য্য অবিৰাম কৰিয়ে থাকিব লাগিব। ঘৰ বান্ধিবলৈ অৱসৰ লোৱাটো দূৰৈৰে কথা, শৰীৰ অসুখত জৰ্জৰিত হলেও, এমাহ অৱসৰ লৈ চিকিৎসালয়ত থাকি যে চিকিৎসা কৰাম তাৰো উপায় নাই।"

"বাৰু মই বুজিছো। আচল কাৰণ কি তাক বুজিবলৈ মোৰ বাকী নাই। উদয়গিৰিৰ ৰূপবতী গিৰিবালাক এৰি কিয় আন ঠাইত থাকিবলৈ যাব? আচল কথাটো কলেই হয়।" এই বুলি যশোধৰাই কান্দিবলৈ ধৰিলে।

"বালানাং ৰোদনং বলং"। শিশু আৰু নাৰীৰ ক্ৰন্দনেই বল। যশোধৰাই কান্দিবলৈ ধৰাত দিগম্বৰ একেবাৰে বিমূঢ় হ'ল। দিগম্বৰে তেতিয়া কলে "ছিঃ, ছিঃ, কি যে ভাবিছা? কিয় কান্দিছা? মানুহে শুনিলে কি ভাবিব? বাৰু দেৱপুৰতে আমাৰ ঘৰ হব। তোমাৰ সখি বসুন্ধৰাক সুধিবাছোন কোন মিস্ত্ৰীৰ হতুৱাই তেওঁলোকে দেৱপুৰত ঘৰ সজাইছিল। আমিও সেইজন মিস্ত্ৰীকে ঘৰ সাজিব দিম।"

দিগম্বৰৰ কথাত যশোধৰাই হাঁহিলে আৰু ঘৰ কেনে হব তাৰ আলোচনাত লাগিল।

৫

দিগম্বৰে কলে "আমাৰ মাটি অতি সামান্য। পণ্ডিত ভাস্কৰাচাৰ্য্যই কোৱাৰ দৰে খালি ঘৰকা আস্তে জমিন। পাচে বেচি মাটিৰে বা কি দৰ্কাৰ? মাটিত ঘৰতো বহিলেই হয়। আমিতো মাটি আৰু নাখাওঁ বা মৰিলে লগতো লৈ নাযাওঁ। মাটিত ঘৰহে বান্ধিম। কতজনে বহুত মাটিৰ অধিকাৰী হৈ কিমান অশান্তি ভুগিছে, কতজনে নিজৰ ভাই ককাইৰ ভিতৰতে মাটিলৈ হাই কাজিয়া, মুৰ ফটাফটি কৰিছে তাকতো আমি সদায়ে দেখি আছো। আকৌ মাটি যে বেচি লাগে লাগে কৰে, মৰাৰ পিচত বাৰু সেইবোৰ মানুহৰ কিমান মাটিৰ দৰ্কাৰ? মৰাশ পুৰিবলৈ বা কবৰ দিবলৈ ৬ বৰ্গফুটৰ বেচি মাটিৰ জানো দৰ্কাৰ?"

যশোধৰাই কলে "সেইবোৰ শিয়ালে আঙুৰ খাব নেপাই আঙুৰ টেঙা বুলি কোৱা কথা। মাটি বেচি হলে ঘৰ ডাঙৰ কৰিব পাৰি আৰু কত কি যে কৰিব পাৰি।"

দিগম্বৰে পত্নীৰ কথাত কলে "তুমি মোক শেষ কৰিব দিয়াচোন আগে। আমাৰ মাটি প্ৰায় একঠা বা ৩০০০ বৰ্গফুট। এজন মানুহক শুবলৈ কিমান মাটিৰ দৰ্কাৰ? বৰ শকত আৰু ওখ মানুহ হলেও ১১ বৰ্গফুটৰ বেচি মাটিৰ দৰ্কাৰ নহয়। কথাটো বোধকৰো সুবুজিলা? মানুহজন যদি ওখই ছয়ফুট আৰু পথালিয়ে ডুই ফুট হয় তেতিয়া মানুহজনক কেইবৰ্গফুট ঠাই লাগিব? ৬ পূৰণ ২ অৰ্থাৎ ১১ বৰ্গফুট নালাগিব জানো? এতিয়া আমাৰ ৩০০০ বৰ্গফুটত তেনে আকাৰৰ ১৫০ জন মানুহ দীঘল দি শুই থাকিব পাৰিব।"

"মানুহবোৰেতো গাত গা লগাই শুই নাথাকে। আকৌ ঘৰটতো কেৱল শুৱাঘৰ হলেইতো নহয়, পাক ঘৰ, চাকৰৰ ঘৰ, হাতমুখ ধুৱা ঘৰ, বহা ঘৰ, পঢ়া ঘৰ আদিও লাগিব।" যশোধৰাই কলে।

"তোমাক মাজতে মাত লগাব হাক দিছিলো নহয়?" দিগম্বৰে কলে। "আমাৰ পৰিয়ালত ১৫০ জন মানুহ নাই। আমি মাত্ৰ চাৰিটা প্ৰাণী। গতিকে প্ৰত্যেকৰ ভাগতে ৭৫০ বৰ্গফুটকৈ মাটি পৰিল। আকৌ ঘৰৰ চাৰিওফালে ফুল পুলি, শাক পাচলী আদি কৰৰ বাবে ৩০০০ বৰ্গফুট মাটিৰ ১৫০০ বৰ্গফুট খালি ৰাখিব পাৰা। তেতিয়া কেৱল ঘৰটো ১৫০০ বৰ্গফুটৰ হব আৰু সিয়ে আমাৰ চাৰিজনৰ বাবে যথেষ্ট হব।"

যশোধৰাই কলে "সেইটো কেতিয়াও নহব। মোৰ সখি বসুন্ধৰাৰ ঘৰটো ৪০০০ বৰ্গফুটৰ, সখি ৰূপৰেখাৰ ঘৰ ৩০০০ বৰ্গফুটৰ। গতিকে আমাৰ ঘৰ ১৫০০ বৰ্গফুটৰ হলে কেনেকৈ হব? আমাৰ ঘৰ অন্ততঃ সখি ৰূপৰেখাৰ ঘৰৰ সমান ডাঙৰ হব লাগিব। আকৌ আমি সদায়ে চাৰিটা প্ৰাণীয়ে হৈ থাকিম জানো? আমাৰ লৰাছোৱালী আৰু নহব জানো? আকৌ সুবলে বিয়া কৰালে সি তাৰ তিৰোতাক লৈ ক'ত থাকিব? দেৱযানীয়ে বিয়াৰ পাচত জোৱাইক লৈ আহিলে ক'ত থাকিব?"

দিগম্বৰে কলে "সেইবোৰ মই বুজিছোঁ; কিন্তু ৩০০০ বৰ্গফুট মাটিতে ৩০০০ বৰ্গফুটৰ ঘৰ এটা কেনেকৈ সজোৱা হয়? বজাৰ

আইনমতে ওচৰচুবুৰীয়াৰ সীমাৰ পৰাও হেনো অন্যূন ৩ ফুট ঠাই খালি এৰিব লাগে। বাৰু ৰবা! আমাৰ ৩০০০ বৰ্গফুট মাটিৰ ওপৰত অনন্ত আকাশ। আমাৰ ১৫০০ বৰ্গফুটৰ ঘৰটো দুতলা কৰিলে দেখোন আমাৰ ঘৰ ৩০০০ বৰ্গফুটৰ হয়, তিনিতলা কৰিলে ৪৫০০ বৰ্গফুটৰ, চাৰিতলাৰ কৰিলে ৬০০০ বৰ্গফুটৰ, এশ তলাৰ কৰিলে দেৰলাখ বৰ্গফুটৰ হয়। দেখিছা, ঈশ্বৰে আমাক কিমান দয়া কৰিছে। মূৰ্খ ইহে বেচি টকা খৰচ কৰি বেচি মাটি কিনে। কিন্তু বুদ্ধিমানে অলপ টকা খৰচ কৰি অলপ মাটি লৈয়ে সেই মাটিৰ পৰিমাণ বিনা খৰচে অনন্তগুণ কৰে। তোমাৰ সখি ৰূপৰেখাৰ ঘৰটোৰ সমান আমাৰ ঘৰটো ডাঙৰ কৰিব খুজিলে, আমাৰ ঘৰ হব লাগিব দুতলাৰ আৰু বসুন্ধৰাৰ ঘৰৰ সমান ডাঙৰ কৰিব খুজিলে সি তিনিতলাৰ হব লাগিব। চাৰিতলাৰ ঘৰ কৰিলে সেই ঘৰ বসুন্ধৰাৰ ঘৰতকৈও ভালেখিনি ডাঙৰ হব। আকৌ পণ্ডিত ভাস্কৰাচাৰ্য্যই আমাৰ ঘৰৰ চাৰিওপিনে বাগান নাথাকিব বুলি কৈছে। চাৰিওপিনে বাগানৰ কি দৰ্কাৰ? আমাৰ ঘৰৰ ওপৰতে ১৫০০ বৰ্গফুট ঠাইত তাহানি বেবিলন চহৰৰ আকাশী উদ্যানৰ দৰে উদ্যান সাজিম। ঘৰৰ ওপৰতে সুবলৰ উপনয়ন, দেৱযানীৰ বিয়া আদি মাঙ্গলিক কাৰ্য্য কৰিম আৰু নিমন্ত্ৰিত মানুহক শোধপোছ কৰি খুওৱাধুওৱা কৰিম। এতিয়া কোৱা, কিমান ডাঙৰ ঘৰ লাগে? আমি ওপৰলৈ বিস্তৃত হলে যে আমি যিমান ইচ্ছা তিমান ডাঙৰ ঘৰ তৈয়াৰ কৰিব পাৰিম, এই সামান্য কথাটোও কিয় মোৰ মূৰত খেলোৱা নাছিল তাতেহে আচৰিত হৈছোঁ।"

"বাৰু হৈছে, হৈছে, আপুনি আৰু পণ্ডিতালি কৰিব নালাগে। আপুনি যে কোনো কামৰ লায়ক নহয়, তাক আপোনাৰ কথাৰ পৰাই বুজিলো। বোলো পণ্ডিত, ঘৰ যিমানেই ডাঙৰ কৰা যায়, তিমানেই জানো বেচি টকাৰো দৰ্কাৰ নহব? ঘৰ ওপৰলৈ বিস্তৃত হওক বা পথালিয়ে বিস্তৃত হওক, টকাৰো জানো ঘৰৰ বিস্তৃতিৰ লগে লগে বিস্তৃতি হব নালাগিব?"

"এৰা সেইটো সঁচা। তেনেহলে কি উপায়? আমাৰ তো হাতত মুঠেই টকা নাই। ৰজাক প্ৰাৰ্থনা কৰিলে হয়তো দুশ স্বৰ্ণমুদ্ৰা ধাৰ দিব পাৰে; কিন্তু তাৰে তো ডাঙৰ ঘৰ নহব?"

যশোধৰাই কলে "সেইবাবেতো তিনিতলা, চাৰিতলা, পাচতলা ঘৰ বন্ধাৰ কল্পনা কৰিব হাক দিছোঁ। সখি ৰূপৰেখাৰ ঘৰৰ সমান আমাৰ ঘৰ যেতিয়া ডাঙৰ হব লাগিব, আমাৰ ঘৰ দুতলাৰ হব লাগিব। এতিয়া এই বিষয়ে সুদক্ষ কাৰিকৰৰ হতুৱাই নক্সা আদি কৰক। মনত ৰাখিব একেটা ঘৰৰ ভিতৰতে শুৱা, বহা, ৰন্ধামিলা, খোৱাবোৱা আৰু হাতমুখ ধুৱাৰ বন্দবস্তু থাকিব লাগিব। সুবল আৰু দেৱযানীৰ পঢ়াবো বন্দবস্ত তাত থাকিব লাগিব আৰু সিহঁতৰ প্ৰত্যেকৰ বাবে বিভিন্ন শুৱা কোঠাবো দৰ্কাৰ হব। আকৌ স্নানঘৰত গৰম পানী, শীতল পানী আৰু সুগন্ধি আতৰৰ নিজৰা থাকিব লাগিব। বেশভূষা কৰা ঘৰৰ বেৰত বৃহৎ বৃহৎ আয়না লগাব, যাতে মই নিজকে মূৰৰ পৰা ভৰিলৈকে সম্পূৰ্ণকৈ দেখো আৰু ইচ্ছা কৰিলেই যাতে আয়নাত মোৰ শত প্ৰতিবিম্ব দেখিব পাৰোঁ তাৰো ব্যৱস্থা কৰিব।"

যশোধৰাৰ কথাত দিগম্বৰে কলে "ইমানবোৰ ব্যৱস্থাৰ কিয় দৰ্কাৰ? আমি দেখোন আমাৰ ঘৰটো ভাৰা দি উদয়গিৰিতে ভাৰাৰ টকাৰে ডাঙৰ ঘৰ ভাৰা লৈ থকা কথা?"

"আপুনি যে নজনা, একেবাৰেই একো নজনা। আমি জানো উদয়গিৰিতে সদায় থাকিম? আপুনি কামৰ পৰা অৱসৰ ললে আমি উদয়গিৰিত থাকিম নে দেৱপুৰত থাকিম? নিজৰ ঘৰ হলে ল'ৰাছোৱালী হাল লৈ মই দেৱপুৰতো গৈ থাকিব পাৰোঁ। আপুনি তেতিয়া উদয়গিৰিতে বৰলা কাজকৰ্মচাৰীবোৰৰ লগত অতি কম খৰচতে থাকিব পাৰিব। সেইবোৰ যিয়ে নহওক, ঘৰ সজাৰ লগে লগে এইবোৰৰ বন্দবস্ত নকৰিলে পিচত জানো কৰা সম্ভৱ হব? ৰাজধানীও উদয়গিৰিত বেচিদিন নাথাকে এই কথা নিশ্চয় জানিব; আৰু যদি নিতান্ত থাকেও, আমাৰ ঘৰটো হলে মন্ত্ৰীক ধৰিমেলি

আপুনি দেৱপুৰলৈ বদলি হব। নিজৰ ঘৰত থাকি তেতিয়া আমাৰ কিমান যে ভাল নালাগিব ?"

দিগম্বৰে যশোধৰাৰ কথাত বৰ ভাল পালে আৰু যশোধৰাৰ সুপৰিকল্পনাবোৰ শলাগিলে। দিগম্বৰে ভাবিলে তাহানি দিল্লীৰ বাদচাহৰ বেগমসকলৰ স্নান ঘৰৰ দৰে তেওঁৰো স্নান ঘৰ হব লাগিব। গোলাপ জল পদুম জল, আদি স্নানৰ পানীৰ লগত মিহলি হৈ স্নান ঘৰ আমোল মোলাই পেলাব লাগিব। সুবাসিত তৰল চাবোনৰ ধাৰা দৰ্কাৰ মতে বব লাগিব। দৰ্কাৰমতে গৰম আৰু শীতল পানী পাব লাগিব। বেশভূষা কৰা ঘৰৰ বেৰ বোৰত বৃহৎ বৃহৎ আয়না থাকিব; নানা-ৰঙৰ প্ৰদীপ জ্বলাৰ তাত বন্দবস্ত থাকিব, যাতে প্ৰিয়তমা পত্নী যশোধৰাই তেওঁৰ সুন্দৰ বিনন্দীয়া ৰূপৰ শৰীৰটোৰ হাজাৰ প্ৰতিবিম্ব ৰঙা, নীলা, সেউজীয়া নানা ৰঙৰ প্ৰদীপৰ শিখাৰ পোহৰত নানা ৰঙত দেখা পায়। আকৌ ঘৰৰ ওপৰৰ উদ্যানত নানা ফুল জকমকাই ফুলি থাকিব। বৃহৎ বৃহৎ ছত্ৰ আকৌ সেই উদ্যানৰ ঠাইয়ে ঠাইয়ে মেলা থাকিব, যাতে দিগম্বৰ আৰু যশোধৰাই সকলো সময়তে উদ্যানৰ শোভা উপভোগ কৰিব পাৰে। জাৰকালি নিজৰ ঘৰৰ ওপৰতে সুগন্ধি তেল গাত ঘঁহি ৰৌদ্ৰ স্নান কৰি কিমান যে ভাল নালাগিব! বৰষুণ বতৰতো ছত্ৰৰ তলত পাৰি থোৱা আসনত বহি আকাশৰ মেঘবোৰলৈ ময়ুৰ পক্ষীৰ দৰে চাই থাকি কিমান যে আনন্দ নলভিব! দিগম্বৰে ইয়াৰ পিচত ভাবিলে অৰ্থৰ কথা। দুশ স্বৰ্ণমুদ্ৰাৰে জানো ইমানখিনি কৰা সম্ভৱ হব? বাৰু সেইটো যি হয় হব। বৰ্তমানে কল্পনা কৰিও যদি সুখ পোৱা যায়, তেনেহলে সেই কল্পনা কৰাত কি দোষ? আকৌ সুখ! সুখ কি? সুখ জানো মনৰ অৱস্থা নহয়? দিগম্বৰে যদি নিমখ ভাত খাইয়ে পঞ্চামৃত খোৱাৰ সুখ পায়, ঘৰ নৌ হওঁতেই যদি বাদচাহ থকাৰ দৰে থকা যেন পায়, তেনেহলে দিগম্বৰেই প্ৰকৃততে পঞ্চামৃত খাইছে আৰু বাদচাহ থকাৰ দৰে আৰামো কৰিছে। বাৰু সেইবোৰ যাওক, বৰ্তমানে বিশ্বকৰ্মা সদৃশ নিপুণ

কাৰিকৰ জগমোহনৰ ওচৰলৈ গৈ ঘৰৰ এখন নক্সা কৰিব লাগিব।

৬

জগমোহন বৃদ্ধীন্দ্ৰ ৰজাৰ নতুন অট্টালিকা, মন্দিৰ, ৰাস্তা, ঘাট আদি নিৰ্মাণ কৰিবৰ বাবে যি বিভাগ আছে, সেই বিভাগৰে এজন কৰ্মচাৰী। জগমোহনৰ কাম হ'ল নতুন অট্টালিকা মন্দিৰ আদিৰ নক্সা অঁকা। দিগম্বৰৰ লগত জগমোহনৰ বন্ধুত্ব বহুদিন আগৰে পৰা আছে। দিগম্বৰে জগমোহনৰ কুশল সংবাদ আদি সোধাৰ পিচত নিজৰ উদ্দেশ্য বেকত কৰিলে। জগমোহনে দিগম্বৰৰ পৰা সকলো শুনি কলে "বন্ধু, মোৰ ৰাজকীয় কাম ইমান বেচি যে অন্য কাম কৰিবলৈ সামান্য অৱসৰো নাপাওঁ। দেখিছাই নহয়, মোৰ স্বাস্থ্য অতিৰিক্ত পৰিশ্ৰমৰ ফলত দিনক দিনে বেয়াহে হৈ গৈছে। যিয়েই নহওক, মোৰ তলতে হৰগোবিন্দ নামৰ এজন নতুন ডেকা ল'ৰাই আজি কেইমাহ মানৰ পৰা কাম কৰিছে। ল'ৰাজন ভাল, কামকাজো জানে। তোমাৰ ঘৰৰ নক্সা তাৰ হতুৱাই কৰাই দিম। পাচে এটা কথা—ল'ৰাজন দুখীয়া। তুমি নক্সা নিৰ্মাণৰ কাৰণে অলপ বানচ দিব লাগিব। সাধাৰণতে ঘৰৰ খৰচৰ শতকৰা ৫ ভাগ আমি নক্সা তৈয়াৰীৰ বাবে লওঁ। তুমি কোৱামতে তোমাৰ ঘৰ দুতলাৰ হব আৰু দুয়োতলাৰে মজিয়াৰ মুঠ কালি হব ৩০০০ বৰ্গফুট। প্ৰতি বৰ্গফুটত এক স্বৰ্ণমুদ্ৰাৰ পাঁচভাগৰ এভাগ খৰচ পৰিব বুলি ধৰিলে, তোমাৰ ঘৰত মোটামুটি খৰচ পৰিব ৬০০ স্বৰ্ণমুদ্ৰা। তাৰে শতকৰা ৫ ভাগ অৰ্থাৎ ৩০ স্বৰ্ণমুদ্ৰা তুমি নক্সা তৈয়াৰীৰ বাবে দিব লাগিব।"

জগমোহনৰ কথাত দিগম্বৰ উচপ খাই উঠিল। দিগম্বৰে কলে "বন্ধু, তুমি আচৰিত কৰিলা। দেৰকুৰি স্বৰ্ণমুদ্ৰাৰ বহু কমতে মই দেৱপুৰৰ বিখ্যাত কাৰিকৰৰ পৰা নক্সা কৰাই আনিব পাৰোঁ।

নতুনকৈ কামত সোমোৱা হৰগোবিন্দক নক্সা কৰা বাবদ দেৰকুৰি স্বৰ্ণমুদ্ৰা দিয়াৰ কি কথা কৈছা ?”

জগমোহনে দিগম্বৰৰ কথাত কলে “তুমি অলপ মানতে জকি উঠা। মই আমাৰ নিয়মৰ কথাহে কৈছোঁ। তুমি মোৰ বন্ধু। তুমি দেৰকুৰি স্বৰ্ণমুদ্ৰা কিয় দেৰকুৰি তাম্ৰমুদ্ৰাকে নিদিবা। পাচে হৰগোবিন্দ বৰ দুখীয়া ল’ৰা। নতুনকৈ কামত সোমাইছে আৰু মাহে মাত্ৰ দুই স্বৰ্ণমুদ্ৰা বেতন পায়। এই সামান্য বেতনৰে সি নিজেই বা কেনেকৈ খাই বৈ থাকে আৰু ঘৰতে বা কেনেকৈ মাক পিতাক ভনীয়েকহঁতক পোহপাল দিয়ে ? সেইবাবেই তুমি নক্সা কৰা বাবদ মাত্ৰ দুই স্বৰ্ণমুদ্ৰা দিবা। বুজিছা টকা খৰচ কৰিবলৈ কৃপণতা কৰিলে কাম কেতিয়াও ভাল নহয়। কবিৰাজৰ কথাকে চোৱা। বিনা পইচাই কবিৰাজ আনি ঘৰত চিকিৎসা কৰিলে বেমাৰ কেতিয়াও বেগেতে ভাল নহয়। পইচা খৰচ কৰি কবিৰাজ আনিলে ৰোগ সোনকালে ভাল হয়। গতিকে এনেবোৰ কথাত কৃপণতা নকৰি তুমি দুই স্বৰ্ণমুদ্ৰা ঘৰৰ নক্সাৰ বাবে দিয়া। মই হৰগোবিন্দৰ হতুৱাই ঘৰৰ নক্সা কৰাই দিম।”

জগমোহনৰ কথাত দিগম্বৰে তেতিয়া কলে “বাৰু সেইয়ে হব ; কিন্তু চাবা ঘৰৰ নক্সা যাতে এসপ্তাহৰ পাচতে পাওঁ। যশোধৰাই কোৱামতে একেটা ঘৰতে শুৱা, বহা, ৰন্ধা, খোৱা, হাতমুখ ধুৱা, স্নানকৰা, বেশভূষা কৰা, ল’ৰাছোৱালীয়ে পঢ়া আদি সকলোৰে বন্দবস্ত থাকিব লাগিব। আৰু এটা কথা। মই এইটো কথা যশোধৰাকো কোৱা নাই। তুমিও কাৰো আগত প্ৰকাশ নকৰিবা। তুমি বোধকৰো জানা, মই ছবি আঁকিবলৈ বৰ ভাল পাওঁ। মোৰ চখৰ ভিতৰত এইটোৱে একমাত্ৰ চখ। কিন্তু সুবিধা নোপোৱাত এই চখ চখেই হৈ আছে। আজি অত বছৰ ই মনৰ গোপন কোণতে লুকাই আছে, বাহিৰত প্ৰকাশ হব পাৰা নাই। এতিয়া নিজৰ ঘৰ যেতিয়া হবৰ উপক্ৰম হৈছে আৰু সেইঘৰত ল’ৰাছোৱালী তিৰোতা সকলোৰে সা সুবিধাৰ বন্দবস্ত হব, সেই

সুযোগতে মোব চখ মিটোৱাবো এটা বন্দৱস্ত কবি লোৱা ভাল। গতিকে ঘৰৰ নক্সা কৰোতে মোৰবাবেও এটা ছবি আঁকা কোঠাৰ বন্দৱস্ত কৰিবা। এনে ঠাইত আৰু এনে ধৰণে কোঠাটোৰ বন্দৱস্ত কৰিবা যাতে দিনত সূৰ্য্যৰ আৰু ৰাতি চন্দ্ৰমাৰ স্নিগ্ধ পোহৰ কোঠা-টোত চাৰিওপিনৰ পৰা সোমাব পাৰে; আৰো সেই কোঠাটোৰ অৱস্থানো এনে হব লাগিব যাতে কোনেও সময়ে অসময়ে আহি মোক আমনি কৰিব নোৱাৰে। মই নিঃকিন কলাৰ পূজাৰীয়ে নিৰবে যাতে কলাৰ সাধনা কৰিব পাৰোঁ।"

"বাৰু সেইটো হব। তুমি কলাৰ পূজাৰী বুলি মই অৰশ্যে আজিহে জানিলো।" জগমোহনে কলে।

দিগম্বৰে এই কথাত কলে "মানুহে এই কথা নাজানে। ঘৰতো নাজানে। মোৰ পাচে এইটো বৰ চখ। আজিলৈ কিন্তু কলাৰ সাধনা কৰিবলৈ একো সুবিধাকে পোৱা নাই। এতিয়া ঈশ্বৰৰ কৃপাত নিজৰ ঘৰটো হলে জীৱনৰ বাকী দিনকেইটা কলাৰ সাধনা কৰিয়ে কটাম বুলি ভাবিছোঁ। আৰো এটা কথা। যশোধৰাই কৈছে ঈশ্বৰেহে হেনো সকলোৰে মূল। ঈশ্বৰ যাতে সদায় সন্তুষ্ট থাকে তাৰো এটা ব্যৱস্থা কৰিবলৈ যশোধৰাই কৈছে অৰ্থাৎ দুতলাৰ ওপৰত আৰু এটা সৰু কোঠা কৰিবলৈ কৈছে। সেই কোঠাত লক্ষ্মী-নাৰায়ণৰ মূৰ্তি থাকিব, পুৱা গোধূলি তাত চাকি জ্বলিব। পূজা আহ্নিক সন্ধ্যা গায়ত্ৰী আদিও সেই কোঠাটোতে আমি কৰিম। এতিয়া এই উদয়গিৰিৰ আমাৰ 'সুখকুটীৰত' এই বোৰৰ বাবে কোনো বন্দৱস্ত নথকাত, লক্ষ্মীৰ মূৰ্তি পাক ঘৰৰ চাঙৰ ওপৰত ৰাখিব লগা হৈছে আৰু সন্ধ্যা গায়ত্ৰী বিছনাৰ ওপৰতে বহি কৰিব লগীয়া হৈছোঁ।"

জগমোহনে কলে, "বাৰু সেই বোৰ হব। মই তোমাৰ ঘৰৰ নক্সা এনেদৰে কৰিম যে তাত স্বয়ং বিশ্বকৰ্মাইও খুত ধৰিব নোৱাৰিব। তুমি ৭ দিন পাচত খবৰ কৰি নক্সা লৈ যাবা।"

সাতদিন পাচত দিগম্বৰ জগমোহনৰ ওচৰলৈ গল। জগমোহনে

কলে "এইয়া লোৱা তোমাৰ ঘৰৰ নক্সা! চোৱা কেনে চকুত লগা হৈছে। তোমাৰ মাটি বৰ কম। তথাপি চোৱা কম মাটিতে কেনে চকুত লগা ঘৰৰ নক্সা কৰা হৈছে। তুমি নকলেও তোমাৰ ঘোঁৰাৰ গাৰী ৰাখিবলৈ ঘৰত বন্দৱস্ত কৰা হৈছে। ভৃত্য সকলৰ থকা কোঠাও একেটা ঘৰৰ ভিতৰতে কৰি দিয়া হৈছে। এইবোৰ সকলো কৰা সত্বেও ঘৰৰ আয়তন বেচি বাঢ়া নাই। দুয়ো তলাকে ধৰি সমুদায় মজিয়াৰ কালি মাত্র ৩৪০০ বৰ্গফুট হৈছে। তোমাৰ ছবি অঁকা কোঠা ওপৰ তলাত কৰা হৈছে। এই কোঠাত তুমি যেনেকৈ পোহৰ পাবা, তেনেকৈ গা জুৰ কৰা বতাহো পাবা আৰু দূৰৈৰ লোহিত্যৰ দৃশ্যও ইয়াৰ পৰা উপভোগ কৰিব পাৰিবা। অথচ ইয়াৰ অৱস্থানো এনে ঠাইত যে তোমাৰ ঘৰৰ ভিতৰত এশ মানুহে নাম কীৰ্ত্তন কৰি থাকিলেও তুমি গম নাপাবা। তোমাৰ পত্নী যশোধৰাইও এই কোঠাত ঘনাই সোমাই তোমাক আমনি দিব নোৱাৰিব। ভালেমান কছৰৎ কৰিহে তোমাৰ পত্নী এই কোঠাত সোমাব পাৰিব। আকৌ ইয়াৰ দুৱাৰ খিৰিকীবোৰো এনে ধৰণে কৰা হৈছে যে তুমি আৰু তোমাৰ পত্নী যদি ইয়াৰ ভিতৰত মধুৰ বিশ্ৰম্ভালাপতো ব্যস্ত থাকা তেনেহলেও আনে নাজানিব। ইয়াৰ ভিতৰত থাকি তুমি আনক দেখিবা, আনে হলে তোমাক নেদেখে। দেখিছা কেনে বাহাদুৰি!"

দিগম্বৰে নক্সাটো দেখি বৰ ভাল পালে আৰু দুই স্বৰ্ণমুদ্ৰা জগমোহনক দি নক্সাটো লৈ লৰালৰিকৈ ঘৰলৈ গৈ পত্নী যশোধৰাক দেখুৱালে। যশোধৰাই নক্সাটো কিছুসময় নিৰিক্ষণ কৰি চালে আৰু দিগম্বৰক স্নান ঘৰ, বেশভূষা কৰা ঘৰ, গোসাইৰ ঘৰ আদিৰ বন্দৱস্ত কৰা হৈছে নে সুধিলে। দিগম্বৰে হোৱা বুলি কোৱাত যশোধৰাই নক্সা ঠিক হোৱা বুলি সম্মতি দিলে। ইয়াৰ পিচত যশোধৰাই ঘৰৰ নক্সা সখিয়েক বসুন্ধৰা, ৰূপৰেখা আদিক দেখুৱালে। সকলোৱে নক্সা ভাল বুলি শলগাত সেই নক্সামতেই ঘৰ নিৰ্মাণ কৰাৰ ঠিক হ'ল।

যশোধৰাৰে সখিয়েক বসুন্ধৰাৰ ঘৰ সজা মিস্ত্ৰী আলিমুদ্দিনকে দিগম্বৰৰো ঘৰ নিৰ্মাণ কৰা কাৰ্য্যত নিয়োগ কৰা ঠিক হ'ল। বসুন্ধৰাই যশোধৰাক আলিমুদ্দিন বিশ্বাসী আৰু কামকাজত খুব ভাল মিস্ত্ৰী বুলি কৈছিল। দিগম্বৰকো বিশ্বাসী মিস্ত্ৰীৰ দৰকাৰ; কাৰণ উদয়গিৰিত থাকি দেৱপুৰত ঘৰ সজাব গলে সকলো কথাতে যে মিস্ত্ৰীৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব সি ঠিক। মিস্ত্ৰীয়ে ঠগাওঁ বুলিলে এনেক্ষেত্ৰত ঠগোৱা একেবাৰে সহজ। এই দুনীয়াত বিশ্বাসী সজলোকৰ অভাৱ হলেও, দুই এজন তেনে মানুহ আছে আৰু বসুন্ধৰাৰ মতে আলিমুদ্দিনো তেনে এজন মানুহ। সাতে পাচে আলিমুদ্দিন মিস্ত্ৰীকে দিগম্বৰে নিয়োগ কৰাব ঠিক কৰিলে আৰু ঘৰ বন্ধাৰ সকলো বন্দবস্ত কৰিবলৈ দিগম্বৰ এদিন দেৱপুৰলৈ যাত্ৰা কৰাব স্থিৰ কৰিলে।

দেৱপুৰলৈ যাত্ৰা কৰাৰ আগতে আৰু এটা কথা যশোধৰাৰ লগত স্থিৰ কৰাৰ প্ৰয়োজন। কথাটো হ'ল—দেৱপুৰত নতুনকৈ যি ঘৰ হব সেই ঘৰ কাৰ নামত হব? নতুন ঘৰটো দিগম্বৰৰ নামতে হোৱা উচিত নে যশোধৰাৰ নামতে হোৱা উচিত নে সুবল বা দেৱ-যানীৰ নামতে হোৱা উচিত? দেৱপুৰৰ মাটি টুকুৰা অৱশ্যে দিগম্বৰৰ নামতে আছে। গতিকে ঘৰটোও দিগম্বৰৰ নামতে স্বভাৱতে হোৱা দৰ্কাৰ। পিচে দিগম্বৰৰ নামত ঘৰ হলেও লেঠা। কাৰণ বুদ্ধীন্দ্ৰ ৰজাৰ আইন অনুসৰি যিবোৰ মানুহৰ আয় মাহে ১০ স্বৰ্ণমুদ্ৰাৰ অধিক সেইবোৰ মানুহে দহ স্বৰ্ণমুদ্ৰাৰ অতিৰিক্ত আয়ৰ শতকৰা ৫০ ভাগ ৰজাক দিব লাগে। দিগম্বৰে ৰাজকাৰ্য্য কৰি বেতন পায় মাহে ১১ স্বৰ্ণমুদ্ৰা। ৰজাৰ আইনমতে দহ স্বৰ্ণমুদ্ৰাৰ অতিৰিক্ত আয় দুই স্বৰ্ণমুদ্ৰাৰ আধা এক স্বৰ্ণমুদ্ৰা ৰজাক আয়কৰ হিচাবে দি আছে। দিগম্বৰৰ বেতন নামত ১১ স্বৰ্ণমুদ্ৰা হলেও

প্ৰকৃততে ১১ স্বৰ্ণমুদ্ৰাহে ঘৰলৈ আহে। এতিয়া দেৱপুৰৰ ঘৰটো দিগম্বৰৰ নামত হ'লে আৰু সেই ঘৰৰ ভাৰা মাহে ১০ স্বৰ্ণমুদ্ৰা হ'লে, দিগম্বৰৰ আয় হ'ব মাহে ২১ স্বৰ্ণমুদ্ৰা ! গতিকে ৰজাৰ আইন অনু-সৰি দিগম্বৰে ৰজাক আয়কৰ হিচাবে ৬ স্বৰ্ণমুদ্ৰা দিব লাগিব। দিগম্বৰে গতিকে নতুন ঘৰৰ পৰা প্ৰকৃততে ৫ স্বৰ্ণমুদ্ৰাহে পাব আৰু যশোধৰাৰ কথামতে সুখকুটীৰ এৰি ৫ স্বৰ্ণমুদ্ৰা ভাৰাত ডাঙৰ ঘৰ এটাত থাকিব খুজিলে, নতুন ঘৰৰ পৰা কোনো আয়ে দিগম্বৰৰ নহ'ব। এতিয়া নতুন ঘৰটো দিগম্বৰৰ নামত নকৰি যশোধৰাৰ নামত কৰিলে ঘৰৰ ভাৰা দহ স্বৰ্ণমুদ্ৰা যশোধৰাই পাব আৰু দিগম্বৰৰ আয় মাহে ১২ স্বৰ্ণমুদ্ৰাই থাকিব। দহ স্বৰ্ণমুদ্ৰা আয় হ'লে ৰজাক কোনো আয়কৰ দিব নালাগে। গতিকে যশোধৰাৰ নিজা অন্য আয় নাই দেখি, ৰজাক যশোধৰাই কোনো আয়কৰ দিব নালাগিব আৰু নতুন ঘৰৰ ভাৰা দহ স্বৰ্ণমুদ্ৰা যশোধৰাৰ হাততে বৈ যাব। দিগম্বৰে জানে বহুতো ৰাজকৰ্মচাৰীয়ে এইদৰে সা সম্পত্তি ঘৈণীয়েক বা নিজৰ সন্তানৰ নামত কৰি আয়কৰৰ পৰা অব্যাহতি পাইছে। আকৌ ১২ স্বৰ্ণমুদ্ৰা বেতন পোৱা দিগম্বৰে ৬০০ বা ৭০০ স্বৰ্ণমুদ্ৰাৰ ঘৰ সাজিলে শত্ৰুয়ে দিগম্বৰে প্ৰজাৰ পৰা উপঢৌকন খোৱা বুলি ৰজাকো লগাব পাৰে ; কিন্তু যশোধৰাৰ নামত ঘৰ হ'লে শত্ৰুয়ে 'বা বা, বু বা,' কৰিলেও ৰজাই একো কৰিব নোৱাৰিব ; কাৰণ দিগম্বৰে কব যশোধৰাই পিতাকৰ পৰা টকা আনি বা বিয়াত পোৱা সোণ আদিৰে ঘৰ নিৰ্মাণ কৰিছে। যশোধৰাৰ নামত ঘৰ হ'লে এইবোৰ নানা সুবিধা হ'ব বুলি ভাবি দিগম্বৰে মনৰ কথা গোপন কৰি যশোধৰাক কলে,

"যশোধৰা, মই ঘৰ নিৰ্মাণৰ সকলো দিহা ভৰষা কৰিবলৈ কাইলৈ প্ৰত্যুষতে দেৱপুৰলৈ যাত্ৰা কৰিম বুলি ভাবিছোঁ। দেৱপুৰত আলিমুদ্দিন মিস্ত্ৰীক লগধৰি তেওঁৰ লগত ঘৰ নিৰ্মাণৰ চুক্তি কৰিম। আকৌ দেৱপুৰৰ পৌৰ সভাৰ পৰাও গৃহনিৰ্মাণৰ অনুমতি পত্ৰ লব লাগিব। পৌৰসভাৰ সভাপতিলৈ গৃহনিৰ্মাণৰ অনুমতি

খুজি দৰ্খাস্ত কৰিব লাগিব আৰু ইয়াতো বজাক আমি ঘৰ নিৰ্মাণ কৰিব ধৰা কথাটো জনাই থব লাগিব। পাচে এটা কথা। মই ভাবিছো নতুন ঘৰটো তোমাৰ নামতে হওক। তুমি মোৰ প্ৰাণৰ প্ৰিয়তমা। ঘৰ যে আমাক লাগে এই কথাটোও প্ৰথমতে তোমাৰ মনতহে খেলাইছিল। ঘৰৰ স্থান, নক্সাৰ পৰিকল্পনা আদিও তোমাৰে। গতিকে ঘৰটোও তোমাৰেই নামত হওক। মোৰ নামৰ মাটিটুকুৰাও তোমালৈ মোৰ প্ৰেমৰ অকৃত্ৰিম নিদৰ্শন স্বৰূপে তোমাক দান কৰি দিম। দেৱপুৰতে এই দান পত্ৰ কৰিব পাৰিম।"

যশোধৰাই কলে "সেইটো কেতিয়াও নহব। ঘৰ মাটি মোক কিয়? তিৰোতাৰ স্বামীয়ে সৰ্বস্ব। স্বামীবিনে তিৰোতাৰ ধন সম্পত্তি সকলো বিফল। ঘৰ আমাক সকলোৰে থাকিবলৈ লাগে; কিন্তু ঘৰৰ মালিক আপুনিয়েই। ঘৰ আপোনাৰ নামতে থাকিব। মই মাত্ৰ আপোনাৰ দাসী হৈ আপোনাৰ চৰণ সেৱা কৰি থাকিব পাৰিলেই হয়।"

দিগম্বৰে তেতিয়া কলে "ঘৰ তোমাৰ নামত হলে বহুত সুবিধা আছে। কেৱল প্ৰেমৰ বাবেই মই তোমাৰ নামত ঘৰ মাটি লিখি দিব খোজা নাই। সেই বোৰ কাৰণ তোমাক কোৱাও টান, বুজোৱাও টান। গতিকে মই যি ভাল দেখিছো তাতে তুমি সন্মত হোৱা উচিত।"

"প্ৰেমৰ বাবে যে ঘৰমাটি মোৰ নামত লিখি দিব খোজা নাই তাক মই আগতেই বুজিছিলো। এতিয়া নিজেও স্বীকাৰ কৰিলে। পিছে আপোনাৰ সকলো কথা শুনিলেও এইটো কথা মই শুনিব নোৱাৰো। মোক ঘৰমাটি কিয়? মানুহে কি ভাবিব? আপোনাৰ ভাই ককায়ে কি ভাবিব? আপোনাক বুদ্ধি দি মইয়ে নিজৰ নামত ঘৰমাটি লিখাই লোৱা বুলি আপোনাৰ ভাই ককায়ে মোকে দুষিব। তেওঁলোকে কব—আমি ভাই ককাই সকল ইমান দিনে মিলেই আছিলো। এই তিৰোতাজনী ঘৰ সোমোৱাৰ পৰাহে এতিয়া আমাৰ মিলাপ্ৰীতি নোহোৱা হৈছে। এইজনী

ঘৰ সোমাইহে এতিয়া ঘৰ ভাঙিলে। আপুনিয়ে যে নিজেই উপযাচী এইবোৰ কৰিছে এই কথা কোনেও বিশ্বাস নকৰিব। গতিকে ঘৰ মাটি মোৰ নামত কেতিয়াও হ্ব নোৱাৰিব।"

সুবল আৰু দেৱযানীয়ে মাক পিতাকৰ কথা শুনি আছিল। সুবলেই কলে "পিতা, পিতা, ঘৰ মোৰ নামত হব লাগিব। পাচে তাত মই খেলাকৰিবলৈ এটুকুৰা ঠাইৰ বন্দৱস্ত থাকিব লাগিব। ইয়াত ইমান অকণমান ঠাই। লুকাভাকু খেলিবলৈকেও ইয়াত ঠাই নাই।"

দেৱযানীয়ে কলে, "ঘৰ তোৰ নামত কেনেকৈ হব? মইহে ডাঙৰ। ঘৰ মোৰ নামত হব লাগিব।"

সুবলে কলে "ইচ, তোৰ দেখোন বিয়া হলে তই গুচিয়ে যাবি? তোক ঘৰ কিয়?"

দেৱযানীয়ে কলে "তই পাঁচবছৰীয়া ল'ৰাটোক নো ঘৰ কিয়? তই হবলা বিয়া নকৰাবি?"

সুবলে বায়েকৰ কথাত খঙ উঠি বায়েকক ভুকু এটা মাৰি দিলে। দেৱযানীয়ে কান্দিব ধৰিলে।

দিগম্বৰে তেতিয়া কলে, "বাৰু তহঁতে কাজিয়া নকৰিবি। ঘৰটো দুমহলীয়া। তলৰ মহলা দেৱযানীৰ আৰু ওপৰৰ মহলা সুবলৰ হব।"

পিতাকৰ কথাত দেৱযানীয়ে তেতিয়া আৰু বেচিকৈ কান্দিব ধৰিলে আৰু কান্দি কান্দি কলে, "মোক ঘৰ নালাগে। পিতাই সুবলকহে ভাল পায়। সি দোষ কৰিলেও মোকহে মাৰে। এতিয়া সুবলক ভাল পাই দেখি তাক ওপৰৰ মহলা দিছে আৰু মোক তলৰ মহলা দিছে। মোক ঘৰ নালাগে।"

যশোধৰাই তেতিয়া কলে, "তহঁত সৰু ল'ৰাছোৱালীয়ে এই বোৰ লৈ কিয় কাজিয়া কৰিছ? ওপৰৰ মহলাৰে আধা দেৱযানীৰ আধা সুবলৰ। সেইদৰে তলৰ মহলাৰো আধা দেৱযানীৰ আধা সুবলৰ। এতিয়া হলতো? এতিয়া ইয়াৰ পৰা যা। খেলা কৰগৈ।"

সুবল আৰু দেৱযানীয়ে মাকৰ কথা শুনি তাৰপৰা গুচি গল। তেতিয়া দিগম্বৰে কলে দেৱযানীৰ এতিয়ামাত্ৰ ৭ বছৰ আৰু সুবলৰ ৫ বছৰ বয়স হৈছে। এতিয়াই ইহঁতৰ ঘৰলৈ ভাগাভাগি কমবয়সৰ নগলে সিহঁতৰ নামতে ঘৰমাটি ভগাই দিলোহেতেঁন; কিন্তু আমাৰ ৰজাৰ আইন অনুসৰি মাকপিতাক ছুয়ো বৰ্ত্তমান থাকোতে এনেকৈ নাবালক নাবালিকাৰ নামত সাসম্পত্তি কৰা মানা। বাৰু, এতিয়া ঘৰ তোমাৰ নামতে হওক।”

যশোধৰাই কলে “সেইটোতো মই আগতেই কৈছোঁ। ঘৰ আপোনাৰ নামতে হব। আকৌ পণ্ডিত, মাটি টুকুৰা মোৰ নামত হলে ৰজাই জানো ঘৰ নিৰ্মাণৰ বাবে মোক ধন ধাৰে দিব? ৰজাই ধন তেওঁৰ কৰ্মচাৰীকহে বোধকৰো ধাৰে দিয়ে?”

দিগম্বৰে কলে “এৰা সেইটো কথা পাহৰিছিলোৱেই। বাৰু ঘৰটো আগে হওক। মোৰ নামতে এতিয়া হওক। পিচতে বাৰু তোমাক উছৰ্গা কৰিম—তোমাৰ প্ৰতি মোৰ প্ৰেমৰ অকৃত্ৰিম চিন স্বৰূপ।”

“সেইবোৰ বাজে কথা মোৰ আগত নকব। প্ৰেম নে আনকিবা মোৰ বুজিবলৈ বাকী নাই। আপোনাৰ লগত আজি ৮।৯ বছৰ হল একেলগে থাকিবৰ, আজিলৈ এদিনো আপুনি ভালদৰে কথা কোৱা নাই, এদিনো নাচগান দেখুৱা নাই, এদিনো দূৰঠাইলৈ ফুৰাব নিয়া নাই। এইবুলি যশোধৰাই কান্দিব ধৰিলে।

দিগম্বৰে তেতিয়া কলে “ছিঃ ছিঃ তুমিও দেখোন সৰু ছোৱালীৰ দৰে হলা? মানুহে শুনিলে কি ভাবিব? এতিয়া কান্দিব এৰা। কাইলৈ দোকমোকালিতে মই দেৱপুৰলৈ যাত্ৰা কৰিম। বাটত খাবলৈ দৈ, চিৰা, গুৰ, ফল আদিৰ বন্দবস্ত কৰাগৈ।”

পিচদিনা ভৰপুৰাতে দৈৰ টেকেলি আৰু চিৰা, গুৰ, কলৰ টোপোলা লৈ দিগম্বৰ দেৱপুৰলৈ যাত্ৰা কৰিলে। দেৱপুৰ পাই আলিমুদ্দিন মিস্ত্ৰীক লগ ধৰি দিগম্বৰে ঘৰৰ নক্সা আদি দেখুৱালে। আলিমুদ্দিনে ঘৰ সাজি দিম বুলি স্বীকাৰ কৰিলে আৰু দিগম্বৰক কোনো চিন্তা কৰিব মানা কৰিলে।

দিগম্বৰে কলে, "মই উদয়গিৰিত থাকো ; গতিকে আপোনাৰ ওপৰতে সকলো নিৰ্ভৰ। আপুনিয়ে লোহা, শিল, ইটা, চূণ বালি, মাৰ্বল আদি গোটাব লাগিব আৰু নক্সা অনুসৰি ঘৰটো সজাব লাগিব। কামৰ ভালবেয়া সকলো আপোনাৰ ওপৰতে নিৰ্ভৰ। মই সব্যসাচীৰ দৰে নিমিত্ত মাত্ৰ হৈ ধনহে যোগাব পাৰিম।

"ধন যোগালে আৰু কি লাগে ?" আলিমুদ্দিনে কলে। "ধনেই ধৰ্ম আৰু কৰ্ম দুয়োৰা মূল। আপুনি একো চিন্তা নকৰিব। সকলো বয়বস্তু মোৰ মানুহে গোটাব আৰু আপোনাৰ ঘৰ সাজিব। আলিমুদ্দিনৰ কাম ভাল নে বেয়া তাক কোনেও প্ৰশ্ন নকৰে। আল্লাৰ কৃপাত আজিলৈ আলিমুদ্দিনৰ কাম বেয়া বুলিব পৰা মানুহ ওলোৱা নাই। আপুনি দেৱপুৰত থকা আপোনাৰ কোনো বিশ্বস্ত মানুহৰ হাতত টকা জমাদি যাওক, যাতে মই লাগ বুলিলেই তেওঁৰ পৰা টকা আনি বয়বস্তু কিনিব পাৰো। এতিয়া আপোনাৰ মাটি দেখুৱাওক।"

দিগম্বৰে তেতিয়া আলিমুদ্দিনক তেওঁৰ মাটিৰ ওচৰলৈ নি কলে, "মিস্ত্ৰী, এয়ে মোৰ মাটি।"

আলিমুদ্দিন কলে, "কোনখিনি, মই ধৰিব পৰা নাই। এই খালটোৰ সিপাৰৰ মাটিখিনিৰ কথা কৈছে নেকি ?"

দিগম্বৰে কলে "খালৰ সিপাৰৰ মাটি মোৰ নহয়—বজাৰ। খালটোৱে মোৰ মাটি। এতিয়া অলপ চলপ পানী থকাত খাল যেন দেখিছে সঁচা, কিন্তু জাৰকালি পানী শুকালে ইয়াৰ মাটি ফাটি চিৰাচিৰ

হয়। তেতিয়া ই খাল গুচি গৰু চৰা ঘাঁহনি পথাৰ হয়। চহৰৰ সোঁমাজতে খাল দোবাৰ বাহিৰে আন মাটি আৰু ক'ত পাব? মাটি পেলাই খাল পুতি ওখ কৰিলে এই মাটিৰ মূল্য সোণৰ দৰে হব।"

"টোবা, টোবা, ইয়াকো মাটি বোলে নে? ই এখন বিল। আপুনি এতিয়া পাতাল পুৰীত প্ৰাসাদ সাজিব খুজিছে নে কি?" আলিমুদ্দিনে কলে।

"আপুনি কি কয়? পাতাল পুৰীত প্ৰাসাদ কিয় সাজিম? এই খালতে দুতলা, তিনিতলা, চাৰিতলাৰ ঘৰ সাজিলে, সি পাতাল-পুৰীৰ প্ৰাসাদ নহৈ আকাশলঙ্ঘা প্ৰাসাদ হব। ইয়াৰ চূড়াই তেতিয়া চন্দ্ৰ সূৰ্য্যক স্পৰ্শ কৰা যেন লাগিব। আপুনি এতিয়া বস্তুবাব গোটা-ওক আৰু দুমাহৰ পিচতে পানী শুকালে ঘৰ তৈয়াৰ কৰাত লাগক।"

আলিমুদ্দিনে কলে, "বাৰু সেয়ে হব। পিচে চন্দ্ৰ সূৰ্য্যক স্পৰ্শ কৰা প্ৰাসাদ সাজিবলৈ চন্দ্ৰসূৰ্য্যক স্পৰ্শ কৰা ধনো যে লাগিব সেইটো নিশ্চয় জানে? সেইবোৰ এতিয়া এৰক। আচল কাজৰ কথালৈ আহক। ইয়াত ঘৰ সাজিলে আপোনাৰ খৰচ বেচি হব। ঘৰৰ এটা তলা মাটিৰ তলতে থাকিব। গতিকে এক তলাৰ ঘৰতে দুতলাৰ খৰচ হব।"

দিগম্বৰে কলে "যি খৰচ হয় হওক। আপুনি মাথোন ভবিষ্যতে দুই, তিনি বা অধিক তলাৰ ঘৰ সাজিব পৰাকৈ ভেটিটো সুদৃঢ় কৰিব।"

"সেইটো বাৰু কৰা হব। এতিয়া বৰ্ত্তমানে লোহা, শিল, ইটা চূণ, বালি আদি গোটাবৰ বাবে আপুনি টকা দিয়ক। মই পানী শুকালেই কাম আৰম্ভণ কৰিম।"

দিগম্বৰে কলে "আগেয়ে আমি চুক্তিপত্ৰ কৰোঁ। তাৰ পিচত টকা পইচাৰ ব্যৱস্থা হব। এমাহ পিচত মই টকা লৈ উদয়গিৰিৰ পৰা সপৰিয়ালে ঘৰৰ ভেটি স্থাপনৰ সময়ত আহিম। তেতিয়াই পইচা দি বস্তু কিনি ঘৰৰ কাম আৰম্ভণ কৰিম। ইতিমধ্যে পানীও শুকাব। এতিয়া মোৰ বাল্যবন্ধু হৰিনাথ কাননগুঁৰ ঘৰলৈ যাওঁ

বলক। হৰিনাথ কাননগুঁইক নিশ্চয় জানে? দেৰপুৰত তেওঁক নজনা মানুহ হেনো নাই? তেওঁৰ ঘৰো হেনো আপুনিয়ে সাজিছে? তেওঁৰ হাততে মোৰ টকা পইচা জমা থাকিব। আপুনি লাগ বুলিলে তেওঁৰ পৰা টকা পইচা নি বয়বস্তু কিনিব পাৰিব। এতিয়া বলক, তেওঁৰ ঘৰতে বহি চুক্তিপত্র কৰোগৈ।"

"অ হৰিনাথ কাননগুঁৰ কথা কৈছে? দেৰপুৰত তেওঁৰ দৰে হিচাবী মানুহ দ্বিতীয়জন নাই। গতিকে তেওঁৰ হাতত টকা থৈ ভালেই কৰিব। সতকাই তেওঁৰ পৰা টকা কোনেও সৰকাব নোৱাৰিব। ছুবাৰ তিনিবাৰ হিচাব কৰিহে টকা দিব। তেওঁৰ ঘৰ মই বান্ধিছোঁ। অকল তেওঁৰে কিয় দেৰপুৰৰ সকলো প্ৰসিদ্ধ মণ্ডল, কাননগুঁই, কবিৰাজ, হাকিমি বৈদ্য, মুন্সিফ, উকিল, মোক্তাৰ, অধ্যাপকৰে ঘৰ ময়ে বান্ধিছোঁ। আলিমুদ্দিন মিস্ত্ৰী নোহোৱাকৈ দেৰপুৰৰ কোনো ডাঙৰ প্ৰাসাদ, মন্দিৰ, মছজিদে হোৱা নাই।" এইবুলি আলিমুদ্দিনে আত্মপ্ৰসাদত হাঁহিলে।

"সেইহে মই আন মিস্ত্ৰীক লগ নধৰি আপোনাক লগ ধৰিছোঁ। মই আগতেই কৈছো মই উদয়গিৰিত থাকো বুলি। গতিকে ঘৰৰ সকলো ভাৰ আপোনাৰ ওপৰতে।"

ইয়াৰ পিচত হৰিনাথৰ ঘৰলৈ গৈ দিগম্বৰ আৰু আলিমুদ্দিনে ঘৰ বন্ধাৰ চুক্তি পত্ৰ কৰিলে। চুক্তিপত্ৰমতে আলিমুদ্দিনে ঘৰৰ সম্পূৰ্ণ খৰচৰ শতকৰা ৫ ভাগ পোৱা ঠিক হ'ল। অৱশ্যে টকা কিস্তিমতে দি থাকিব লাগিব। একেবাৰে শেহলৈ দিবলৈ থলে নহব। ভেটি সম্পূৰ্ণ হোৱাৰ পিচত এক কিস্তি, বেৰহোৱাৰ পিচত এক কিস্তি, চাল হোৱাৰ পিচত এক কিস্তি আৰু ঘৰত ৰং চুণ আদি দিয়াৰ পিচত এক কিস্তি টকা দিব লাগিব। সেই দৰে ছুতলাৰ কিস্তিও দিব লাগিব। প্ৰত্যেক কিস্তিৰ পৰিমাণো হিচাব কৰি ঠিক কৰা হ'ল। এক তলাৰ কালি নক্সামতে ১৭০০ বৰ্গফুট। গতিকে এক তলাত আনুমানিক খৰচ হব ৩৪০ স্বৰ্ণমুদ্ৰা। ইয়াৰ পাঁচ ভাগৰ এক বা ৬৮ স্বৰ্ণমুদ্ৰা আলিমুদ্দিনে পাব। সম্পূৰ্ণ ছুতলাৰ খৰচ হব

আনুমানিক ৬৮০ স্বৰ্ণমুদ্ৰা আৰু আলিমুদ্দিনে পাব ১৩৬ স্বৰ্ণমুদ্ৰা। ঘৰ সম্পূৰ্ণ হোৱাৰ পিচত ঘৰৰ জোখমাখ কৰি আলিমুদ্দিনে পাব লগীয়া সম্পূৰ্ণ টকা এমাহৰ ভিতৰতে দিয়াবো কথা হ'ল। চুক্তি পত্ৰত দিগম্বৰে চহি দিলে।

আলিমুদ্দিনে চুক্তিপত্ৰত চহি কৰি যোৱাৰ পিচত দিগম্বৰে হৰিনাথক কলে "বন্ধু, মই উদয়গিৰিত থাকো। তাৰপৰা দেৱপুৰত ঘৰ বন্ধা কিমান টান নকলেও হব। এতিয়া তুমি মোক সহায় কৰিব লাগিব। তোমাৰ হাতত সকলো টকা পইচা থাকিব। তুমি আলিমুদ্দিন মিস্ত্ৰীক লো, পাথৰ, ইটা, বালি আদি কিনিবলৈ দৰ্কাৰ-মতে টকা দিবা আৰু মাজেমাজে কাম কেনে হৈছে তাকে চাবা। বন্ধুত্বৰ খাটিৰত এইখিনি কষ্ট তুমি নিশ্চয় কৰিবা।"

হৰিনাথে কলে "তাৰবাবে তুমি চিন্তা নকৰিবা। মই যি পাৰো সকলো সহায় তোমাক কৰিম। পাচে ঘৰ কিমান ডাঙৰ হব আৰু কিমান টকাৰ যোগাৰ কৰিছা? নক্সামতে ঘৰটো বেচ ডাঙৰ ডাঙৰ যেন লাগিছে।"

দিগম্বৰে কলে "ঘৰ বৰ্তমানে দুতলাৰ হব। পিচত আৱশ্যক হলে তিনি, চাৰি বা পাঁচ তলাৰ হব। এতিয়া মাত্ৰ ভেটিটো ভৱিষ্যতে পাঁচ তলাৰ ঘৰ সাজিব পৰাকৈ সুদৃঢ় কৰিব লাগিব। দুতলাৰ ঘৰত ৬৮০ স্বৰ্ণমুদ্ৰা খৰচ পৰিব বুলি আমাৰ ৰজাৰ কাৰিকৰ জগমোহনে কৈছে। পাচে তেওঁলোকে সদায় বেচিকৈ টকা ধৰে। আমি নিজে বান্ধিম যেতিয়া গোটেই ঘৰটো ৫০০।৫৫০ স্বৰ্ণমুদ্ৰাতে হব নিশ্চয়। মই ৰজাৰ পৰা তিনিশ স্বৰ্ণমুদ্ৰা ঘৰ বান্ধিবলৈ ধাৰে পাম। বাকীখিনি টকাও নিশ্চয় সময়ত যোগাৰ হব। মোৰ বহুতো বন্ধুৱে দেখোন কৈছে যে এবাৰ কাম আৰম্ভ কৰি দিলে হেনো কাম শেষ নোহো-ৱাকৈ কেতিয়াও নাথাকে।"

হৰিনাথে কলে "এৰা ৰজাৰ কাৰিকৰৰ নিৰিখ—ঘৰ বন্ধা, ৰাস্তা-ঘাট তৈয়াৰ কৰা সকলোতে বহুত বেচি। নিৰিখ বেচিয়ে বা নহব কিয়? তেওঁলোকে হিচাব কৈ ধৰা টকাৰ আধাহে আচল কামত

খৰচ হয়। বাকী আধাৰ আধা ঠিকাদাৰে পায় আৰু আধা ৰজাৰ কৰ্মচাৰীসকলে পায়।"

ঠিকাদাৰৰ লগত ৰজাৰ কৰ্মচাৰীসকলৰ এই লৈ গোপন বন্দবস্ত থাকে। পিচে আমি নিজে ঘৰ বান্ধিলে এপইচাও কাকো উপঢৌকন দিয়াত আৰু বিনা কাজত খৰচ নহব। মিস্ত্ৰী, ঠিকাদাৰেও টকা কাম নকৰাকৈ খাব নোৱাৰিব। আকৌ তোমাৰ শেহৰ কথাটিও সম্পূৰ্ণ ঠিক। কাম এবাৰ আৰম্ভণ কৰিলে সি শেষ নোহোৱাকৈ নাথাকে। মোৰ এই ঘৰটো সজাত কিমান খৰচ পৰিছিল জানা জানো?"

"কিমান?" দিগম্বৰে সুধিলে।

"এই ঘৰটো দুমহলীয়া আৰু দুয়োমহলাৰে মজিয়াৰ কালি হল ৫০০০ বৰ্গ ফুট। তোমাৰ বান্ধিব খোজা ঘৰটোতকৈ বহুত ডাঙৰ; কিন্তু ইয়াক সাজোতে খৰচ পৰিছে মাত্ৰ ৬০০ স্বৰ্ণমুদ্ৰা। তোমাৰ ৰজাৰ কাৰিকৰৰ নিৰিখত ইয়াত খৰচ পৰিব লাগিছিল ১০০০ স্বৰ্ণমুদ্ৰা। তুমি অৱশ্যে মোৰ দৰে ইমান কম খৰচতে ঘৰ বান্ধিব নোৱাৰা। মই কোনো বস্তুৰ সামান্যও অপব্যয় হবলৈ দিয়া নাছিলো আৰু সকলোবস্তুকে মই ৰজাৰৰ ভাওতকৈও ভালেখিনি কমত কিনিছিলো। বুজিছা বন্ধু, এই ঘৰটো সাজিবলৈ লওঁতে মোৰ হাতত আছিল মাত্ৰ ৩০০ স্বৰ্ণমুদ্ৰা। তাৰেই কাম আৰম্ভণ কৰি দিলো। যেতিয়া টকা শেষ হৈ গল তেতিয়া অন্ধকাৰ দেখিলো; কিন্তু ঈশ্বৰৰ ইচ্ছাত ইয়াৰ পৰা, তাৰ পৰা টকা ধাৰ লৈ কাম কৰি গলো। এতিয়া দেখিছাই মোৰ ঘৰ সম্পূৰ্ণ।"

"এৰা, তোমাৰ কথাই বেলেগ; তোমাৰ দৰে আমি নোৱাৰিম। বাৰু এতিয়া মই ওলালো। এমাহ পিচত যশোধৰাৰে সৈতে টকা পইচা লৈ আহিম।" এই বুলি দিগম্বৰ হৰিনাথৰ ঘৰৰ পৰা ওলাল।

৬০০ স্বৰ্ণমুদ্ৰাতে ইমান ডাঙৰ ঘৰ হৰিনাথে বন্ধা কথাকে দিগম্বৰে চিন্তা কৰি গৈছে। ইমান কম খৰচতে হৰিনাথে ইমান ডাঙৰ ঘৰ বন্ধাত দিগম্বৰে তবধ মানিলে। হৰিনাথৰ জাকজমকীয়া ইমান ডাঙৰ ঘৰ বান্ধিবলৈ কমপক্ষেও ১২০০ স্বৰ্ণমুদ্ৰাৰ দৰ্কাৰ। হৰিনাথো ৰাজকৰ্মচাৰী। দিগম্বৰতকৈ হৰিনাথে বেতনো পায় কম। ইমান বেচি টকা খৰচ কৰি ঘৰ বন্ধা বুলি ক'লে কোনোবাই হৰিনাথৰ অপবাদ জানোচা কৰে, সেই আশঙ্কাতে কিজানি হৰিনাথে আচল খৰচৰ কথা প্ৰকাশ কৰা নাই। অৱশ্যে হিচাবী হৰিনাথে দিগম্বৰতকৈ যে কম খৰচতে ঘৰ বান্ধিব সিও ঠিক। বাৰু লোকৰ কথা ভাবি লাভ নাই। বহুত দিনৰ মূৰত দিগম্বৰে যে এটা নিজৰ নীড় সজাৰ কল্পনা কৰিলে, এতিয়া ভগবানে তাক সফল কৰিলেই হয়। এইবোৰ নানাকথা ভাবি ভাবি অৱশেহত দিগম্বৰ উদয়গিৰি পালে আৰু পত্নী যশোধৰাক ঘৰ সজাৰ বাবে আলিমুদ্দিন মিস্ত্ৰীৰ লগত সকলো প্ৰকাৰৰ বন্দৱস্ত হোৱা বুলি ক'লে।

পিচদিনাই দিগম্বৰ বুদ্ধীন্দ্ৰ ৰজাৰ মন্ত্ৰীৰ ওচৰলৈ গৈ ঘৰ বন্ধাৰ বাবে চাৰি শ স্বৰ্ণমুদ্ৰাৰ ধাৰ খুজি দৰ্খাস্ত দিলে। শুদাহাতে দৰ্খাস্ত দিয়া বেয়া দেখি দৰ্খাস্তৰ লগতে মন্ত্ৰীক একস্বৰ্ণমুদ্ৰা উপঢৌকনো দিলে। মন্ত্ৰী স্বৰ্ণমুদ্ৰা পাই খুচী হ'ল আৰু দিগম্বৰৰ ঘৰৰ নক্সা আদি ভালদৰে পৰীক্ষা কৰি দুই শ স্বৰ্ণমুদ্ৰা ধাৰে দিব লাগে বুলি ৰজালৈ দৰ্খাস্ত অনুমোদন কৰিলে। দুই শ স্বৰ্ণমুদ্ৰাৰে দিগম্বৰৰ ঘৰৰ আধাই শেষ নহব বুলি বহুত কাকুতি কৰাত আৰু মন্ত্ৰীক আৰু এক স্বৰ্ণমুদ্ৰা উপঢৌকন দিয়াত মন্ত্ৰীয়ে তিনি শ স্বৰ্ণমুদ্ৰা দিগম্বৰে আইন অনুসৰি পাব পাৰে বুলি ৰজালৈ লিখিলে। বুদ্ধীন্দ্ৰ ৰজা ৰাজ্যৰ উন্নতিৰ বাবে নানা পৰিকল্পনাত ব্যস্ত। দিগম্বৰৰ দৰ্খাস্ত পাই আৰু ঘৰৰ নক্সা দেখি দিগম্বৰক মাতি পঠালে।

দিগম্বৰে ভয়ে ভয়ে ৰজাৰ ওচৰলৈ গৈ ৰজাক পট্টবস্ত্ৰ আৰু কিছু স্বৰ্ণমুদ্ৰা দি দণ্ডবতে প্ৰণাম কৰিলেগৈ। ৰজাই দিগম্বৰক ঘৰৰ বিষয়ে সুধিলে। দিগম্বৰে কেনেকৈ দেৱপুৰত ঘৰ বান্ধিবলৈ কল্পনা কৰিছে, কেনেকৈ একেটা ঘৰতে শুৱা, বহা, গাধুৱা, বেশভূষা কৰা, হাত মুখ ধুৱা আদিৰ বন্দৱস্ত কৰিছে এই সকলো কথা বিবৰি কলে। দিগম্বৰৰ ঘৰৰ নক্সা দেখি ৰজা খুচী হল আৰু দিগম্বৰক তিনি শ স্বৰ্ণমুদ্ৰা ঋণ দিবলৈ ৰাজ ভৰালীক আদেশ দিলে। দিগম্বৰে নিজৰ বেতনৰ পৰা মাহে ৫ স্বৰ্ণমুদ্ৰাকৈ ঋণ শোধ কৰি থাকিব। পাঁচবছৰত এইদৰে মূল শোধ কৰি আৰু ছয় মাহ ৫ স্বৰ্ণমুদ্ৰাকৈ মাহে দি থাকি ঋণৰ সুদ শোধ দিব। ঋণ শোধ নহয় মানে দিগম্বৰৰ দেৱপুৰৰ মাটি ৰজাৰ নামত থাকিব।

ৰাজভৰালীৰ পৰা তিনি শ স্বৰ্ণমুদ্ৰালৈ দিগম্বৰ ঘৰলৈ ফিৰিল ঘৰত যশোধৰাৰ লগত এটা শুভদিনত ঘৰ নিৰ্মাণ কাৰ্য্য আৰম্ভণ কৰা বিষয়ে আলোচনা কৰিলে। যশোধৰাৰ কথাত শুভদিন চাবলৈ দিগম্বৰ পুনৰ পণ্ডিত ভাস্কৰাচাৰ্য্যৰ ওচৰলৈ গল। পণ্ডিত ভাস্কৰাচাৰ্য্য দিগম্বৰক দেখি খুচী হল আৰু 'শুভমস্তু' বুলি দিগম্বৰক আশীৰ্বাদ কৰিলে। ৰাহুকেতুৰ তৃপ্তিৰ অৰ্থে পণ্ডিতে পূজা কৰাৰ কথাও দিগম্বৰক কলে।

দিগম্বৰে তেতিয়া কলে "বাবা, ৰাহু কেতু হয়তো সুপ্ৰসন্ন হৈছে এতিয়া গৃহ নিৰ্মাণৰ সকলো বন্দৱস্তই হৈছে। এতিয়া বাবাই গৃহ নিৰ্মাণ কাৰ্য্য আৰম্ভণ কৰিবলৈ এটা শুভদিন চাই দিলেই গৃহ নিৰ্মাণ কাৰ্য্য আৰম্ভণ কৰিব পাৰো।"

জ্যোতিষ শিৰোমণি পণ্ডিত ভাস্কৰাচাৰ্য্যই দিগম্বৰৰ কথাত পঞ্জিকা মেলিলে। বহু সময় চাই মেলি সৌৰ অগ্ৰহায়ণ মাসৰ দশম দিবসত এটা শুভদিন থকা বুলি কলে। সিদিনা শুক্লা পঞ্চমী তিথি, দৈত্য গুৰু বাৰ। সিদিনা ২০ দণ্ড, ৬ পল ৭ বিপলৰ পৰা ২৫ দণ্ড ৫ পললৈ মাহেন্দ্ৰ যোগ। এই শুভক্ষণতে দিগম্বৰে গৃহ নিৰ্মাণ কাৰ্য্য আৰম্ভণ কৰিলে দিগম্বৰে কোনো কষ্ট নোপোৱাকৈ ঘৰ শেষ কৰিব পাৰিব বুলি

৩

পণ্ডিত ভাস্কৰাচাৰ্য্যই কলে। দিগম্বৰে ভেতিয়া বাবাক পঞ্চতাম্ৰ মুদ্ৰা দক্ষিণা দি ঘৰলৈ ফিৰিল।

আঘোণ মাহৰ আদিত যাত্ৰাক্ষণ চাই যশোধৰা, সুবল, দেৱযানী সকলোকে লগত লৈ দিগম্বৰ দেৱপুৰলৈ যাত্ৰা কৰিলে। গৃহনিৰ্মাণ হেন শুভকাৰ্য্যৰ আৰম্ভণি উৎসৱত উপস্থিত থাকিবলৈ যশোধৰাই মাক পিতাক আৰু শহুৰ শাহুয়েকক মাতি পঠালে। আঘোণ মাহৰ দহ তাৰিখে পণ্ডিত ভাস্কৰাচাৰ্য্যই চাই দিয়া মতে শুভক্ষণত বেদাদি শাস্ত্ৰজ্ঞ, নীতিনিয়ম বিশাৰদ পবিত্ৰ ব্ৰাহ্মণৰ হতুৱাই দিগম্বৰে তেওঁৰ মাটিত গণেশাদি পঞ্চদেৱতাৰ ষোড়শো পচাৰে পূজা কৰালে। তাৰ পিচত মাটিত এটা গাত খান্দি তাত স্বৰ্ণ, ৰৌপ্য তাম্ৰ আদি অষ্টধাতু দিলে। সেই অষ্ট ধাতুৰ ওপৰত আলিমুদ্দিন মিস্ত্ৰিয়ে চূণ, বালি, পাথৰ পেলালে আৰু তাতে লোৰ খুটা এটা পুতিলে। এই দৰে শুভদিনত, শুভক্ষণত দিগম্বৰৰ গৃহনিৰ্মাণ কাৰ্য্য আৰম্ভণ হল। পূজাৰ পাচত দিগম্বৰে ব্ৰাহ্মণ ভোজন কৰালে, বন্ধুবান্ধৱ, মিস্ত্ৰী আদিক নানা-প্ৰকাৰৰ মিষ্টান্ন খুৱালে। শহুৰ শাহুয়েক আৰু মাক পিতাককো ভালদৰে শোধপোচ কৰিলে। হৰিনাথেই এই উৎসৱৰ সকলো বন্দৱস্ত কৰি দিছিল। শুভকাৰ্য্য এইদৰে আড়ম্বৰে আৰু কোনো ত্ৰুটি নোহোৱাকৈ সম্পন্ন হোৱাত সকলো খুচী হল। সুবল দেৱযানীয়েও ঘৰ নৌহওঁতেই নানাপ্ৰকাৰৰ মিঠাই খাব পাই পিচত ঘৰশেষ হলে আৰু কিমান বেচি আৰু ভাল মিঠাই খাব পাৰিব আলোচনা কৰিলে। সকলো কাৰ্য্য পৰিপাটীকৈ সম্পন্ন হোৱাত যশোধৰাৰো মুখত হাহি বিৰিঙিল।

পিচদিনা হৰিনাথৰ হাতত দুশ আশী স্বৰ্ণমুদ্ৰা দি দিগম্বৰ স্ত্ৰী পুত্ৰকন্যাসহ উদয়গিৰিলৈ যাত্ৰা কৰিলে। ৰজাৰ পৰা ধাৰে অনা তিনিশ স্বৰ্ণমুদ্ৰাৰ ইতিমধ্যে বিশ স্বৰ্ণমুদ্ৰা গৃহনিৰ্মাণ আৰম্ভণি উৎসৱ আৰু উদয়গিৰিৰ পৰা দেৱপুৰলৈ সপৰিয়ালে দিগম্বৰ অহাযোৱা কৰাত খৰচ হল। যাবৰ সময়ত দিগম্বৰে হৰিনাথ আৰু আলিমুদ্দিন মিস্ত্ৰীক বাৰিষাৰ আগতে ঘৰৰ ভেটিটো অন্ততঃ সম্পূৰ্ণ কৰিবলৈ

দঢ়াই দঢ়াই কৈ গল। হৰিনাথ আৰু আলিমুদ্দিনে দিগম্বৰক সেই বিষয়ে কোনো চিন্তা নকৰিবলৈ কলে।

১০

ছমাহ পিচত দিগম্বৰ ঘৰ নির্মাণ কার্য্য কেনে গতিত চলিছে তাক চাবলৈ দেৱপুৰলৈ আহিল। হৰিনাথক লগধৰি কিমান টকা খৰচ হল সুধিলে। হৰিনাথে কলে যে দেবশ স্বর্ণমুদ্রা ইতিমধ্যে খৰচ হৈ গৈছে। অথচ ঘৰৰ ভেটিটোৱে সম্পূর্ণ হোৱা নাই। ঘৰৰ খুটাবোৰ অৱশ্যে থিয় কৰা হৈছে; কিন্তু লোৰ অভাবত খুটাবোৰ পৰস্পৰৰ লগত বান্ধি দৃঢ় কৰিব পৰা নাই আৰু সেইবাবে ইটাও গাঠিব পৰা নাই। চূণ, বালি, ইটা আদি অৱশ্যে কিনা হৈছে।

দিগম্বৰে সুধিলে "লো নাই নেকি ?"

হৰিনাথে কলে, "লো নাথাকিব কিয় ? কিন্তু প্রকাশ্য বজাৰত কিনিবলৈ পোৱা নাযায়। বেচি দাম দিলে গোপন বজাৰত যিমান ইচ্ছা সিমান লো পাব পাৰি।"

"গোপন বজাৰত লো কিনিবলৈনো কিমান বেচি দাম দিব লাগে ?" দিগম্বৰে সুধিলে।

"প্রকাশ্য বজাৰত বজাই ধৰি দিয়া দামৰ প্রায় দেব গুণ দাম দিব লাগিব।" হৰিনাথে কলে।

"আমাক নো কিমান লোৰ সম্ভহতে দর্কাৰ ?"

"সেইটো মই কব নোৱাৰিম। আলিমুদ্দিনে হে জানিব। বাৰু বলা, এতিয়া তোমাৰ ঘৰ কিমান দূৰ নির্মাণ হৈছে তাকে চাওঁ গৈ। আলিমুদ্দিনকো তাতে খুব সম্ভৱ লগ পাম।" এইবুলি হৰিনাথ দিগম্বৰৰ সৈতে ঘৰবন্ধা ঠাইলৈ যাত্রা কৰিলে। ঘৰবন্ধা ঠাইত গৈ তেওঁলোকে দেখিলে যে কোনো মানুহে কাম কৰা নাই। মাত্র গভীৰ গাঁত একোটাৰ পৰা লোৰ একোটা খুটা থিয় হৈ/আছে।

দিগম্বৰে ওচৰত গৈ দেখিলে যে খুটাবোৰৰ বেচি অংশই গাতৰ ভিতৰতে আছে। গাতবোৰ আকৌ পানীৰে ভৰি আছে। লোৰ দণ্ড এদালৰ সহায়েৰে দিগম্বৰে দেখিলে যে প্ৰত্যেকটো গাতেই ৭।৮ হাত গভীৰ।

ঘৰ সজা বস্তু বাহানিবোৰ ৰখি থাকিবৰ বাবে দিগম্বৰে মাহে এক স্বৰ্ণমুদ্ৰা দি এজন চকিদাৰ ৰাখিছিল। দেৱপুৰত চোৰৰ যেনে উৎপাত চকিদাৰ নৰখাকৈ কোনো বস্তু বাহানিয়ে বাহিৰত পেলাই ৰাখিব নোৱাৰি। চকিদাৰ নৰখাকৈ বাহিৰত যিকোনো বস্তুকে পেলাই ৰাখিলে ৰাতিৰ ভিতৰতে চোৰে সেইসকলো বস্তু এনে পৰিষ্কাৰকৈ লৈ যাব যে পিচদিনা পুৱা সেই ঠাইত কিবা বস্তু যে থোৱা হৈছিল তাৰ গমকে পোৱা নাযাব। দিগম্বৰে চকিদাৰক সুধিলে কিয় মিস্ত্ৰীয়ে কাম কৰা নাই। চকিদাৰে কলে যে লো নথকাত আজি প্ৰায় কুৰি দিনমান আগৰে পৰা মিস্ত্ৰীয়ে কাম বন্ধ কৰি দিছে। দিগম্বৰে তেতিয়া আলিমুদ্দিন মিস্ত্ৰীক বিচাৰি আনিব কলে।

চকিদাৰৰ কথাত আলিমুদ্দিন মিস্ত্ৰী আহি দিগম্বৰ আৰু হৰিনাথক চালাম দি কলে "বাৰিষাৰ আগতে সোনকালে লোৰ বন্দবস্ত নকৰিলে কাম আৰু অন্ততঃ ৮।৯ মাহ বন্ধ থাকিব আৰু তেতিয়া কিনি থোৱা চূণ, বালি আদি বস্তু বাহানিও নষ্ট হব। বাৰিষা পানীয়ে সকলো বস্তুবাহানি উটাই নিয়াৰো খুব সম্ভাৱনা।"

দিগম্বৰে কলে, "লো বোলে বজাৰত নাপায় ?"

"লো নাপাব কিয় ?' আলিমুদ্দিনে কলে। "বেচি দাম দিলে যিমান লো লাগে সিমানে পাব। আপোনাৰ ঘৰৰ কথাইতো নাই, গোটেই দেৱপুৰ চহৰখনকে ঢাকি থব পৰা লো দেৱপুৰতে আছে। দেৱপুৰত জানো আজি ঘৰ নিৰ্মাণ হৈ থকা নাই ? কিমান মানুহে প্ৰকাশ্য বজাৰত বজাৰ দামত লো পাব পাৰিছে ? বজাৰ কৰ্মচাৰীক ভালদৰে ভেটি দিব পৰা বা খাটিব থকা মানুহৰ বাহিৰে আনে জানো লো পাব পাৰিছে ? বেচিভাগ মানুহে সেই দেখি বেচি দাম দি হলেও গোপন বজাৰৰ পৰাই লো কিনিছে।

অৰণ্যে গোপন বজাৰো এতিয়া গোপন হৈ থকা নাই। সিও প্ৰকাশ্য বজাৰেই হৈছে।"

"বাৰু সেইবোৰ কথা থাওক, এতিয়া কিমান লোৰ আপোনাৰ সপ্তাহতে দৰ্কাৰ তাকে কওক। কাম কোনোমতে বন্ধ কৰিব নোৱাৰি। বজাই বান্ধি দিয়া দামত প্ৰকাশ্য বজাৰত লো কিনিবলৈ বৈ থাকিলে ঘৰো নহব আৰু যি বস্তুবাব কিনা হৈছে সিও নষ্ট হব। ফলত লাভক চাওঁতে লোকচানেই বেচি হব।" দিগম্বৰে কলে।

আলিমুদ্দিনে কলে, "সপ্তাহতে ৩০ মোণ লো কিনক। তাৰে বন্ধনি মাৰলিবোৰ হৈ যাব। ভেটিটো হৈ গলে পিচত দুৰ্যোৰ বাৰিষাতো কাম চলি থাকিব পাৰিব। ইতিমধ্যে প্ৰকাশ্য বজাৰতো বজাৰ যোগান বিভাগৰ কৰ্মচাৰীক খাটিৰ কৰি, ভেটি দি যি পাৰে লো কিনক। আপোনাৰ বহুত লোৰ দৰ্কাৰ হব। চালখনতে বহুত লো লাগিব। ইয়াৰ উপৰি খুটাবোৰত, ওপৰৰ বন্ধনি মাৰলিত, সূৰ্য্য ঢাকনি আদিতো লো লাগিব।"

"৩০ মোণ লো গোপন বজাৰত কিনিবলৈ কিমান টকা লাগিব ?" দিগম্বৰে সুধিলে।

"মোটামুটি ৩০ স্বৰ্ণমুদ্ৰা লাগিব। বজাৰ দামত ২০ স্বৰ্ণমুদ্ৰাতে কিনিব পাৰিলাহেঁতেন।" হৰিনাথে কলে।

"মাত্ৰ ১০ স্বৰ্ণমুদ্ৰাৰ বাবে ঘৰ বন্ধা কাম বন্ধ থাকিব নে ? এই খিনি লো কিনি দিবা।" দিগম্বৰে কলে।

"১০ স্বৰ্ণমুদ্ৰা তুমি একেবাৰে কম বুলি ভাবিছা বোধকৰো ? এনেকৈ ১০।১৫ স্বৰ্ণমুদ্ৰা প্ৰত্যেক কথাতে বেচিকৈ গৈ থাকিলে পিচত সেইবোৰ সকলো মিলি এটা ডাঙৰ সংখ্যাই হব। নিগনিয়ে এটা এটাকৈ চাউল নি বৃহৎ ভৰালৰো চাউল শেষ কৰে সেই কথা নিশ্চয় জানা ? অৰণ্যে হাতত টকা থাকিলে প্ৰথমতে এই-বোৰ কথা ভবা নহয়। নিগনিয়ে এটা বা দুটা চাউল নিলেইবা ? তাতে জানো ভৰালৰ চাউল শেষ হব ? কিন্তু পিচত ভৰালৰ তলি উদং দেখিলেহে নিগনিৰ উৎপাত সম্পৰ্কে জ্ঞান হয়। সেইদৰে

হাতৰ টকাশেষ হলে পিচত এক তাম্ৰমুদ্ৰাৰ বিষয়েও চিন্তা কৰিবলগীয়া হয়।" হৰিনাথে কলে।

"বাক সেইবোৰ যি হয় হব। এতিয়া এইখিনি লো কিনি দিবা। ভবিষ্যতৰ কথা ভবিষ্যতে ভাবিম। বৰ্তমানৰ সমস্যা সমাধান কৰাই প্ৰথম কথা নে অনাগত ভবিষ্যতৰ বিষয় ভাবিচিন্তি থকাই প্ৰথম কথা? ভবিষ্যতে যি হয় হয়তো হবই, সেই বিষয়ে এতিয়াই জল্পনা কল্পনা কৰাৰ কি দৰ্কাৰ? ভবিষ্যতে পাঁচতলা বান্ধিব পৰাকৈ বৰ্তমানে ভেটিটো সুদৃঢ় কৰাই প্ৰথম কথা।" দিগম্বৰে কলে।

দিগম্বৰৰ কথাত আলিমুদ্দিনে কলে, "সেই সম্পৰ্কে আপুনি একো চিন্তা নকৰিব। ভেটি ভালদৰেই সুদৃঢ় কৰা হৈছে। আপুনি এই ভেটিৰ ওপৰত পাঁচ তলা নালাগে দহতলাৰ ঘৰো ইচ্ছা কৰিলে সাজিব পাৰিব। আলিমুদ্দিন মিস্ত্ৰীৰ কামত স্বয়ং বিশ্বকৰ্মাইও খুত ধৰিব নোৱাৰে—এই কথা মই বুকু ওফন্দাই কব পাৰো।"

দিগম্বৰে তেতিয়া হৰিনাথক লো আদি যি বস্তুয়েই নালাগক সকলো প্ৰকাশ্য বজাৰত নাপালেও গোপন বজাৰৰ পৰাই কিনিব কলে। আলিমুদ্দিন মিস্ত্ৰীক কলে যে কাম যেন আৰু বন্ধ ৰখা নহয়। ইয়াৰ পিচত দিগম্বৰ আহিলে ঘৰৰ কাম বেচ ভালদৰে অগ্ৰসৰ হোৱা দেখিব লাগিব আৰু ৭।৮ মাহ পিচত ঘৰ যেনেতেনে লব লাগিব। আলিমুদ্দিনে বস্তুবাহানিৰ যোগাৰ পালে ঘৰ তিনিমাহতে উলিয়াই দিব পাৰিব বুলি কলে। এই দৰে ঘৰৰ কামৰ সকলো বন্দবস্ত কৰি দিগম্বৰ উদয়গিৰিলৈ উভটিল।

১১

এমাহ পিচত দিগম্বৰ পুনৰ ঘৰৰ কাম চাবলৈ দেৱপুৰলৈ আহিল। এইবাৰ যশোধৰাও লগত আহিল। যশোধৰাই দেউতাককো ঘৰৰ কাম চাবলৈ দেৱপুৰলৈ মাতি পঠিয়ালে—যাতে সকলোৱে চাইচিন্তি দোষ ক্ৰুটিবোৰ দেখুৱাব পাৰে।

ঘৰৰ স্থলিত গৈ দিগম্বৰে দেখিলে যে ইতিমধ্যে ঘৰৰ কাম কিছু আগবাঢ়িছে। ভেটিটো সম্পূর্ণ হৈ গৈছে। ঘৰৰ বেৰৰ ইটাও খিৰিকীৰ তললৈ গাঠা হৈছে। এতিয়া একৰকম•ঘৰ ঘৰ যেন লগা হৈছে। যশোধৰাই সকলোবোৰ কথা নক্সামতে হৈছে নে চালে আৰু দেউতাককো কোনটো শুৱাকোঠা, কোনটো বহা কোঠা, কোনটো সুবল দেৱযানীৰ কোঠা, কোনটো ৰন্ধাকোঠা কোনটো গাধুৱা কোঠা হব দেখুৱালে। তলৰ তলাত বহাকোঠা, ভৃত্যৰ কোঠা, ৰন্ধা কোঠা, খোৱা কোঠা আদি থাকিব আৰু ওপৰৰ তলাত নিজৰ আৰু ল'ৰাছোৱালীৰ প্ৰত্যেকৰে শুৱাকোঠা, পঢ়াকোঠা আদি থাকিব। যশোধৰাৰ দেউতাকে সকলো চাই চিন্তি মন্তব্য কৰিলে "সকলোবোৰ বন্দৱস্ত বেচ ভালেই হৈছে। পিচে আমি কেতিয়াবা আহিলে ক'ত থাকিম? তোৰ মা আহিলে ক'ত থাকিব? আমাৰ বাবে এটা বেলেগ কোঠা আৰু এটা বেলেগ হাত মুখ ধুৱা কোঠাৰ দৰ্কাৰ।"

যশোধৰাই কলে "সেইটো অৱশ্যে ঠিক কথা। নক্সাতে ভুল হৈ গল। আকৌ মোৰ তাঁতশালৰ বাবেও এখন আবুৰ থকা অথচ পোহৰ পৰা ঠাইৰো বন্দৱস্ত কৰা নাই।"

দিগম্বৰে কলে "নক্সাতে এইবোৰ বাদ পৰি গল। এতিয়া বোধকৰো এই বোৰ ভুলৰ শুধৰণিৰ কোনো উপায় নাই।"

আলিমুদ্দিনে কলে "কিয় উপায় নাই? বুঢ়াবাবুৰ বাবে পিচ-পিনৰ খালিঠাইখিনিত শুৱাকোঠা আৰু হাত মুখ ধুৱা কোঠাৰ বন্দৱস্ত কৰিব পাৰি। ওপৰ তলাত সেইখিনিতে মাইজীৰো তাঁতশালৰ ঠাই হব।"

"কিন্তু ভেটিটো হৈয়ে গল? এতিয়া কি উপায়?" দিগম্বৰে সুধিলে।

"এতিয়াও উপায় আছে। আকৌ মাটি খান্দি মাত্ৰ চাৰিটা খুটা পুতিব লাগিব। হৈ যোৱা খুটাবোৰ ফুটাই বন্ধনি মাৰলি দিব লাগিব। আপুনি আলিমুদ্দিনৰ হাতত কামটো এৰি দিলে

সকলো বন্দৱস্ত খুত নোহোৱাকৈ সম্পন্ন হব।" আলিমুদ্দিনে কলে।

"তেনেহলে সেইটোকে কৰিব।" দিগম্বৰে কলে। "ঘৰ যেতিয়া ইমান খৰচ কৰি বান্ধিবই ওলাইছো, তাত কোনো প্ৰকাৰৰ অব্যৱস্থা থকাই অনুচিত। এইখিনি কৰোতে নো কিমান বেচি খৰচ পৰিব? বৰ বেচি আৰু ৫০ স্বৰ্ণমুদ্ৰা নহয় জানো?"

"মিস্ত্ৰীৰ খৰচ বাদে প্ৰায় সিমান খৰচতে এইখিনি অতিৰিক্ত কাম হব।" আলিমুদ্দিনে কলে।

"বাৰু তাকে কৰক।" ইয়াৰ পিচত হৰিনাথৰ পিনে চাই দিগম্বৰে কলে, "আমাৰ তো হাতত টকা আছেই—নহয় জানো?"

"আৰু মাত্ৰ আশী স্বৰ্ণমুদ্ৰা বৰ্তমানে মোৰ হাতত আছে" হৰিনাথে কলে।

"এতিয়া এইখিনিয়ে খৰচ হওক। পিচত আৰু টকাৰ বন্দৱস্ত কৰিব লাগিব।" হৰিনাথৰ পিনে চাই দিগম্বৰে পুনৰ কলে "পিচে তোমাৰ বিৰাট জাকজমকীয়া দুতলা ঘৰ ৬০০ স্বৰ্ণমুদ্ৰাতে তৈয়াৰ হল। সেই হিচাবে মোৰ সৰু দুতলা ৪০০ মান স্বৰ্ণমুদ্ৰাতে হব লাগিছিল। এতিয়া যি দেখিছো মোৰ একতলাতে ৬০০ স্বৰ্ণমুদ্ৰা খৰচ পৰিব।"

"একতলা ক'ত?" আলিমুদ্দিনে কলে। "এইটোও দুতলাই। আপোনাৰ ঘৰৰ একতলা যে মাটিৰ তলত আছে তাক বোধকৰো ধৰা নাই?"

"সেইটো অৱশ্যে সঁচা। বাৰু এতিয়া একতলাই হওক। পিচতে দুতলা, তিনিতলা কৰিম। ভেটিটো সুদৃঢ় হলে ওপৰত যেতিয়াই ইচ্ছা তেতিয়াই বঢ়াই থাকিব পাৰি। এতিয়া সোনকালে মাত্ৰ এতলাকে শেষ কৰি দিয়ক।" এই বুলি দিগম্বৰে আলিমুদ্দিনক কলে।

"বস্তুবাহানিৰ যোগাৰ পাই থাকিলে কাম শেষ হবলৈ বেচিদিন নালাগে—এই কথাটো মই আগতেই কৈছোঁ। টকাৰ যোগাৰ দিয়ক, বস্তুবাহানিৰ যোগাৰ দিয়ক, তাৰ পিচত কব কিয় কাম সোনকালে শেষ হোৱা নাই।" আলিমুদ্দিনে কলে।

আলিমুদ্দিনৰ কথাত দিগম্বৰে বস্তুবাহানিৰ যি যোগাৰ লাগে তাকে দি থাকিবলৈ হৰিনাথক কলে। কিছুদিন পিচত দিগম্বৰে আৰু টকা লৈ আহিব।

১২

এইদৰে দিগম্বৰে ঘৰৰ সকলো বন্দবস্ত কৰি পুনৰ যশোধৰাক লৈ উদয়গিৰিলৈ গল। এমাহ পিচত দিগম্বৰে হৰিনাথৰ পৰা চিঠি পালে। হৰিনাথে লিখিছে যে বাকী আশী স্বৰ্ণমুদ্ৰা নতুনকৈ বঢ়াব খোজা কোঠাটোৰ বাবে লো কিনাত, ঘৰটোৰ দুৱাৰ খিৰিকীৰ বাবে চেগুন কাঠ কিনাত আৰু আলিমুদ্দিন মিস্ত্ৰীক চুক্তি অনুসৰি পাৰিশ্ৰমিক দিয়াত খৰচ হৈ গৈছে। গোটেই ঘৰটোৰ ভেটি সম্পূৰ্ণ হৈছে আৰু খিৰিকীৰ তললৈও ইটা গাঠা শেষ হৈছে। দুৱাৰ খিৰিকীবোৰৰ চৌকাঠ লগোৱা হৈছে। এতিয়া বালি, চূণ, লো আদি কিনিবলৈ তুৰন্তে টকাৰ দৰ্কাৰ। বস্তুবাহানিৰ অভাৱত ঘৰৰ কাম আজি এসপ্তাহ বন্ধ আছে।”

হৰিনাথৰ চিঠি পাই দিগম্বৰৰ মূৰত যেন বজ্ৰপাতহে হল। এতিয়া কি উপায়? দিগম্বৰৰ হাততটো সঞ্চিত টকা মুঠেই নাই। উপায়হীন হৈ দিগম্বৰে পত্নী যশোধৰাক উপায় সুধিলে। পাঁচশ স্বৰ্ণমুদ্ৰাত দিগম্বৰে গোটেই দুতলা ঘৰটো শেষ হব বুলি ভাবিছিল। এতিয়া ৰজাৰ পৰা ধাৰে পোৱা তিনিশ স্বৰ্ণমুদ্ৰা ঘৰৰ মাত্ৰ ভেটিটোতে খৰচ হোৱাত দিগম্বৰে অন্ধকাৰ দেখিলে। যশোধৰাই দিগম্বৰক ধাৰ লোৱাৰ কথা কলে। দিগম্বৰৰ বহুত বন্ধুবান্ধৱ আছে। তেওঁলোকক কলে দিগম্বৰে নিশ্চয় ধাৰ পা

দিগম্বৰে যশোধৰাৰ কথাত কলে “ধাৰৰ দ্বাৰানো কিমান টকা পাম? মোৰ বন্ধুবান্ধৱবোৰো মধ্যবিত্ত অৱস্থাৰ। তেওঁলোকো তেনে টকা থকা মানুহ নহয়। মোৰদৰেই তেওঁলোকৰো অৱস্থা। তথাপি ৫।১০ কৈ স্বৰ্ণমুদ্ৰা তেওঁলোকৰ পৰা গোটালে হয়তো ৫০

স্বৰ্ণমুদ্ৰা হ'ব। তাৰেতো সকলো বয়বস্তু নহ'ব। তোমাৰ দেউতাৰাই কিবা দিব পাৰিব নেকি? অৱশ্যে ধাৰ। মোক এনেয়ে কোনেও টকা দিব নলাগে। তোমাৰ মা দেউতা আহি থাকিবলৈ এটা কোঠা বঢ়োৱা বাবেও আৰু ৫০ স্বৰ্ণমুদ্ৰা বেচি খৰচ পৰিব।"

"মই পিতাক লিখিলে পিতাই হয়তো ৫০ স্বৰ্ণমুদ্ৰা ধাৰে দিব। পিতাৰো অৱস্থা ভাল নহয়। তথাপি মই লিখিলে কিবাপ্ৰকাৰে নিশ্চয় কিছু টকা দিব। ইতিমধ্যে আপুনিও বন্ধুবান্ধৱবোৰৰ পৰা যি পাৰে গোটাওক।" যশোধৰাই কলে।

যশোধৰাৰ কথাত দিগম্বৰ বন্ধুবান্ধৱবোৰৰ ওচৰলৈ গল। হৰেশ্বৰ, মহীচন্দ্ৰ, দেবেন্দ্ৰ, নৰেন্দ্ৰ দিগম্বৰৰ অন্তৰঙ্গ বন্ধু। তেওঁলোকো বৃদ্ধীন্দ্ৰ ৰজাৰ কৰ্মচাৰী আৰু উদয়গিৰিতে ৰাজকৰ্ম কৰে।

দিগম্বৰ প্ৰথমতে মহীচন্দ্ৰৰ ওচৰলৈ গৈ কলে, "ভাই, বৰ বিপদত পৰিছোঁ। দেৱপুৰত এটা ঘৰ সাজিবলৈ লৈছোঁ। এতিয়া সামান্য অলপ টকাৰ বাবে ঘৰটো সম্পূৰ্ণ নহয়। তই অন্ততঃ ২০ স্বৰ্ণমুদ্ৰা মোক ধাৰ দিব লাগে। মই ২।৩ মাহৰ পিচতে এই টকা শোধ কৰিম।"

দিগম্বৰৰ কথাত মহীচন্দ্ৰই ১০ স্বৰ্ণমুদ্ৰা ধাৰ দিলে। সেইদৰে ২।৩ মাহৰ পিচত ধাৰ শোধ কৰিম বুলি হৰেশ্বৰৰ পৰা ১০, দেৱেন্দ্ৰৰ পৰা ১০ আৰু নৰেন্দ্ৰৰ পৰা ১০ স্বৰ্ণমুদ্ৰা ধাৰ ললে। দিগম্বৰৰ কথাৰ কোনোদিনে লৰচৰ হোৱা নাই। গতিকে সকলোৱে দিগম্বৰে কোৱা মাত্ৰকেই টকা ধাৰে দিলে।

যশোধৰাইও দেউতাকক ৫০ স্বৰ্ণমুদ্ৰা ধাৰে খুজি চিঠি দিলে। সুমলীয়া জীয়েকৰ কথাত যশোধৰাৰ দেউতাকেও কৰবাৰ পৰা ৫০ স্বৰ্ণমুদ্ৰা যোগাৰ কৰি দিগম্বৰলৈ পঠালে। এইদৰে দিগম্বৰৰ হাতত ১০০ স্বৰ্ণমুদ্ৰা জমা হল। এইখিনি টকা লৈ দিগম্বৰ আকৌ দেৱপুৰলৈ গল আৰু দেৱপুৰত হৰিনাথৰ হাতত বৰ সাৱধানে এইখিনি টকা ঘৰৰ বাকী কামত খৰচ কৰিবলৈ জমা দি দিগম্বৰ উদয়গিৰিলৈ ফিৰিল।

ইপিনে দিগম্বৰৰ মাহেকীয়া বেতনৰ পৰা বজাই ৫ স্বৰ্ণমুদ্ৰাকৈ ঋণৰ টকা কাটি নি থকাত দিগম্বৰৰ প্ৰকৃত মাহেকীয়া আয় হʼলগৈ ৬ স্বৰ্ণমুদ্ৰা। আগতে ১১ স্বৰ্ণমুদ্ৰাৰে সুখকুটীৰৰ ভাবাদি দিগম্বৰ স্ত্ৰী পুত্ৰ কন্যাসহ একপ্ৰকাৰ ভালেৰেই খাই বৈ আছিল। এতিয়া আয় আগৰ আয়ৰ আধা হোৱাত, এইখিনি টকাৰে ভালদৰে খোৱাবোৱা পিন্ধাউৰা কৰা দূৰৈৰ কথা, কোনোমতে স্বাস্থ্য বজাই ৰাখি আৰু লজ্জা নিবাৰণ কৰি খোৱাবোৱা আৰু পিন্ধাউৰা কৰাও টান হʼল। ইপিনে দেৱপুৰলৈ অহাযোৱা কৰা খৰচো মাহেকীয়া বেতন ৬ স্বৰ্ণমুদ্ৰাৰ পৰা উলিয়াব লাগে।

ঘৰ বন্ধা কাম হাতত লোৱাৰ আগতে দিগম্বৰে স্ত্ৰী পুত্ৰ কন্যাসহ নিতৌ মাছ, মাংস, গাখীৰ, দৈ, মালভোগ কল, গুড় আদি খাইছিল। এনে ভাল খোৱা বোৱাৰ ফলত সুখকুটীৰত গোবৰৰ গোন্ধ লৈ থকা সত্বেও কাৰো অসুখবিসুখ হোৱা নাছিল। সকলোৰে স্বাস্থ্য ফুটু ফুটু আছিল। ঘৰৰ কাম আৰম্ভণ হোৱাৰ এমাহ পিচৰে পৰা খোৱাবোৱা বেয়া হব ধৰিলে। মাছ মাংস নিতৌৰ ঠাইত সপ্তাহত এবেলা হʼল। দুমাহ পিচত সিও অদৃশ্য হʼল। মালভোগ কলৰ ঠাইত প্ৰথমতে চেনিচম্পা কল হʼল আৰু পিচত সিও নাইকীয়া হʼল। আঠাল, কলহ উবুৰিয়ালে নপৰা দৈ বগা ৰং মিহলোৱা পানীৰ দৰে হʼল।

যশোধৰাই খোৱাবোৱা দিনে দিনে বেয়াহৈ যাবলৈ ধৰা বুলি কলে। দিগম্বৰে কয় "খোৱানো কি বেয়া হৈছে? কিমান মানুহে আমাৰ দৰেই খাব পৰা নাই। দুবেলা দুমুখি মাত্ৰ শুদা ভাতকে খাবলৈ নোপোৱা কিমান মানুহ আছে কেতিয়াবা মন কৰিছা জানো? সেইবোৰৰ তুলনাত আমি কিমান সুখী। আকৌ সদায় মাছ, মাংস, কণি এইবোৰ তামসিক খাদ্যও খোৱা ভাল নহয়। আমি

ব্ৰাহ্মণ। সাত্বিক আহাৰেহে আমাক শুজে। সেইহে গাখীৰ, ফলমূল, শাকপাচলি নিৰামিষ খাদ্য খোৱা উচিত। শাকপাচলিৰ দামো কম আৰু স্বাস্থ্যৰ পক্ষেও বৰ উপকাৰী। গাখীৰৰ দৰে হেনো প্ৰকৃষ্ট আন খাদ্য নাই।"

দিগম্বৰৰ কথাত যশোধৰাই গৰ্জি উঠি কলে "ভালদৰে দৈ, মাখন, ঘি, গাখীৰ, মালভোগ কল, বেদনা, আপেল, আঙুৰ আদি সদায় খাব পাৰিলে আমি মাছমাংসৰ নামকে নললোহেঁতেন। মাখন, ঘি, আপেল, আঙুৰৰ কথাটো বাদেই দিছো, ভালদৰে খাটি গাখীৰকে ল'ৰাছোৱালীহালক খুৱাব পৰা নাই। দৈ আৰু গাখীৰৰ নামত ল'ৰাছোৱালীক বগা পানীহে খুওৱা হৈছে।"

"দৈৰ পানীও স্বাস্থ্যৰ পক্ষে পৰম উপকাৰী। পিচে অলপ কেইদিনমান ধৈৰ্য্য ধৰা। সকলো ঠিক হব। ঘৰটো সম্পূৰ্ণ হৈ গলে যেতিয়া ভাবাৰ টকা পাম, তেতিয়া মাছ, মাংস, ঘি, মাখন, আপেল, আঙুৰ যিমান ইচ্ছা সিমানে খাব পাৰিবা। পিচে এটা কথা। আপেল আঙুৰ আদি ফল দামীহে, কিন্তু আচলতে দাম অনুযায়ী উপকাৰী নহয়। বগৰী, কেচা আম আদি আমি এনেয়ে পাওঁ দেখি সেইবোৰ বস্তু মুখতে দিব নোখোজো; কিন্তু আচলতে সেইবোৰ অতি উপকাৰী। মোৰ স্বাস্থ্যই চোৱা। সৰুতে বগৰী, আম, জামু গছৰ পৰা কিমান যে পাৰি নাখাইছিলো! ক'তদিন এইলৈ পিতাৰ যে মাৰ নাখাইছিলো! কতদিন বগৰী, আম, জামুৰ গিৰিহঁতে আমাক খেদিছিল; কিন্তু সেইবোৰ সৰুতে খাইছিলো বুলিহে এতিয়া মোৰ স্বাস্থ্য এনে। আমাৰ ল'ৰাছোৱালীয়ে মাছ, মাংস, আপেল, আঙুৰ আদি খাইছেহে খাইছে, কিন্তু মোৰদৰে জানো সিহঁতৰ স্বাস্থ্য হৈছে? সামান্য বতাহ লাগিলেই, সামান্য ঠাণ্ডা পালেই অসুখ হয়।" দিগম্বৰে কলে।

দিগম্বৰৰ কথাত যশোধৰা মনে মনে থাকে। ঘৰটো তৈয়াৰ হৈ গলে অৱস্থা ভাল হব বুলি সান্ত্বনা লভে। ইপিনে ল'ৰা-ছোৱালীৰ কানি কাপোৰ নতুন কৰাব লগীয়া হৈছে। ল'ৰাছোৱালী

দিনক দিনে বাঢ়ে। গতিকে ৩।৪ মাহৰ আগৰ কাপোৰ ৩।৪ মাহ পিচত সক হয়। আকৌ ল'ৰাছোৱালীয়ে খেলাধূলা কৰি কানি কাপোৰো সোনকালে ফালে। ইপিনে যশোধৰাৰ নিজৰো ঘৰত পিন্ধা কানিকাপোৰবোৰ ফাটিছে। ঘৰ বান্ধিবলৈ ধৰাৰ ছমাহ আগতে কিনা কানিকাপোৰ কিমান দিন টিকিব ? যশোধৰাই ঘৰত পিন্ধিবলৈ কিছু কানিকাপোৰ কোনোমতে নিকিনিলেই নহয়। যশোধৰাই দিগম্বৰক ল'ৰা-ছোৱালীৰ বাবে নতুন কানি কাপোৰ কৰোৱাৰ কথা কলে দিগম্বৰে কয়, "নতুন কাপোৰ আৰু কিয় লাগে ? পুৰণিবোৰকে কাটি কুটি ঠিক কৰি লোৱা ! ভালদৰে চিলাই কৰিব জানিলে পুৰণি কাপোৰতে সিহঁতক ধুনীয়া দেখা হব। আকৌ বৰ জাকজমকীয়া নতুন কাপোৰ পিন্ধিলেই জানো ল'ৰাছোৱালীক ভাল দেখি ? ল'ৰাছোৱালীও নিজে ধুনীয়া হব লাগিব। নিজে ধুনীয়া হলে যিহকে নিপিন্ধক তাতে ভাল দেখা হব। কাউৰীক ৰমক জমক পোছাক পিন্ধালেই জানো কাউৰীক ভাল দেখিব ? ভাটৌ চৰাইক একো নিপিন্ধালেও ভালদেখি।"

"সেইটো কেনেকৈ হব ? মই নিজেই লাগে নিপিন্ধিম, নাখাম, তেওঁ ল'ৰাছোৱালীয়ে ভাল ধুনীয়া কাপোৰ পিন্ধিব লাগিব, ভাল খাব লাগিব।" যশোধৰাই কলে।

১৪

এদিন যশোধৰাই নিজৰ ঘৰত পিন্ধা কানি কাপোৰবোৰ ফাটি পিন্ধিব নোৱাৰা হোৱা বুলি দিগম্বৰক কলে। যশোধৰাৰ বাবে নতুন কাপোৰ কিনা নিতান্তই দৰ্কাৰ।

দিগম্বৰে কলে, "তুমি পাগল হৈছা নেকি ? নতুন কাপোৰ কিনিবলৈ পইচা ক'ত ?"

যশোধৰাই কলে, "তেনেহলে মই কি পিন্ধিম ? আপোনাৰ স্ত্ৰী হলো বুলিয়ে মই দিগম্বৰী হব নোৱাৰো।"

দিগম্বৰে কলে, "তুমি যে কি কোৱা ? তোমাৰ বাকচত জানো পাটৰ, মখমলৰ কাপোৰবোৰ নাই ? সেইবোৰ বছৰেকত এদিনহে পিন্ধা। তোমাৰ বিয়াত পোৱা পাটৰ ধুনীয়া ধুনীয়া কাপোৰবোৰো দেখোন এতিয়ালৈ বাকচতে ভৰ্তি হৈ আছে। এতিয়া সেই বোৰকে পিন্ধা। তেতিয়া মানুহেও আমাক চহকী বুলি ভাবিব। কাৰণ সূতাৰ কাপোৰৰ পৰিবৰ্তে আমি ঘৰতে পাটৰ, মখমলৰ কাপোৰ পিন্ধো। শত স্বৰ্ণমুদ্ৰা বেতন পোৱা ৰাজকৰ্মচাৰীৰ পৰিবাৰেও এনেকৈ ঘৰতে পাটৰ, মখমলৰ কাপোৰ পিন্ধিব নোৱাৰে। আকৌ ফটাকাপোৰ বোৰো চিলাই কৰি, টাপলি মাৰি, চিলাই আৰু টাপলি ঢাকি পিন্ধিব জানিলে, মানুহে কাপোৰ ফাটিছেই নে কি হৈছে একো ধৰিব নোৱাৰিব। মোকে চোৱা। কেনে ধুনীয়া পোছাক পিন্ধি আছোঁ ; কিন্তু ভিতৰত যে ফটা বনিয়ন আছে তাক কোনে কব পাৰে।"

এইবুলি দিগম্বৰে যশোধৰাক পোছাক খুলি নিজৰ বনিয়নটো দেখুৱালে। দিগম্বৰৰ বনিয়ন বনিয়ন হৈ থকা নাই। ফটা ছিতা কাপোৰ এখনৰ যেনিবা সি মোনাহে।

যশোধৰাই দিগম্বৰৰ বনিয়ন দেখি কলে, "এনে বনিয়ন পিন্ধাৰ কি অৰ্থ ? নিপিন্ধিলেও হয় দেখোন ?"

দিগম্বৰে কলে "সেইটো বেলেগ প্ৰশ্ন। কামিজৰ তলত বনিয়ন পিন্ধিব লাগে দেখি বনিয়ন পিন্ধিছোঁ ; কিন্তু ঘাই কথা হল মই যে এনে ফটা ছিটা বনিয়ন পিন্ধিছোঁ তাক জানো আনে গম পাইছে ? সকলোৱে ভাবিছে মোৰ অৱস্থা ভাল। কাৰণ মোৰ গাত ধুনীয়া পোছাক। আকৌ মই উদয়গিৰিৰ বাহিৰলৈ গলে মানুহে কি কয় জানা ?"

"কি ?" যশোধৰাই সুধিলে।

"মানুহে মোক সোধে—দেউতা ঈশ্বৰে দেখোন খোজকাঢ়ি ফুৰিছে ? ঘোঁৰাৰ গাৰী লৈ নাহিলে কিয় ? ৰাস্তাঘাট বেয়া বুলি বোধকৰো নানিলে। আমাৰ এইপিনে ৰাস্তাঘাট বৰ দুৰ্গম। তথাপি

দেউতা ঈশ্বৰে ইচ্ছা কৰাহেঁতেন দেউতাৰ গাৰী লৈ আহিব পাৰিলে-হেঁতেন। মই তেওঁলোকৰ কথা নুশুনা ভাও ধৰি থাকো। একো উত্তৰ নিদিওঁ। এনে ধৰণৰ প্ৰশ্নত উত্তৰ নিদিয়াই বোধকৰো ভাল। মোৰ গাৰী নাই বুলি কবলৈকেও লাজ লাগে। আকৌ ৰাস্তা দুৰ্গম বুলি গাৰী অনা নাই বুলি জাজ্বল্য মিছা কোৱাও টান। একো নকৈ নামাতিলে, মিছাও কোৱা নহল আৰু মানুহে মোৰ অৱস্থা সম্পৰ্কে যি ভাল ধাৰণা কৰিছে তাকো মুই কৰা নহল।"

"এইদৰে কিমান দিন চলিব? মুঠতে অহামাহত মোৰ আৰু ল'ৰাছোৱালীৰ কানি কাপোৰ বাবদ খুব কমেও পাঁচ স্বৰ্ণমুদ্ৰা লাগিব। আপুনি যেনেদৰে পাৰে যোগাৰ কৰক।" এইবুলি যশোধৰা ভৰভৰাই ভিতৰলৈ গল।

যশোধৰাৰ কথাত দিগম্বৰ একেবাৰে বিমূঢ় হল। মনত পৰিল ৰত্নাকৰ দস্যুৰ কথা। ৰত্নাকৰে মানুহ মাৰি, ডকাইতি কৰি মাক পিতাক, ল'ৰাছোৱালী তিৰোতাক খুৱায়; কিন্তু যেতিয়া পাপৰ ভাগ লোৱাৰ কথা ওলাল, তেতিয়া পিতাক, মাক, তিৰোতা, ল'ৰা-ছোৱালী কোনেও ৰত্নাকৰৰ পাপৰ ভাগ লবলৈ মান্তি নহল। পিতাক মাকক সোধাত তেওঁলোকে কলে "তোৰ পাপৰ ভাগ আমি কিয় লম? তোক আমি জন্ম দি খুৱাই ধুৱাই ডাঙৰ দীঘল কৰিলোঁ। এতিয়া আমাৰ বুঢ়াকালত তই আমাক খুওৱা কৰ্তব্য। তই ডকাইতি কৰিয়ে খুওৱা বা যাগযজ্ঞ কৰিয়ে খুওৱা আমি তাৰ বিচাৰ নলওঁ। তোৰ কৰ্মৰ ফল তইয়ে ভুগিব লাগিব। তোৰ পুণ্যৰ ভাগো যেনেকৈ আমি নলওঁ, পাপৰ ভাগো তেনেকৈ নলওঁ।"

ঘৈণীয়েকক সোধাত ঘৈণীয়েকে কলে, "আপোনাৰ পাপৰ ভাগ কিয় লম? আপুনি অগ্নি সাক্ষী কৰি মোক বিয়া কৰাই মোৰ সকলো দায়িত্ব লৈছে। এতিয়া আপুনি মোক খুৱাব ধুৱাব লাগিবই।"

দিগম্বৰৰো অৱস্থা এতিয়া ৰত্নাকৰ দস্যুৰ দৰে হল। ল'ৰা-ছোৱালী তিৰোতাক খুওৱা ধুওৱা, পিন্ধোৱা উৰোৱা সকলো দায়িত্ব

এতিয়া দিগম্বৰৰ। দিগম্বৰে এইবোৰৰ খৰচৰ টকা কেনেকৈ সংগ্ৰহ কৰে তাৰ বিচাৰ লোৱাৰ প্ৰয়োজন আজি কাৰো নাই। বিয়া কৰোৱাৰ দৰে কুকাৰ্য্য দিগম্বৰে যেতিয়া কৰিছে, সেই কাৰ্য্যৰ ফলো দিগম্বৰে ভুগিবই লাগিব। বিয়া নকৰোৱাহেঁতেন দিগম্বৰ মহাসুখত খাইবৈ থাকিব পাৰিলেহেঁতেন। বিয়া কৰোৱা বাবেহে দিগম্বৰে ঘৰ নিৰ্মাণৰ পৰিকল্পনা কৰি এতিয়া নাকে মুখে পানী খাইছে।

১৫

দিগম্বৰে এইবোৰ নানা কথা ভাবি থাকোতেই, ল'ৰাছোৱালী তিৰোতাৰ কানি কাপোৰৰ বাবে কেনেকৈ টকা সংগ্ৰহ কৰে চিন্তা কৰি থাকোতেই, এদিন হৰিনাথৰ পৰা চিঠি পালে। হৰিনাথে লিখিছে—তুৰন্তে আৰু ৫০ স্বৰ্ণমুদ্ৰাৰ দৰ্কাৰ। লোহা, বালি, পাথৰ, চূণ, কাঠ আদি কিনাত দিগম্বৰৰ আগৰ সকলো টকা খৰচ হৈ গৈছে। এতিয়া আলিমুদ্দিনে তাৰ পাৰিশ্ৰমিক বাবদ ৪০ স্বৰ্ণমুদ্ৰা নাপালে কাম কৰিবলৈ অমান্তি হৈছে। গজাল, তাঁৰ, অকাৰী কাঠ আদি ইটো সিটো কিনিবলৈ ১০ স্বৰ্ণমুদ্ৰা হাতত থকা দৰ্কাৰ। এই ৫০ স্বৰ্ণমুদ্ৰা হলে বাৰিষাৰ আগতে ঘৰৰ ছালখন হোৱা সম্ভৱ। দুৱাৰ খিৰিকীবোৰ ঘৰত নলগালেও তৈয়াৰ হৈ গৈছে। খিৰিকীবোৰৰ ওপৰত সূৰ্য্য ঢাকনিও শেষ হৈছে। এতিয়া ঘৰটোত চূণ-কঙ্ক্ৰিটৰ মাৰলি দি ছালখন তৈয়াৰ কৰিব পাৰিলে কিছু সকাহ পোৱা যায়। শীঘ্ৰে আলিমুদ্দিনক ৪০ স্বৰ্ণমুদ্ৰা দি ঘৰৰ মাৰলিবোৰ আৰু ছালখন শেষ কৰা দৰ্কাৰ। নহলে ভীষণ বিপদ হব। কাৰণ বাৰিষা সমাগত। সোনকালে কাম শেষ নহলে বাৰিষাৰ ঢলে বালি, চূণ, কাঠ আদি উটাই নিয়া সম্ভৱ।

হৰিনাথৰ চিঠি পাই দিগম্বৰৰ মুখ শুকাই গল। আৰু ৫০ স্বৰ্ণমুদ্ৰা কেনেকৈ যোগাৰ কৰে? বন্ধুবান্ধৱবোৰেওতো দিগম্বৰক আৰু ধাৰ নিদিব। দিগম্বৰে ২।১ মাহতে শোধ কৰিব বুলি টকা ধাৰে আনি

সেই টকা আজি ৪।৫ মাহেও শোধ কৰিব পৰা নাই। বন্ধু মহলত এতিয়া দিগম্বৰৰ নাম নাই। দিগম্বৰৰ ভাই ককাই দেউতাক-হঁতেও দিগম্বৰক এই বিপদত সহায় কৰাৰ আশা নাই। আগতেও ভাই ককাই দেউতাকহঁতৰ ওচৰত হাত পাতি দিগম্বৰ বিফল হৈছিল। দিগম্বৰক প্ৰাসাদ সাজি স্ত্ৰী পুত্ৰ কন্যালৈ মহাসুখত থাকিবলৈ দিবলৈ তেওঁলোকৰ কি আৱশ্যক? দিগম্বৰে বিৰাট প্ৰাসাদ সাজিবলৈ ধৰা কথা শুনাৰে পৰা ঘৰৰ মানুহ রুষ্ট। দিগম্বৰৰ প্ৰাসাদে তেওঁলোকৰ চক্ষুশূল হৈছে। এতিয়া টকা খুজিলে তেওঁলোকে দিগম্বৰকে দুষিব। দিগম্বৰে নিজে নিজৰ বিপদ মাতি অনা বুলি ঘৰৰ সকলো মানুহে কব। কি দৰ্কাৰ আছিল দিগম্বৰৰ প্ৰাসাদ ঘৰ সাজিবৰ? দিগম্বৰ আনমানুহৰ দৰে পৰ্ণকুটীৰতে জানো থাকিব নোৱাৰিলেহেঁতেন? যশোধৰাৰ দেউতাকে দিগম্বৰক আগতেই ৫০ স্বৰ্ণমুদ্ৰা ধাৰ দিছে। তেওঁ যে দিগম্বৰক আৰু ধাৰ দিব পাৰিব তাৰ কোনো আশা নাই। দিগম্বৰৰ দুতলা, তিনিতলা প্ৰাসাদৰ পৰিকল্পনা এতিয়া সমূলে ব্যৰ্থ হয় নেকি? স্নান ঘৰত গৰম পানী, শীতল পানী, গোলাপ জলৰ নিজৰা বোৱাৰ পৰিকল্পনা এতিয়া সফল নহব নেকি? বেশভূষা কৰা কোঠাত, যশোধৰাৰ সহস্ৰ প্ৰতিবিম্বৰ পৰিবৰ্তে এতিয়া এটা প্ৰতিবিম্ব দেখাৰো ব্যৱস্থা নহব নেকি? হৰিনাথৰ চিঠি পাই দিগম্বৰ একেবাৰে বিবুদ্ধি হ'ল। পত্নী যশোধৰাক মাতি সকলো কথা কলে। যশোধৰাই সকলো শুনিলে, কিন্তু একো উপায় দিব নোৱাৰিলে।

বহুত ভাবিচিন্তি দিগম্বৰে হৰিনাথলৈ চিঠি লিখিলে। দিগম্বৰে লিখিলে যে এমাহ পাচত তেওঁ আৱশ্যকীয় টকা পইচা লৈ দেৱপুৰলৈ যাব। আলিমুদ্দিন মিস্ত্ৰীৰ সকলো পাওনা তেতিয়া শোধ কৰি দিব। বৰ্তমানে ৰাজকীয় কামৰ বৰ হেঁচা পৰিছে। গতিকে দিগম্বৰৰ উদয়গিৰি এৰি কলৈকো যোৱা সম্ভৱ নহয়। আলিমুদ্দিনে যেন কামত গাফিলতি নকৰি ঘৰৰ কামখিনি ঘোৰ বাৰিষা পৰাৰ আগতে সমাধা কৰে। দিগম্বৰে ভাবিলে কেনেবা

প্ৰকাৰে বাৰিষাৰ আগতে ঘৰলৈ বুলি কিনা বস্তুবাব থিনি কামত লগাব পাৰিলে পিচতো আলিমুদ্দিনৰ পাওনা শোধৰ কিবা এটা ব্যৱস্থা কৰিব পৰা হব।

দিগম্বৰে পত্ৰবাহকৰ হাতত চিঠি পঠাই দি এমাহৰ ভিতৰতে কেনেকৈ টকা সংগ্ৰহ কৰিব পাৰে ভাবিলে। ঋণ পোৱা অসম্ভৱ; কাৰণ যিমান ঋণ কৰিব পাৰি দিগম্বৰে আগতে কৰিছেই। আপোনজনৰ পৰা সহায় বিচৰাও নিৰৰ্থক। কিবা অলৌকিক উপায়ৰে টকা নাহিলে দিগম্বৰৰ উপায় নাই। ভাবিব নোৱাৰা কত অলৌকিক ঘটনা নিতৌ ঘটিয়ে আছে। কত দাল-দৰিদ্ৰ লক্ষপতি আৰু কত লক্ষপতি দাল-দৰিদ্ৰ হৈছে। দিগম্বৰৰ বেলিকাও তেনে অলৌকিক উপায়ৰে টকা অহা অসম্ভৱ নহয়। তেনেকৈ টকা দিগম্বৰে পালে, দিগম্বৰে ৰাধাকৃষ্ণৰ মূৰ্তিৰ আগত মালভোগ কল, পৰমান্ন আদিৰে ভোগ দিয়াৰো মানস কৰিলে। অলৌকিক উপায়ৰ বাহিৰে আৰু এক প্ৰকাৰে দিগম্বৰে টকা পাব পাৰে। সেইটো হৈছে পাশাখেল খেলি। সৰু কালত দিগম্বৰে পাশা খেল খেলি লগৰ সমনীয়া ল'ৰাৰ পৰা অলপ চলপ টকা ঘটিছিল; কিন্তু বুদ্ধীন্দ্ৰ ৰজাৰ কৰ্মচাৰী হোৱাৰে পৰা দিগম্বৰে পাশাখেল পৰিত্যাগ কৰিছে। এতিয়া ধনৰ অত্যন্ত আৱশ্যক হোৱাত দিগম্বৰে পাশাখেল খেলিবলৈ মনস্থ কৰিলে। যশোধৰাই নজনাকৈ দিগম্বৰে পাশাঘৰত ৰাতি ৰাতি পাশা খেলিবলৈ ধৰিলে। প্ৰথমতে দুই এদিন সামান্য এক দুই ৰৌপ্যমুদ্ৰাও লাভ কৰিছিল; কিন্তু পিচলৈ দিগম্বৰৰ হাতৰ পৰাহে ধন যাবলৈ ধৰিলে আৰু দিগম্বৰ আগতকৈও দুখীয়া হৈ পৰিল। ইপিনে ধনৰ আশাত যিমানেই হাতৰ পৰা ধন যায় তিমানেই বেচি উৎসাহত দিগম্বৰে পাশা খেলে। ফলত যুধিষ্ঠিৰ মহাৰাজে পাশাখেল খেলি ধন জন ৰাজ্য আনকি নিজৰ স্ত্ৰীকো হেৰুৱাই সৰ্বস্বান্ত হোৱাৰ দৰে দিগম্বৰেও হাতৰ সকলো ধন হেৰুৱালে, যশোধৰাৰ বাকচত থকা সোণৰ অলঙ্কাৰ গোপনে পাশাখেল খেলিবলৈ আনি হেৰুৱালে, নিজৰ দামী পোছাক

পৰিচ্ছদ হেৰুৱালে, আৰু অৱশেষত উদয়গিৰিৰ মাটি কঠাও হেৰুৱালে। পাশাৰ নিচা বৰ নিচা। দিগম্বৰক কাণ্ডজ্ঞান থকা-হেঁতেন দিগম্বৰে উদয়গিৰিৰ মাটি খিনি বেচিয়ে অন্ততঃ ৩০ স্বৰ্ণমুদ্ৰা পাব পাৰিলেহেঁতেন। যশোধৰাৰ অলঙ্কাৰ বেচিও আৰু ১০ স্বৰ্ণমুদ্ৰা সহজেই ঘটিব পাৰিলেহেঁতেন। এতিয়া পাশাত সেইবোৰ সকলো হেৰুৱাৰ পাচতহে দিগম্বৰৰ সেই জ্ঞান হ'ল। এতিয়া দিগম্বৰৰ পাশা খেল খেলিবলৈও উপায় নোহোৱা হ'ল। একমাত্ৰ অলৌকিক উপায়ৰে ধন হাতলৈ আহিলে কিবা এটা হব পাৰে। নহলে দিগম্বৰৰ ঘৰ নিৰ্মাণৰ সকলো পৰিকল্পনাৰ ইমানতে ইতি হব।

ইতিমধ্যে ৰাজ্যত এটা অঘটন ঘটনা ঘটিল। মহাপৰাক্ৰমী বৃদ্ধীন্দ্ৰ ৰজাৰ পৰিকল্পনাবোৰত প্ৰজাসকল ক্ষুণ্ণ হৈ পৰিল। প্ৰজা-সকলে বৃদ্ধীন্দ্ৰ ৰজাৰ বলিয়ালি পৰিকল্পনাবোৰ কিমান সহি থাকিব? ৰাজ্যত বিদ্ৰোহ হ'ল। বৃদ্ধীন্দ্ৰ ৰজা প্ৰাণ লৈ অটব্য জঙ্গললৈ পলাল। বৃদ্ধীন্দ্ৰ ৰজাৰ ঠাইত বলীন্দ্ৰ ৰজা হ'ল। বলীন্দ্ৰ ৰজা সিংহাসনত বহিয়ে ৰাজধানী উদয়গিৰিৰ পৰা দেৱপুৰলৈ স্থানান্তৰিত কৰাৰ আদেশ দিলে। দিগম্বৰে ভাবিলে যাওক ঈশ্বৰৰ কৃপাত এইবাৰ নিজে দেৱপুৰত থাকি গৃহনিৰ্মাণ কাৰ্য্যৰ তত্ত্বাৱধান কৰিব পাৰিব। দিগম্বৰ দেৱপুৰলৈ যাবৰ বাবে টালিটোপোলা বান্ধি সাজু হ'ল।

এনেতে পত্ৰবাহকে দিগম্বৰক হৰিনাথৰ চিঠি দিলে। হৰিনাথে লিখিছে হঠাৎ লোহিতৰ অভাৱনীয় ঢল আহি দিগম্বৰৰ কাঠ, বালি, চূণ সকলো উটাই নিলে। প্ৰজাবিদ্ৰোহৰ সময়ত লোবোৰো প্ৰজাসকলে মৰামৰি কৰিবলৈ লৈ গ'ল। এতিয়া মাত্ৰ ইটা আৰু পাথৰবোৰ পৰি আছে। অৱশ্যে খুব বেছি লোকচান হোৱা নাই। খুব বেছি প্ৰায় এশ স্বৰ্ণমুদ্ৰাৰ বস্তুবাৰ লোকচান হৈছে। গতিকে দিগম্বৰে যেন আলিমুদ্দিনৰ ৫০ আৰু নতুনকৈ বালি, পাথৰ, কাঠ আদি কিনিবলৈ আৰু এশ মুঠতে দেৰশ স্বৰ্ণমুদ্ৰা লৈ সোনকালে দেৱপুৰলৈ আহে।

হৰিনাথৰ চিঠি পাই দিগম্বৰৰ মূৰত যেন বজ্ৰপাতহে হ'ল। ৫০ স্বৰ্ণমুদ্ৰাকে যিজনে সংগ্ৰহ কৰিব পৰা নাই তেওঁ এতিয়া বেৰশ স্বৰ্ণমুদ্ৰা কেনেকৈ গোটায়? দিগম্বৰে গৃহ নিৰ্মাণৰ সকলো পৰিকল্পনা পৰিত্যাগ কৰিলে। পত্নী যশোধৰাক এই নতুন বিপদৰ কথা কলে। যশোধৰাইও এই বিপদৰ একো উপায় দিব নোৱাৰিলে। বহুত ভাবিচিন্তি যশোধৰাই উদয়গিৰিৰ মাটিখিনি বিক্ৰী কৰিব কলে। মাটি যে দিগম্বৰে আগতেই হেৰুৱাইছে সেই কথা যশোধৰাক নকৈ দিগম্বৰে কলে, "এতিয়া উদয়গিৰিত মাটি কোনে কিনিব? ৰাজধানী দেৱপুৰলৈ স্থানান্তৰিত হোৱাত উদয়গিৰিৰ মাটিৰ মূল্য তেনেই নোহোৱা হৈছে। এনেয়ে দিলেও কিজানি সেই মাটি লোৱা গ্ৰাহক নোলাব।"

দিগম্বৰৰ এই কথাত যশোধৰাই কওঁ নকওঁকৈ কলে, "বহুদিন আগতে বিয়াৰ সময়ত দেউতাই দিয়া মোৰ অলপ অলঙ্কাৰ আছিল। সেই অলঙ্কাৰ মই ইমান দিনে পিন্ধাই নাই। বাকচতে আছে। সেইখিনি বেচিলে কিছু টকা হয়তো পাব পাৰে? অলঙ্কাৰখিনি মোৰ বৰ মৰমৰ। কোনোদিনে বিক্ৰী কৰা কথা ভবা নাছিলোঁ।"

দিগম্বৰে কলে, "অলঙ্কাৰ বিক্ৰী কৰা বৰ অপমানৰ কথা। সেইখিনি বাকচত আছে, বাকচতে থাকক। বাৰু, সেইবোৰ এতিয়া ভাবিব নালাগে। দেৱপুৰলৈ গৈ যি হয় এটা ব্যৱস্থা কৰিব লাগিব।"

ইয়াৰ পিচত দিগম্বৰ স্ত্ৰী আৰু পুত্ৰ কন্যাক লৈ দেৱপুৰলৈ আহিল। দেৱপুৰত হৰিনাথৰ ঘৰত এদিন থাকিল। দিগম্বৰৰ বহু কল্পনাৰ প্ৰাসাদ কিমানদূৰ আগবাঢ়িছে তাক পুত্ৰকন্যা আৰু স্ত্ৰীৰে সৈতে চালে। ঘৰ নিৰ্মাণ হোৱা ঠাইলৈ যোৱা অসম্ভৱ। চাৰিও পিনে তেতিয়াও পানী আছে। সমুদ্ৰৰ মাজত দ্বীপ ওলাই থকাৰ দৰে সেই পানীৰ মাজতো দিগম্বৰৰ অৰ্দ্ধ সম্পূৰ্ণ ঘৰ পৰি আছে। পানীৰ মাজতো ইটাৰ দম, আৰু দিগম্বৰৰ ঘৰৰ ভেটি ওলাই আছে।

সুবলে দেউতাকক সুধিলে, "দেউতা ঘৰ কেতিয়া শেষ হব ?"

দিগম্বৰে কলে "আৰু কিছুদিন পিচতে শেষ হব।"

যশোধৰাই অৰ্দ্ধনিৰ্মিত ঘৰ দেখি অলঙ্কাৰখিনি বেচি কোনোমতে ঘৰটো শেষ কৰাৰ কথা ভাবিলে। হৰিনাথৰ ঘৰ পাই অলঙ্কাৰৰ বাকচটো খুলিলে ; কিন্তু ইকি ? ভিতৰত দেখোন এপদ অলঙ্কাৰো নাই। যশোধৰা চিঞৰি উঠিল। দিগম্বৰক কলে, "সৰ্বনাশ, বাকচত অলঙ্কাৰো নাই ! কোনোবাই চুৰি কৰিলে।"

দিগম্বৰে লোকৰ ঘৰত চিঞৰ বাখৰ কৰিব হাক দি কলে, "এইটো নিশ্চয় নৰহৰি ভৃত্যৰ কাম। সিটো উদয়গিৰিতে বৈ গ'ল। আমাৰ লগত দেৱপুৰলৈ আহিবলৈ আপত্তি কৰাৰ কাৰণ এতিয়াহে বুজিলো। এই বিদ্ৰোহৰ সুযোগ লৈ, ৰাজধানী স্থানান্তৰিত কৰাৰ সুযোগ লৈ সি এই কামটো কৰিলে। কলিযুগত কোনো মানুহক বিশ্বাস কৰা টান। নৰহৰি ইমান বছৰ আমাৰ লগত থাকিল। কোনোদিনে সি সামান্য তাম্ৰমুদ্ৰা এটাও চুৰি কৰা নাই। শেষত যে সি এই কামোৰ মাৰিব কোনে জানিছিল ?"

পিচদিনা দিগম্বৰ শহুৰেকৰ ঘৰলৈ স্ত্ৰী পুত্ৰ কন্যাক লৈ গ'ল। তাত যশোধৰা আৰু সুবল দেৱযানীক থৈ দিগম্বৰ দেৱপুৰলৈ ফিৰিল আৰু দেৱপুৰত অকলে অতিকষ্টে অবিবাহিত ৰাজকৰ্মচাৰীবোৰৰে সৈতে একেলগে থাকি কোনোমতে ৰাজকাৰ্য্য চলাই যাবলৈ ধৰিলে। ৰজা সলনি হলেও দিগম্বৰৰ ঋণৰ টকা বেতনৰ পৰা কটা গৈয়ে থাকিল। ৬ স্বৰ্ণমুদ্ৰা বেতনৰ ১ স্বৰ্ণমুদ্ৰা নিজৰ বাবে খৰচ কৰি ৫ স্বৰ্ণমুদ্ৰা যশোধৰা আৰু ল'ৰাছোৱালীৰ খোৱা খৰচৰ বাবে যশোধৰালৈ পঠাই থাকিল। ধকুৱাৰ উৎপাতৰ কাৰণে দিগম্বৰে ফুৰাচকা বন্ধ কৰিলে। পাণ্ডৱসকলে বিৰাট ৰজাৰ গৃহত অজ্ঞাতবাস কৰাৰ দৰে দিগম্বৰেও বৰলা ৰাজকৰ্মচাৰী থকা কুটীৰটোত অজ্ঞাতবাস খাটিবলৈ ধৰিলে। এইদৰে কেই বছৰমান গ'ল, কিন্তু আগতে সুখত অভ্যস্ত দিগম্বৰৰ শৰীৰে এনে কষ্ট কিমান্ দিন আৰু সহিব ? অৱশেষত এদিন ৰোগত পৰি দিগম্বৰ চুকাই থাকিল। মৃত্যুৰ

সময়ত অৰণ্যে বেচেৰাৰ কাষত পত্নী যশোধৰা, কন্যা দেৱযানী আৰু পুত্ৰ সুবল আছিল। নিজৰ পৰিজনৰ বাহিৰেও আন মানুহেও দিগম্বৰৰ মৃত্যুত শোক কৰিলে। বন্ধুবান্ধৱে দিগম্বৰৰ আত্মাৰ সদগতিৰ অৰ্থে প্ৰাৰ্থনাও কৰিলে আৰু শোক সন্তাপত কাতৰা যশোধৰাৰ্লৈ দিগম্বৰৰ অকালমৃত্যুত শোক কৰি প্ৰস্তাৱ পঠালে। এইদৰে দিগম্বৰৰ গৃহ নিৰ্মাণৰ ইতি পৰিল।

১৬

বহুতবছৰ পিচৰ কথা। এদিন এজন মানুহে তেওঁৰ সৰু ল'ৰাটোক লৈ দেৱপুৰৰ ভিতৰুৱা আলি এটাৰে ফুৰিবলৈ ওলাইছে। হঠাৎ ল'ৰাটোৱে দূৰৈত বৃহৎ ইটাৰ এটা দম দেখি দেউতাকক সুধিলে, "দেউতা দেউতা, তাত কিয় ইমান ইটা দম হৈ পৰি আছে?"

দেউতাকে কলে "সেইবোৰ বহুত কথা। বহুদিন আগতে দিগম্বৰ নামৰ এজন মানুহে ইয়াত ঘৰ বান্ধিবলৈ মন কৰিছিল। তাৰে চিন হিচাবে ভঙা ইটাবোৰ দমহৈ তাত পৰি আছে।"

ল'ৰাটোৱে তেতিয়া কলে "দেউতা আমাৰ ঘৰ বান্ধিলে কিন্তু পুৰা ঘৰ হব লাগিব। এনেদৰে যেন ভঙা ইটাৰ দম পৰি নাথাকে।"

দেউতাকে "বাৰু" বুলি শলাগিলে।

লিখকৰ বিষয়ে

প্ৰবীৰ বৰুৱা বাহিৰত এইদেদ্ বা চৰকাৰী সাহায্য পোৱা কলেজৰ ইংৰাজীৰ প্ৰফেচাৰ; কিন্তু ঘৰত হলে লিখক। লিখক বুলি আনে স্বীকাৰ কৰকে বা নকৰক, নিজে হলে ঘৰত ঘৈণীয়েকৰ আগত ডাঙৰ লিখক বুলি কয়। প্ৰবীৰ বৰুৱাই ৰাতি বিছনাত শুই শুই চিন্তা কৰে। জাৰৰ দিনত লেপৰ তলত মূৰ সুমাই আৰু গৰমকালি উদং গাৰে বিছনাত পৰি বৰুৱাই চিন্তা কৰে। ৰাতিপুৱা, ৰাতি মগজুত কিলিবিলি কৰি থকা চিন্তাবোৰ কাগজত লিখি মগজুৰ পৰা বাহিৰ কৰি উলিয়ায়। ৰাতি চিন্তাৰ সময়ত কোনেও তেওঁক আমনি কৰিব নোৱাৰে; সেইবুলি যে তেওঁৰ চিন্তাৰ ধাৰা কেতিয়াও ছিন্ন নহয় সেইটোও নহয়। কেতিয়াবা সুন্দৰ ভাব মনত খেলাইছে; মনতে ধুনীয়া ৰাজকুঁৱৰীৰ কল্পনা কৰিছে। এনেতে কেচুৱাই দিলে কান্দি। মনোৰাজ্যৰ পৰা ৰাজকুঁৱৰী পলাল। চিন্তাৰ ধাৰা ছিন্ন হ'ল। বিৰক্তিত বৰুৱাই ঘৈণীয়েকক ধমক দিলে। ঘৈণীয়েকেও তাৰ জবাব সমান বিৰক্তিৰে দি কেচুৱাক কোলাত লবলৈ কলে।

"কেচুৱা কেৱল অকল মোৰেই নে? দিনটো টাকুৰী ঘূৰাদি ভাত ৰন্ধা, ঘৰ মচা কামৰ উপৰিও ল'ৰাছোৱালীক খুওৱা ধুওৱা সকলো কাম মযে কৰো; এতিয়া ৰাতি শুবও নোৱাৰিম নে? উঠক, কেচুৱাক কোলাত লৈ জিত কৰক।"

ঘৈণীয়েকৰ এনে নিদাৰুণ কথাত প্ৰবীৰ বৰুৱা উঠি কেচুৱাক লবৰ বাধ্য হয়। মনত অহা সুন্দৰ সুন্দৰ চিন্তাৰ তাতেই শেষ হয়। আকৌ কেতিয়াবা হয়তো বৰুৱাই ৰাতি খাই বৈ উঠি বিছনাত পৰি চকু মুদি গল্পৰ প্লট ভাবিছে, নহলে কবিতা এশাৰীতে ছন্দ দি সুৰলা কৰিবৰ প্ৰয়াস কৰিছে, এনেতে ঘৈণীয়েক কাষলৈ উঠি আহি

বৰুৱাক মৰমৰে মাতিব 'হেৰি'। বৰুৱাৰ গল্পৰ প্লট, কবিতাৰ ছন্দ সেই 'হেৰি'ৰ সন্নিধান দিব লগা হোৱাত পলায়। এইবোৰ সকলুবা অসুবিধাই মাজে মাজে চিন্তাৰ ধাৰা ছিন্ন কৰিলেও বৰুৱা দমি যোৱা নাই। ৰাতিপুৱা কলেজলৈ যাবৰ সময় নহয় মানে কাগজ পেঞ্চিল লৈ বৰুৱাই সদায় নিয়মিতভাৱে লিখে।

বৰুৱাৰ ল'ৰা ছোৱালী চাৰিটা—এজনী ছোৱালী, তিনিটা ল'ৰা। ল'ৰাছোৱালীবোৰৰ ইটোৰ লগত সিটোৰ বয়সৰ প্ৰভেদ ২ বা বৰ বেছি ২॥ বছৰ। ডাঙৰ জনী ছোৱালীৰ বয়স প্ৰায় ৭ বছৰ আৰু একেবাৰে শেহৰটো ল'ৰাৰ বয়স প্ৰায় ছয়মাহ। ডাঙৰজনী ছোৱালী আৰু তাৰ পিচৰ ল'ৰাটো স্কুললৈ যায়। সিহঁতক পঢ়িবলৈ বৰুৱাই বহা কোঠাতে এখন টেবুল আৰু দুখন টুল দিছে। বৰুৱাই নিজেও সেই একেখন টেবুলতে চকি এখন লৈ লিখা-পঢ়া কৰে। বৰুৱাৰ তিনি নম্বৰ সন্তানটোৰ বয়স তিনি বছৰ। ইও দেখাক দেখি চকি এখন টানি আনি ককায়েক বায়েকহঁতৰ লগত বহি কাগজ পত্ৰ ফালে বা পেঞ্চিলেৰে অ'ত ত'ত আঁকি থাকে।

সিদিনা ৰবিবাৰ। নিশা মনত খেলোৱা সুন্দৰ চিন্তাবোৰ কাগজত লিখি থবলৈ বৰুৱা ৰাতিপুৱা টেবুলৰ ওচৰত কাগজ পেঞ্চিল লৈ বহিছে। তিনিওটা ল'ৰাছোৱালী দেউতাকৰ কাষতে বহি পঢ়াশুনা কৰিছে। ঘৈণীয়েকে বৰুৱাক ল'ৰাছোৱালীবোৰক চাবলৈ দি ঘৰৰ কাম কৰিবলৈ গৈছে। বৰুৱাই লিখি গৈছে : ল'ৰাছোৱালীবোৰে কোনে কি কৰিছে তালৈ মন কৰা নাই। কিছুসময়ৰ পাচত হঠাতে বৰুৱাই চিঞঁৰি উঠিল, "পেঞ্চিল, পেঞ্চিল, পেঞ্চিল ক'ত? আঃ ইহঁতৰ উৎপাতত একোকে লিখিব নোৱাৰি। হেৰা, পেঞ্চিলবোৰ কলৈ গ'ল?"

গিৰীয়েকৰ চিঞঁৰত ঘৈণীয়েক ওচৰলৈ আহি সুধিলে "কি হ'ল, কিয় পেঞ্চিল, পেঞ্চিল কৰি চিঞঁৰিছে? হাতত দেখোন পেঞ্চিল আছে?"

ঘৈণীয়েকৰ কথাত গিৰীয়েকে বৰ বিৰক্তিৰে কলে, "এইদাল

পেঞ্চিল নেকি? এই দালেৰে লিখিব পাৰি নেকি? চোৰা মুৰটো ভাঙি গৈছে।"

"পেঞ্চিল, পেঞ্চিল কৈ নিচিঞৰিবি পেঞ্চিল দাল কাটি ললেই হয় দেখোন?" ঘৈণীয়েকে কলে।

ঘৈণীয়েকৰ কথাত বৰুৱাই তেতিয়া আৰু বেছি বিৰক্তিৰে কলে, "তোমাৰ ঘৰ ক'ত? অৰ্থাৎ বিয়াৰ আগতে তোমাৰ ঘৰ ক'ত আছিল?"

"বিয়াৰ আগতে মোৰ ঘৰ ক'ত আছিল। আমাৰ বিয়া হবৰ আজি ৯ বছৰ হলহি। এতিয়া বিয়াৰ আগতে মোৰ ঘৰ ক'ত আছিল বুলি কিয় সুধিছে? ভাং তাং কিবা খালে নেকি?" ঘৈণীয়েকে কলে।

"ভাং খোৱা নাই। খালেও দোষ নাই। ডাঙৰ লিখক, ডাঙৰ কবি সকলোৱে হয় সুৰা পান কৰে, নহলে কানি খায়, নহলে ভাং বা মোদক খায়। যিবোৰৰ এইবোৰ খাবৰ শক্তি নাই, সিও হয় চিগাৰেট খায় নহয় এখনৰ পিচত এখনকৈ মোকামুকি তামোলকে চোবায়। পশ্চিমত সকলোৱে সোমৰসকে পান কৰে; আমাৰ দেশত সেইটো নিষিদ্ধ। সেইবাবে আমাৰ দেশত ভাং বা মোদক খায়। কিয় খায় জানা? খালে মনৰ কল্পনা শক্তি বাঢ়ে। ডেকুইন্সিৰ নাম বোধকৰো শুনিছা? বৰ ডাঙৰ ইংৰাজ লিখক আছিল। তেওঁ কানি খাইছিল। কোলৰিজেও কানি খাইছিল। কেকুলে নামৰ এজন ডাঙৰ ইংৰাজ বৈজ্ঞানিকেও কানি খাইছিল; কানিৰ ৰাগতে তেওঁ বিজ্ঞানৰ যাউতি যুগমীয়া তথ্য আবিষ্কাৰ কৰে। আকৌ আমাৰ দেৱাদিদেৱ মহাদেৱে কি খায়? ভাং জানো নাখায়? ভাং খোৱা বেয়া যদি তেওঁ কিয় ভাং খায়? ভাং খাই বুলিহে তেওঁ ককালত বাঘৰ ছাল পিন্ধি, গাত ছাইসানি, সাপৰ অলঙ্কাৰ পিন্ধি বাহ্যিক জ্ঞান শূন্য হৈ মহাযোগত বহি থাকিব পাৰিছে। সেইবাবেই তেওঁ যোগেশ্বৰ। ভাং নোখোৱাহেঁতেন, কাষত পাৰ্বতীৰ নিচিনা ৰূপে গুণে অনিন্দনীয়া স্ত্ৰীৰ আগত তেনেকৈ যোগ কৰি সদাশিৱ

কেতিয়াও থাকিব নোৱাৰিলেহেঁতেন। সদাশিৱৰ ভাং বন্ধ কৰা, পিচদিনাই সদাশিৱে যোগধ্যান এৰি, গাত ভস্মৰ ঠাইত পাউদাৰ সানিব, এছেঙ্গ লগাব, বাঘৰ ছালৰ ঠাইত পাটৰ কাপোৰ পিন্ধিব, সাপবোৰ গাৰ পৰা খহাই পেলাই সোণৰ অলঙ্কাৰ পিন্ধিব আৰু শ্মশানত বহি যোগ কৰিবলৈ এৰি পাৰ্বতীক লৈ নন্দন কাননত ঘূৰি ফুৰিব। গতিকে মই যদি ভাঙকে খাওঁ তাত দোষ কি? আৰু এটা কথা।"

"কি?" ঘৈণীয়েকে সুধিলে।

"সুৰা পান নকৰা, কানি ভাং, মোদকু নোখোৱা মানুহবোৰ বৰ বিপজ্জনক। সিহঁত সুষ্ঠ মস্তিষ্কৰ হত্যাকাৰী" প্ৰবীৰ বৰুৱাই কলে।

"কি?" ঘৈণীয়েকে জোৰেৰে পুনৰ সুধিলে।

"সিহঁত সুস্থ মস্তিষ্কৰ হত্যাকাৰী; অৰ্থাৎ সিহঁতে কাৰোবাক হত্যা কৰিলে সুস্থ মস্তিষ্কৰে, ধমনিত চেচা তেজ বৈ থাকোতে, পৰিকল্পনা কৰি হত্যা কৰে; কিন্তু মদ, ভাং খোৱা মানুহে কাৰোবাক হত্যা কৰিলে, অসুস্থিৰ মস্তিষ্কৰে ধমনিত গৰম তেজ বৈ থাকোতেহে হত্যা কৰে। সেইবাবে সিহঁতৰ আদালততো শাস্তি হয় কম; কিন্তু মদ, ভাং নোখোৱা হত্যাকাৰীক ফাচিৰ কাঠত জুলোৱা হয়।"

"বাৰু, বাৰু, সেইবোৰ বাজে বক্তৃতা শুনিবলৈ মোৰ সময় নাই। কি কব খুজিছিল কওক" ঘৈণীয়েকে কলে।

"এইবোৰ বাজে কথা! এতিয়া আৰু সুৰাপান কৰা, কানি, ভাং, মোদক খোৱা বিষয়টো সাধাৰণ মানুহতে আৱদ্ধ হৈ থকা নাই। এই সম্পৰ্কে দস্তুৰমতে বৈজ্ঞানিক গবেষণা হৈছে। ৰুচিয়াত হেনো এক প্ৰকাৰ পিল উলিয়াইছে। সেই পিল খাই মানুহ খন্তেকলৈ উচ্চ মানসিক স্তৰলৈ গৈ মৌলিক চিন্তা কৰিব পৰা হয়। ৰুচিয়াৰ স্পুটনিক উলিওৱাৰ গুৰিতো কিজানি এই পিলবোৰ।"

"স্পুটনিক কি?" ঘৈণীয়েকে সুধিলে।

"স্পুটনিক কি কব নোৱাৰা! কি আচৰিত! আজি গোটেই জগততে স্পুটনিকে তোলপাৰ কৰিছে আৰু তুমি স্পুটনিক কি বুজি

সুধিছা ! পাকঘৰত ২৪ ঘণ্টাই সোমাই থাকিলে জানিবাই বা কেনেকৈ ? স্পুটনিক হৈছে মানৱ সৃষ্ট উপগ্ৰহ। বিধাতাই তৈয়াৰ কৰা চন্দ্ৰই যেনেকৈ পৃথিৱী প্ৰদক্ষিণ কৰে, তেনেকৈ মানুহে তৈয়াৰ কৰা স্পুটনিকেও পৃথিৱী প্ৰদক্ষিণ কৰে। বাৰু এতিয়া কি কব খুজিছিলো জানা ? বিয়াৰ আগতে তোমাৰ ঘৰ ডিব্ৰুগড়ত আছিল —নহয় জানো ? তোমাৰ দেউতাবাহঁত এতিয়াও ডিব্ৰুগড়ত আছে —নহয় জানো ?"

"কি কব খুজিছে কওক। দেউতাহঁত ডিব্ৰুগড়ত নিজৰ ঘৰত নাথাকি কত থাকিব ?" বৈণীয়েকে কলে।

"তৰ্ক কৰিব নালাগে, শুনা। সেই ডিব্ৰুগড়তে আজি কেইবছৰ-মান আগতে এখন সঙ্গীত অনুষ্ঠান হৈছিল। সেই অনুষ্ঠানলৈ আহিছিল নৰ্তকী জ্যোৎস্না কুমাৰী, চাৰেঙ্গি বাদক ওস্তাদ মহিউদ্দিন আৰু তবলা বাদক বিখ্যাত পণ্ডিত দেবপ্ৰসাদ ; আৰু অনেক পুথি, খলিহনা, ৰৌ, বৰালীও আহিছিল। অনেক গানবাজনাৰ পিচত শেহৰাতি ভৰিত নূপুৰ আৰু গাত চিকমিকিয়া পোছাক পিন্ধি জ্যোৎস্না কুমাৰী মঞ্চলৈ নাচিবলৈ আহিল। জ্যোৎস্না কুমাৰীৰ দেউতাক নিজে মৃদঙ্গলৈ বহিল। ওস্তাদ মহিউদ্দিনে চাৰেঙ্গিত টান দিলে। পণ্ডিত দেৱপ্ৰসাদে তবলাত চাপৰি মাৰিলে। নাচ আৰম্ভণ হ'ল। জ্যোৎস্না কুমাৰীৰ নাচ, মহিউদ্দিনৰ চাৰেঙ্গি আৰু দেৱপ্ৰসাদৰ তবলাৰ বাহাদুৰি দেখি হাজাৰ হাজাৰ দৰ্শকে চাপৰি বজাই হৰ্ষধ্বনি কৰিলে। ইয়াৰ পিচত প্ৰতিযোগিতা হ'ল নৰ্তকীৰ নৃত্য আৰু পণ্ডিতৰ তবলাৰ। দৰ্শকে এই বিস্ময়কৰ প্ৰতিযোগিতা দেখি জাউৰি জাউৰি চাপৰি বজাবলৈ ধৰিলে। দেৱপ্ৰসাদৰ তবলাই প্ৰতিযোগিতাত জিকা যেন অনুমান হ'ল। এনেতে জ্যোৎস্না কুমাৰীয়ে ঘোষণা কৰিলে পণ্ডিত দেৱপ্ৰসাদে তবলাত ভুল কৰা বুলি। তাৰ পিচত কি হ'ল জানা ?"

"কি ?" বৈণীয়েকে গিৰীয়েকৰ কথা মনোযোগেৰে শুনি সুধিলে।

"সামান্য নৰ্তকীৰ আস্পৰ্দ্ধাত পণ্ডিতজীৰ খং উঠিল। মাতিলে

নৰ্ত্তকীক পুনৰ নাচলৈ। সামান্য নৰ্ত্তকীৰ আস্পৰ্দ্ধাৰ সমুচিত উত্তৰ দিব লাগিব। কাষত চাৰি পাচজোৰ তবলা থলে। এজোৰলৈ পণ্ডিতজী বহিল। নৰ্ত্তকীৰ নাচ আৰু পণ্ডিতজীৰ তবলা বাদনৰ হ'ল তুমুল প্ৰতিযোগিতা। পণ্ডিতজীয়ে বাহ্যজ্ঞান শূন্য হৈ তবলা বজাইছে। জাৰকালিৰ শেহৰাতিও পণ্ডিতজীৰ গাৰ পৰা ঘাম ওলাল। ঘামৰ ধাৰাই পণ্ডিতজীৰ কপালৰ চন্দনৰ ত্ৰিশূল চিহ্ন তিঁয়াই পেলালে। পাটৰ পাঞ্জাবী তিতি উঠাত গাৰ ভিতৰৰ পৰা যজ্ঞোপবীত কেটি সাপৰ দৰে মূৰ্ত্তি ধৰি প্ৰকাশ হৈ পৰিল। পণ্ডিতজীৰ চাপৰিৰ ঘাত সহ্য কৰিব নোৱাৰি তবলা ফাটিল। নিমিষতে পণ্ডিতজীয়ে আন এজোৰ তবলা লৈ বজালে। এই জোৰো তবলা ফাটিল; আকৌ আন এজোৰ ললে। পণ্ডিতজীৰ চমৎকাৰ কৌশল দেখি, হাজাৰ হাজাৰ দৰ্শকে ঘনে ঘনে চাপৰি বজাবলৈ ধৰিলে। নৰ্ত্তকী ক্লান্ত হৈ পৰিল। ঘামত নৰ্ত্তকীয়ো জুৰুলা জুপুৰা হ'ল। নৰ্ত্তকীৰ ভৰি নচলা হ'ল। নৰ্ত্তকীৰ দেউতাকে পণ্ডিতজীক ক্ষান্ত হবলৈ কলে। পণ্ডিতজী কিন্তু ক্ষান্ত নহয়; পণ্ডিতজীৰ গাত দেৱতাই লম্ভিছে। অগত্যা উপায় নাপাই জ্যোৎস্না কুমাৰীয়ে নিজে পণ্ডিতজীৰ ভৰিত ধৰিলে। পণ্ডিতজী তথাপি ক্ষান্ত নহয়। এজোৰ তবলা ফাটিলে আন এজোৰ লয়। নৰ্ত্তকীয়ে তেতিয়া বাধ্য হৈ পৰাজয় স্বীকাৰ কৰি ভিতৰ সোমাল। পণ্ডিতজী তেতিয়া উঠিল। পণ্ডিতজীৰ ভুল ধৰে! সামান্য নৰ্ত্তকীৰ আস্পৰ্দ্ধা! নৰ্ত্তকীৰ আস্পৰ্দ্ধাৰ সমুচিত উত্তৰ দি পণ্ডিতজী ভিতৰ সোমাল।"

"বাৰু এইবোৰ বাজে কথা কোৱাৰ কি প্ৰয়োজন?" ঘৈণীয়েকে সুধিলে।

"সেইটোও নুবুজিলা! কি বিপদ! শুনা পণ্ডিতজীৰ দৰে ময়ো লিখিবলৈ বহিলে চাৰি পাচদাল পেঞ্চিল লৈ বহোঁ। অন্তৰৰ পৰা যেতিয়া ভাব আহে তেতিয়া পণ্ডিতজীৰ দৰেই বাহ্যজ্ঞানশূন্য হৈ ময়ো লিখি যাওঁ। এদাল পেঞ্চিল ভাঙিলে, আনদাল লওঁ, সিদাল ভাঙিলে আৰু এদাল লওঁ। এইদৰেই মই লিখো। ভাব যিদৰে

অন্তৰ কাটি বাৰিষাৰ ঢলৰ দৰে বাহিৰলৈ আহিবলৈ ধৰে তেতিয়া পেঞ্চিল কাটিবৰ সময় ক'ত ? আজিও মই সেইদৰে লিখিছিলো ; কিন্তু আজি পেঞ্চিল নেপালো। মনৰ ভাবধাৰা চিঙি গ'ল। কোনে জানে আকৌ সেই সোঁত বব নে নবব ?"

"অ সেইটো কথা। পেঞ্চিলবোৰ নিশ্চয় ল'ৰা ছোৱালীবোৰে নিছে। পিচে ইমাননো কি লিখে ? ক'তো দেখোন ছপা হোৱা দেখা নাই ? এইবোৰ বাজে কথা নিলিখি পাঠ্যপুথি এখন লিখিলেও দুই এপইচা কিজানি ঘৰলৈ আহিলেহেতেঁন।"

"পাঠ্যপুথি মোৰ নিচিনা ডাঙৰ লিখকে লিখিব ! কি কোৱা তুমি ? পাঠ্যপুথি যেয়ে সেয়ে লিখিব পাৰে। পাঠ্যপুথি লিখিবলৈতো মনত ভাব অহাৰ দৰ্কাৰ নাই। "চিলাবাচ" চাই পাঁচখন কিতাপ মেলি লৈ পাঠ্যপুথি লিখা হয়। সেইখিনি কষ্ট কৰিবৰো যাৰ যোগ্যতা নাই, সি ডাঙৰ ডাঙৰ লিখকৰে লিখা কথাবোৰ সংগ্ৰহ কৰি সেইবোৰ জুকিয়াই লৈ ছপাই পাঠ্যপুথি কৰি বেচে। মোৰ নিজৰে লিখা হয়তো দুই এটা প্ৰবন্ধ বা গল্প তুমি তেনে সংগ্ৰহত কৰবাত দেখিবা।"

"আপোনাৰ লিখা কোনো প্ৰবন্ধ বা গল্প ঈশ্বৰৰ কৃপাত মই কোনো কিতাপতে দেখা নাই। কোনো আলোচনি, খবৰৰ কাগজতো প্ৰকাশ হোৱা দেখা নাই। নিজে নিজকে ডাঙৰ লিখক বুলি ঘৰৰ ভিতৰত জাহিৰ কৰি থাকিলেই জানো ডাঙৰ লিখক হয় ?" ঘৈণীয়েকে কলে।

ঘৈণীয়েকৰ কথাত প্ৰবীৰ বৰুৱাৰ খং উঠিল। ঘৈণীয়েকক কলে, "কি কলা ? মোৰ লিখা প্ৰবন্ধ, গল্প দেখা নাই ? সেইটো ঈশ্বৰৰ কৃপা নে অভিশাপ ? শুনা।"

"শুনিবলৈ মোৰ সময় নাই" ঘৈণীয়েকে কলে।

"তুমি শুনিবই লাগিব। এই টুলখনতে বহা।"

ঘৈণীয়েকে ইতঃস্তত: কৰাত কলে, "বহা, মোৰ কাষতে বহা। একো লাজ কৰিব নালাগে। এই ৰাতিপুৱা কোনো মানুহ আহি

তোমাক মোৰ কাষত বহা নেদেখে। দেখিলেও ক্ষতি নাই। তুমি তোমাৰ নিজৰ স্বামীৰ কাষতহে বহিছা; আনৰ কাষততো বহা নাই। তাত লাজ কৰিবলৈ কি আছে?" এইবুলি প্ৰবীৰ বৰুৱাই ধৈৰ্ণীয়েকক হাতত ধৰি টানি নিজৰ কাষতে বহুৱালে।

ধৈৰ্ণীয়েক বহাত বৰুৱাই কলে, "যোৱাবছৰ যে মই দিল্লীলৈ গৈছিলো—বৰদিনৰ বন্ধত কলেজৰ ল'ৰাবোৰ লগত লৈ? নিশ্চয় মনত আছে? তোমালৈ যে ভাল ৰঙীন নাইলনৰ শাৰী এখন আনিছিলো—মনত আছে নে নাই? নে পাহৰিলা?"

"মনত আছে" ধৈৰ্ণীয়েকে কলে।

"বেচ কথা। তোমালোক আকৌ যিহে খাইপাত ফলা জাতৰ! মই পাহৰি গৈছিলা বুলিয়ে ভয় কৰিছিলো। পিচে শুনা—কলিকতাৰ পৰা প্ৰথম শ্ৰেণীৰ কোঠা এটাত মই অকলে উঠিলো। ল'ৰাবোৰ ৰেল গাৰীৰ তৃতীয় শ্ৰেণীৰ কোঠাত হেচি উঠিল। গাৰীত বিছনাপত্ৰ ভালদৰে পাৰিলৈ মই চাহাবী পোছাক খুলি আমাৰ ধুতি পাঞ্জাবী পিন্ধি বিছনাত বহি হাতত পেঞ্চিল লৈ কবিতা এটা লিখি গৈছো। ৰেল গৈ বৰ্দ্ধমান ষ্টেচনত থামিল। দুজন চাহাবী পোছাক পিন্ধা বঙ্গালী মানুহ মোৰ কোঠাটোত উঠিল। তেওঁ-লোকেও বিছনাপত্ৰ খুলি চাহাবী পোছাক সোলোকাই থৈ শুবৰ সময়ত পিন্ধা পথৰা পায়জামা আৰু কোট পিন্ধিলে। ৰেল কিছু সময় যোৱাৰ পিচত তেওঁলোকৰে এজনে মোৰ পৰিচয় সুধিলে। তেওঁলোকেও নিজে নিজৰ পৰিচয় দিলে। মই কলেজৰ প্ৰফেচাৰ বুলি পৰিচয় দিলো। তেতিয়া তেওঁলোকে কি কলে জানা?"

"কি?" ধৈৰ্ণীয়েকে সুধিলে।

তেওঁলোকৰ এজনে আনজনক কলে—"আমি আগেই বলছিলাম না? উনি প্ৰফেচাৰ হতেই হবে বুলি।" তাৰ পিচত তেওঁলোকে আকৌ সুধিলে—মই কিবা কিতাপপত্ৰ লিখো নেকি? মই অলপ চলপ লিখো বুলি কলো। তেতিয়া তেওঁলোকে কি লিখো

বুলি সুধিলে। মই গল্প, কবিতা, উপন্যাস সকলোকে লিখো বুলি কলো। তেতিয়া তুয়ো কি কৰিলে জানা ?"

ঘৈণীয়েকে আকৌ "কি" বুলি সুধিলে।

"তেতিয়া তুয়ো নমস্কাৰ কৰি মোক কলে—"আমি আগতেই ভাবিছিলো আপুনি কবি বুলি। কৰ্কালত ধুতি, গাত দীঘল হলো পাঞ্জাবী, মূৰত দীঘল চুলি, চকুত উদাস ভাব দেখি আমি ভাবিছিলো আপুনি ৰবি ঠাকুৰৰ দৰে নিশ্চয় এজন ডাঙৰ লিখক বুলি। এতিয়া দেখিছো আমাৰ অনুমানেই সত্য।" এইবুলি তুয়ো মোক আকৌ নমস্কাৰ কৰিলে। মই তেতিয়া কলো—"মই সামান্য লিখক। ৰবি ঠাকুৰৰ দৰে বিশ্বকবি হোৱাৰ যোগ্যতা মোৰ নাই।" ইয়াৰ উত্তৰত তেওঁলোকে কলে—"বিনয় বিদ্বানৰ ভূষণ। আপুনি বিদ্বান বুলিয়ে বিনয় কৰি নিজৰ যোগ্যতা অস্বীকাৰ কৰিছে; কিন্তু আমি আজি কলো—আপোনাৰ খ্যাতি এদিন ৰবি ঠাকুৰৰ খ্যাতিৰ দৰেই পৃথিবীত বিয়পিব। ৰবি ঠাকুৰকো প্ৰথমতে বঙ্গালী মানুহে কবি বুলি স্বীকাৰ কৰা নাছিল। বিদেশত নবেল প্ৰাইজ পোৱাৰ পিচতহে দেশৰ মানুহে ৰবি ঠাকুৰ যে এজন ডাঙৰ কবি চিনি পালে। আপোনাকো এদিন দেশৰ মানুহে ৰবিঠাকুৰক পিন্ধোৱাৰ দৰে মালা পিন্ধাব।" এইদৰে কৈ তেওঁলোকে মোৰ নাম ঠিকনা লিখি নিলে। সেইহে তোমাক কৈছো—তুমি দুদিন অপেক্ষা কৰা। মোৰ লিখা দেশৰ মানুহে এদিন স্বীকাৰ কৰি লৈ গুণীৰ গুণৰ মোল দিবই লাগিব।"

"আপুনি পাচে ৰবি ঠাকুৰ কেনেকৈ হব ? ৰবি ঠাকুৰ বিশ্ব কবি। আপুনি কিবা গল্প, প্ৰবন্ধহে লিখে। ৰবি ঠাকুৰে কিমান কবিতা লিখিছে, কিমান গান ৰচিছে। অকল সেয়েতো নহয়—নিজে নিজৰ গানৰ সুৰো বান্ধিছে। গল্প, প্ৰবন্ধ, উপন্যাসো লেখজোখ নোহোৱাকৈ লিখিছে। ৰবি ঠাকুৰৰ প্ৰত্যেকটো প্ৰবন্ধই, প্ৰত্যেকটো গল্পই সোণৰ টুকুৰা। প্ৰত্যেকটো কবিতাই একোটা হীৰা। আকৌ তেওঁ চিত্ৰ আঁকি নিজৰ কবিতাকো মূৰ্তিমান কৰি তুলিছে। ৰবি ঠাকুৰৰ বহুমুখী প্ৰতিভা আপোনাৰ ক'ত ?"

"ৰবা ৰবা, তুমিও দেখোন কবিৰ ঘৈণীয়েক হৈ কথি হলা? সোণৰ লগত থকা কাচে জেউতি বিলোৱাৰ দৰে, তুমিও মোৰ লগত থকাত তোমাৰো মুখতো সাহিত্যৰ কথা আখৈ ফুটাদি ফুটিছে। পিচে, ৰবি ঠাকুৰৰ দৰে বহুমুখী প্ৰতিভা মোৰো আছে। মইও গল্প লিখোঁ, প্ৰবন্ধ লিখোঁ, ছবি আঁকোঁ, কবিতা লিখোঁ, গান গাওঁ।"

"আপুনি ছবি অঁকা মই আজিলৈকে দেখা নাই। আপোনাৰ কবিতাও শুনা নাই।" ঘৈণীয়েকে কলে।

"মই ছবি অঁকা দেখা নাই! এই চোৱা।" এই বুলি বৰুৱাই ভঙা পেঞ্চিলদালেৰে কাগজত ছবি আঁকিবলৈ লাইন টানিলে। কাগজত লাইন নবহাত বিৰক্ত হৈ টেবুলত থকা "ব্লেদ" খন লৈ পেঞ্চিলদালৰ মুখটো কোনোমতে উলিয়াই লিখিব পৰা কৰিলে। তাৰ পিচত ঘৈণীয়েকক কলে "এই চোৱা, কিমান সহজে আৰু কিমান সোনকালে এই মাছটো মই আঁকিলোঁ।" এইবুলি বৰুৱাই ঘৈণীয়েকক মাছ এটা আঁকি দেখুৱালে।

"ইয়াতকৈ ভাল ছবি আমাৰ ছোৱালীজনীয়ে আঁকিব।" ঘৈণীয়েকে কলে।

প্ৰবীৰ বৰুৱা ঘৈণীয়েকৰ কথাত আকৌ বিৰক্ত হৈ উঠিল। ঘৈণীয়েকক কলে "ছবি দেখাত ভাল বেয়া লৈতো ছবিৰ মূল্য নিৰুপণ নহয়। চিত্ৰকৰৰ ভাব ফুটি উঠিব লাগিব তেওঁৰ হাতৰ ৰঙৰ তুলি-দালেৰে অঁকা প্ৰত্যেকটা ৰেখাতে, প্ৰত্যেকটা বিন্দুতে। তেতিয়াহে চিত্ৰকৰৰ অঙ্কন সাৰ্থক হয়। ৰবি ঠাকুৰৰ ছবি জানো দেখিছা? সাধাৰণ মানুহেতো সেইবোৰ ছবি ধুনীয়া নেদেখে; কিন্তু ঠাকুৰৰ প্ৰত্যেকটো ছবিতে মূৰ্তিমান হৈ উঠিছে বিশ্বকবিৰ কবিতা। মোৰ এই মাছটো তুমি উপলুঙা কৰিলা; কিন্তু তাৰ চকুলৈ চোৱা। তাৰ চকুত প্ৰকাশ হৈ উঠিছে ভয়, বিস্ময় আৰু অসহায় কৰুণ ভাব—যি ভাব বলিশালত পেলোৱা পাঠাৰ চকুত প্ৰকাশ পায়।"

"সেইবোৰ মই একো নুবুজোঁ। ৰবিঠাকুৰে নিজে গান গাব জানিছিল। ৰবীন্দ্ৰ সঙ্গীত কেনে মধুৰ! নিজে থিয়েটাৰতো

অভিনয় কৰিছিল আৰু কবিতা লিখি বিশ্বকবি হৈছিল। আপোনাৰ সেইবোৰ গুণ ক'ত ?"

"মোৰো সেইবোৰ গুণ আছে। মোৰ গান শুনা নাই ? শুনা বাৰু এতিয়া।

"এ নাথ তাৰিয়ো, তাৰিয়ো এ যদুমণি
মজিলোহে ভবসিন্ধু তোমাক নজানি
নাথ তাৰিয়ো..."

"আঃ, কি চিঞঁৰিছে। এই বোৰ গান নে বৰগীত ?" ঘৈণীয়েকে কলে।

বৰুৱাই তেতিয়া ঘৈণীয়েকৰ একেবাৰে কাষলৈ তেওঁ বহি থকা চকিখন টানি আনি কলে, "গান কি ? গান গান যে কৰিছা গান কি জানো জানা ? গান হৈছে সংসাৰ মৰুভূমিৰ সৰোবৰ। মৰুভূমিৰ তপত বালিৰ মাজত চেঁচা পানীৰ পুখুৰী এটা পালে যিদৰে তাৰ পানী খাই মৃত প্ৰায় পথিকেও প্ৰাণ পায়, সেই দৰে এই সংসাৰৰ নানা দুখদুৰ্গতিত মৃতপ্ৰায় হৈ থকা মানুহেও গান শুনি দুখভাগৰ পাহৰি নতুন জীৱন পায়। এতেকতে বৰগীত শুনি যদি কোনোবাই সংসাৰৰ দুখশোক পাহৰি আনন্দ পায়, তাৰ মানত বৰগীতেই গান। গাৱঁত তোমাৰ তথাকথিত আধুনিক গান গোৱাগৈ বা ৰবীন্দ্ৰ সঙ্গীতকে গোৱাগৈ। মোৰ বৰগীত শুনি তুমি মুখ বিকটোৱাৰ দৰে, গাৱঁৰ কঞ্চান বাই, শুখেনী বাই সেই বোৰ গীত শুনি মুখ বিকটাব ; কিন্তু গাৱঁত গৈ বৰগীত বা নামকে এটা গোৱাগৈ। কঞ্চান বাই, শুখেনী বাই ভক্তিত গদ্‌গদ্ হৈ শুনিব। যিহকে ছন্দ লয়ৰে শুৱলাকৈ গোৱা যায়, সেয়ে গান। তোমালোক চহৰৰ ছোৱালী। আধুনিক গানকে গান বোলা ; পিচে, আধুনিক গানো মই গাব পাৰোঁ শুনা।" এই বুলি প্ৰবীৰ বৰুৱাই আৰম্ভ কৰিলে—

"বিৰহৰে অমানিশা অৱসান পৰাণ প্ৰিয়া
বিৰহৰে অমানিশা।"

৫

"হৈছে, হৈছে আৰু। এইবোৰ শুনি থাকিবলৈ মোৰ সময় নাই। এইবোৰ গান নে কিবা? নকওঁ আৰু।" যৈণীয়েকে কলে।

"বাৰু, বাৰু, গান সম্পৰ্কে যেতিয়া আমাৰ মনৰ মিল নহয়, গানৰ কথা ইমানতে থাওক। অভিনয় কৰাৰ কথা যে শুধিছিলা – অভিনয়ো এসময়ত কৰিছিলো। তাহানি আমাৰ বিয়াৰ আগতে গাৱঁত এবাৰ "কিৰাটাৰ্জুন" নাটক অভিনয় হৈছিল। মই হৈছিলো কিৰাট। কৰ্কালত নগাকাপোৰ এখন মেৰাই, গাত গছৰ ডাল, মূৰত চৰাইৰ পাখি বান্ধি যেতিয়া ওলাই আহি অৰ্জুনৰ সকলো অস্ত্ৰ সস্ত্ৰ ব্যৰ্থ কৰি কৈছিলো—

"ধিক অৰ্জুন, ধিক ধনঞ্জয়, ধিক তোৰ বীৰপনা। তোৰ এই বীৰপনা তিৰোতাৰ আগতহে দেখুৱাবৰ যোগ্য, কিৰাটৰ আগত নহয়।" তেতিয়া সকলোৱে চাপৰি বজাই "বাহ, বাহ" দিছিল।"

"আপোনাৰো ডাঙোপ মাৰি কোৱা কথাবোৰ মোৰ আগতহে কোৱাৰ যোগ্য, আনৰ আগত নহয়।" যৈণীয়েকে কলে।

"তুমি সকলো কথাতে নাজানি নুশুনি কিয় মাত দিয়া? চহৰৰ ছোৱালী হলা বুলিয়ে সকলো কথাতে জানো বিদ্ৰূপ কৰিব পায়? এতিয়া শুনা, মোৰ কবিতা।"

"হে প্ৰিয়া দিয়া মোক প্ৰথম প্ৰেমৰ চুমা
চুমা—ই প্ৰেমৰ আনন্দ ভূমিকা
ভূমিকাই যথেষ্ট, ইয়ে মোৰ সাত বজাৰ মাণিক
নালাগে আনন্দ আৰু লুপ্ত অন্তৰালে।"

"কি কুৎসিত! এনে অসভ্য ভাষাটো কবিতা লিখেনে? মানুহে আপোনাক কি ভাবিব? সকলোৱে হাঁহিব। এনে অসভ্যালি ভাষাত লিখা কথা মই শুনিব নোৱাৰোঁ।" এইবুলি যৈণীয়েক উঠিল।

প্ৰবীৰ বৰুৱাই তেতিয়া যৈণীয়েকক হাতত ধৰি জোৰ কৰি বহুৱাই কলে "বহা, ক'ত যাব খুজিছা? তুমি মোৰ কবিতা সম্পৰ্কে এনে

কুৎসিত মন্তব্য কৰি মোক তাৰ উত্তৰ দিবলৈ নিদি যাব খুজিলে জানো যাব পাৰিবা ? মোৰ কবিতাত কি অসভ্য কথা পালা ? মোৰ কবিতাই যদি অসভ্য হ'ল, তেনেহলে পৃথিবীৰ সকলো বিখ্যাত কবি, লিখকেই অসভ্য হব। মহাপুৰুষ শঙ্কৰদেৱো বাদ নাযাব। মহাপুৰুষৰ হৰমোহন, ৰাসলীলা কেতিয়াবা জানো পঢ়িছা ? হৰমোহনত আছে—

"কটিৰ বসন বায়ু নিলে উড়ুৱাই
ভৈল তনু উদাস বেকত গুপ্ত অঙ্গ।"

"ৰাধাকৃষ্ণৰ কেলি ৰহস্য জানো পঢ়িছা ? তাত কি লিখা আছে ? উষাহৰণ পঢ়িছা জানো ? আমি কলেজত পঢ়োতে উষাহৰণ পাঠ্যপুথি আছিল। কলেজত ল'ৰাছোৱালী সকলো একেলগে পঢ়িছিলো। আমাৰ প্ৰফেচাৰে 'উষাহৰণ' পঢ়াই গৈ এঠাই পালে আমাকে নিজে সেইখিনি পঢ়ি লবলৈ কৈছিল। দুষ্ট ল'ৰাই কিন্তু তেতিয়া নুবুজা হৈ প্ৰফেচাৰক তাৰ অৰ্থ সোধে। প্ৰফেচাৰ খণ্ডতে অগ্নিশৰ্মা হয়।"

"সেইবোৰ মহাপুৰুষৰ কথা কিয় কৈছে ? আপুনিতো আৰু মহাপুৰুষ নহয়। সদাশিৱে 'কালকূট' বিষপান কৰিছিল বুলি জানো আপুনিও বিষপান কৰিব পাৰিব ? গতিকে মহাপুৰুষ সকলৰ কথা বাদ দিয়ক। গোসাইৰ লীলা সম্পৰ্কে এনেকৈ আপুনি কোনোৱাও বৰ বেয়া।" ঘৈণীয়েকে কলে।

"বাৰু, মহাপুৰুষসকলৰ কথা বাদ দিলো ; আমি সামান্য নৰ মনিচৰে কথা কওঁ। তুমিতো কলেজত পঢ়িছিলা ? কিবা এটা জানো পাছো কৰানাই ? ইংৰাজী সাহিত্য ভালদৰে পঢ়িছা নে নাই ? বিখ্যাত ফৰাচী লিখক বালজাক, মোঁপাছা, ৰুচিয়াৰ লিখক টলষ্টয়ৰ গল্পবোৰ পঢ়িছা নে নাই ? ইংৰাজ কবি বায়ৰন, চেলিৰ কবিতা পঢ়িছা নে নাই ? মোৰ কবিতা কুৎসিত, অসভ্য বুলিলে কোনো এজন বিশ্ববিখ্যাত লিখকৰে লিখা বাদ নাযাব। ৰবি ঠাকুৰৰ কবিতাকে পঢ়িবাচোন ? এজন ইংৰাজ কবিয়ে কি লিখিছে শুনা।

"Come quickly, be gentle, the old men say timeflies.
Come quickly to the forest, where your father will not see us.
Show me the hibiscus flower between

এইবোৰ কবিতা মোৰ কবিতাতকৈ বেচি সভ্য নে তাৰ ভাবে বেছি দার্শনিক? কোৱা, নামাতা কেলেই এতিয়া? মইতো একো বেয়া কথা লিখা নাই। প্ৰেমিকে তেওঁৰ প্ৰিয়তমাক কৈছে—

'প্ৰথম প্ৰেমৰ চুমা' মাথোন দিব। চুমাৰি বাহিৰেতো আন একো তেওঁ খোজা নাই। আক ভাবি চোৱা, মনত পেলোৱা আমাৰ নিজৰ জীৱনবে দহ বছৰ আগৰ কথা! বিয়াৰ আগতে কোনোবাই দেখিব বুলি ভয়ে ভয়ে, মনে মনে যি চুমা খাইছিলো, সেই চুমা কেনে সোৱাদ আছিল! আজি দহবছৰ পিচতো সেই চুমাৰ সোৱাদ মোৰ মনত আছে। ফুলৰ মৌতকৈও সেই চুমাৰ সোৱাদ বেছি মিঠা আছিল; কিন্তু এতিয়া দহ বছৰ পিচত নিৰ্ভয়ে চুমা খাই জানো সেই সোৱাদ পাওঁ? এতিয়া চুমা খালে মোৰ মনত প্ৰেমৰ মদিৰা পান কৰাৰ পৰিবৰ্তে বেমাৰৰৰ জীৱাণু খোৱাবহে ভাব হয় দেখোন?" প্ৰবীৰ বৰুৱাই অধৈৰ্য্য হৈ একেবাৰে ইমানবোৰ কথা ঘৈণীয়েকক কলে।

ঘৈণীয়েকে তেতিয়া কলে, "ছিঃ, এইবোৰ বলিয়ালি মই শুনি থাকিব নোৱাৰো। এৰক, মই যাওঁ। ইয়াত এনেকৈ বহি থাকিলে ভাত পানী ৰান্ধিব কোনে? কেচুৱাকো গাখীৰ খুৱাব হৈছে। মই উঠিলো।"

বৰুৱাই ঘৈণীয়েকৰ কথাত কলে, "বলিয়ালি! প্ৰবীৰ বৰুৱা বলিয়া হলে, বিশ্বব্ৰহ্মাণ্ডৰ সকলো ডাঙৰ কবি, লিখক, বৈজ্ঞানিক, দাৰ্শনিক, দেশৰ নেতা সকলোৱে বলিয়া হব। ব্ৰহ্মা পাগল, বিষ্ণু পাগল, মহেশ্বৰ পাগল, কালিদাস পাগল, চেক্সপিয়েৰ পাগল, টলষ্টয়

পাগল, কেনেডি পাগল, ক্রুশ্বেভ পাগল—সকলোৱে পাগল। গতিকে প্ৰবীৰ বৰুৱা ইমানবোৰ পাগলৰ মাজত এজন পাগল হলে কোনো দোষ নাই। পিচে আৰু এটা কথা শুনা। ফ্ৰান্সত কেতিয়াবা গৈছা নে নাই? বিশ্ববিখ্যাত লুভৰ মিউজিয়াম দেখিছা নে নাই? নাই দেখা? কলিকতাৰ যাদুঘৰ নিশ্চয় দেখিছা? ডাঙৰ ডাঙৰ শ্ৰেষ্ঠ ভাস্কৰবিদবোৰে তৈয়াৰ কৰা মাৰ্বলৰ, শিলৰ নগ্ন তিৰোতাৰ ধুনীয়া ধুনীয়া মূৰ্তি সেইবোৰ যাদুঘৰত আছে। এই নগ্ন তিৰোতাৰ চকুত লগা ধুনীয়া মূৰ্তিবোৰ সম্পৰ্কে আমি কি কওঁ? নিলাজৰ দৰে সেইবোৰ চাই আমি খুব প্ৰশংসা কৰো—নহয় জানো? তেতিয়া আমি তাত একো অসভ্যালি নেদেখো। কাশীত এটা মন্দিৰ আছে। সেই মন্দিৰৰ গাত নৰনাৰীৰ মিলনৰ নানা মূৰ্তি কটা আছে। সেই প্ৰাচীন খনিকৰকো আমি বেয়া নোবোলো। উড়িষ্যাৰ বিখ্যাত কোনাৰক মন্দিৰৰ গাতো নৰনাৰীৰ মিলনৰ নানা মূৰ্তি আছে। তেনেহলে অকলে প্ৰবীৰ বৰুৱাক কিয় বেয়া বোলা? অকলে প্ৰবীৰ বৰুৱাক অসভ্য বুলি, পাগল বুলি কিয় গালি পাৰা? এইটো জানো যুক্তিসঙ্গত কথা? হিটলাৰ, মুছোলিনী, চাৰ্চিল, ৰুজভেল্ট, ষ্টালিনে যে লগলাগি কেইবছৰমান আগতে ভীষণ নৰমেধ যজ্ঞ কৰিলে সেইটো জানো পাগলামি নহয়? এতিয়া ৰুচিয়া আমেৰিকাই যে পৰমাণু বোমা, হাইড্ৰোজেন বোমা, ক্ষেপনাস্ত্ৰ হাতত লৈ প্ৰবীৰ বৰুৱাৰে সৈতে গোটেই মানব জাতিটোকে যমপুৰীলৈ পঠাবলৈ তৰ্জন গৰ্জন কৰি আছে এইটো জানো পাগলামি নহয়?"

"মই যাওঁ, কেচুৱাই কান্দিছে।" ঘৈণীয়েকে কলে।

"আৰু এটা কথা শুনি যোৱা। তুমি ৰবিঠাকুৰৰ বহুমুখী প্ৰতিভাত শতমুখ হৈছা। ৰবিঠাকুৰৰ যিগুণ আছে সেইগুণ মোৰো থকা বুলি কোৱাত তুমি মানিবলৈ টান পাইছা; কিন্তু এটা কথা বোধ কৰো নমনাকৈ থাকিব নোৱাৰিবা। ৰবিঠাকুৰতকৈও কোনো কোনো বিষয়ত মোৰ বেচি প্ৰতিভা আছে।"

বৰুৱাৰ কথাত ঘৈনীয়েকে কলে,

"এইবোৰ কথা যি কৈছে মোৰ আগতে কৈছে। আনৰ আগত কেতিয়াও নকব। আনৰ আগত কলে আপোনাক কোনেও সুস্থ মস্তিষ্কৰ মানুহ বুলি নাভাবিব।"

"ই সুস্থ, অসুস্থ মস্তিষ্কৰ কথা নহয়। ই অতি সত্য কথা। মোৰ ঘোৰ শত্রুৱেও এই কথা মানিবলৈ বাধ্য। কথাটো হৈছে এই। ৰবিঠাকুৰৰ দৰে মই কবিতা লিখিব পাৰোঁ, গান গাব পাৰোঁ, অভিনয় কৰিব পাৰোঁ, ছবি আঁকিব পাৰোঁ। এই কথাতো আগতেই কলো। অৱশ্যে তুমি সেইটো মানা নাই; কিন্তু ৰবিঠাকুৰে জানো মোৰ দৰে ভাত ৰান্ধিব পাৰিছিল, জুই জ্বলাব পাৰিছিল, মাংসৰ জোল, কনিৰ তৰকাৰী ৰান্ধিব পাৰিছিল? কেৰাহীত তেল পকাই, তাত তেজপাত, জলকীয়া, পিয়াজ ভাজি ডাঙৰ চচপেনৰ পৰা হাত নোপোৰাকৈ আৰু বীৰৰ দৰে নিৰ্ভয়ে কেৰাহিত থকা পকা তেলত দালি ঢালি দিব পাৰিছিল? আঞ্জাত নিমখ কম বা বেছি নোহোৱাকৈ ঠিক সকলোৰে জুতি লগাকৈ জানো দিব পাৰিছিল? ৰাতি কেচুৱাই কান্দিলে জানো বিছনাৰ পৰা উঠি কেচুৱাক কোলাত লৈ গীত গাই নিচুকাব পাৰিছিল? এতিয়া কোৱা, ৰবিঠাকুৰতকৈ মোৰ বেছি প্ৰতিভা আছে নে নাই? মনে মনে কিয় থাকিলা, নামাতা কিয়?"

"আপোনাৰ এই বোৰ অদ্ভুত কথা শুনি থাকিবৰ মোৰ সময় নাই। মই যাওঁ।" এইবুলি ঘৈণীয়েক যাবলৈ ওলাল।

"বাৰু যোৱা; কিন্তু যোৱাৰ আগতে পেঞ্চিল কেইদাল বিচাৰি আনি দি যোৱা।"

বৰুৱাৰ কথাত ঘৈণীয়েকে পেঞ্চিলবোৰ ল'ৰা ছোৱালীবোৰৰ পৰা আনি বৰুৱাক দি কেচুৱাক গাখীৰ খুৱাবলৈ ভিতৰলৈ গ'ল। বৰুৱাই পেঞ্চিলৰ আগটো মুখত কামুৰি লৈ চিন্তাৰ ছিন্ন ধাৰা সংযোগ কৰিবলৈ যত্ন কৰিলে। পাঁচমিনিট মান ভাবি ভাবি কোনোমতে ছিন্ন ধাৰা সংযোগ কৰি বৰুৱাই কাগজত লিখিবলৈ আৰম্ভ কৰিলে। এনেতে বৰুৱাৰ তিনিবছৰীয়া ল'ৰাটো কান্দি

কান্দি বৰুৱাৰ ওচৰলৈ আহিল। বৰুৱাৰ চিন্তাৰ ধাৰা আকৌ ছিন্ন হ'ল। বৰুৱাই মনৰ খং মনতে ৰাখি ল'ৰাটোক কন্দাৰ কাৰণ সুধিলে। দেউতাকৰ কথাত ল'ৰাটোৱে তেতিয়া দুগুণ জোৰেৰে কান্দি কলে "দেউতা, মোক দাদা আৰু বাইদেৱে বল খেলিবলৈ নিদিয়ে।"

"বল, বল ক'ত পালি ?" বৰুৱাই সুধিলে।

"কাগজৰ বল দেউতা; ময়েই তোমাৰ টেবুলৰ পৰা কাগজ নি বল কৰিছিলো। এতিয়া সিহঁতে মোক খেলিবলৈ নিদিয়ে।" এই বুলি ল'ৰাটোৱে ফেকুঁৰি কান্দিবলৈ ধৰিলে।

"মোৰ টেবুলৰ পৰা কাগজ নি বল কৰিলি ? কি কাগজ নিলি ?" এই বুলি বৰুৱাই চাই দেখে যে বৰুৱাই কেইবাদিনো ধৰি কষ্ট কৰি লিখা ভালেমান কাগজ টেবুলত নাই। বৰুৱাই তেতিয়া বাহিৰ ওলাই দেখে যে ডাঙৰজনী ছোৱালী আৰু ডাঙৰ ল'ৰাটোৱে কাগজৰ বল এটা খেলিবলৈ ধৰিছে। বৰুৱাই ওচৰলৈ গৈ কাগজৰ বলটো তুলি লৈ দেখে যে তেওঁ কষ্ট কৰি লিখা কাগজ-বোৰেৰে ল'ৰাছোৱালীহঁতে বল তৈয়াৰ কৰিছে। বৰুৱাই তেতিয়া খঙতে চিঞৰি উঠিল "হেৰা, হেৰা, চোৱাহি তোমাৰ ল'ৰাছোৱালীৰ কাণ্ড।"

বৰুৱাৰ চিঞঁৰত ঘৈণীয়েকে ভিতৰৰ পৰা মাত দিলে, "তোমাৰ ল'ৰাছোৱালী বুলিছে যে আপোনাৰ ল'ৰাছোৱালী নহয় নেকি ?"

ঘৈণীয়েকৰ কথাত বৰুৱাই কলে, "ঠাট্টা এৰা, চোৱাহি, আমাৰ ল'ৰাছোৱালীৰ কাণ্ড।"

ঘৈণীয়েক ওলাই আহিলত বৰুৱাই কলে, "চোৱা, আজি দুই তিন দিন কিমান কষ্ট কৰি এইবোৰ লিখিলো। এই লিখাৰ এতিয়া দশা চোৱা। লাক কৰি বল বনাই খেলিছে। তুমি আকৌ ৰবিঠাকুৰ হোৱাৰ কথা কোৱা। লিখিবলৈ বহিলে পেন্সিল নাথাকিব। তথাপি যদি কিবা লিখা হয়, সেই লিখা কাগজেৰে বল তৈয়াৰ কৰিব।"

ঘৈণীয়েকে কাগজৰ বলটো খুলি কলে, "খং বাক কৰিব নালাগে। লিখাবোৰ বেয়া হোৱা নাই। মই বাক নকল কৰি দিম।"

"তুমিতো নকল কৰি দিবা সেইটো বাক বুজিলো ; কিন্তু এনেকৈ লিখা পঢ়া কেনেকৈ কৰিবা? স্কুলবোৰ যে কিয় ৰবিবাৰে বন্ধ ৰাখে? ৰবিবাৰেই দেখিছো আটাইতকৈ বিপদ। আনবাৰে ঘৰত তথাপি অলপ শান্তি থাকে।" এইবুলি বৰুৱাই ভোৰভোৰাই লিখা টেবুলৰ ওচৰত আকৌ গৈ বহিল।

ঘৈণীয়েকে তেতিয়া কাষলৈ গৈ কলে "খং এৰক। পাচে নিজৰ লিখাবোৰ ভালদৰে সামৰি নথয় কিয়? একেখন টেবুলতে ল'ৰাছোৱালীয়ে পঢ়িলে আৰু নিজেও লিখিলে এইটোতো হবই। নিজৰ যেতিয়া লিখা পঢ়াত ইমানেই মন, এখন নিজৰ বাবে টেবুল কৰাই ললে হয় দেখোন?"

"কথাটো কোৱা সহজ। টেবুল এখন কৰিবলৈ পইচা ক'ত? প্ৰবীৰ বৰুৱা লিখক বুলিতো কাঠমিস্ত্ৰীয়ে টেবুল এনেয়ে নিদিয়ে! সকলো চৰকাৰৰে দোষ।"

"চৰকাৰৰ কি দোষ? চৰকাৰে আপোনাক কি কৰিছে?" ঘৈণীয়েকে সুধিলে।

"চৰকাৰে মোক একো কৰা নাই ; কিন্তু লিখক সকলৰ দায়িত্ব জানো চৰকাৰে লোৱা উচিত নহয়? এচেম্ব্লিত চৰকাৰে অসমীয়া ৰাজ্যভাষা বুলি ঘোষণা কৰিলেই জানো অসমীয়া ভাষাৰ উন্নতি সাধা হ'ল নে আমি মূৰ ফটাফটি কৰি মৰিলেই অসমীয়া ভাষা চহকী হ'ল। প্ৰকৃততে যদি চৰকাৰে অসমীয়া ভাষা পৃথিবীৰ ভিতৰতে শ্ৰেষ্ঠ ভাষা কৰিবলৈ ইচ্ছা কৰে, তেনেহলে বিল পাচ কৰাবো দৰ্কাৰ নাই আৰু আমি মাৰামাৰি কৰাৰো দৰ্কাৰ নাই। চৰকাৰে আমালোক কবি, সাহিত্যিক, ঔপন্যাসিক সকলক সকলো সা সুবিধা কৰি দিয়ক, দেখিবা দুদিনতে অসমীয়া ভাষাই আন সকলো ভাষাকে পিচপেলাই একেবাৰে আগশাৰীত ৰাজৰাণীৰ দৰে সিংহাসনত

ৰহিবগৈ। তুমি ৰবি ঠাকুৰৰ কথা কৈছা? ৰবি ঠাকুৰৰ দৰে জানো আমি সুবিধা পাইছো? ৰবিঠাকুৰৰ একোৰে অভাব নাছিল। যি বিচাৰিছিল তাকে পাইছিল! লিখাপঢ়া কৰিবলৈ ধুনীয়া কোঠা, দামী কলম, সুন্দৰ টেবুল, কুচন লগা চোফা, চকি সকলো ৰবি ঠাকুৰৰ আছিল। লিখাপঢ়া কৰোঁতে ৰবি ঠাকুৰক আমনি কৰিবলৈ কোনো নাছিল। ধুনীয়া কোঠাত ঠাকুৰে ইচ্ছামতে ভাবৰাজ্যত বিচৰণ কৰি, সপোন দেখি দেখি, আকাশৰ মেঘলৈ চাই, খিৰিকীৰ তলৰ ধুনীয়া উদ্যানলৈ চাই, দিগন্তৰ সেউজীয়া ঘাহনি, গছগছনিলৈ চাই, নহলে চকুমুদি দিব্যাঙ্গনা অপেশ্চৰী উৰ্বশী, মেনকা, ৰম্ভাৰ দীঘল চুলি, উন্নত বুকু, ধেনুভেৰীয়া চেলাউৰি, বৈপৰা ৰূপৰ কল্পনা কৰি কবিতা, গল্প, উপন্যাস, নাটক লিখিছিল। আকৌ নাওত উঠি, পদ্মাৰ বুকুত ভাহি ভাহি ঠাকুৰে কল্পনা ৰাজ্যত বিচৰণ কৰিব পাৰিছিল। তাত তেওঁক আমনি কৰিবলৈ কোনো নাছিল। খোৱাৰ চিন্তা, পিয়াৰ চিন্তা একো ঠাকুৰৰ নাছিল। দুষ্ট ল'ৰাছোৱালী ঠাকুৰৰ পেঞ্চিল নিবলৈ বা লিখা কাগজবে বল কৰিবলৈও নাছিল। সেইখিনি সুবিধা মোক দিয়াচোন। তেতিয়া দেখিবা প্ৰবীৰ বৰুৱাৰ বহুমুখী প্ৰতিভা আছে নে নাই? মুলুক ৰাজ আনন্দৰ নাম শুনিছা নে নাই?"

"নাই শুনা" ঘৈণীয়েকে কলে।

"তুমি দেখিছো মিছাতে কলেজত পঢ়িছিলা? বিশ্ববিদ্যালয়ে ভুলতে বোধকৰো তোমাক বি. এ ডিগ্ৰী দিলে। বিশ্ববিদ্যালয়ে পাচক ফেইল, ফেইলক পাচ কৰা বুলি শুনিছিলো। এতিয়া দেখিছো কথাটো বোধকৰো মিছা নহয়। মুলুক ৰাজ আনন্দ ভাৰতবৰ্ষৰ জীয়াই থকা লিখক সকলৰ ভিতৰৰ এজন শ্ৰেষ্ঠ লিখক। তেওঁৰ নাম ভাৰততে অকল হোৱা নাই; অন্য দেশতো তেওঁৰ নাম বিয়পিছে। তেওঁৰ ঘৈণীয়েক হ'ল নৃত্য পটীয়সী চিৰিন বাজিফদাৰ। আনন্দে পাচে ইমান নাম কেনেকৈ কৰিব পাৰিছে জানা জানো? তেওঁ অভাৱ কি একো নাজানে। তেওঁৰ লিখা পঢ়া কৰা কোঠাত

বিশ্বসাহিত্যৰ সকলো গ্ৰন্থৰাজি বিদ্যমান। কি আৰামৰ চকি! কি আৰামৰ চোকা! আনন্দে তাত ইচ্ছামতে লিখিব পাৰিছে। তেওঁৰ কল্পনাত, তেওঁৰ লিখাত বাধা দিবলৈ কোনো নাই, বৰং উদগনি দিবলৈ আছে আনন্দৰ ৰূপবতী স্ত্ৰী 'বাজিফদাৰ'। সেইখিনি সুবিধা মোক দিয়াচোন। তাৰপিচত তুমি কবা তোমাৰ স্বামী প্ৰবীৰ বৰুৱাৰ বহুমুখী প্ৰতিভা আছে নে নাই? অকল প্ৰতিভাই একো কৰিব নোৱাৰে। প্ৰতিভাৰ লগত প্ৰতিভা বিকাশ হবলৈ লাগিব সকলো সা সুবিধাও। ধুনীয়া সুগন্ধি ফুল ফুলা ফুলৰ পুলিটো গোবৰ পানী নাপালে জানো মৰি নাযাব? তেতিয়া জানো ই জকমকীয়া ফুলেৰে তাৰ সুগন্ধ বিলাব পাৰিব? কলেজৰ ল'ৰাবোৰৰ ১০০ গজ দৌৰ নিশ্চয় দেখিছা?"

"দেখিছো" ঘৈণীয়েকে কলে।

"সেই দৌৰত সকলোৱে একেঠাইৰ পৰা দৌৰ আৰম্ভণ কৰে— নহয় জানো? কিন্তু তুমি যদি এই ১০০ গজ দৌৰত এজনক আগতে ৯০ গজ আগুৱাই ৰাখি দৌৰিবলৈ দিয়া, তেতিয়া সেই ৯০ গজ আগুৱাই থকা জনে বেছি দৌৰিব নোৱাৰিলেও নিজিকিব জানো?"

"জিকিব।"

"আমাৰো কথা হৈছে সেই। ৰবিঠাকুৰ, মুলুক ৰাজ আনন্দ আমাতকৈ আগৰে পৰা ৯০ গজ আগুৱাই আছে। গতিকে তেওঁলোক নিজিকি আমি জিকিম নে? আমাকো ৯০ গজ আগুৱাই নি দৌৰিবলৈ দিয়া। তাৰ পিচত কবা আমি দৌৰিব নোৱাৰো বুলি, আমাৰ প্ৰতিভা নাই বুলি?"

"কোনে আপোনাক ৰবি ঠাকুৰৰ বা মুলুকৰাজ আনন্দৰ দৰে সা সুবিধা দিব? তেওঁলোকে নিজেই সেইবোৰ সা সুবিধা কৰি লৈছে। আপুনিও ধনী হোৱাহেঁতেন সেইবোৰ সা সুবিধা পালেহেঁতেন।"

"সেইবাবেইতো কৈছো চৰকাৰৰ দোষ বুলি। আমাৰ পিতৃ-পিতামহৰ জমিদাৰী নাই বা ধনসম্পত্তি নাই বুলি আমি দোষ

কৰিলো নেকি ? আমাৰ প্ৰজাসুৰঞ্জন চৰকাৰেই সেইবাৰেই সেইবোৰ সা-সুবিধা আমাক দিব লাগে।"

"চৰকাৰে সকলো প্ৰজাকে তেনেকৈ ৰবিঠাকুৰৰ দৰে ৰাখিবলৈ হলে চৰকাৰৰ ভৰালৰ ধন এদিনতে নাইকিয়া হব।" ধৈনীয়েকে কলে।

"আঃ, সকলোকে কিয় দিব ?" প্ৰবীৰ বৰুৱাই বিৰক্তিৰে কলে। তাৰ পিচত কলে, "শুনা, চৰকাৰে কি কৰিব লাগে। অসমৰ কবি, লিখক, ঔপন্যাসিক সকলৰ ভিতৰত যিবোৰে প্ৰতিভাৰ চিন দেখুৱাইছে, সেইবোৰৰ ভিতৰৰ পৰা ১০০ জন শ্ৰেষ্ঠ লিখক বাচি লওক। এই ১০০ জন লিখকক থাকিবলৈ ভাল ঘৰ, বিনাবাধাই লিখিবলৈ ভাল কোঠা চৰকাৰে দিয়ক। লিখা পঢ়া কোঠাত থবলৈ বিশ্বসাহিত্যৰ যি কিতাপপত্ৰ লিখক সকলক লাগে তাকো দিয়ক। কুচন লগোৱা চকি, চোফা, ধুনীয়া মেহগনি কাঠৰ টেবুল, তিনি চাৰিটা দামী ফাউণ্টেন কলম, কাগজ, চিয়াহী সকলো দিয়ক। লিখা, পঢ়া কৰা কোঠাৰ খিৰিকীৰ তলত ধুনীয়া বাগিচা কৰি দিয়ক। তাত লিখক সকলক কল্পনা কৰিবলৈ, লিখিবলৈ সম্পূৰ্ণ স্বাধীনতা দিয়ক। লিখক সকলৰ স্ত্ৰীপুত্ৰৰ ভৰণপোষণৰ ভাৰো চৰকাৰে লওক। লিখক সকলৰ ল'ৰাছোৱালীকো চৰকাৰে ভাল স্কুলত কানি কাপোৰ, জুতা মোজা, কিতাপপত্ৰ দি পঢ়াওক। লিখকসকলৰ তিৰোতা সকলোকো চৰকাৰে পাটৰ মেখলা, চাদৰ, শাৰী, সোণৰ গহনা যি লাগে তাকে দিয়ক। খোৱাবোৱাৰ বাবে ভাত, দালি, তৰকাৰী, মাছ, মাংস, গাখীৰ, ফলমূল যি লাগে তাৰো খৰচ চৰকাৰে বহন কৰক। লিখক সকলৰ চিগাৰেট, ভাং, আফিং, মোদক, সুৰা আদি খোৱা পিয়াৰ দায়িত্বও চৰকাৰে লওক। লিখকসকলে মটৰত, নৌকাত, বায়ুযানত ফুৰিব খুজিলে বা দেশবিদেশ ভ্ৰমণ কৰিব খুজিলে তাৰো খৰচ চৰকাৰে বহন কৰক। তেতিয়া দেখিবা এবছৰতে কিমান শ্ৰেষ্ঠ কবিতা, উপন্যাস, গল্প ওলায়। এইবোৰত চৰকাৰৰো বেছি খৰচ নহয়। এজন লিখকৰ বাবে মাহেকত বৰ বেচি ২০০০৲ টকা।

১০০ জন লিখকৰ বাবে মাহেকত ২ লাখ বা বছৰেকত ২৪ লাখ টকা, কিন্তু এই সামান্য টকাৰ বিনিময়ত অসমীয়া ভাষাৰ কিমান উন্নতি হ'ব ভাবি চোৱা। ভাষাৰ উন্নতিৰ লগতে সমাজৰো উন্নতি হ'ব। উচ্চ স্তৰহ'ৰ ভাবৰাজিয়ে অসমীয়া সমাজৰ পৰা সঙ্কীৰ্ণতা, কুচিন্তাবোৰ আঁতৰাই গোটেই সমাজ খনকে এখোপ ওপৰলৈ তুলিব। পাচে এটা কথা। চৰকাৰে লিখকসকলক নগদ টকা কেতিয়াও নিদিব।"

"কিয় ?" ঘৈণীয়েকে সুধিলে।

"নগদ টকা হাতত পৰিলে লিখকে সেই টকা খৰচ নকৰিব। টকা বেঙ্কত জমা কৰিব বা সেই টকাৰে মাটি কিনিব, বা ঘৰ বান্ধিব। ফলত তেওঁৰ আৰু লিখা নহ'ব। টকা বেঙ্কত জমা কৰি থলে চৰকাৰৰো লোকচান। টকা ইহাত সিহাত হৈ লৰি থাকিলে লিখকৰ লগতে আৰু অনেকজনৰো লাভ হ'ব। কিছু পৰিমাণে নিবনুৱা সমস্যাও সমাধান হ'ব।"

"পাচে দুহাজাৰ টকাৰে জানো হ'ব ? লিখকৰ ঘৈণীয়েকে যদি আজি সোণৰ হাৰ, কালি মুকুতাৰ হাৰ লাগে বুলি কয় তেতিয়া কি হ'ব ? ভোগত নামিলে জানো ভোগেৰে ভোগৰ পৰিতৃপ্তি কৰা সম্ভৱ ?"

"তুমি কেৱল তোমাৰ সোণৰ হাৰ, মুকুতাৰ হাৰৰে সপোন দেখি থাকা। ভোগকো ভোগেৰে পৰিতৃপ্ত কৰা সম্ভৱ। খোৱাৰ কথাই ধৰা। তুমি মাছ খাবলৈ ইচ্ছা কৰিছা। সেইবুলি তুমি জানো অকলে এসাজতে দহসেৰি ৰৌ মাছ এটা খাব পাৰিবা, নে অকলেই ছাগলী এটাকে খাব পাৰিবা ? খোৱাৰ যেনেকৈ সীমা আছে তেনেকৈ পিন্ধা উৰাৰো সীমা আছে। তুমি তোমাৰ গোটেই শৰীৰটো সোণেৰে ঢাকি থব নোৱাৰা। গলত এদালৰ বেছি হাৰ পিন্ধিলে বা গাত এখন শাৰী নিপিন্ধি দুখন শাৰী পিন্ধিলে তুমি ঘৰৰ বাহিৰেই ওলাব নোৱাৰিবা। টকা পইচা বেঙ্কত জমা কৰা যেনেকৈ মানা, কানি কাপোৰো দুখন বা তিনিখনৰ বেচি বাকচত থোৱা মানা। গহনা গাঠিৰ এপদো বাকচত থব নোৱাৰিবা।"

"লিখক সকল যদি ভোগত লিপ্ত হৈ নিলিখা হয়? সুৰাৰ পিয়লাতে যদি দিনৰাতি মুখ দি থাকে তেতিয়া কি হব?" ঘৈনীয়েকে সুধিলে।

"তেতিয়া লিখক সকলে আত্মহত্যা কৰিব; অৰ্থাৎ চৰকাৰে চিৰকাললৈ এই ৰাজসুখত কোনো লিখককে ৰাখিব নালাগে। যি ১০০ জন লিখকক চৰকাৰে বাচে তেওঁলোকক কৈ দিব লাগে—"এই ৰাজসুখ কেৱল ৫০ বছৰ বয়সলৈহে। চাকৰিত পেঞ্চন পোৱাৰদৰে ৫০ বছৰৰ পাচত তোমালোকৰো পেঞ্চন বা অৱসৰ; অৰ্থাৎ তোমালোকৰ ৰাজসুখৰ খৰচ চৰকাৰে সদায় বহন নকৰে। ৫০ বছৰ বয়সৰ পিচত তোমালোকে মালা পিন্ধা, অভিনন্দন লোৱা, মেল মিটিঙত বক্তৃতা দিয়া, ন লিখক সকলক উপদেশ দিয়া আৰু কাৰোবাৰ লিখাৰ শক্তি থাকিলে লিখাও; কিন্তু ৫০ বছৰ বয়সৰ পিচত তোমালোকক চৰকাৰে এপইচাও নিদিয়ে। অন্য চাকৰিত পেঞ্চন পালে কমকৈ হলেও কিছু টকা পেঞ্চন পোৱা মানুহজনে নমৰালৈকে পাই থাকে; কিন্তু ইয়াত পেঞ্চন পালে, তোমালোকে এপইচাও নোপোৱা। আকৌ অন্য চাকৰিত পেঞ্চন পোৱাৰ পিচতো পেঞ্চন পোৱা মানুহজনক চৰকাৰে চাকৰিত পুনৰ্নিয়োগ কৰিব পাৰে; কিন্তু পেঞ্চন পোৱা লিখকৰ হলে পুনৰ্নিয়োগ কেতিয়াও নহব। ইপিনে লিখক সকলে মাটি বাৰি কৰা, ঘৰ বান্ধা, বেঙ্কত টকা জমা কৰাতোও আগতেই মানা কৰা হৈছেই।"

"তাৰমানে ৫০ বছৰ বয়সৰ পিচত লিখক সকল নাখাই নবৈ মৰক।"

"আগতে সকলো খিনি কথা শুনাচোন। গোটেইখিনি কথা নুশুনাকৈ কথাৰ মাজতে টপৰাই কিয় মাত দিয়া? চৰকাৰে লিখক সকলক লিখক আচনিৰ সকলো সুবিধাবোৰ জনাই দিয়াৰ লগতে, সেই আচনিৰ স্বৰ্তবোৰো কৈ দিব লাগে। লিখক সকলক জনাই দিব লাগে "তোমালোকৰ সকলো দায়িত্ব চৰকাৰে লৈছে।

তোমালোকে যি ইচ্ছা কৰা তাকে পাবা; কিন্তু ৫০ বছৰ বয়সৰ পিচত এপইচাও নাপাবা। গতিকে ৫০ বছৰ বয়সৰ পিচতো যদি ভালদৰে খাইবৈ থাকিব খুজিছা, তেনেহলে ভাল কবিতা, গল্প, উপন্যাস লিখা, ভাল সাহিত্য সৃষ্টি কৰা। ৫০ বছৰ বয়সৰ পিচত সেইবোৰ কিতাপ বেচি যি লাভ পোৱা সেইলাভ তোমালোকৰে হব। লাভ বেছি হলে ৫০ৰ পিচতো ৰাজ সুখত থাকিব পাৰিবা আৰু লাভ নহলে ল'ৰাছোৱালীৰ সৈতে খাবলৈ নাপাই মৰিবা। তোমালোকৰ সকলো লিখা চৰকাৰে ছপাব। তোমালোকৰ লিখাৰ কোনো বাছনি নহব। যি লিখা তাকে চৰকাৰে ছপাব আৰু তোমালোকে অৱসৰ নোপোৱালৈকে অৰ্থাৎ তোমালোকৰ ৫০ বছৰ বয়স নহয় মানে সেইবোৰ লিখাৰ লাভ লোকচানো চৰকাৰৰে হব। ৫০ৰ পিচত তোমালোকৰ লিখাৰ লাভ লোকচান তোমালোকৰ নিজৰ হব। এইদৰে বাছি লোৱা লিখক সকলক জনাই দিলে লিখক সকল লিখিবলৈ বাধ্য হব। তেতিয়া দিন ৰাতি সুৰাৰ পিয়লাতে মুখ দি থাকিব নোৱাৰিব।"

"যি লিখে তাকে ছপালে জানো অশ্লীল, সমাজদ্ৰোহী, ৰাজদ্ৰোহী কথাও ছপা হোৱাৰ ভয় নাথাকিব? অভিজ্ঞ লিখক সকলক লৈ এখন বাছনি বোৰ্ড গঠন কৰিলে জানো ভাল নহব?" ঘৈণীয়েকে আগ্ৰহৰে সুধিলে।

"তেনেহলে অনেক মূল্যবান লিখাই ছপা নহব। বাছনি বোৰ্ডৰ মেম্বৰ কোন হব? ৫০ৰ ওপৰৰ অৱসৰ প্ৰাপ্ত মানুহবোৰে জানো তাৰ মেম্বৰ নহব? তেওঁলোকে গতিকে প্ৰায় সকলোবোৰ লিখাতে অশ্লীলতা দেখিব, ৰাজদ্ৰোহী, সমাজদ্ৰোহী কথা পাব। তথাপি যদি প্ৰকৃততে অশ্লীল, ৰাজদ্ৰোহী, সমাজদ্ৰোহী কথা ছপা হোৱাৰ ভয় কৰা, তেনেহলে এটা স্বৰ্ত কৰা। লিখক সকলক কৈ দিয়া যে তেওঁলোক নিজে তেওঁলোকৰ লিখাৰ বাবে দায়ী। যদি তেওঁলোকে অশ্লীল, ৰাজদ্ৰোহী, সমাজদ্ৰোহী কথা লিখে, তেনেহলে তেওঁলোক আইনৰ বিচাৰমতে দণ্ড পাব, জেল খাব, লাগিলে

কাচি কাঠতো জুলিব। এনে স্বর্ত কৰিলে অশ্লীল, সমাজদ্ৰোহী, ৰাজদ্ৰোহী কথা ছপা হোৱাৰ ভয় নাথাকিব; কিন্তু ৰাছনি বোৰ্ড কেতিয়াও নকৰিবা। ৰাছনি বোৰ্ড হলে কোনো ভাল লিখাই ছপা নহব।" বকৰাই কলে।

"চৰকাৰেনো ১০০ জন লিখক কেনেকৈ বাছিব? খোৱা-কামোৰা দেখোন লাগিব? ডাঙৰ ডাঙৰ নামকৰা লিখকে দেখোন ১০০ৰ বেচি হব?" মৈণীয়েকে সুধিলে।

"ডাঙৰ ডাঙৰ নামকৰা লিখক সকলক চৰকাৰে নাবাছে; তেওঁলোক বুঢ়া হৈছে। তেওঁলোকৰ দিন উকলি গৈছে। বুঢ়ামানুহে জানো নতুন কলাৰ সৃষ্টি কৰিব পাৰে? তেওঁলোকে জানো নতুন নতুন কল্পনা কৰিব পাৰে? তেওঁলোকে জানো পুৰনিৰ বান্ধ চিঙি নতুন ভাবৰ বানপানী আনিব পাৰে? বুঢ়া বা বয়সস্থ মানুহ বোৰৰপৰা ভাল কোনো আশা নকৰিবা। তেওঁলোক ৰক্ষণশীল। সেইবাবেই কৈছো ৫০ৰ ওপৰ হলে চৰকাৰে বাছি লোৱা লিখক-সকলক অৱসৰ দিব লাগে। ৫০ৰ ওপৰ কোনো লিখককে চৰকাৰে তেওঁলোকৰ লিখক আচনিৰ সুবিধা দিব নালাগে।"

"সেইটো কৰিব লাগিলে বৰ হৈ চৈ হব। আমাৰ ডাঙৰ ডাঙৰ কবি, ঔপন্যাসিক, গল্পলিখক, সমলোচক প্ৰায়ভাগৰে বয়স দেখোন ৫০ ৰ বেছি।"

"হৈ চৈ কিয় কৰে? এইটোৱে আমাৰ লিখক সকলৰ দোষ। খেলোৱাৰ সকলে দেখোন ৩৫ বছৰ হলেই খেলাৰ পৰা অৱসৰ লয়? কিয় তেওঁলোকে অৱসৰ লয়? কাৰণ বয়স হলে খেলাৰ শক্তি হ্ৰাস হয়, ক্ষিপ্ৰতা কমে। খেলোৱাৰ সকলে নিজে সেই-কথা বুজি নিজেই অৱসৰ লয়। আমাৰ লিখক সকলেও খেলোৱাৰ সকলৰ দৰে মনোবৃত্তি লৈ, নিজে নিজৰ শক্তি বুজি, তেওঁলোকৰ আদ্দাৰ এৰা উচিত। মান থাকোতেই অৱসৰ লোৱা উচিত। ৫০ৰ ওপৰ হলে তেওঁলোকে নিজেই জনা উচিত যে তেওঁলোকৰ মেধা শক্তি, স্মৃতি শক্তি, কল্পনা শক্তি কমিছে বুলি। তেওঁলোক

নিজে যিবোৰ লিখাৰ পৰা নাম কৰিছে সেইবোৰ লিখা কেতিয়া লিখা হৈছিল ভাবি চাব কবা। দেখিবা তেওঁলোকৰ সকলোবোৰ শ্ৰেষ্ঠ লিখাই ৫০ বয়সৰ আগতে লিখা। ৫০ৰ আগতে তেওঁলোকে ৰূপহী যুৱতীৰ চুমাৰ সোৱাদ কল্পনা কৰিব পাৰিছিল, দেশত বিদেশীৰ অত্যাচাৰৰ বিৰুদ্ধে অগ্নি উদ্গিৰণ কৰিব পাৰিছিল ; কিন্তু ৫০ৰ পিচত আগৰ লিখাৰ পোহৰবে মাথোন তেওঁলোক জিলিকি আছে। এতিয়া তেওঁলোকৰ প্ৰতিভাৰ চাকি মুমাই গৈছে। কেৱল লিখকৰ বা খেলোৱাৰৰ বেলিকাই যে পঞ্চাশৰ সূত্ৰ সত্য এইটো নহয়, আন সকলোৰে বেলিকাও এই সূত্ৰ সত্য। উদাহৰণ স্বৰূপে বৈজ্ঞানিকৰ কথাকে ধৰা। বেচিভাগ যুগমীয়া আবিষ্কাৰ বৈজ্ঞানিকে ৫০ৰ আগতে ডেকা বয়সতে কৰিছে।” প্ৰবীৰ বৰুৱাই উত্তেজিত হৈ কলে।

“তেনেহলে বয়সস্থ সকলো লিখককে বাদ দি স্কুল কলেজৰ ল'ৰাবোৰকে চৰকাৰে বাছিব লাগে—নহয় জানো? তেতিয়া কি যে লিখাই নহব? ভাষাৰ উন্নতি হয় নে শ্ৰাদ্ধই হয় ভগবানেহে জানে।” ঘৈণীয়েকে কলে।

“স্কুল কলেজৰ ল'ৰাক চৰকাৰে কিয় বাছিব? ৫০ৰ ওপৰ বয়সৰ লিখকক চৰকাৰে যেনেকৈ বাছিব নালাগে, তেনেকৈ ২৫ৰ কম বয়সৰ লিখককো চৰকাৰে বাছিব নালাগে।”

“২৫ৰ কম বয়সৰ লিখক সকলৰ কি অপৰাধ হ'ল?” ঘৈণীয়েকে সুধিলে।

“২৫ৰ কম বয়সৰ লিখকবোৰ লেকাম নোহোৱা ঘোঁৰাৰ দৰে। সিহঁতে আলিবাটেৰে যোৱা ৰূপহী ছোৱালীক লৈ যেনেকৈ কবিতা লিখে, তেনেকৈ ধুনীয়া ল'ৰাক লৈও কবিতা লিখে।”

“ল'ৰাক লৈও কবিতা লিখে? কি কয়?”

“মই যি কৈছো সঁচাই কৈছো। ল'ৰাকলৈও স্কুলকলেজৰ ল'ৰাই কবিতা লিখে। এজন বিখ্যাত ইংৰাজ লিখকে এই ল'ৰাক লৈ কবিতা লিখা বা কল্পনা কৰাৰ অপৰাধত জেলৰ ভাতকে খাইছিল।

মোগল সাম্রাজ্যৰ ধ্বংসৰ বহু কাৰণৰ ভিতৰত ইয়ো হেনো এটা প্ৰধান কাৰণ। আমেৰিকাত মটৰ দুৰ্ঘটনাত যিমান মানুহ মৰে, বেমাৰত তাতকৈ কম মানুহ মৰে—সেইটো জানানে নাজানা ?"

"নাজানো" মৈণীয়েকে কলে।

"তেনেহলে এতিয়া জানি লোৱা। ঘৰত সোমাই কেৱল বন্ধাবঢ়া, পিন্ধাউৰাৰ চিন্তাতে থাকিলে নো এইবোৰ কথা জানিবাই কেনেকৈ ? এই মটৰ দুৰ্ঘটনাৰ বেচিভাগে কৈশোৰ বা যৌবনৰ দুৱাৰ দলিত ভৰি দিয়া ল'ৰাছোৱালীৰ বাবেই যে হয়, সেইটোও বোধকৰো নিশ্চয় নাজানা। যৌবনৰ দুৱাৰদলিত ভৰি দিয়া ল'ৰাছোৱালীবোৰে এই জগতত্তে আছেনে আনজগতত্তে আছে কবকে নোৱাৰে। এইবোৰ ল'ৰাছোৱালীয়ে আমেৰিকাৰ ধুনীয়া পোন বাজ আলিত মটৰ চলায় ৬০।৭০ মাইল বেগত। ৬০ মাইল বেগত চলিথকা মটৰৰ ষ্টিয়াৰিং হুইলৰ পৰা হাত এৰি দি এওঁ-লোকে চুমা খাই এই লোক জগতৰ অস্তিত্বকে পাহৰি যায় আৰু ফলত নিজেও সপ্তম লোক পায় আৰু আনমানুহকো লগতে সপ্তম লোকলৈ লৈ যায়। বুজিছা, যৌবনৰ দুৱাৰ দলিত ভৰি দিয়া ল'ৰাছোৱালীৰ চকুত ৰঙীন সপোন; কিন্তু দায়িত্ব জ্ঞান কম। সিহঁত যেনিবা লেকাম নোহোৱা ঘোঁৰাহে। স্কুল কলেজত কোনবোৰ ল'ৰাছোৱালীক শাসন কৰা টান কব পাৰা নে ?"

"নোৱাৰো।"

"স্কুলৰ ক্লাছ নাইন আৰু টেনৰ আৰু কলেজৰ আণ্ডাৰ গ্ৰেজুয়েট শ্ৰেণীৰ। এইবোৰ শ্ৰেণীৰ ছাত্ৰছাত্ৰীক শাসন কৰা আটাইতকৈ টান কাম। তাৰ কাৰণ সিহঁতে যৌবনৰ দুৱাৰদলিত ভৰি দিছে বা যৌবনত সোমাব খুজিছে। সেইবাবেই ২৫ৰ কম বয়সৰ লিখক সকলকো বাদ দিব লাগে। আকৌ যাতে চৰকাৰে বছা কোনো লিখকে লেকাম নোহোৱা ঘোঁৰাৰ দৰে দৌৰিব নোৱাৰে, তাৰবাবে আৰু এটা স্বৰ্ত কৰা অৰ্থাৎ চৰকাৰে বছা লিখকসকলৰ বয়স ২৫ ৰ পৰা ৫০ ৰ ভিতৰত হলেই নহব, তেওঁলোক বিবাহিতো

হব লাগিব। বি.এ. পাহ আৰু বিয়া পাহ—এই দুটা বিষয়ত পাছকথা মাতুহে যিহকে. তিহকে লিখিব নোৱাৰে। তেওঁলোকৰ ভাষা, কল্পনাবোৰ জুইত পোৰা সোণৰ দৰে। এতিয়া দেখিলা ২৫ ৰ পৰা ৫০ ৰ ভিতৰৰ বয়সৰ প্ৰতিভাসম্পন্ন বিবাহিত লিখকসকলক চৰকাৰে তেওঁলোকৰ লিখক আচনিৰ বাবে নিৰ্বাচন কৰিলে কেতিয়াও খোৱাকামোৰা হোৱাৰ সম্ভাৱনা নাই।"

"তিৰোতা সকলৰ ক্ষেত্ৰতো সেই একে নিয়ম নেকি? নে তিৰোতাবোৰক আপুনি বাদকে দিছে? তিৰোতা লিখিকাকো চৰকাৰে একে নিয়মৰে বাছিব নেকি?" ঘৈণীয়েকে সুধিলে।

"তিৰোতাই জানো লিখিব পাৰে?" প্ৰবীৰ বৰুৱাই ঘৈণীয়েকৰ কথাত প্ৰশ্ন কৰিলে।

"তিৰোতাই লিখিব নোৱাৰে বুলি কলে আপোনাৰ জ্ঞান দেখি মাতুহে হাঁহিব আৰু আপোনাৰ আৰ্চনি দলিয়াই দিব। আমেৰিকাৰ পাৰ্লবাক নামৰ এজনা মহিলাৰ নাম নিশ্চয় শুনিছে। তেওঁ তেওঁৰ লিখাৰ বাবে "নোবেল" বটা পাইছিল। আমাৰ অসমতো কিমান মহিলা কবি, ঔপন্যাসিক আছে। মটা লিখকবোৰ তেওঁলোকৰ কাষকে চাপিব নোৱাৰে।" ঘৈণীয়েকে কলে।

"এৰা, তুমি ঠিক কৈছা। তিৰোতাৰ কথা মই পাহৰিয়ে যাওঁ। তিৰোতাৰ কথা ভাবিলেই তোমাৰ ছবি চকুৰ আগত ভাহি উঠে। তেতিয়া ভাবো তিৰোতা প্ৰেয়সী, তিৰোতা মাতৃ আৰু তিৰোতা ঘৰৰ গিৰিহঁতনী। তেওঁলোকৰ কাম ল'ৰাছোৱালী চোৱা, সিহঁতক খুওৱা খুওৱা, ঘৰছুৱাৰ পৰিষ্কাৰকৈ ৰখা, বন্ধাবঢ়া কৰা, স্বামী শুশ্ৰূষা কৰা আৰু চাকৰ বাকৰ চলোৱা। তিৰোতাইও যে কবি, ঔপন্যাসিক, লিখক হব পাৰে, তেওঁলোকৰো যে তেনে প্ৰতিভা আছে মই পাহৰিয়ে যাওঁ। লিখক আচনিৰ নীতি নিয়ম তিৰোতাৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য। মাত্ৰ তেওঁলোকৰ বাছনিৰ বয়স ২০ৰ পৰা ৪৫ৰ ভিতৰত; কিয় জানা? কথাতে কয় তিৰোতা হেনো কুৰিতে বুঢ়ী হয়। এইটো একেবাৰে সঁচা নহলেও কুৰি বছৰীয়া ছোৱালী সম বয়সীয়া

ল'ৰাকৈ বেচি পক; সেইবাবে কুৰি বছৰীয়া ছোৱালী আৰু পঁচিশ বছৰীয়া ল'ৰাৰ মনোবৃত্তি একে ধৰণৰ বুলি ধৰি ললে ভুল কৰা নহব। সেইবাবেই তিৰোতাৰ ক্ষেত্ৰত বাছনিৰ বয়স পাঁচ বছৰ কমকৈ ধৰা হৈছে।"

"কোনো তিৰোতাক লিখক আচনিত চৰকাৰে বাছিলে, তেওঁৰ স্বামীয়ে তেতিয়া ল'ৰাছোৱালীক চোৱা, সিহঁতক খুওৱা ধুওৱা, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰা, বন্ধা বঢ়া কৰা আৰু স্ত্ৰী শুশ্ৰূষা আদি কামো কৰিব লাগিব—নহয় জানো?" ঘৈণীয়েকে হাঁহি কলে।

ঘৈণীয়েকৰ কথাত প্ৰবীৰ বৰুৱা বিৰক্ত হৈ উঠিল। "তুমি দেখিছোঁ সকলো কথাকে ঠাট্টা কৰি উৰাই দিব খোজা। মই এনে গহীন কথাত ঠাট্টা তামছা ভাল নাপাওঁ।"

ঘৈণীয়েকে তেতিয়া কলে "মই ঠাট্টা কৰা নাই। মই কথাটো সুধিছোহে তেতিয়া কি হব বুলি।"

প্ৰবীৰ বৰুৱাই বিৰক্তিৰে কলে "তেতিয়া গিৰিয়েকে ৰন্ধাবঢ়া, লৰাছোৱালী চোৱা, স্ত্ৰী শুশ্ৰূষা কৰা আদি কামবোৰ কৰিব।" অলপ পিচতে বৰুৱাই আকৌ হাঁহি কলে "তোমাৰ পাচে বাছনিত উঠাৰ কোনো আশা নাই। গতিকে মোৰো কলেজৰ চাকৰি এৰি ঘৰৰ কাম বন কৰাৰ কোনো আৱশ্যক নহব।"

"মই বাছনিত নুঠিম বুলি কিয় ভাবিছে? আপুনি যদি বাছনিত উঠিব পাৰে তেনেহলে মইও উঠিব পাৰিম। আপোনাৰ লিখাও কোনেও দেখা নাই, মোৰো লিখা কোনেও দেখা নাই। আপুনি যদি কয় আপুনি লিখি বাকছত ভৰাইছে, মইও কব পাৰো মইও লিখি বাকছত ভৰাইছো বুলি।"

"এই, আকৌ ঠাট্টানে?" বৰুৱাই খঙেৰে কলে।

"বাৰু বাৰু খং কৰিব নালাগে। বাৰু আমি দুয়ো যদি বাছনিত উঠো, তেতিয়া ল'ৰাছোৱালীক খুওৱা, ধুওৱা ৰন্ধাবঢ়া কৰা ইত্যাদি ঘৰৰ যাবতীয় কামবনবোৰ কোনে কৰিব?"

"চৰকাৰে" বৰুৱাই গহীন হৈ উত্তৰ দিলে।

"খুব ভাল আৰ্টনি হৈছে। আপুনি চৰকাৰক আৰ্টনিখন দাখিল কৰক।" এই বুলি কৈ বকৰাৰ ঘৈণীয়েক ভিতৰলৈ গল।

ঘৈণীয়েক যোৱাত বকৰাই পুনৰ পেঞ্চিল মুখত কামুৰি লৈ ছিণ্ডি যোৱা চিন্তাৰ মালাদাল পুনৰ গাঠিবলৈ যত্ন কৰিবলৈ ধৰিলে। অলপ সময় ভাবি হেৰোৱা সূতাদাল পাই চিন্তাৰ মালাদাল সংযোগ কৰি বকৰাই পেঞ্চিল লৈ কাগজত লিখিবলৈ ধৰিলে। এক শাৰী নে দুই শাৰী লিখোতে বকৰাৰ ঘৈণীয়েক আকৌ বাহিৰলৈ আহি বকৰাৰ কাষত থিয় হৈ খুব কোমলকৈ কলে "এটা কথা কওঁ। খং নকৰিব।"

"আজি দেখিছো লিখা নহব। লিখিবলৈ ধৰিলেই কিবা নহয় কিবা এটা বাধা আহি পৰে। বাৰু, এতিয়া কি কব খুজিছা কোৱা।"

"আপুনি খং নকৰে বুলি কওক। আপোনাৰ যেনেকৈ টিকিচকৈ খং উঠে কবলৈ ভয় লাগে।"

"বেচি বাক্যব্যয় নকৰি সোণকালে কি কব খুজিছা কোৱা। খং বাৰু নকৰোঁ।" বকৰাই কলে।

"কথাটো হৈছে এই" এইবুলি ঘৈণীয়েকে অলপ ইতঃস্ততঃ কৰি তাৰ পিচত আকৌ কলে "কেচুৱাৰ গাখীৰৰ টিনটো শেষ হৈ গৈছে। আজি এটা গাখীৰৰ টিন নানিলেই নহয়।"

"সেইটোনো মোক কব লাগিছে নে? তুমি আনি লোৱা। দৰমহাৰ সকলোখিনি পইচা মাহৰ এক তাৰিখে তোমাৰ হাতত্তেতো দি দিছো।"

"টকা শেষ হৈছে।" ঘৈণীয়েকে কলে।

"টকা শেষ হৈছে! তেনেহলে মই কি কৰিব লাগে? মই কিবা টকাৰ গছ নেকি যে মোক লৰালেই টকাবোৰ গিৰগিৰকৈ সৰি পৰিব।" এইবুলি বকৰাই খঙেৰে চিঞঁৰি উঠিল।

বকৰাৰ কথাত ঘৈণীয়েকেও সমান খঙেৰে উত্তৰ দিলে, "টকা কিবা মোৰ কানি কাপোৰ কিনোতে শেষ হৈছে, নে খোৱা-বোৱাতে শেষ হৈছে! আজি কিমান দিন ফটা চাদৰ, ফটা মেখেলা পিন্ধি কটাইছোঁ। পিন্ধিবলৈ ভাল কাপোৰ এখনেই নাই। মানুহৰ

ঘৰলৈকো যাবলৈ বাদ দিছো। টকাৰ কথা কলেই যদি খং কৰে তেনেহলে বিয়াবাকই বা কিয় কৰাইছিল, ল'ৰাছোৱালীকে বা কিয় জন্ম দিছিল ?" এই বুলি বৈণীয়েক কান্দি কান্দি ভিতৰলৈ গল।

"নতুন কানি কাপোৰ কিবা মন্বেই জানো পিন্ধিছো ? টাপলি মৰা কোট পেণ্টেৰে দেখোন আজি ছুবছৰ গৈছে।" এইবুলি ভিতৰলৈ সোমাই যোৱা ঘৈণীয়েকৰ উদ্দেশ্যে বৰুৱাই চিঞৰি উঠিল।

ঘৈণীয়েকৰ পৰা কোনো উত্তৰ নাপাই বৰুৱাই নিজকে নিজে কলে "সকলো এই চৰকাৰৰে দোষ। ইংৰাজীৰ প্ৰফেচাৰ কৰি দিছে; কিন্তু দৰ্মহা দিছে ছুশ। এই ছুশৰে নিজেই খামনে ল'ৰাছোৱালীকে খুৱাম ! আকৌ আমি কিতাপ পত্ৰ লিখি অসমীয়া ভাষা চহকী কৰিব লাগে। ধৰকচোন ৰবীন্দ্ৰনাথ অসমত আকৌ জনম। হওকচোন মোৰ দৰে ছুশ টকাৰ ইংৰাজীৰ প্ৰফেচাৰ। তেতিয়া ৰবীন্দ্ৰনাথৰ মূৰত কবিতাৰ চিন্তাই ঠাই পাই নে, খোৱা-বোৱা পিন্ধা উৰাৰ চিন্তাৰ ঠাই পাই চাওঁ !"

এনেতে বৰুৱাৰ ডাঙৰ লৰাটো কান্দি কান্দি বৰুৱাৰ ওচৰলৈ আহিল। বৰুৱাই তাক দেখি ব্যস্ত হৈ সুধিলে, "তোৰ কি হৈছে ? গোটেই মুখখনে দেখোন তেজৰে বাঙলী। আঃ তহঁতে মোক মাৰিলি।"

ল'ৰাটোৱে দেউতাকক কান্দি কান্দি কলে, "বাইদেৱে খেলি থাকোতে ঠেলা মাৰি পেলাই দিছে।"

বৰুৱাই তেতিয়া ল'ৰাটোক মুখ ধুৱাই দিলে। বাহিৰৰ তেজ ওলোৱা ঠাইত দেটল পানী লগাই দিলে। ইয়াৰ পিচত এটুকুৰা মিছৰি দি মুখত মিছৰি লৈ থাকিবলৈ কলে। এই দৰে ল'ৰাটোক শান্ত কৰি বৰুৱা মূৰে কপালে হাত দি লিখা টেবুলৰ ওচৰত বহিল। অলপ পিচত ডাঙৰ ছোৱালীজনীক এটা দিয়াছালাই আনিবলৈ কলে। ছোৱালীজনীয়ে দিয়াছালাইটো আনি দিয়াত বৰুৱাই টেবুলত থকা লিখা কাগজবোৰ বাহিৰত দমালে। তাৰ পিচত ডাঙৰ ট্ৰাঙ্ক এটা

খুলিলে। ট্ৰাঙ্কটো বকৰাৰ লিখা কবিতা, গল্প, প্ৰবন্ধৰে ভৰা। ট্ৰাঙ্কটো খুলি দেখে যে বকৰাৰ লিখা অনেকবোৰ কাগজ পোকে খাইছে। বকৰাই সেই সকলো উলিয়াই আগৰ লিখা কাগজক দ'লটোৰ ওপৰত জাপি দি এটা ডাঙৰ কাগজৰ দ'ল কৰিলে।

বকৰাৰ তিনিওটা ল'ৰাছোৱালীয়ে দেউতাকে কি কৰে চাই আছে। সৰুটোৱে মাত লগালে, "দেউতা এইটো আমি খেলিবলৈ দ'ল সাজিলা নেকি ?"

বকৰাই কলে, "এইটো দ'ল নহয়, এইটো মেজি। চাই থাক কি হয়।" এই বুলি বকৰাই দিয়াছালাইৰ কাঠি জ্বলালে। দিয়াছালাইৰ জ্বলি থকা কাঠিডাল বকৰাই কাগজৰ দ'লটোৰ কাষলৈ নিলে। প্ৰাণৰ প্ৰিয়তমাৰ দেহ শ্মশানৰ চিতাত সজাই বকৰাই যেন মুখাগ্নি কৰিবলৈহে গৈছে। বকৰাৰ অন্তৰ কান্দি উঠিল। নিজে কৰ নোৱাৰাকৈ আপোনা আপুনি চকুৰ পানী গিৰগিৰকৈ পৰিবলৈ ধৰিলে। বকৰাই একো নেদেখা হল। এনেতে দিয়াছালাইৰ জ্বলি থকা কাঠিও বতাহ এছাতিত নুমাই গল।

দেউতাকৰ কাণ্ড কাৰখানা দেখি বকৰাৰ ডাঙৰ ছোৱালীজনীয়ে মাকৰ আগত কথাটো কলেগৈ। অকণমান ল'ৰাটো দৌৰি গৈ মাকক কলে, "মা, চাহি, দেউতাই মেজি জ্বলাবলৈ ধৰিছে।"

ছোৱালী আৰু ল'ৰাৰ কথাত মাক বাহিৰলৈ ওলাই আহিল। বকৰাই পুনৰ দিয়াছালাইৰ কাঠি জ্বলালে। আকৌ জ্বলন্ত কাঠি কাগজৰ দ'লৰ ওচৰলৈ নিলে। এনেতে ঘৈণীয়েকে মাত লগালে, "সেইবোৰ কি বলিয়ালি কৰিছে ? অ'ত বছৰে কষ্ট কৰি লিখা কাগজবোৰ কিয় পোৰে ?"

ঘৈণীয়েকৰ কথাত বকৰাই দিয়াছালাইৰ জ্বলন্ত কাঠি দলিয়াই পেলাই থিয় দিলে। অলপ সময় মনে মনে ৰল। তাৰ পিচত কলে, "কোনে কৈছে পুৰিব খুজিছো বুলি ? এই কাগজবোৰ ট্ৰাঙ্কত থাকোতে পোকে ধৰিলে। এতিয়া ৰ'দত উলিয়াই দিছো।" এই বুলি বকৰা ভিতৰলৈ সোমাই গৈ লিখা টেবুলৰ ওচৰত আকৌ

বহিলগৈ। তাৰ পিচত ঘৈণীয়েকক কলে, "গাখীৰৰ টিনৰ বাক বন্দৰস্ত হ'ব; পণ্ডিতৰ দোকানলৈ এখন 'শ্লিপ' দি পঠোৱা। পণ্ডিতে নিশ্চয় গাখীৰৰ টিন দিব। আৰু এটা কথা।"

"কি কথা?" ঘৈণীয়েকে সুধিলে।

"আজি কেইবামাহো এজন ল'ৰাই মোক পঢ়াবলৈ খাতিৰ কৰি আছে। মই সময় নাই বুলি কৈ ফিৰাই আছোঁ। আজিৰ পৰা ভাবিছো লিখাপঢ়াবোৰ এৰি 'প্ৰাইভেট টিউচন'কে কৰিম। ল'ৰাজনে টকা অগ্ৰীমো দিব খুজিছে। ঘৰত গৈ পঢ়ালে মাহে এশকৈ টকা দিব। বৰ ধনী মানুহৰ ল'ৰা। বুদ্ধি পাচে কম।"

"দৰমহাৰ টকাৰে ঘৰ ভাৰা দি খাই বৈ চলিব নোৱাৰি যেতিয়া টিউচন কৰা বোধকৰো বেয়া নহয়। মইতো আগৰে পৰা এই কথা কৈয়ে আছোঁ। আপুনিহে শুনা নাছিল। বাৰু এতিয়া গা পা ধোৱাৰ দিহা কৰক। মোৰ ভাত পানী হ'ব লগীয়া হৈছে।" এই বুলি ঘৈণীয়েক ভিতৰলৈ গল।

ঘৈণীয়েক ভিতৰলৈ সোমাই যোৱাত বৰুৱাই টেবুলত মুৰ পেলাই নিজকে নিজে কলে, "দাৰিদ্ৰ্য দোষো গুণ ৰাশি নাশী।" আমাৰ নিচিনা দুখীয়া প্ৰফেচাৰ কবি হোৱা, ঔপন্যাসিক হোৱা, দাৰ্শনিক হোৱা, বৈজ্ঞানিক হোৱা, বা ৰবিঠাকুৰ, মুলুক ৰাজ আনন্দৰ দৰে গল্প, কবিতা লিখা অলীক কল্পনা, বলিয়াৰ বলিয়ালি, আলাসত চাং পতা।"

বিলাতফেৰতৰ কাহিনী

এক

ধনেশ্বৰ মদনপুৰ সত্ৰৰ গোসাইৰ ল'ৰা; কমলেশ্বৰ মদনপুৰৰে ওচৰৰ বেতবাৰী গাৱঁৰ দুখীয়া ব্ৰাহ্মণৰ ল'ৰা। দুয়ো পঢ়াশুনা কৰি বিশ্ববিদ্যালয়ৰ একেবাৰে সৰ্বোচ্চ উপাধি লাভ কৰি নগৰৰ এখন চৰকাৰী সাহায্য প্ৰাপ্ত কলেজৰ প্ৰফেচাৰ হৈ সোমাইছে। ধনেশ্বৰ অৰ্থশাস্ত্ৰ বা ইকনমিকচৰ প্ৰফেচাৰ আৰু কমলেশ্বৰ ৰসায়ন বিজ্ঞানৰ প্ৰফেচাৰ। দুয়োৰো স্বভাৱ চৰিত্ৰ একেবাৰে ছিদ্ৰ নোপোৱা। কমলেশ্বৰক সকলোৱে কমল বুলিয়ে মাতে। কমলক মাক পিতাকে সি কলেজত পঢ়ি থাকোতেই বিয়া কৰাই দিয়ে। কমলৰ এজনী ছোৱালীও আছে। বেচৰকাৰী কলেজৰ প্ৰফেচাৰৰ দৰমহাৰে চহৰত ঘৰভাৰা কৰি ল'ৰা তিৰোতাকলৈ থাই বৈ থকা অসম্ভৱ দেখি কমলে ঘৈণীয়েকক গাৱঁতে ৰাখিছে। মাক পিতাকেও কমলৰ এনে কথাত ভাল পাইছে। শহুৰ শাহুয়েকক কমলৰ ঘৈণীয়েকে সদায় আনন্দৰে সেৱা শুশ্ৰূষা কৰে। ঘৰখনো মুছিকাছি, ফুমাৰি ভাত খাব পৰাকৈ পৰিষ্কাৰ কৰি ৰাখে। ঘৰৰ বাছন বৰ্তন মাজি ঘহি চকচকীয়াকৈ থয়। কমলৰ ঘৈণীয়েকে নিজে ভাত নাৰান্ধিলেও শাহুয়েকক ৰন্ধা বঢ়াৰ সকলো বা যোগাৰ কৰি দিয়ে। ইয়াৰ উপৰি ছোৱালীজনীকো খুৱাই ধুৱাই যত্ন কৰি ৰাখে, আবেলি শালত কাপোৰ বয় আৰু কাপোৰত ফুল তুলি ইটো সিটো চিলাই কৰে। কমলে চহৰৰ পৰা কেতিয়াবা উল আনি দিলে উল গুঠি ছোৱালীজনীৰ চুৱেটাৰ, মোজা কৰে। কমলক আৰু শাহুৱেককো একোটাকৈ চুৱেটাৰ কৰি দিছে। কমলৰ দেউতাকে সেই চুৱেটাৰ পিন্ধি বোৱাৰীয়েকৰ গুণ আনৰ আগত বখানি কয়।

কমলৰ মাক দেউতাকে গাৱঁৰ মানুহৰ আগত সুযোগ পালেই বোৱাৰীয়েকৰ গুণ বখানি এইদৰে কয় "বোৱাৰীজনী সাক্ষাৎ লক্ষীৰ

দৰে। তাই ঘৰখনত সোমোৱাৰে পৰা ঘৰৰ শ্ৰী নিতৌ বাঢ়ি গৈছে।” ওচৰ চুবুৰীয়াইও কমলৰ ঘৈণীয়েকক তাইৰ মিঠা কথাত সদব্যৱহাৰত বৰ মৰম কৰে আৰু গুণ বখানে। নিজৰ নিজৰ ঘৰৰ বোৱাৰীয়েকসকলক কমলৰ ঘৈণীয়েকৰ দৰে হবলৈ কয়। এনে কথাত গাৱঁৰ আন বোৱাৰীয়েকসকল ঈৰ্ষান্বিত হোৱাই স্বাভাবিক; কিন্তু কমলৰ ঘৈণীয়েকৰ ব্যৱহাৰত, বিনয়ত কোনোজনীয়ে ঈৰ্ষা-পৰায়ণ নহয়; বৰং গাৱঁৰ সকলোবোৰ বোৱাৰীয়েকৰ লগতে কমলৰ ঘৈণীয়েকৰ বন্ধুত্ব গাঢ়হে হয়।

প্ৰতি শনিবাৰে গধূলি কমল বেলগাৰীৰে আহি ঘৰ পায়। শনি আৰু ৰবিবাৰৰ ৰাতি ঘৰত থাকি সোমবাৰে পুৱাই কমল আকৌ বেলত উঠি চহৰলৈ যায়। ঘৰত থকা সেইদুদিন কমলে মনোমতা ভাৰ্য্যাৰ লগত অতি আনন্দৰে কটায়। ঘৈণীয়েকেও সেই দুদিন কমলৰ বুকুৰ মাজত লুকাই থাকি পৰম তৃপ্তি আৰু আনন্দত দিন কটায়। ৰাতি নানা মধুৰ কথাবতৰা পাতি থাকোতেই কেতিয়া ৰাতি পুৱায়, কেতিয়া কুকুৰাই ডাকদিয়ে, কেতিয়া ৰাঙলি বেলিৰ পোহৰ পূৱপিনৰ পৰা ওলাই গোটেই পৃথিবীকে উজ্জলাই তোলে, কমল আৰু ঘৈণীয়েকে গমকে নাপায়। সোমবাৰে পুৱা কমল আকৌ চহৰলৈ যাবৰ সময়ত দুয়োৰো চকু ছলছলীয়া হয়, মুখেৰে মাত নোলায় আৰু কমলে চকু মোহাৰি মোহাৰি বেল ধৰিবলৈ বেগাবেগিকৈ ঘৰৰ পৰা খোজ লয়। দুয়ো আকৌ শনিবাৰ অহালৈ দিন গণে।

দুই

ধনেশ্বৰৰ বিয়া হোৱা নাই। গোসাই গোসানীয়ে ধনেশ্বৰক পঢ়ি থকা কালতে বিয়া দিবলৈ অনেক যত্ন কৰিছিল; কিন্তু ছাত্ৰাৱস্থাত ধনেশ্বৰে কোনোবা সন্ন্যাসীৰ আদেশত ভীষ্মৰ দৰে হেনো কিবা দুৰ্দ্ধোৰ ব্ৰহ্মচৰ্য্যব্ৰতৰ প্ৰতিজ্ঞা কৰিছিল। সেইবাবে পঢ়ি থকা

কালত মাক পিতাকক বিয়া নকৰাওঁ বুলি কৈছিল। "ছাত্ৰানাং অধ্যয়নং পৰমং তপঃ" এই বুলি মাক পিতাকক কৈছিল। আকৌ ধনেশ্বৰৰ মতে স্ত্ৰীয়ে অনৰ্থৰ মূল। ধনেশ্বৰৰ অধ্যয়নত, যোগ সাধনাত ধনেশ্বৰৰ ব্ৰতত স্ত্ৰীয়ে যে দুৰ্বোৰ প্ৰতিবন্ধক হব সি ঠিক। ধনেশ্বৰে এইবোৰ কাৰণত পঢ়ি থকা কালত বিয়া নকৰালে।

ধনেশ্বৰে স্কুলত আৰু কলেজত পঢ়াকালত কোনো দিনে জুতা পিন্ধা নাছিল; মূৰত দীঘল চুলি ৰাখিছিল; কপালত দীঘল ফোট মাৰিছিল আৰু আঠুৰ ওপৰত খদ্দৰৰ চুৰিয়া পিন্ধিছিল। স্কুলত পঢ়াদিনৰে পৰা সন্ন্যাসী গুৰুৰ আদেশ আৰু শিক্ষাত প্ৰাণায়াম, হঠ যোগ আদি কৰিছিল। কুলকুণ্ডলিনীক শৰীৰত জগাই তুলিবলৈ কঠিন সাধনা কৰিছিল। কুলকুণ্ডলিনীৰ সাধনাত, ৰেচক, পুৰক, কুম্ভক অভ্যাস কৰোতে ধনেশ্বৰৰ শৰীৰ ঘৰ্মাক্ত হৈছিল; ধনেশ্বৰে শৰীৰ কঁপা যেন পাইছিল আৰু ফেটিসাপৰ দৰে 'ফোচ ফোচ' কৰি কুলকুণ্ডলিনী জাগি শৰীৰৰ উৰ্দ্ধলৈ উঠিব খোজা যেনো অনুমান কৰিছিল; কিন্তু কুলকুণ্ডলিনী সম্পূৰ্ণ জাগি নাভি কমল, হৃদয় কমল ভেদ কৰি শিৰৰ সহস্ৰ কমল পোৱাৰ আগতে, ধনেশ্বৰৰ বুকুৰ বিষ হৈ বহুদিন শয্যাগত হৈ আছিল আৰু তেতিয়াৰে পৰা ধনেশ্বৰৰ প্ৰাণায়ম সাধনাৰো ইতি পৰে। কুলকুণ্ডলিনীক সম্পূৰ্ণ জাগৃতা কৰি ধনেশ্বৰে যে আগৰকালৰ ঋষিমুনিৰ দৰে ইচ্ছামতে ব্যোমচাৰণ কৰিব নোৱাৰিলে সেই দুখ ধনেশ্বৰৰ বুকুত বুকুৰ বিষৰ লগে লগেই বহুদিন আছিল।

ইয়াৰ পিচত কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত পঢ়াকালত ধনেশ্বৰে এবাৰ সংসাৰৰ প্ৰতি সকলো আসক্তি এৰি ঈশ্বৰক সাধনা কৰিবৰ কাৰণে ঘৰ এৰি পলাই গৈছিল। গোসাই গোসানীয়ে বৰকৈ বিচাৰ কৰি আৰু খবৰৰ কাগজত বিজ্ঞাপন দি আৰু পুৰস্কাৰ ঘোষণা কৰিও ধনেশ্বৰক পোৱা নাছিল। অৱশেষত ধনেশ্বৰক বিচাৰি পোৱাৰ সকলো আশা যেতিয়া গোসাই গোসানীয়ে বিসৰ্জন দিছিল, তেতিয়া হঠাত এদিন পুৱা এমাহৰ মূৰত ধনেশ্বৰ মাত্ৰ পিন্ধা চুৰিয়াখনৰে

সেতে পুনৰ ঘৰ ওলাইছিল। ঘৰ পাই ধনেশ্বৰে ঘৰত কিছুদিন কাকো মাতবোল নকৰাকৈ থাকিল। মাক পিতাকেও হেৰোৱা সন্তানক পাই আকৌ কিবা কলে পলাই যাব পাৰে বুলি ভয়ত একো কোৱা নাছিল। তাৰ পিচত আকৌ কলেজলৈ গৈ অধ্যয়নত লাগে গৈ। কমলে ধনেশ্বৰক কলৈ গৈছিল বুলি সোধাত ধনেশ্বৰে কৈছিল যে সি হেনো ধ্ৰুৱৰ দৰে ঈশ্বৰক বিচাৰি গৈছিল। ঈশ্বৰক বিচাৰি বিচাৰি কলিকতা চহৰ হেনো ওলাইছিল। তাতে গঙ্গাত গা ধুবলৈ বুলি লগত নিয়া টালি টোপোলাটো পাৰত থৈ গঙ্গাত গা ধুই দেহৰ আৰু মনৰ মলিবোৰ গুচাই থাকোতে ঈশ্বৰৰ নিৰ্দেশত হেনো তাৰ টোপোলাটো অদৃশ্য হয়। এইদৰে মায়াৰ সকলো বস্তু ঈশ্বৰেই নৈ যোৱাত ধনেশ্বৰে হেনো কোনোবা বাবাজীৰ সঙ্গ লয় আৰু বাবাজীৰ লগতে কিছুদিন থাকে। তাৰ পিচত হঠাতে হেনো এদিন বাবাজীৰ উপদেশত তাৰ চক্ষু মেল খায়। এই বয়সতে হেনো তপ কৰা, গৃহ ত্যাগ কৰা অনুচিত। জ্ঞান আহৰণৰ বাবেহে হেনো এই শ্ৰেষ্ঠ বয়স। সেইকাৰণে সি পুনৰ পঢ়াশুনা কৰিবলৈ ফিৰি আহে। কমলে ধনেশ্বৰক কেনেকৈ আহিলে বুলি সোধাত ধনেশ্বৰে কৈছিল, “বিনা টিকটে ৰেলত উঠি আহিছিলো।” ভোক লাগিলে ৰেলতে ভিক্ষা পাত্ৰ লৈ “হৰে ৰাম, হৰে ৰাম” কৰি ৰামক মাতিছিলো আৰু তেতিয়া ৰামেই ভিক্ষা পাত্ৰত পইচা দিছিল।

তিনি

যিয়েই নহক, কমল আৰু ধনেশ্বৰ দুয়ো এইদৰে চহৰৰ কলেজৰ পৰা এজনে বি, এছ-ছি, আৰু আনজনে বি, এ, পাছ কৰে। কমলে ৰসায়নত প্ৰথম শ্ৰেণীৰ অনাৰ্চ লৈ প্ৰথম হৈ পাছ কৰে। ধনেশ্বৰ পাৰমাৰ্থিক সাধনাত ৰত থকাত কোনো অনাৰ্চ নোলোৱাকৈ কোনো মতেহে বি, এ'ৰ জেওনা পাৰ হয়। তাৰ পিচত দুয়ো কলিকতালৈ যায়। কলিকতাত পঢ়া সময়তো ধনেশ্বৰে কপালৰ ফোট, মুৰৰ দীঘল

চুলি, আঠুৰ ওপৰত পিন্ধা চুৰিয়া ত্যাগ কৰা নাছিল। জুতাও পিন্ধা নাছিল। এই দৈ ধনেশ্বৰক হোষ্টেলৰ ছাত্ৰসকলে 'গুৰুদেৱ, গুৰুদেৱ' বুলি ঠাট্টা ভামছাও কৰিছিল। ধনেশ্বৰে সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি এম, এ, পাছ কৰে। কমলেও এম, এছ-ছি, পাছ কৰে। কমলে আকৌ আগৰ দৰে প্ৰথম শ্ৰেণীত প্ৰথম হৈ পাছ কৰে আৰু ধনেশ্বৰেও দ্বিতীয় শ্ৰেণীৰ একেবাৰে শেহৰ স্থান অধিকাৰ কৰি পাছ কৰে। এইদৰে দুয়ো পাছ কৰি আহি চহৰৰে কলেজত প্ৰফেচাৰ হৈ সোমায়।

ধনেশ্বৰৰ পঢ়াশেষ হোৱাত আৰু চাকৰি পোৱাত গোসাই গোসানীয়ে ধনেশ্বৰৰ বিয়াৰ পুনৰ উমঘাম কৰে আৰু চহৰৰে এজনী ধুনীয়া ছোৱালীও ঠিক কৰে। ধনেশ্বৰেও এইবাৰ বিয়াত আপত্তি নকৰিলে। কমলক কলে, "সহধৰ্মিনী নোহোৱাকৈ অকলে ঈশ্বৰ সাধনা কৰা টান। যাগযজ্ঞ স্ত্ৰীক লগত লৈহে কৰিব লাগে। ৰামে সীতাক বনবাস দিয়াত সেই বাবেই সোণৰ সীতাৰ মূৰ্তি সাজি সেই মূৰ্তি কাষতলৈহে অশ্বমেধ যজ্ঞ কৰিছিল।"

ধনেশ্বৰৰ মাক পিতাকে ল'ৰাই ভীষ্ম প্ৰতিজ্ঞা এৰাত নথৈ ৰং পালে। ধনেশ্বৰে পাচে কমলক কলে, "ছোৱালী নোচোৱাকৈ আজি কালি বিয়া কৰোৱা অনুচিত। খবৰৰ কাগজত ছোৱালী বদলোৱা কথা আজি কালি ওলায়ে থাকে। আমাৰ ইয়াত এইবোৰ ছলচাতুৰী সোমোৱা নাই যদিও, কাণী, বোবা ছোৱালী বিয়া দি দিয়া একেবাৰে অসম্ভৱ নহয়। গাৱঁত থাকি মা পিতাই আজি কালিৰ চহৰৰ ছল চাতুৰীবোৰৰ কথাটো গম নাপায়।"

ধনেশ্বৰৰ মনোভাব বুজি কমলে এদিন ধনেশ্বৰৰ ভাবী শহুৰৰ ঘৰলৈ আগতে খবৰ দি ধনেশ্বৰক লৈ কইনা চাবলৈ গ'ল। চহৰৰ কইনা; হাইস্কুলত পঢ়িছে। সেই বছৰ মেট্ৰিক পৰীক্ষা দিব। ট্ৰেত দুথাল জলপান আৰু দুকাপ চাহ সজাই লৈ আহি কমল আৰু ধনেশ্বৰৰ আগত ট্ৰেখন থলেহি। ছোৱালীয়ে কোনজন তাইৰ দৰা হ'ব একো ঠিক কৰিব নোৱাৰি, কমল আৰু ধনেশ্বৰৰ অলপ দূৰৈত

থিয় হৈ বল। কমলকে তাইৰ দৰা বুলি একৰকম ঠিককৰি তাই তলমূৰ কৰি ভৰিৰ আঙুলীৰে মাটিত আঁকি থাকিল। ধনেশ্বৰ কইনাৰ ৰূপ দেখি মোহ গ'ল। তথা লাগি কইনাৰ মুখৰ পিনে চাই বল। ধনেশ্বৰৰ এনে নিলাজ ব্যৱহাৰত কইনা ৰঙা চঙা পৰি গ'ল। এনেতে কইনাৰ দেউতাকে ধনেশ্বৰক দেখুৱাই ছোৱালীক কলে, "এওঁক সেৱা কৰ। এওঁয়ে তোৰ দৰা হব।" ইয়াৰ পিচত কমলক দেখুৱাই দেউতাকে কলে "এওঁ তোৰ দৰাৰ বন্ধু। দুয়ো আমাৰ এই চহৰৰে কলেজৰ প্ৰফেচাৰ।"

দেউতাকৰ কথাত কইনাই একো নামাতি ভিতৰ সোমাই গ'ল। দেউতাকে তেতিয়া কমল আৰু ধনেশ্বৰক কলে "মোৰ ছোৱালীজনী বৰ লাজুকী। পিচে এই চহৰত তাইৰদৰে ৰূপে গুণে অনিন্দনীয়া ছোৱালী দ্বিতীয়া আৰু এজনী নাই।"

কমল আৰু ধনেশ্বৰে চাহ জলপান খাই কথাপাতি আছিল। কথাৰ মাজতে ধনেশ্বৰে বিয়াখন অতি সোনকালে পতাৰ কথাও প্ৰকাৰন্তৰে কইনাৰ দেউতাকক কলে। ভাবী শহুৰেকক ধনেশ্বৰে কলে, "মা পিতাৰ বৰ ইচ্ছা মই বিয়া কৰাব লাগে। ইমানদিনে বাধা দি আছিলো। এতিয়া আৰু নোৱাৰিলো। পিচে এমাহ পিচৰ পৰা কলেজত কামৰ বৰ হেচা হব। তেতিয়া আৰু বিয়া কৰাবলৈকে সময় উলিয়াব নোৱাৰিম। মই সেইদেখি মা পিতাক কৈ দিছো—যদি বিয়া পাতিব খুজিছ এই এমাহৰ ভিতৰতে পাত। তহঁতে যি ছোৱালী পছন্দ কৰিছ মোৰো তাতে পছন্দ।"

ধনেশ্বৰে এইদৰে ভাবী শহুৰেকক কৈ মনতে নানা ৰঙীন কল্পনা কৰি কমলৰ লগত নিজৰ থকা ঠাইলৈ ফিৰিল; কিন্তু ধনেশ্বৰৰ পছন্দ হলে কি হব? কেইদিনমান পিচত শুনা গল যে কইনাই হেনো ধনেশ্বৰৰ আঠুৰ ওপৰত পিন্ধা চুৰিয়া, মূৰত দীঘল চুলি, কপালত দীঘল ফোট আৰু খালি ভৰি দেখি কান্দি কাতি অস্থিৰ আৰু দেউতাক মাকক হেনো লাজ কাজ এৰি এনে বিয়া দিয়াতকৈ পানীত উতাই দিবলৈ বা মাৰি পেলাবলৈকে কৈ দিছে। গতিকে বিয়া

ভাঙিল। ধনেশ্বৰেও সময়ত এই কথা শুনিলে। শুনি মনত বৰ সুখ পালে। মনে মনে প্ৰতিজ্ঞা কৰিলে, "বাৰু দেখা যাব। ইয়াৰ হোব এদিন তুলিম।" দেউতাকক কৈ দিলে "বিয়া নকৰাওঁ" বুলি। দাৰুণ ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি পঢ়া শুনা আৰু ঈশ্বৰ আৰাধনাতে থাকিব। ভায়েকহঁতৰ বিয়া পাতিবলৈ ধনেশ্বৰে দেউতাকক কৈ দিলে।

ইয়াৰ পিচত কমলৰ উপদেশত ধনেশ্বৰে প্ৰথমতে আঠুৰ ওপৰত পৰা চুৰিয়া এৰি ভৰিৰ গেৰোৱাত পৰা দীঘল চুৰিয়া পিন্ধিলে। তিৰোতাৰ দৰে দীঘল চুলি ৰখাৰ নো কি আৱশ্যক এনেকৈ কোৱাত চুলিও কাটিলে। চহৰত নানা বেমাৰী আহযাহ কৰে; গতিকে শুদা ভৰিৰে খোজকাঢ়ি ফুৰা নিজৰ স্বাস্থ্যৰ বাবেই বেয়া। এইটো কোৱাত ভৰিত 'পাম চু'ও পিন্ধিলে; কিন্তু কমলে অনেক কৈও ধনেশ্বৰৰ কপালৰ দীঘল ফোট গুচাব নোৱাৰিলে।

চাৰি

এইদৰে কিছুদিন থকাৰ পিচত ভাৰত স্বাধীন হ'ল। ভাৰত স্বাধীন হোৱাৰ লগে লগে দেশখন ধনে ধানে পৰিপূৰ্ণ কৰি তুলিবৰ বাবে নানা পৰিকল্পনা হ'ল। কমল আৰু ধনেশ্বৰৰ প্ৰদেশখনতো নানা পৰিকল্পনা হ'ল। কমল আৰু ধনেশ্বৰৰ প্ৰদেশখন সোণৰ প্ৰদেশ। তাত কি নাই? জুলীয়া সোণ পেট্ৰোলিয়াম আছে; কয়লা, চুনশিল, লো আদি নানা খনিজ বস্তু আছে। সেই প্ৰদেশৰ নদীৰ বালিত সোণ আছে, জঙ্ঘলত মূল্যবান গছ-গছনি আছে, নদ-নদীৰ পলশ পৰা সাৰুৱা খেতিৰ মাটি আছে, বিদ্যুৎ উৎপাদনৰ বাবে জলপ্ৰপাত আছে। যিপিনেই মন কৰা যাই সিপিনেই কমলহঁতৰ প্ৰদেশখনত বনে-জঙ্ঘলে, পৰ্বতে-পাহাৰে, খালে-বামে, সোণৰ টুকুৰা, হীৰাৰ টুকুৰাবোৰ যেন প্ৰকৃতিয়ে ছতিয়াই থৈছে! এই অমূল্য প্ৰাকৃতিক সম্পদ ৰাজি আহৰণ কৰি দেশৰ মানুহক ধনে ধানে চহকী কৰি তুলিবলৈ দৰ্কাৰ একমাত্ৰ এই সম্পদৰাজি আহৰণ

কৰিবলৈ জ্ঞান থকা মানুহৰ ; সোণৰ টুকুৰা, হীৰাৰ টুকুৰাবোৰ বুটলি তুলিবলৈ বিশেষ জ্ঞান থকা মানুহৰ। কমলহঁতৰ প্ৰদেশখনৰ প্ৰাকৃতিক সম্পদৰাজি লৈ কিমান শিল্প সেইখন প্ৰদেশত গঢ়ি উঠিব পাৰে। ভাৰতৰ সকলোবোৰ প্ৰদেশকে ভেতিয়া কমলহঁতৰ প্ৰদেশখনেই সকলো বস্তুৰ যোগান ধৰিব পাৰিব। সেইবাবে পৰিকল্পনা হ'ল বিশেষ জ্ঞান আহৰণ কৰিবলৈ সেই প্ৰদেশৰ সকলো শিক্ষিত ডেকা ল'ৰাকে বিদেশলৈ পঠাবৰ। কমলে তাঁথা শিল্পৰ বিশেষ জ্ঞান লভিবৰ বাবে আমেৰিকাত পঢ়িবলৈ এটা বৃত্তি পালে। ধনেশ্বৰেও পণ্য বস্তু বিক্ৰীৰ জ্ঞান আহৰণ কৰিবৰ বাবে আমেৰিকাত পঢ়াৰ আন এটা বৃত্তি পালে।

ধনেশ্বৰ গোসাইৰ ল'ৰা। গোসাইৰ ঘৰত নানান বাচবিচাৰ। ধনেশ্বৰে কমলৰ কথাত দীঘল চুলি কাটি পেলালেও আৰু গেৰোৱাত পৰা চুৰিয়া আৰু পামচু পিন্ধিলেও, এতিয়াও সন্ধ্যা আহ্নিক কৰে, গাধুই তিতাকাপোৰ সলাই ভাত খায়। গোসাই গোসানীয়ে সেইবাবে ধনেশ্বৰক বৃত্তি প্ৰত্যাখান কৰিবলৈ কৈছিল। কি দৰ্কাৰ গোসাইৰ ল'ৰাৰ বিদেশত জাত নষ্ট কৰাৰ। কলেজত প্ৰফেচাৰি কৰি আৰু ঘৰৰ মাটিবাৰি চলাই ধনেশ্বৰে মহাসুখত ভাই-ভনী মিতিৰ-কুটুমৰে সৈতে খাই বৈ থাকিব পাৰিব। কমলৰ কথাত ধনেশ্বৰে এইবোৰ কথা একো নভৰা নিচিন্তাকৈ আগেয়ে যদিও বৃত্তিৰ দৰ্খাস্ত দিছিল এতিয়া মাক পিতাকৰ কথাত বৃত্তি প্ৰত্যাখান কৰিবলৈ মন কৰিলে। বন্ধু কমলক কি কৰা উচিত বুলি সুধিলে। কমলে কলে, "দিনৰ পৰিবৰ্তন হৈছে। এই আচাৰ ব্যৱহাৰ, জাত অজাতৰ দিন কেইবছৰমানৰ ভিতৰতে নোহোৱা হব। তথাপি যদি তই জাত যোৱাৰ ভয় কৰিছ, পঢ়াশুনা শেষ কৰি পিচত দেশলৈ ঘূৰি আহি প্ৰায়শ্চিত্ত হলে দেখোন আকৌ শুদ্ধ হব পাৰিবি আৰু জাতো পুনৰ ঘূৰাই পাবি। এইটো সুব্যৱস্থাও যদি তোৰ মনত লগা নাই ভেনেহলে লগত এবটল গঙ্গাৰ পানী আৰু গঙ্গাৰ পাৰৰ এচপৰা মাটি লৈ গলেও হয় দেখোন।"

কমলৰ কথাত ধনেশ্বৰ তথাপি প্ৰত্যয় নোযোৱাত কমলে কলে "ইয়াৰ উপৰিও জাত যোৱাৰে বা কি ভয় আছে ? আমেৰিকাত হেনো সকলো বস্তু কিনিবলৈ পায়। ফলমূল, গাখীৰ যি লাগে তাকে হেনো পায়। সেইবোৰ বস্তু কিনি আনি ঘৰত খালেতো জাত যোৱাৰ একো ভয় নাথাকে ! আমেৰিকাৰ পৰা ঘূৰি আহিলে কিমান সুবিধা ! ডাঙৰ ডাঙৰ চাকৰি ! হাজাৰ টকা দৰ্মহা, মটৰ গাৰী, অৰ্দালি, ডাঙৰ ঘৰ আৰু কত কি। আকৌ যিজনী ছোৱালীয়ে তোক বিয়া নকৰাওঁ বুলি কলে, আমেৰিকাৰ পৰা ঘূৰি আহিলে তাইতকৈ ধুনীয়া ছোৱালীয়ে নিজেই তোক বিয়া কৰাওঁ বুলি যাচি আহিব।"

কমলৰ এই শেহৰখিনি কথাত ধনেশ্বৰে 'বৰ ভাল পালে। সচাঁকৈ মাক পিতাকে ঠিক কৰা আৰু সিও নিজে পছন্দ কৰা ছোৱালীজনীয়ে তাক বিয়া নকৰাওঁ বুলি কোৱা দিনৰে পৰা ধনেশ্বৰে বৰ অপমান বোধ কৰি আছে। সাধাৰনতে ল'ৰাই ছোৱালীক প্ৰত্যাখান কৰে ; কিন্তু তাৰবেলিকা ছোৱালীয়েহে ল'ৰাক প্ৰত্যাখান কৰিলে। ধনেশ্বৰৰ পুৰুষত্বক অপমান কৰাৰ প্ৰতিশোধ এদিন লবই লাগিব বুলি ধনেশ্বৰে ইমানদিনে মনে মনে সুযোগো অপেক্ষা কৰি আছিল। এতিয়া কমলৰ কথাত ধনেশ্বৰে এইটোকে সুবৰ্ণ সুযোগ বুলি ভাবিলে। ধনেশ্বৰে আমেৰিকালৈ যাবলৈ ঠিক কৰিলে।

কমল আৰু ধনেশ্বৰে বিদেশত পঢ়াৰ বৃত্তিৰ সকলো স্বৰ্ত মানি লৈ বৃত্তি গ্ৰহণ কৰিলে। বিদেশলৈ যাবৰ বাবে দুয়োবন্ধুই ইয়াৰ পিচত যা যোগাৰ কৰিলে। "ধুতি পিন্ধিতো বিলাতলৈ যাব নোৱাৰি" বুলি কোৱাত ধনেশ্বৰে কমলৰ সৈতে কোট পেন্ট কামিজ, গুৰা পায়জামা আদি কৰালে, নেকটাইও কিনিলে আৰু সকলোবোৰ বস্তু কোনেও নেদেখাকৈ চুতকেছত লুকাই থলে।

পাঁচ

কেইমাহমান যোৱাৰ পিচত এদিন হঠাতে চৰকাৰৰ পৰা খবৰ আহিল। কমলৰ আমেৰিকাৰ পিটচবাৰ্গ চহৰত তাঁত উৎপাদনৰ বিষয় আৰু ধনেশ্বৰৰ নিউইয়ৰ্কত পণ্য শিল্প দ্ৰব্য বিক্ৰীৰ মাৰ্কেটিং পঢ়াৰ ঠিক হৈছে।

দুয়োৰো একেখন জাহাজতে আমেৰিকালৈ যোৱাৰো বন্দবস্ত হৈছে আৰু সেইমতে দুয়োকো প্ৰবেশ পত্ৰ, ভিচা আদি সকলো কাগজ পত্ৰ লৈ বোম্বেত জাহাজত উঠিবও নিৰ্দেশ দিলে। জাহাজ বোম্বেৰ পৰা ইংলণ্ডলৈ যাব আৰু ইংলণ্ডৰ পৰা আন এখন জাহাজত উঠি দুয়ো নিউইয়ৰ্কলৈ যাব লাগিব। নিউইয়ৰ্কৰ পৰা কমল পিটচবাৰ্গলৈ ৰেলত যাব।

চৰকাৰৰ নিৰ্দেশমতে দুয়ো একোটা চুতকেছত পিন্ধাউৰা কানি কাপোৰখিনিলৈ বোম্বেলৈ যাবৰ বাবে ঘৰৰ পৰা মেলানি মাগিলে। কমলে মাক দেউতাকক সেৱা জনালে। ভায়েক-হঁতক ভালদৰে পঢ়াশুনা কৰিব কলে। ঘৈণীয়েকক বেজাৰ কৰিব মানা কৰি সাবটি চুমাখাই মৰম কৰিলে। অকণমানি ছোৱালীজনীকো চুমাখাই মৰম কৰিলে। ছোৱালীজনীক কলে, "তোৰবাবে আমেৰিকাৰ পৰা ধুনীয়া পুতলা আনিম।" ছোৱালী-জনীয়ে কথা কব শিকিছে মাথোন। আমেৰিকা কি, দেউতাক কলৈ যাব ওলাইছে একো বুজা নাই। পুতলাৰ কথাশুনি কলে, "ভাল কথা কোৱা পুতলা এটা আনিবাদেই।" কমলৰ ঘৈণীয়েকে গিৰীয়েকক একো কথাকে কব নোৱাৰিলে। কিবা কব খুজিলেই বুকুত খুন্দা মাৰি ধৰে। মাত নোলায়। কমলে ঘৰৰ পৰা বিদায়লৈ যাবলৈ ওলোৱা সময়ত কমলক সেৱা কৰিলে। বুকুৰ ওৰণিৰে মুখ ঢাকি লোৱাত টপটপকৈ পৰা চকুৰ পানীৰ কথা

৭

কমলৰ বাহিৰে আনে নাজানিলে। কমলৰ ভৰিত কেই টোপাল-মান গৰম চকুৰ পানী পৰাত কমলে ঘৈণীয়েকে কন্দা কথা জানিলে। কমলৰ চকুৰ পৰাও পানী ওলাই আহিব বিচাৰিছিল। কমলে অতি কষ্টে সেই পানীৰ সোঁত বন্ধ কৰি ৰাখিলে; কিন্তু যাবৰ সময়ত কমলৰ বান্ধ ভাঙি কমলৰ চকুৰ পৰা পানী বব ধৰিলে। কমলে মাক পিতাকক সেৱা কৰিলে। মাক পিতাকেও আশীৰ্বাদ দিলে। এইদৰে ঘৰৰ সকলোৰে পৰা বিদায় লৈ ভায়েকহঁতক লগত লৈ লৰালৰিকৈ ষ্টেচনলৈ যাত্ৰা কৰিলে।

ধনেশ্বৰেও মাক-পিতাকক সেৱা কৰি বিদায় ললে। ধনেশ্বৰক খোৱা-বোৱা সকলোতে নীতি-নিয়ম মানি চলিবলৈ মাক-পিতাকে কলে। পিতাকে গোসাইৰ নিৰ্মালী ধনেশ্বৰক দিলে। ধনেশ্বৰেও লগত চন্দন বটা এখন, চন্দন কাঠ এটুকুৰা, বেলপাত আৰু তুলসী এটোপালা, এটোপোলা মাহবুট আৰু কোমল চাউল আৰু বটল এটাত ভালেমান বছৰ আগতে পিতাকে তাহানি তীৰ্থৰ পৰা অনা গঙ্গাৰ পানী অলপ ললে। ঘৰৰ পৰা জুতা নিপিন্ধাকৈ, কপালত ফোট মাৰি আৰু ধুতি পিন্ধিয়ে ধনেশ্বৰ ওলাল। "গমনে বামনঞ্চৈব সৰ্ব্বকাৰ্য্যেষু আধৱম্" বুলি স্তোত্ৰ আওৰাই ধনেশ্বৰ ঘৰৰ পৰা ওলাল।

কমল আৰু ধনেশ্বৰ একেখন ৰেলেৰে আহি বোম্বে পালে। বোম্বেত কমলে ধনেশ্বৰক ধুতি এৰি পেণ্ট পিন্ধিব কলে। নহলে জাহাজত তেনে পোছাকৰে উঠিব গলে সকলোৱে হাঁহিব। চিৰিয়া-খানাৰ জন্তুক চোৱাৰ দৰে ধনেশ্বৰকো সকলোৱে চাব। কমলৰ কথাত ধনেশ্বৰে বোম্বেত পেণ্ট পিন্ধি, টাই মাৰি, জুতা পিন্ধি ফিটফাট চাহাব হ'ল। ধনেশ্বৰে কমলক কলে "পিচে মই ফোটটো এৰিব নোৱাৰোঁ দেই। ফোট এৰিব লাগিলে, ধৰ্ম এৰিব লাগিলে মই আমেৰিকালৈকে নাযাওঁ। ধৰ্ম এৰি বিদ্যা শিক্ষা কৰাৰ কি প্ৰয়োজন?"

ধনেশ্বৰৰ কথাত কমলে কলে "ফোট এৰিলেই জানো ধৰ্ম এৰা

হয়? ধর্ম আচাৰ-ব্যৱহাৰ, চুৱা-অচুৱা খোৱা-বোৱা আৰু কোট মৰাতে আৰম্ভ নেকি?"

ধনেশ্বৰে পিতৃ পিতামহৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম এৰি, চুৱা-অচুৱাৰ বাচবিচাৰ নকৰাকৈ, কেনেকৈ ধৰ্মৰক্ষা হব পাৰে নুবুজাত কমলেও একো জোৰ নকৰিলে। এতিয়া কোট, পেণ্ট, জুতা আদি পিন্ধি যে ধনেশ্বৰ চাহাবৰ দৰে দেখাত হৈছে সেইখিনিয়ে যথেষ্ট। তথাপি চুৱা-অচুৱাৰ বিচাৰ কৰি ধনেশ্বৰে জাহাজত খোৱা-বোৱা কেনেকৈ কৰিব বুলি কমলে সুধিলে। ধনেশ্বৰে তেতিয়া কমলক লগত নিয়া মাহবুট আৰু কোমল চাউলৰ টোপোলাটো দেখুৱাই দিলে। জাহাজত থকা দিনকেইটা ধনেশ্বৰে লগত নিয়া মাহ-বুট আৰু কোমল চাউল খাব। যদি জাহাজত গৰুৰ গাখীৰ, ফলমূল পাই তেনেহলে তো কথাই নাই, নাপালেও কোমল চাউল আৰু মাহ-বুটেৰে ধনেশ্বৰৰ চলি যাব। ধনেশ্বৰৰ এই কথাত কমলে আৰু বিশেষ একো নকলে।

নিৰ্দিষ্ট দিনত দুয়ো জাহাজত উঠিল। প্ৰথমৰ দিনটো দুয়োৰো ভালেৰেই গ'ল। সাগৰৰ অসীম নীলা জলৰাশি দেখি দুয়ো আনন্দ পালে। ধনেশ্বৰ জাহাজৰ বিধৰ্মী খাদ্য নাখালে। মাহ বুট আৰু কোমল চাউল তিয়াই খালে। তাৰ পিচৰ দিনাৰে পৰা দুয়োৰো সামুদ্ৰিক অসুস্থতা হোৱাত দুয়ো বমি কৰি কৰি নিজৰ শুৱা কোঠাতে শুই কটালে। তিনিদিনৰ দিনা দুয়ো গা ভাল পালে। কমলে ধনেশ্বৰক ভালদৰে খাই বৈ গা টনকিয়াব কলে। ধনেশ্বৰে অন্য জাতৰ মানুহে বন্ধাবঢ়া বস্তু কেনেকৈ খাব প্ৰশ্ন কৰাত কমলে কলে, "সৰ্বনাশে সমুৎপন্নে অৰ্দ্ধংত্যজতি পণ্ডিতঃ।" এতিয়া জাত যোৱা আৰু প্ৰাণ যোৱাৰ দৰে দুটা সৰ্বনাশৰ যেতিয়া একেলগে উপস্থিত হৈছে, এনে ক্ষেত্ৰৰ সৰু সৰ্বনাশটো হব দি ডাঙৰ সৰ্বনাশটোৰ পৰা নিজকে ৰক্ষা কৰাই জ্ঞানীলোকৰ কৰ্তব্য; অৰ্থাৎ জাত যোৱা আৰু প্ৰাণ যোৱা এই দুই সৰ্বনাশৰ ভিতৰৰ সৰু সৰ্বনাশ জাত যোৱাটো হব দি প্ৰাণ যোৱাৰ নিচিনা ডাঙৰ সৰ্বনাশৰ পৰা নিজকে ৰক্ষা কৰা

তোম কৰ্তব্য। প্ৰাণ থাকিলে জাত আকৌ ঘূৰাই পোৱাৰ সম্ভাৱনা থাকে ; কিন্তু প্ৰাণ এবাৰ গলে আকৌ প্ৰাণ ঘূৰাই পাব নোৱাৰি।"

ধনেশ্বৰে কমলৰ কথা মানিব নোখোজাত কমলে আকৌ কলে, "যদি এইটো মানিব নোখোজ, তেনেহলে আৰু এটা কাম কৰিব পাৰ। জাত আৰু প্ৰাণৰ দুয়োৰো আধাআধি ত্যাগ কৰি দুয়োকো কোনোমতে ৰক্ষা কৰিব পাৰ।"

ধনেশ্বৰে কেনেকৈ এইটো সম্ভৱ সোধাত কলে, "জাহাজত বেলেগ জাতৰ মানুহে ৰন্ধা যিহকে-তিহকে নাখাই, কেৱলমাত্ৰ নিৰামিষকে খালে জাতো কিছু ৰক্ষা পৰে আৰু প্ৰাণো কিছু ৰক্ষা পৰে।"

জাহাজত মাদ্ৰাজ, মহীশূৰৰ ছাত্ৰও অনেক উঠিছিল। কমল আৰু ধনেশ্বৰৰ কথাত মাদ্ৰাজৰ ৰাও-এ কলে "আমি ঘৰত মাছ মাংস, কণি একো নাখাওঁ। পাকঘৰত সেইবোৰ বস্তুৰ প্ৰৱেশ মানা ; কিন্তু বিদেশলৈ ওলাইছো যেতিয়া একেবাৰে নিৰামিষ খাইয়ে বা কেনেকৈ কটাওঁ ? সেইবাবে কণি খাব লৈছোঁ। কণিও নিৰামিষ নহয় জানো ?"

কমলেও ৰাওৰ কথাত 'হয়' বোলাত অৱশেষত ধনেশ্বৰে কমলৰ লগত খোৱা ঘৰলৈ গৈ বেজাতৰ মানুহে ৰন্ধা সামিষ খাদ্য মাছ, মাংস নাখাই কেৱল কণি, ৰুটি, গাখীৰ, তৰকাৰী, ফলমূল আদিকে খালে। এইদৰে ধনেশ্বৰৰ ক্ৰমে ক্ৰমে উন্নতি হব ধৰিলে।

অৱশেষত জাহাজ ইংলণ্ড পালে। ইংলণ্ডত এদিন থাকি দুয়ো আন এখন জাহাজত উঠি নিউইয়ৰ্ক পালেগৈ। কমলে বাটত চুয়েজ আৰু লণ্ডনৰ পৰা ঘৰৰ পিতাক আৰু ঘৈণীয়েকলৈ চিঠি দিলে। ধনেশ্বৰে পিতাকলৈ খোৱা-বোৱাত নীতি-নিয়ম মানি জাত ঠিক ৰাখি যোৱা বুলি চিঠি দিলে। ধনেশ্বৰে পিতাকলৈ ইয়াকো লিখিলে যে ধনেশ্বৰে সদায় ত্ৰি সন্ধ্যা কৰিছে আৰু কপালত ফোট মাৰিছে।

ছয়

নিউইয়র্কত ছুয়ো বন্ধু গৈ আন্তর্জাতিক গৃহাবাস বা ইণ্টাৰ নেচনেল হাউচত উঠিল। তাত বহুত ভাৰতীয় ল'ৰাক লগ পালে। ধনেশ্বৰৰ কপালৰ ফোট দেখি আন ভাৰতীয় ল'ৰাবোৰে আৰালে আৰালে হাঁহিলে, কোনো কোনেও 'পণ্ডিতজী' বুলি ঠাট্টা তামছাও কৰিলে। কমলৰ মুখত ধনেশ্বৰৰ সকলো কাহিনী শুনি সকলোৱে আৰালে আৰালে কলে, "ছুদিন যাওক; তাৰপিচত কি হয় দেখা যাব।"

নিউইয়র্ক পোৱাৰ পিছদিনা আন ভাৰতীয় ল'ৰাৰ লগত কমল আৰু ধনেশ্বৰ নিউইয়র্ক চাব ওলাল। নিউইয়র্কৰ আকাশলঙ্ঘা প্ৰাসাদ, মটৰ, বাচ, অগণন মানুহ দেখিতো কমল আৰু ধনেশ্বৰ ছুয়ো অবাক। ধনেশ্বৰৰ ভয়ত পেপুৱাও লাগিছে। কমলক কাবৌ কৰি কৈছে "কমল, মোক ইয়াত এৰি নাযাবি। তই মোক এৰি গলে মই মটৰৰ চেপা খাইয়ে মৰিম।" ফুৰিবলৈ ওলাওঁতেও তিৰোতাই গিৰীয়েকৰ হাতত ধৰি খোজকঢ়াৰ দৰে, ধনেশ্বৰে কমলৰ হাতত ধৰিহে খোজ কাঢ়িলে। আনবোৰ ভাৰতীয় ল'ৰাই ধনেশ্বৰক ভয় কৰিব মানা কৰিলে আৰু অলপ ছতফতাই খোজ কাঢ়িব কলে। ইমান লেহেমকৈ খোজ কাঢ়িলেহে মটৰে খুন্দা মৰাৰ ভয় বুলি কলে। অৱশেষত সকলোবোৰ ল'ৰা এটা গাতত সোমালে। গাতৰ ভিতৰৰ আজৱ কাণ্ড কাৰখানা দেখি কমল আৰু ধনেশ্বৰ ছুয়োবো বিস্ময়ৰ উপৰি বিস্ময় হ'ল। গাতৰ ভিতৰতো দেখোন এখন ৰাজ্য। অসংখ্য দোকান পোহাৰ, অগণন মানুহ দুনুহ, হাজাৰ হাজাৰ নানা ৰঙৰ বিজুলী বাতি গাতৰ ভিতৰত দেখি কমল আৰু ধনেশ্বৰৰ মানত সেইয়া সাধু কথাৰ পাতালপুৰীৰ ৰাজকুঁৱৰীৰ ৰাজ্য যেন লাগিল।

আনবোৰ ভাৰতীয় ল'ৰাই কমল আৰু ধনেশ্বৰক কলে, "আমি এতিয়া মাটিৰ তলেৰে চলা ৰেলগাৰীত উঠিম। এই ৰেলগাৰী ষ্টেচনত মাথোন এমিনিট কালহে থামে। গতিকে এমিনিটতে গাৰীত উঠিব নোৱাৰিলে, উঠিবই নোৱাৰিবা। মাটিৰ তলৰ ৰেলগাৰীৰে গৈ আমি এতিয়া নিউইয়র্কৰ আটাইতকৈ চৌখিন, আৰু জাকজমকীয়া দোকান পোহাৰেৰে ভৰা টাইমচ্ স্কোৱাৰ পাম।"

ৰেলগাৰীৰ প্লেটফৰ্মত যাবলৈ দুৱাৰ মুখত প্ৰত্যেকে একোটাকৈ আমেৰিকাৰ মুদ্ৰা 'দাইম' সোমাই দিব লাগে। তেতিয়া দুৱাৰ আপোনাআপুনি মুকলি হয় আৰু মানুহজন সোমাই যোৱাৰ পিছতে আকৌ দুৱাৰ আপোনাআপুনি বন্ধ হয়। এনে দুৱাৰ মুখেৰে গতিকে এজন এজনকৈহে মানুহ সোমাব পাৰি। ভাৰতীয় ল'ৰাবোৰে দুৱাৰ মুখত 'দাইম' একোটাকৈ সোমাই দি প্লেটফৰ্মৰ ভিতৰলৈ গ'ল। এজন এজনকৈহে এনে দুৱাৰ মুখেৰে যাব পাৰি দেখি, ধনেশ্বৰে বাধ্য হৈ কমলৰ হাত এৰি দিব লগা হ'ল। প্লেটফৰ্মত সকলোবোৰ থিয় দিওঁতে ৰেলগাৰী সোঁ সোঁ কৈ বিস্মাশবদে আহি প্লেটফৰ্মত থিয় দিলে। অসংখ্য মানুহ ৰেলগাৰীৰ পৰা হুতফতাই নামিল আৰু অসংখ্য মানুহ হুতফতাই ৰেলগাৰীত উঠিলগৈ। আন ভাৰতীয় ল'ৰাবোৰৰ সৈতে কমলো ৰেলগাৰীত উঠিল। ধনেশ্বৰো উঠিব ধৰিছে; এনেতে গাৰীৰ দুৱাৰ খপকৈ বন্ধ হ'ল আৰু গাৰী সোঁ সোঁ কৈ চলিব ধৰিলে। ধনেশ্বৰেও সেই মুহূৰ্ততে "মৰিলোঁঔ, মৰিলোঁঔ" বুলি চিঞৰিব ধৰিলে। সকলোৱে ঘূৰি চাই দেখে যে ধনেশ্বৰৰ এখন ভৰি বাহিৰত ওলমি আছে। কি সৰ্বনাশ! ধনেশ্বৰৰ বাহিৰত ওলমি থকা ভৰিখন কৰবাত লাগি এতিয়াই কাটি ছুচিঙা হব! সকলোবোৰ ভাৰতীয় ল'ৰাই ধনেশ্বৰক টানি টানি কোনোমতে বাহিৰত ওলমি থকা ভৰি খন ভিতৰত সোমালে। গাৰীৰ আন সকলো আৰোহীয়ে ভাৰতীয় ল'ৰাৰ এনে অদ্ভুত কাণ্ড কাৰখানা বিস্ময় হৈ চাই থাকিল। তেওঁলোকে কি ভাবিলে কোৱা টান; কিন্তু এই আকস্মিক অভাবনীয় দুৰ্ঘটনাত

ধনেশ্বৰে হলে বাৰুকৈ ভয় খালে। গাৰীৰ ভিতৰ পাই ধনেশ্বৰে মনে মনে মধুসূদনৰ নাম লবলৈ ধৰিলে। অৱশেষত গাৰী আহি টাইমচ্ স্কোৱাৰ পালে। সকলবোৰ ভাৰতীয় ল'ৰা টাইমচ্ স্কোৱাৰতে নামিল। গাৰীৰ পৰা নামোতে কমলে ধনেশ্বৰক হাতত ধৰিয়ে নমালে।

টাইমচ্ স্কোৱাৰত ঘূৰি মিলি দোকান পোহাৰ চাই সকলোৱে এখন ৰেষ্টুৰঁাত খাবলৈ সোমাল। আনবোৰ ভাৰতীয় ল'ৰাৰ কোনো-বাই পৰ্ক চপ্, কোনোবাই বিফষ্টেক, কোনোবাই হেমবাৰ্গাৰৰ অৰ্দাৰ দিলে। কমলে ভজা মুৰ্গি আৰু আলুভজাকে ললে। খানাৰ প্ৰধান বিধ বস্তু খোৱাৰ আগতে পশ্চিমৰ প্ৰথা অনুসৰি সকলোৱে 'চুপ' খাব ললে। সকলোৱে 'চিকেন চুপ' আৰু 'মুতুল' ললে। ধনেশ্বৰে নিৰামিষ খাই আহিছে। ধনেশ্বৰে সেইবাবে "ভিজিটেবল্ চুপ" আৰু "চিজ অমলেট"ৰ অৰ্দাৰ দিলে। খোৱাবোৱা শেষ হোৱাৰ পিচত ধনেশ্বৰক ভাৰতীয় আনবোৰ ল'ৰাই "ভিজিটেবল্ চুপ" কেনে পালে সুধিলে। ধনেশ্বৰে ভালপোৱা বুলি কলে; কিন্তু "ভিজিটেবল্ চুপত" অকণ অকণ মাংসৰ টুকুৰাৰ দৰে সেইবোৰ কি সোৱাদ 'ভিজিটেবল্' আছিল ধনেশ্বৰে হলে ধৰিব নোৱাৰিলে। ধনেশ্বৰৰ এই কথাত আনবোৰ ভাৰতীয় ল'ৰাই হাঁহিবলৈ ধৰিলে। তেতিয়া ৰাওৱে কলে, "সেইবোৰ শাক-পাচলি নহয়; সেইবোৰ আচল মাংসই আৰু একেবাৰে নিষিদ্ধ গো মাংস।"

ৰাওৰ কথাত ধনেশ্বৰে একেবাৰে প্ৰমাদ গণিলে। এই ম্লেচ্ছৰ দেশলৈ পঢ়িবলৈ আহি আজি প্ৰাণেই যাবলৈ ধৰিছিল; প্ৰাণ ৰক্ষা পৰিলতো আজি জাতেই গ'ল। ধনেশ্বৰৰ অৱস্থা দেখি ৰেড্ডি বোলা আন এজন মাদ্ৰাজী ল'ৰাই কলে, "নাজানি খোৱাত একো দোষ নাই। জাত ঠিকেই আছে।" বেনাৰ্জি নামৰ ল'ৰা এজনে কলে, "প্ৰবাসে নিয়মো নাস্তি।" এই বিদেশত জাত বিচাৰ কৰি চলা অসম্ভৱ। গতিকে ঈশ্বৰে যি মিলায়, তাকে খাই প্ৰাণ ৰক্ষা কৰিব লাগে। প্ৰাণৰক্ষা কৰাই জানো ধৰ্মৰক্ষা কৰাও নহয়? যাহিকত

জাত জাত কবি, কপালত ফোট লৈ, গাত নামাবলী লৈ থাকিলেই জানো ধৰ্মৰক্ষা কৰা হয়? গতিকে দাদা আজিৰ পৰা আপুনি কপালৰ ফোট এৰক আৰু ঈশ্বৰে যি মিলায় তাকে খাওক।" বেনাৰ্জিৰ কথাত ধনেশ্বৰে একো নামাতিলে; কিন্তু পিচদিনাৰ পৰাই কপালত ফোট মাৰা এৰিলে।

নিউইয়ৰ্কত চাৰিদিন থাকি অৱশেষত কমলে ধনেশ্বৰক এৰি পিটচবাৰ্গলৈ যাত্ৰা কৰিলে। কমলে আনবোৰ ভাৰতীয় ল'ৰাক ধনেশ্বৰক চাবলৈ কলে। আনবোৰ ভাৰতীয় ল'ৰাই কমলক চিন্তা কৰিবলৈ মানা কৰিলে। কেইমাহমানৰ পিচত যে ধনেশ্বৰে সকলোকে চেৰ পেলাব তাকো কমলক সকলোৱে কলে।

সাত

পিটচবাৰ্গ চহৰৰ বিশ্ববিদ্যালয়ত কমলে তীখা উৎপাদন বিষয়ে শিকিবলৈ ভৰ্তি হ'ল। আমেৰিকাৰ শিক্ষাৰ পদ্ধতি ভাৰতৰ শিক্ষাৰ পদ্ধতিতকৈ একেবাৰে বেলেগ। প্ৰথমতে আমেৰিকাৰ বিশ্ববিদ্যালয়ৰ ক্ৰেডিট্, অনাৰ্চ পইণ্ট,গ্ৰেদ আদি দুবুজি কমল বৰ বিমোৰত পৰিছিল। ইপিনে প্ৰফেচাৰে এদিনতে এখন কিতাপ শেষ কৰি পঢ়ায়। আমেৰিকাত কোনো কিতাপ আমাৰ দেশৰ দৰে আৰম্ভণিৰে পৰা শেহলৈকে নপঢ়ায়। ছাত্ৰই ঘৰতে বেচি ভাগ পঢ়িব লাগে। প্ৰফেচাৰে বিশেষ বিশেষ কথাত জোৰ দি আৰু কোন বিষয় কোন কিতাপ বা জাৰ্নালত পাব পাৰি তাৰ ইঙ্গিত দিয়েই ক্ষান্ত থাকে। আকৌ আনপিনে ঘৰতো ছাত্ৰক বহুত কাম কৰিবলৈ দিয়ে। সপ্তাহে সপ্তাহে একোটা পৰীক্ষাও হয়। ঘৰৰ কামৰ নম্বৰ, সাপ্তাহিক বা পৰেকীয়া পৰীক্ষাৰ নম্বৰ আদিও 'গ্ৰেদ' দিয়াত, ছাত্ৰৰ পাছ ফেইল নিৰূপণ কৰাত ধৰে। প্ৰথমতে একেই নতুন বিষয়, তাতে আকৌ শিক্ষাৰো নতুন পদ্ধতি দেখি কমল একেবাৰে হতাশ হৈছিল আৰু

ভাৰতবৰ্ষত সোণৰ মেদেল আদি লভি, বিশ্ববিদ্যালয়ৰ পৰীক্ষাত প্ৰথম হোৱা বাবে তাৰ যি নাম আছিল সেই নামৰ অপযশ হয় বুলি কমলে বৰ ভয় খাইছিল। বিদেশলৈ আহি পৰীক্ষাত ফেইল কৰি দেশলৈ উভটিব লাগিলে কমলক দেশৰ মানুহেই বা কি ভাবিব, ঘৰৰ মাক পিতাক আৰু নিজৰ তিৰোতাই বা কি ভাবিব? কমলে সেইবাবে সকলো কথা বাদ দি, বিদেশৰ ৰং ধেমালী, আনন্দ সকলো বৰ্জন কৰি পঢ়াত লাগিল আৰু অত্যধিক পৰিশ্ৰম কৰি আমেৰিকাৰ শিক্ষা পদ্ধতি বুজিলৈ অৱশেহত কমল নতুন বিষয়ৰ পঢ়াতো আন আমেৰিকান ল'ৰাবোৰৰ সমকক্ষ হ'ল। এবছৰমান পিচত কমলে আমেৰিকাৰ আৰু আন দেশৰো ল'ৰা-ছোৱালীসকলোকে পিচ পেলাই পৰীক্ষাত প্ৰথম হ'ল আৰু ভাৰতবৰ্ষৰ নজনা মুগুনা ঠাইৰ ল'ৰাও যে উৰ্বৰ মস্তিষ্কৰ হব পাৰে প্ৰমাণ কৰিলে। কমলৰ পঢ়াশুনাৰ একাগ্ৰতাত আৰু সুফলত কমলৰ প্ৰফেচাৰসকল বৰ সন্তুষ্ট হ'ল আৰু কমলক ডক্টৰেট ডিগ্ৰীৰ বাবে গবেষণা কৰিবলৈ ছাত্ৰ হিচাপে ললে।

কমলে এইদৰে পঢ়াশুনা আৰু গৱেষণাত ব্যস্ত থাকোতে হঠাতে ধনেশ্বৰৰ পৰা এদিন এখন চিঠি পালে। ধনেশ্বৰে কমললৈ লিখিছে "তই শুনি হয়তো আচৰিত হবি; কিন্তু আচৰিত হোৱাৰ কাৰণ নাই। মই বাৰবাৰা নামৰ আমেৰিকান ছোৱালী এজনী বিয়া কৰালো। বাৰবাৰাৰ লগত মোৰ প্ৰথম পৰিচয় হয় নিউইয়ৰ্কৰ খোৱাৰ ৰেষ্টুৰাঁ এটাত। বাৰবাৰা সেই ৰেষ্টুৰাঁৰ পৰিচাৰিকা আছিল। বাৰবাৰাক দেখি মই মুগ্ধ হওঁ আৰু সদায় সেই ৰেষ্টুৰাঁলৈ খাবলৈ যোৱা কৰিলো। প্ৰথমতে খোৱাৰ টেবুলত আধা ডলাৰ কেতিয়াবা একডলাৰ বকচিচ দিবলৈ ধৰিলো। এইদৰে বকচিচ দিবলৈ ধৰাত বাৰবাৰাই মোক ভালদৰে শোধপোছ কৰা হ'ল আৰু ঠাট্টা ভামছাও কৰা হ'ল। অৱশেষত এদিন বুকুত সাহ বান্ধি বাৰবাৰাক মোৰ লগত অন্য এটা ৰেষ্টুৰাঁত খাবলৈ আৰু খোৱাৰ পিচত 'ৰেডিও চিটিত' চিনেমা চাবলৈ নিমন্ত্ৰণ কৰিলো। বাবাবাবাইও নিমন্ত্ৰণ গ্ৰহণ কৰিলে। ৰেচেৰীৰ

ঘৰত কোনো নাই। তাই সৰু থাকোতে মাকে তাইৰ দেউতাকৰ লগত বিয়া ভাঙি আন কাৰোবাক বিয়া কৰায়। সেই বিয়াও কেইবছৰমান পিচত ভাঙি মাকে আন এজনক বিয়া কৰায়। এইদৰে মাকে কেইবাবাৰো বিয়া ভাঙি আৰু বিয়া কৰাই হেনো আছে আৰু এতিয়া ক'ত আছে বাৰবাৰাইও নাজানে।

বাৰবাৰা সৰুতে দেউতাকৰ লগত আছিল। দেউতাকে এটা কাৰখানাত কাম কৰিছিল। পিচে দেউতাকে মাকৰ দৰেই কেই-বছৰমান পিচত আন এজনী তিৰোতা বিয়া কৰায়। বাৰবাৰাই তাৰ পিচত দেউতাকক এৰি আন কিছুমান ছোৱালীৰ লগত নিউইয়ৰ্কতে মেচ কৰি থাকিবলৈ লয় আৰু ৰেষ্টুৰেঁাত আলধৰোতাৰ কাম কৰি নিজৰ খোৱাৰ আৰু পঢ়াশুনাৰ খৰচ উলিয়ায়।

এইদৰে বাৰবাৰাৰ লগত মোৰ বন্ধুত্ব ক্ৰমে বাঢ়ি গ'ল। মই ভাৰতবৰ্ষৰ এজন সৰু ৰজাৰ ল'ৰা বুলি কৈছিলো আৰু বাৰবাৰাইও মোক বিশ্বাস কৰিছিল। আচলতে মই মিছাও কোৱা নাই। মোৰ দেউতা সত্ৰাধিকাৰ হিচাপে বহু মানুহৰ ওপৰতে ৰজাৰ দৰেই প্ৰভাৱ বিস্তাৰ কৰে আৰু সৰু ৰজা বা জমিদাৰৰ দৰে দেউতাৰ মাটিবাৰীও আছে। যিয়েই নহক, বাৰবাৰাৰ লগত মোৰ বন্ধুত্ব শেহত প্ৰণয় হয় গৈ আৰু এতিয়া আমি দুয়ো স্বামী স্ত্ৰী।

মোৰ ইয়াত পঢ়াও শেষ হৈছে। ভাবিচিন্তি কোনো ডিগ্ৰী নললো। কেৱল প্ৰেকটিকেল ট্ৰেনিঙকে ললো। কেইবাখনো সুন্দৰ চাৰ্টিফিকেট যোগাৰ কৰিছোঁ। এমাহ পিচতে বাৰবাৰা আৰু মই দেশলৈ উভটিম। তই মোৰ বিশেষ বন্ধু বুলি এইখিনি কথা জনালো। মোক এতিয়া আগৰ ধনেশ্বৰ বুলি তই নাভাবিবি। মোৰ গাত এতিয়া ফুলাম হাৱাইয়ান চাৰ্ট। খোৱা-বোৱাতো এতিয়া বাচ-বিচাৰ নকৰো। বাওৰ কথাতে বাচ-বিচাৰ নকৰাকৈ এতিয়া পৰ্ক, বিফ, বিয়াৰ, চেৰি, চেম্পেন আদি সকলো খোৱা-পিয়া কৰোঁ, কাৰণ ঠাণ্ডাৰ দেশত এইবোৰ নাখালে স্বাস্থ্য ভালে ৰাখা টান। তাতে ৰাওৱে কলে যে পাকঘৰেই যেতিয়া বেলেগ নাই, একেটা

চকতে যেতিয়া পৰ্ক, বিফ, শাকপাচলি সকলো বন্ধাবঢ়া কৰে, এনেস্থলত খোৱাত বাচ-বিচাৰ কৰি কি লাভ। বিদেশত জাত খেদালোৱেই যেতিয়া তাক ভালদৰে খেদোৱাই ভাল। বাওৰ মতে আধাআধি কৰা হেনো উচিত নহয়, সেইটো হেনো সম্পূৰ্ণ নিৰৰ্থক। কথাটো প্ৰকৃততে সঁচাও—নহয় জানো? বাও নিজে মাদ্ৰাজী ব্ৰাহ্মণ। দেশ পালে হেনো এইসকলো বিধৰ্মী খাদ্য এৰি আকৌ আগৰ দৰে বিশুদ্ধ নিৰামিষ খোৱা হব। বাওৰ কথাতে খোৱা-বোৱাৰ বাচ-বিচাৰ এৰো। এতিয়া বাৰবাৰাক বিয়া কৰোৱাৰ পিচতো সেই সম্পৰ্কে কোনো প্ৰশ্নই উঠিব নোৱাৰে। ঘৰত মা পিতাই এইবোৰ শুনি নিশ্চয় দুখ পাব; কিন্তু বুঢ়াবুঢ়ী আৰু কিমানদিন থাকিব? তেওঁলোকৰ দিনটো উকলিছে। এতিয়া দেশ গঢ়াভঙা আমাৰ ডেকাসকলৰ হাতত। গতিকে বুঢ়া-বুঢ়ীৰ মান্ধাতাৰ যুগৰ কথা-বতৰাতে বা বুঢ়া-বুঢ়ীয়ে দুখ পাব বুলি ভাবি আমি নবীন সকলে জানো জাত-অজাতৰ বিচাৰ নোহোৱা শ্ৰেণীহীন বিৰাট এক মানৱজাতি গঢ়ি তোলা সপোন এৰা উচিত হব? শেহত মোৰ নামো এতিয়া ধনেশ্বৰ নাই। বাৰবাৰাই মোক 'ধান্' বুলি মাতে আৰু মইও নিজকে আনৰ আগত 'ধান' বুলি পৰিচয় দিওঁ।"

ধনেশ্বৰৰ দীঘল চিঠি পাই কমল একেবাৰে অবাক হ'ল। জুতা নিপিন্ধা, আঠুৰ ওপৰত চুৰিয়া পিন্ধা, মূৰত দীঘল চুলি ৰখা, কপালত দীঘল ফোট লোৱা গোসাইৰ ল'ৰা ধনেশ্বৰো যে এনে হব পাৰে সি কল্পনাকে কৰিব পৰা নাছিল। যিয়েই নহক, ধনেশ্বৰৰ কথা ভাবিবলৈ কমলৰ সময় নাই। কমলৰ অন্তৰতো দেশ গঢ়াৰ ৰঙীন সপোন আছে। শিক্ষা-দীক্ষা, শিল্প-বাণিজ্য-সকলোতে পিচপৰা, দুখীয়া, তাৰ দেশখন। শিল্পে-বাণিজ্য, ধনে-ধানে আমেৰিকাৰ দৰেই তাৰ দেশখন সমৃদ্ধিশালী কৰা সপোন কমলৰ আছে। কমলৰ প্ৰদেশৰ চৰকাৰৰো তেনে পৰিকল্পনা আছে আৰু সেইবাবেই ইংলণ্ড, আমেৰিকা আদি দেশলৈ কমল, ধনেশ্বৰ আৰু অনেক ল'ৰা-ছোৱালীক জ্ঞান আৰ্জিবলৈ, বিশেষ বিশেষ বিষয়ৰ

শিক্ষা লভিবলৈ পঠাইছে। লোৰ বিৰাট কাৰখানা তাৰ দেশত তৈয়াৰ কৰিব লাগিব। কমল নিজে সেই কাৰখানাৰ হব ডাঙৰ ইঞ্জিনিয়াৰ। শ-ই শ-ই মানুহে কমলৰ তলত সেই কাৰখানাত কাম কৰিব। দেশবিদেশলৈ সেই কাৰখানাত তৈয়াৰী তাঁৰ, লোৰদণ্ড, লোৰপাত, ঘৰবন্ধা টিন আদিৰ চালান হব। অকল এইবোৰ বস্তুই কিয়, আৰু অনেক বস্তুই সেই কাৰখানাত প্ৰস্তুত হব। লোৰ তাৰ, ৰেলগাড়ীৰ চকা আদি কত বস্তুৰ ডাঙৰ কাৰখানাই পিচত তৈয়াৰ নহব ?

মাজে মাজে কমলে নিজৰ প্ৰিয়তমাক লৈও কল্পনা কৰে। পঢ়ি থাকোতে বা গবেষণাগাৰত পৰীক্ষা কৰি থাকোতেও কমলৰ বুকুত ঘৈণীয়েকৰ লাজুকী কোমল মুখখনি ভাহি উঠে। কমল উত্ৰাৱল হয়। বিৰহ যন্ত্ৰণাত কাতৰ হয়। কেতিয়াবা বিছনাত শুই শুই ভাবে কেনেকৈ ডাঙৰ ধুনীয়া পকীঘৰ এটাত কমলে ঘৈণীয়েক আৰু ছোৱালীজনীক লৈ থাকিব। ঘৰৰ চাৰিওপিনে ধুনীয়া ফুলৰ বাগিচাৰ কথা ভাবে। বাগিচাৰ মাজত ঘৈণীয়েকক কাষত লৈ বহি কমলে দেশ-বিদেশৰ গল্প ঘৈণীয়েকক কব, দেশ গঢ়ি তোলাৰ সপোনৰ কথা কব। পূৰ্ণিমা নিশা যেতিয়া পুব পিনে টলবলকৈ জোনটো উঠি আহি গোটেই পৃথিবীকে জোনৰ পোহৰেৰে উজলাই পেলাব, যেতিয়া সেই নিৰ্মল শীতল পোহৰত বাগিচাৰ দালিয়া, জিনিয়া, ডেইচি আৰু গোলাপ ফুলবোৰ হাঁহি উঠিব, যেতিয়া সেই জোনৰ পোহৰৰ মধুৰ কিৰণ আহি গোলাপ ফুলতকৈও ধুনীয়া কমলৰ প্ৰিয়তমাৰ গালত পৰিব আৰু জোনৰ সেই স্নিগ্ধ পোহৰত কমলৰ প্ৰিয়তমাৰ মুখখনি ফুলৰ দৰেই জিলিকি উঠিব, তেতিয়া কমলৰ কেনে যে ভাল নালাগিব। সেই ভবিষ্যতৰ ৰঙীন মধুৰ কল্পনাবোৰ পিটচবাৰ্গ চহৰত কমলে কৰি সুৰা পি নিচা লগা মানুহৰ দৰেই পঢ়াশুনা সোনকালে শেষ কৰিবলৈ দ্বিগুণ পৰিশ্ৰমৰে লাগে।

কোনো দিন আকৌ কল্পনা কৰে সোণালী ধাননিৰ মাজে

মাজে যোৱা আমেৰিকাৰ ৰাজআলিৰ দৰে তাৰ দেশৰ ধুনীয়া বহল ৰাজআলিটোৰ। ধাননিৰ মাজেৰে, গছ-গছনীৰ মাজেৰে, পৰ্বত পাহাৰৰ ওপৰেৰে তাৰ দেশৰ ৰাজআলি প্ৰকাণ্ড অজগৰ সাপটোৰ দৰে গৈছে অকাঁই পকাঁই। ডাঙৰ 'কেডিলাক' মটৰগাৰী এখনত উঠি সেই ৰাজআলিৰে কমলে মটৰ চলাই গৈছে। কাষত ঘৈণীয়েক বহি গৈছে। মটৰ ঘণ্টাত ৬০।৭০ মাইল বেগত গৈছে। ৰাজ-আলিৰ দুয়োকাষৰ পকা ধাননি দেখি, দুয়োকাষৰ হালধীয়া সৰিয়হ ফুলবোৰ দেখি, গছ-গছনি দেখি, চৰাই-চিৰিকতিৰ গীত শুনি, গৰখীয়াৰ বাহীৰ সুৰ শুনি, আলিৰ দাঁতিত জঙ্ঘলত হৰিণ-হৰিণীয়ে ঘাঁহ খাই থকা আৰু কমলৰ মটৰৰ গোঁ গোঁ শব্দত চক্‌খাই হৰিণ-হৰিণী বনৰ মাজলৈ পলাই যোৱা দৃশ্য দেখি, কমলে মটৰ চলাই গৈছে আৰু ঘৈণীয়েকে পৰম তৃপ্তিত, পৰম শান্তিত কমলৰ বুকুতে আউজি গৈ আছে। এইদৰে কমলেও সুৰাৰ নিচা লগা মানুহৰ দৰে নানা ৰঙীন সপোন দেখি কেতিয়া বিদেশৰ শিক্ষা শেষ হয় তাৰে দিন গণে।

অৱশেহত এদিন এই দিন গণাৰো অন্ত হ'ল। কমলক কমলৰ প্ৰফেচাৰ ডক্টৰ ইভান্সে ডক্টৰেট ডিগ্ৰী লাভ কৰাত অভিনন্দন জনালে। অন্যান্য প্ৰফেচাৰ আৰু সহকৰ্মীও কমলক অভিনন্দন জনালে। কমলে এই সুখবৰ ঘৰলৈ টেলিগ্ৰাম দি জনালে। ডক্টৰ ইভান্সৰ কথাত কমলে আমেৰিকাৰ লোৰ কাৰখানাত আৰু ছয়মাহ থাকি কেঁচা লো আৰু বিভিন্ন প্ৰকাৰৰ তীখা উৎপাদনৰ সকলো কথা হাতে কলমে শিকিলে। কাৰখানাৰ মুখেৰে জুই ওলোৱা, ৰঙা গলিত লোৰ নৈ বোৱা, দৈত্যৰ দৰে ডাঙৰ ডাঙৰ মেচিনবোৰ কমলে চলাব শিকিলে। অসংখ্য জটিল যন্ত্ৰপাতিৰ কলকজাবোৰৰ বিষয়ো জানি ললে। কাৰখানাত কাম কৰা ছয়মাহ কমলে শিকাৰু হলেও মাহে তিনিশ ডলাৰ বা পোন্ধৰ শটকাকৈ বানচো পালে। অৱশেহত সকলো বিদ্যা শিকি কমলে দেশ গঢ়াৰ ৰঙীন সপোন দেখি পুৰা তিনিবছৰ আমেৰিকাত কটাই

কমলে এদিন দেশ বুলি যাত্রা কৰিলে। দেশৰ চৰকাৰলৈ কমলে কি কি শিকিলে ইত্যাদি সকলো কথা আগতে জনাই চিঠি দিলে। আৰু চৰকাৰলৈ কমল কোনদিনা ভাৰতবৰ্ষ পাব তাকো টেলিগ্ৰাম কৰি জনালে।

আঠ

অৱশেহত এদিন উৰাজাহাজৰে কমল বোম্বে পালেহি। কমলৰ লগত অহা আন ল'ৰা-ছোৱালীবোৰক আদৰি নিবলৈ সিহঁতৰ মাক-বাপেক বন্ধু-বান্ধৱবোৰ বোম্বেৰ চান্টাক্রুজ এৰোড্ৰম ভৰি পৰিছে। দুই এজন মানুহৰ হাতত মালাও। কমলে সেই ভিৰৰ মাজতো তাৰো কোনো বন্ধুবান্ধৱ বা চিনাকী মানুহ দেখা পায়নে চালে; ঘৰৰ কাৰোবাক দেখা পোৱাৰ এটা ক্ষীণ আশাও কমলৰ মনত আছিল। তিনিবছৰৰ মূৰত সুখ্যাতি লভি দেশলৈ ফিৰি আহিছে; সি কোন দিনা আৰু কেতিয়া বোম্বে পাব তাকো ঘৰৰ মানুহে জানে। গতিকে ঘৰৰ কোনো-মানুহ তাক আদাৰ নিবলৈ বোম্বেলৈ অহাও আচৰিত নহয়; কিন্তু কমলে ঘৰৰ মানুহ নালাগে, তাৰ কোনো বন্ধুবান্ধৱ বা চিনাকী মানুহকে নেদেখি হতাশ হ'ল।

বোম্বেত এৰাতি থাকিয়ে নানামধুৰ সপোন দেখি দেখি কমলে পিচদিনা "ফ্ৰন্টিয়াৰ" মেইলৰে দিল্লীলৈ যাত্রা কৰিলে আৰু দিল্লীৰ পৰা পুনৰ উৰাজাহাজৰে পৰ্বতমালাৰে বেষ্টিত, গিৰিৰাজ হিমালয়ৰ পাদদেশত থকা তাৰ গুৱনী প্ৰদেশখনলৈ বুলি যাত্রা কৰিলে। তাৰ নিজৰ প্ৰদেশৰ এৰোড্ৰমত কমলে তাৰ বন্ধুবান্ধৱ, আৰু ঘৰৰ কোনো মানুহক দেখা পাব বুলি দৃঢ় আশা পোষণ কৰিছিল। তাৰ লাজুকী ভৈণীয়েককো এৰোড্ৰমত দেখা পোৱাৰ এটা ক্ষীণ আশা কমলৰ মনৰ গোপন কোণত আছিল; কিন্তু এৰোড্ৰমত কাকো নেদেখি কমল হতাশ হ'ল। এৰোড্ৰমলৈ অহা সকলোবোৰ মানুহকে কমলৰ অচিনাকী যেন লাগিল। কমল বিদেশত থকা

তিনিবছৰৰ ভিতৰত দেশখনৰ যেন কিবা পৰিবৰ্তন হৈছে; কিন্তু এই পৰিবৰ্তনৰ কাৰণ কমলে বুজিব নোৱাৰিলে। তিনিবছৰ আগতে কমলে দেখা ল'ৰা-ছোৱালীবোৰ এতিয়া ডেকা গাভৰু হৈছে; এই ডেকা গাভৰু দলৰ মন চঞ্চল, চকুত ৰঙীন সপোন। আনপিনে চৰকাৰেও দেশৰ নানা উন্নয়ন কাম হাতত লৈছে। নতুন পকী ঘৰ তৈয়াৰ হৈছে, ৰাস্তাঘাট হৈছে, স্কুল, কলেজ, লাইব্ৰেৰী হৈছে। মুঠতে দেশৰ নৰ-নাৰী, পশু-পক্ষী, গছ-গছনি, নদ-নদী, পৰ্বত-পাহাৰ সকলোৱে যেন স্বাধীনতাৰ বিশুদ্ধ বতাহ পাই সজীৱ হৈ উঠিছে, চঞ্চল হৈ উঠিছে। স্বাধীনতাৰ জিপ পাই গছ-গছনিত নতুন পাত ধৰিছে, পৰ্বত-পাহাৰে নতুন ৰং লৈছে, নদ-নদীত বান আহিছে, পশু-পক্ষীয়ে নতুন মাত ধৰিছে আৰু দেশৰ অগণন ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী নতুন তেজত উতলা হৈ পৰিছে।

এবোৱাৰমত কোনো চিনাকী মানুহ নেদেখি কমলে ভাবিলে বোধকৰো সি কোনদিনা আহি পাব সেই খবৰ ঘৰত কোনেও পোৱা নাই। সেইবাবেই কোনেও তাক আদৰি নিবলৈ এবোৱাৰমলৈ অহা নাই। কমলে ভাবিলে ঈশ্বৰে যি কৰে ভাল-লৈকেহে কৰে। হঠাতে আজি ৰাতি কমল ঘৰত ওলালে কি মজাই নহব! মাক দেউতাকে কমলক হঠাতে দেখি আচৰিত হব। ভায়েক-হঁতে খবৰ নোপোৱা বাবে কমলক আদৰি আনিবলৈ যাব নোৱাৰা বাবে আপচোচ কৰিব। আৰু তাৰ বৈণীয়েক? হঠাতে কমলক দেখি, হঠাতে দীৰ্ঘ বিৰহৰ অৱসান হোৱাত কি কৰিব, কি নকৰিব ভাবি নোপোৱা হব। কল্পনা কৰিয়ে মানুহ বাচি আছে। কমলেও মধুৰ কল্পনা কৰি, সুৰা পি নিচা লগা মানুহৰ দৰে তাৰ কাষত থকা আনবোৰ মানুহে কি কৰিছে, কি নকৰিছে, কি কৈছে, কি নকৈছে একোকে কব নোৱাৰাকৈ ৰেলত উঠি ৰাতি আহি তাৰ গাৱঁৰ ষ্টেচন পালেহি। এবোৱাৰমৰ পৰা বাচেৰে আহোতে আৰু ৰেলতো কমলক কোনো কোনো মানুহে ক'ৰ পৰা আহিছে, ক'ত যাব ইত্যাদি কথা সুধিছিল। কমলে কিন্তু কাবোবাক কৈছে "এৰা,

ইয়াৰ বাচবোৰ বৰ বেয়া” কাৰোবাক কৈছে “মোৰ এজনী ছোৱালী আছে,” কাৰোবাক কৈছে “আমি আমাৰ দেশ আমেৰিকাৰ দৰে ধনে ধানে ভৰপূৰ কৰি গঢ়ি তুলিব লাগিব।” কমলৰ এনে লাগবান্ধ নোহোৱা উত্তৰত কোনো কোনোৱে কমলক ভাবিলে ক’লা বুলি, কোনো কোনোৱে ভাবিলে কবি বুলি আৰু কোনো কোনোৱে কমলক ক’লা আদি বুলি সকলোৱে শুনাকৈ মন্তব্যও প্ৰকাশ কৰিলে ; কিন্তু কমলে এইবোৰ কথা একো নুশুনিলে।

নয়

গাৱঁৰ ষ্টেচন পাইও কমলে বহুত পৰিবৰ্তন দেখিলে। মানুহৰ সংখ্যা আগতকৈ ঢেৰ বাঢ়িছে। ষ্টেচনত কমলৰ মাত কথা কোৱা মানুহতকৈ আনভাষাৰে কথা কোৱা মানুহৰ সংখ্যাই বেচি যেন কমলৰ মনত লাগিল। আগেয়ে ষ্টেচনৰ পৰা কমলৰ ঘৰলৈ খোজকাঢ়ি যাব লাগিছিল। তিৰোতামানুহ চৈ লগোৱা গৰুৰ গাৰীত চৈৰ দুয়োপিনে বিছনা-চাদৰ বা কম্বলৰ পৰ্দা লগাই, কোনো পৰপুৰুষে নেদেখাকৈ ষ্টেচনলৈ অহা-যোৱা কৰিছিল। এতিয়া ষ্টেচনৰ পৰা অহা-যোৱা কৰিবলৈ ৰিক্সা হৈছে। গৰুৰ গাড়ী, মাল লোৱা ভাৰী এতিয়া অদৃশ্য হৈছে। এটা কুলীয়ে কমলৰ মালপত্ৰ নি ৰিক্সাত তুলিলেগৈ। কমলে কুলীক আঠ অনা বকচিচ দিলে। ঘৰ পাই ৰিক্সাৱালাক দুটকা দিলে। ৰিক্সাৱালাই টকা দুটা পাই কমলক চালাম দি গুচি গ’ল।

কমল ঘৰ পোৱাত কমলৰ সৰু ভায়েক অমলে, “দাদা আহিছে, দাদা আহিছে” বুলি মাক দেউতাক, বৌয়েকহঁতক খবৰ দিলেগৈ। অমল ক্লাছ নাইনত পঢ়ে। কমলৰ দুই ভাই—বিমল আৰু অমল। কমল বিলাতলৈ যাত্ৰা কৰা সময়ত বিমল ক্লাছ টেনত আৰু অমল ক্লাছ ছিক্সত আছিল। অমলে ককায়েকক ৰিক্সাৱালাক কিমান

বকচিচ দিলে সুধিলে। কমলে দুই টকা দিয়া বুলি কলে। কমলৰ কথাত অমলে জাপ মাৰি কলে, "দুই টকা কিয় দিলা? ষ্টেচনৰ পৰা ইয়ালৈ 'ৰেট' আঠ অনাহে মাথোন।"

কমলৰ মন ঘৰ পাই প্ৰফুল্ল। সেইবাবে সি কলে, "বেচেৰা ৰিক্সাৱালাই ইমান পৰিশ্ৰম কৰিছে, নিওক দে দুটকা। আঠ অনাৰে সি কেনেকৈ চলিব? আমেৰিকাত এইখিনি আহোতে কমপক্ষেও টেক্সিৱালাই ১ ডলাৰ বা ৫্ টকা ললেহেঁতেন। তাৰ উপৰি 'টিপো' দিব লাগিলহেঁতেন। ষ্টেচনৰ পৰা মাল নমোৱা কুলীটোৱে যেতিয়া আঠ অনা ললে, ৰিক্সাৱালাই দুটকা কিয় নাপাব?" ককায়েকৰ কথাত অমলে পুনৰ জাপ মাৰি উঠিল। "কুলীক আঠ অনা কিয় দিলা? দুই অনাহে ৰেট। তোমাক নতুন মানুহ পাই সকলোৱে দেখিছো ঠগাইছে। পাচে নিজেও সাৱধান হব লাগে।"

অমল এই তিনিবছৰতে বেচ ডাঙৰ হৈছে। কথাবাৰ্ত্তাও খুব কৰ পাৰা হৈছে। ভায়েকৰ কথাত কমলে কলে, "তই দেখিছোঁ এই তিনবছৰতে একেবাৰে পকা গৃহস্থৰ দৰে হলি। তইও টকা চিনি পোৱা হলি? বাৰু, বল, এতিয়া ভিতৰলৈ।"

কমল ভিতৰলৈ গৈ প্ৰথমতে মাক দেউতাকক সেৱা কৰিলে। মাক দেউতাকে আশীৰ্বাদ কৰিলে। মাক দেউতাকক তাৰপিচত সুধিলে, "মই যে আজি আহি পাম এই খবৰ দিয়া চিঠি নাপালে নে কি?"

দেউতাকে কলে, "চিঠি পাইছিলো, পাচে কোনখন ৰেলত আহিবি সেইটো নজনোৱাত কোনো যাব নোৱাৰিলে।"

কমলে বৈণীয়েক আৰু জীয়েকক ভিতৰত নেদেখি মনৰ ভিতৰত উচপিচাবলৈ ধৰিলে। লাজতে দেউতাকক বৈণীয়েকৰ কথা সুধিবও নোৱাৰে। বৈণীয়েক দেউতাকৰ ঘৰত আছে গৈ নেকি? সেইবাবেই সি কিজানি বৈণীয়েকক দেখা নাই। কমলে বৈণীয়েকক নেদেখি মাকক কোনোমতে লাজ এৰি সুধিলে, "মা বোৱাৰীয়েৰা দেউতাকৰ ঘৰত আছে নেকি?"

মাকে কমলৰ কথাত কলে, "দেউতাকৰ ঘৰত কিয় থাকিব? আমাৰ ইয়াতে আছে। ছয়মাহ আগতে যি এবাৰ দেউতাকৰ ঘৰলৈ গৈছিল ; তাৰ পিচত আৰু যোৱা নাই। এতিয়া বৰ্হা বঢ়া কৰিছে। বাৰু ৰ, মই মাতি দিছোঁ।" এই বুলি মাকে বোৱাৰীয়েকক "হেৰা কমলা" বুলি মাতিলে।

শাহুয়েকে মতা মাত্ৰকেই দুৱাৰ চুকত তিৰোতাৰ হাতৰ খাৰু বা বালাৰ খন্‌কৈ শব্দ উঠিল আৰু কমলৰ পৰিবাৰ কমলা দুৱাৰ চুকৰ পৰা মূৰত ওৰণি লৈ ওলাই আহি শহুৰ, শাহুয়েক আৰু কমলক সেৱা কৰিলেহি। ঘৈণীয়েক যে পাকঘৰত নাছিল, দুৱাৰ চুকৰপৰা কমলক চাই কমলৰ কথাবাৰ্ত্তা শুনি আছিল সেইটো সকলোৱে বুজিলে। কমলে "ছোৱালীজনী ক'ত?" বুলি সোধাত ঘৈণীয়েকে শুৱা বুলি কলে। কমলৰ মাকে তেতিয়া কলে, "তাই দিনটো দেউতা আহিব, দেউতা আহিব বুলি বং কৰি আছিল। ৰাতি হোৱাত ভাত খাবলৈ কলো। তাই দেউতা আহিলে খাম বুলি নাখালে। শেহত অকণমানি ছোৱালী, কিমান সময় আৰু থাকিব? শুই পৰিল।"

কমলৰ দেউতাকে এনেতে কমলৰ মাকক ক'লে "হেৰা বহুত ৰাতি হৈছে। কাইলৈ কথাবাৰ্ত্তা কলেও হব। ইমান দূৰৰপৰা কষ্ট কৰি আহিছে। এতিয়া ভাতপানী দিয়া।" কমলকো দেউতাকে কানি কাপোৰ সলাই হাত মুখ ধুবলৈ ক'লে। কমলক গৰম পানীৰ যা-যোগাৰ দিবলৈ দেউতাকে আদেশ কৰিলে।

কমলে দেউতাকৰ কথাত 'বাৰু' বুলি উঠিল আৰু উঠিয়েই ভায়েক বিমল ক'ত বুলি সুধিলে। দেউতাকে বিমলৰ নাম লোৱাত যেন বিৰক্তি পালে। এনে অনুমান কমলে কৰিলে। দেউতাকে বিৰক্তিৰে উত্তৰ দিলে "মেট্ৰিক তিনিবাৰ দিও পাছ কৰিব নোৱাৰি সি এতিয়া মেল-মিটিঙত লাগিছে। দিনৰাতি কেৱল গাৱেঁ গাৱেঁ ঘূৰি ফুৰে। ৰাতি কেতিয়াবা বাৰ বজাত, কেতিয়াবা এক বজাত ঘৰ ওলায়। মাকে তাৰ ভাত সাজি থয়। সদায় অকলে চেঁচা ভাত খোৱাই তাৰ ভাগ্য।"

দেউতাকে বিৰক্তি প্ৰকাশ কৰা দেখি কমলে দেউতাকক বিমলৰ বিষয় আৰু একো সুসুধিলে। হাত ভৰি ধুই কাল্লি কাপোৰ সলাই কমল দেউতাকৰ লগতে পিৰাত বহি ভাত খাবলৈ বহিল। মুছাকুছা পাকঘৰৰ মজিয়াত কমলৰ ঘৈণীয়েকে শহুৰেক, কমল আৰু অমলৰ বাবে তিনিখন পিৰা পাৰি, পিৰাৰ ওচৰত পানী, খৰিকা আদি সজাই থৈছে। পিৰাৰ আগত তিনিখন কাঁহিত জহাচাউলৰ ভাত ,মন্দিৰৰ দৰে সজাই ৰাখিছে আৰু ভাতৰ কাষত দুই তিনিবিধ ভাজি। কাঁহিৰ ওচৰত শহুৰেক আৰু কমলক তিনিটা বাটিত তিনিবিধ জুলীয়া আঞ্জা—বুটৰদালি, পাৰৰ জোল আৰু মাছৰ জোল দিছে। অমলক বুটৰ দালি খোৱা হলে আনবোৰ আঞ্জা পিচত দিব বুলি বোৱেকে কলে। কমলৰ দেউতাক দুখীয়া হলেও সিদিনা তিনিবছৰৰ মূৰত বিলাতৰপৰা সুখ্যাতিৰে বিদ্যা শিক্ষা শেষ কৰি অহা ডাঙৰ ল'ৰা কমলৰ বাবে ভালদৰেই খোৱাৰ আয়োজন কৰিছিল। বুটৰদালি, পাৰৰ জোল, মাছৰ জোল, মাছ ভজা, কণি ভজা, বেঙেনা ভজা, বৰ ভজাৰ টেঙা আদি আছিল। অমলেই গোটেই দিনটো গাৱঁত ঘূৰি ঘূৰি এইবোৰ বস্তু যোগাৰ কৰিছিল আৰু বোৱেকে ৰান্ধিছিল। কমলৰ মাকে দিহাপোহা দিছিল। কমলে খোৱাৰ আয়োজন দেখি চকখাই উঠিল। মাকক ক'লে "মা, ইমানবোৰ ভাত আঞ্জা কেনেকৈ খাম ? তাহানি ভীমেও বোধকৰো ইমান খোৱা নাছিল ?"

কমলৰ কথাত মাকে ক'লে "খা, একো বেচি দিয়া নাই। ইমান দূৰৈৰ পৰা আহিছ। এই কেইটা ভাতকে খাব নোৱাৰিবি নে ?" মাকৰ কথাত কমলে ক'লে "লাগিলে বাক খুজি খাম। এতিয়া ভাত আধা কমাবলৈ বোৱাৰীয়েৰক ক। সেইদৰে আঞ্জা তৰকাৰীও।"

মাকে তেতিয়া ক'লে "ভাত আৰু কমাব নালাগে। যি খাব নোৱাৰ পাতত থাকিব। বোৱাৰীয়ে পিচত খাব। ভাত আঞ্জা বলে নষ্ট নহয়।"

অগত্যা কমল ভাত খাবলৈ বহিল। বহুদিনৰ মূৰত ঘৰৰ ভাত খাবলৈ পাই বৰ ভাল পালে। আঞ্জা পাতিও এনে সোৱাদ পালে

যে পাতত ভাত এটাও নৰল। খোৱাবোৱা শেষ হোৱাত দেউতাকে কমলক শুবলৈ যাবলৈ ক'লে। দেশ বিদেশৰ কথা পিচদিনা কৰবলৈ থবলৈ ক'লে। দেউতাকৰ কথাত কমলেও হঠাৎ খুব টোপনি ধৰা যেন পালে আৰু নিজৰ কোঠালৈ শুবলৈ গ'ল। তাত কমলে ছোৱালী-জনীক শুই থকা দেখিলে। টোপনিতে ছোৱালীজনীক মৰম কৰিলে, চুমা খালে। ইয়াৰ পিচত কমলে ঘৈণীয়েক কেতিয়া শুবলৈ আহে তালৈ অধীৰ আগ্রহৰে অপেক্ষা কৰি ৰল। কমলৰ মানত এযুগমান লাগিলেও আধাঘণ্টামান পিচত ঘৈণীয়েক শুবলৈ আহিল। কমলে ইমান দেৰিকৈ ঘৈণীয়েক শুবলৈ অহা বাবে কৃত্রিম খং কৰিলে। ঘৈণীয়েক মনে মনে থাকিল। তাৰ পিচত কমলে ঘৈণীয়েকক কাষলৈ মাতিলে। ঘৈণীয়েক আহি কমলৰ কাষত বহিল। কমলে ঘৈণীয়েকক সুধিলে শৰীৰ দেখোন আগতকৈও ক্ষীণহে দেখিছো। খোৱা বোৱা নকৰি কেৱল পৰিশ্রমকে কৰা বোধকৰোঁ।" কমলৰ কথাত ঘৈণীয়েকে একো নামাতিলে। ঘৈণীয়েকে একো নমতাত কমলে ঘৈণীয়েকৰ মুখখন দাড়ি ধৰিলে। লাজুকী হাঁহি মাৰি কমলৰ বুকুত মুখ লুকাই ঘৈণীয়েক ঢলি পৰিল। কমলে ঘৈণীয়েকক সাবটি ধৰিলে। ইমানদিনৰ দীর্ঘবিৰহৰ পুঞ্জীভূত নিদাৰুণ বিৰহ যন্ত্রণাৰ অৱসান হ'ল। কমল আৰু ঘৈণীয়েকৰ অন্তৰ তৃপ্তিৰে ভৰি পৰিল।

দশ

পিচদিনা পুৱা ভালেমান দেৰি কৰি কমল উঠিল। ঘৈণীয়েক কমলাই কমলৰ বাহু পাশৰ আলিঙ্গনৰ পৰা কেতিয়াবাই নিজকে মুক্ত কৰি ঘৰৰ কামকাজত লাগিছে গৈ। কমলে কাষত শুই থকা পাঁচবছৰীয়া জীয়েকক সাবটি ধৰি মৰম কৰি, গাত কুটকুটাই দিলে। জীয়েকে প্রথমতে দেউতাকক চিনি নাপাই কান্দিবলৈ ধৰিলে।

কমলে তেতিয়া মৰম কৰি চিনাকি দিলে আৰু আমেৰিকাৰ পৰা পুতলা অনা বুলি ক'লে। জীয়েকে দেউতাকক চিনি পাই হাঁহিলে। ইয়াৰ পিচত বাপেক জীয়েকৰ মাজত ঢেৰ গল্প হ'ল। জীয়েকে কি কিতাপ পঢ়িছে সেইবোৰ আনি দেখুৱালে। কমলে আমেৰিকাৰ পৰা অনা কথা-কোৱা পুতলা, ৰেলগাৰী, মটৰ আদি জীয়েকক দিলে। জীয়েকে সেইবোৰ বস্তু পাই আনন্দত কিৰিলী পাৰি উঠিল। এনেতে কমলৰ ঘৈণীয়েকে চাহ খাবৰ সময় হোৱা বুলি খবৰ দিলে। সোনকালেই কমলক মুখ ধুই চাহ খাবলৈ আহিবলৈ ক'লে। কমলে তেতিয়া নিজৰ মুখ ধুই আৰু জীয়েককো মুখ ধুৱাই চাহ খাবলৈ ভিতৰলৈ সোমাল। চাহ খোৱা টেবুলত অমল আৰু বিমল আগৰে পৰা ককায়েকৰ বাবে অপেক্ষা কৰি আছিল। বিমলক দেখি কমলে সি কেতিয়া আহিলে সুধিলে। বিমলে ৰাতি ১ মান বজাত অহা বুলি ক'লে। বিমলৰ কথাত কমলে সি এইদৰে পঢ়াশুনা এৰি কিয় টলৌ টলৌ কৰি ঘূৰি ফুৰিছে সুধিলে। কমলে ক'লে "এইদৰে পঢ়াশুনা এৰি ঘূৰি ফুৰিলে পিচত তোক কোনে খুৱাব? বিয়া বাৰু কৰালে ল'ৰাছোৱালী তিৰোতাকে বা কেনেকৈ খুৱাবি? পঢ়াহে প্ৰথম কাম।"

দাদাকৰ কথাত বিমলে ক'লে, "যদি দেশত লাখ লাখ মানুহেই খাবলৈ নাপায়, অকল মই নিজৰ ল'ৰাছোৱালী তিৰোতাৰে পেট পুহি থকাই জানো উচিত হব? কিমান মানুহ খাবলৈ নাপাই মৰিছে? কিমান মানুহে বেমাৰত এটোপাল ঔষধকে কিনিব পৰা নাই? পঢ়াশুনাই প্ৰথম নে এই দৰিদ্ৰ নাৰায়ণবোৰৰ সেৱা কৰাই প্ৰথম, তাকে কোৱাচোন দাদা? দেশ স্বাধীন হোৱাৰ পিচত ধনী ক্ৰমে বেচি ধনী হৈ গৈছে আৰু দুখীয়া ক্ৰমে বেচি দুখীয়া হৈ গৈছে। দেশ দুৰ্নীতিৰে ভৰি পৰিছে। এই সকলো দুৰ্নীতি, অনাচাৰ, উৎপীড়ন আদি দূৰ কৰিব লাগিব। দেশ নতুনকৈ গঢ়ি তুলি সকলো মানুহৰে ঘৰ ধনে ধানে ভৰপূৰ কৰি তুলিব লাগিব।"

বিমলৰ কথাত কমলে আৰু একো নকলে। বিমলৰ চকুত কমলে

দেখিলে জুই। সেই জুইয়ে যেন দেশৰ দুৰ্নীতি, অনাচাৰ, উৎপীড়ন এই সকলো ভস্মীভূত কৰি পেলাব। বিমলৰ চকুত দেশ গঢ়াৰ ৰঙীন সপোন। দেশ নতুনকৈ গঢ়ি তুলিবৰ বাবে বিমলে পঢ়াশুনা বাদ দি, খোৱাবোৱা এৰি টলৌ টলৌকৈ ঘূৰি ফুৰিছে। কমলৰ চকুতো দেশ গঢ়াৰ ৰঙীন সপোন আছে। এই দেশ গঢ়াৰ সপোনৰ বাবেই কমলে নিজৰ মাক দেউতাক, ভায়েক, তিৰোতাক, ছোৱালীক এৰি বিদেশত সুদীৰ্ঘ তিনিবছৰ কাল কটালে, ৰং ধেমালী পৰিত্যাগ কৰি দিনৰাতি লাইব্ৰেৰীত কিতাপ পঢ়িলে, লেবৰেটৰীত গৱেষণা কৰিলে, আৰু কাৰখানাত কাম শিকিলে। দেশ গঢ়াৰ ৰঙীন সপোনলৈয়ে সুদীৰ্ঘ তিনিবছৰ কাল প্ৰিয়তমাৰ দীৰ্ঘ বিৰহ সহ্য কৰিলে। কমলৰ চকুত দেশ গঢ়াৰ যি ৰঙীন সপোন, বিমলৰ চকুতো দেশ গঢ়াৰ সেই ৰঙীন সপোন। কমল আৰু বিমলৰ দৰেই দেশৰ হাজাৰ হাজাৰ যুবক-যুবতীৰ চকুতো দেশ গঢ়াৰ এই একে ৰঙীন সপোন। কোনে জানে এই হাজাৰ হাজাৰ, লাখ লাখ যুবক-যুবতীৰ দেশ গঢ়াৰ এই ৰঙীন সপোন দিঠকত পৰিণত হব নে নহব? দেশৰ কত লাখ লাখ মানুহে দেশ গঢ়াৰ এই ৰঙীন সপোন লৈয়ে বৃটিশ সিংহৰ লগত যুদ্ধ কৰিলে, পুলিচৰ মাৰ খালে, জেল খাটিলে, পুলিচৰ বন্দুকৰ আগত হাঁহি হাঁহি বুকু পাতি দিলে। এই দেশ গঢ়াৰ ৰঙীন সপোন তিলক, গোখলে, লাজপত ৰায়, সুভাষ বোস, চৰ্দাৰ পেটেল, সৰোজিনী নাইডু, মৌলানা আজাদ, ৰবীন্দ্ৰনাথ ঠাকুৰৰ আছিল। এই দেশ গঢ়াৰ ৰঙীন সপোন আজিও জহৰলাল নেহৰু, ৰাজেন্দ্ৰপ্ৰসাদ, বিনোবাভাবেৰ চকুত লাগি আছে; আৰু জাতিৰ জনক মহাত্মা গান্ধী! কৌপিন পৰিধান কৰি, হাতত লাখুটি লৈ অৰ্দ্ধনগ্ন সন্ন্যাসী মহাত্মা গান্ধীয়ে দেশ গঢ়াৰ ৰঙীন সপোন লৈ ভাৰতৰ এমূৰৰ পৰা আন মূৰলৈ শুপ্ত ভাৰত জাতিক জগাবলৈ ঘূৰি ফুৰিলে, বিদেশী শাসকৰ লগত সুদীৰ্ঘকাল অহিংস যুদ্ধ কৰি ভাৰত স্বাধীন কৰিলে আৰু শেহত স্বদেশী ঘাতকৰ গুলীত প্ৰাণ দিলে। কমলৰ মনলৈ অজ্ঞাতে ঋষি বঙ্কিমচন্দ্ৰৰ "সুজলাং সুফলাং

মলয়জ শীতলাং, শস্যশ্যামলাং, বন্দেমাতৰম্" এই গীতটি আপোনা-আপুনি আহিল। সেইবাবেই কমলে বিমলক আৰু একো নকলে।

চাহ জলপান খাই কমলে জীয়েকক আৰু ভায়েক অমলক লগতলৈ গাৱঁত ফুৰিবলৈ গ'ল। গাৱঁত গাৱঁৰ মানুহৰ কুশল মঙ্গল প্ৰশ্ন কৰিলে। সকলোৱে কমলক কথাত, ব্যৱহাৰত বৰ ভাল পালে। গাৱঁৰ খাগকই কমলক ক'লে, "বাপাই যে মদনপুৰ সত্ৰৰ গোসাইৰ ল'ৰাৰ দৰে কাম নকৰে তাক মই আগতেই কৈছিলো। মদনপুৰৰ গোসাইৰ ল'ৰাই যে এনে কাম কৰিব আমি গাৱঁৰ কোনো মানুহেই ভাবিব পৰা নাছিলো। বাপাই নিশ্চয় সেইকথা শুনিছে?"

কমলে শুনা বুলি কোৱাত খাগকই পুনৰ ক'লে "গোসাইৰ ল'ৰাই যে মেম আনিব এইটো জানো ভাবিব পাৰি? গোসাই পুতেকক ত্যাজ্য পুত্ৰ কৰা বুলি শুনিছো।"

এইদৰে কমলে গাৱঁৰ মানুহৰ লগত কথা পাতি, সিহঁতৰ সুখদুখৰ কথা শুনি গাৱঁতে এমাহ কটালে। এই এমাহ কিদৰে পাৰ হ'ল কমলে কব নোৱাৰিলে। প্ৰিয়তমাৰ মধুৰ সঙ্গত, সুদীৰ্ঘ তিনিবছৰৰ জমা হোৱা নানা কথা প্ৰিয়তমাৰ লগত পাতি কমলে পৰম আনন্দ আৰু তৃপ্তিত দিন নিয়ালে। ৰাতি কমল আৰু ঘৈণীয়েকৰ কিমান যে কথা নোলায়। কথাৰ যেন শেষেই নহব। কেতিয়াবা ৰাতি ছুয়ো গিৰীয়েক ঘৈণীয়েকৰ কথা পাতোঁতে পাতোঁতেই ৰাতি পুৱায়। কমলৰ লাজুকী ঘৈণীয়েকৰ যেন এতিয়া নতুনকৈ মাত ফুটিছে। ভাটৌ চৰাইৰ মাত ফুটিলে যেনেকৈ সি মাতিয়ে থাকে, কেচুৱাৰ মাত ফুটিলে যেনেকৈ সি 'মা, মা' কৰি মাতি থাকে, ঠিক তেনেকৈ কমলৰ ঘৈণীয়েকৰো মুখৰ পৰা কথা ওলায়ে থাকে। এৰাৰ মুখত কথা নোলোৱা ঘৈণীয়েকে কৰ পৰা যে ইমান কথা বিচাৰি পালে কমলে ভাবি ভাবি নিজেই আচৰিত হয়। ঘৈণীয়েক নিজেও নিজৰ ইমান কথা কব পৰা শক্তিত আচৰিত হয়। কমলক বুকু উদঙাই সকলো কথা কৈ, কমলৰ বাহুপাশত নিজকে মেৰাই লৈ, কমলৰ বুকুৰ মাজত লুকাই থাকি পৰম তৃপ্তি পায়। ৰাতি মুগুৱাৰ ফলত ঘৈণীয়েকৰ

দিনতে এতিয়া কাম কৰি কৰি থাকোতেই মাজে মাজে টোপনিয়ে ধৰে। কমলেও বাতিৰ টোপনি দিনতে মাৰে। কমলৰ মাকে পুতেক বোৱাৰীয়েকৰ তৃপ্তি ভৰা মুখ দেখি, সিহঁতৰ আনন্দ দেখি মনে মনে হাঁহে আৰু আনন্দ পায়। কমলৰ মাকে গাৱঁৰ আন তিৰোতাৰ আগত মাজে মাজে গল্পও কৰে। "আমাৰ বোৱাৰী যেনে লখিমী, তেনে লখিমীক এৰি কমলে যে মদনপুৰৰ গোসাইৰ ল'ৰাৰ দৰে পাণ্ডু ৰোগীৰ ৰঙৰ দৰে বগা, মূৰত ওৰণি নোলোৱা শকত শকত ভৰি উলিয়াই ৰাখা মেম আনিব নোৱাৰে তাক মই দেউতাকৰ আগত কেতিয়াবাই কৈছিলো। গোসাইৰ ল'ৰাই মেম অনা বুলি শুনি কমলেও মেম লৈ আহে বুলি দেউতাকে কি যে চিন্তাই কৰা নাছিল।"

এইদৰে এমাহকাল কমলে কৰ নোৱাৰাকৈ পৰম সুখ আৰু তৃপ্তিত পাৰ হ'লত, এমাহৰ মূৰত এদিন দেউতাকে কমলক সুধিলে "এইদৰে ঘৰত বহি থাকিলেই হব নে? ৰাজধানী লৈ গৈ এটা চাকৰি বাকৰিৰ ঠিক কৰা ভাল।"

দেউতাকৰ কথাত কমলে ক'লে, "চৰকাৰক মই দেশ আহি পোৱা বুলি জনাই দিছোঁ। আমেৰিকাত কি পঢ়িলো, কি শিকিলো সকলো জনাইছোঁ। এতিয়া ৰাজধানীত গৈ মই কি কৰিম? চৰকাৰে সকলো কথাতো জানেই। এতিয়া সেইবোৰ কথা চাই মেলি মোক নিশ্চয় কোনো কামত লগাব। নহলে চৰকাৰে মোক কিয় ইমান হাজাৰ হাজাৰ টকা খৰচ কৰি আমেৰিকাত পঢ়াই আনিলে?"

কমলৰ কথাত দেউতাকে একো নামাতিলে। কমলেই তেতিয়া ক'লে "ইমান দিনৰ মূৰত আমেৰিকাৰ পৰা আহিছোঁ। এতিয়া চাকৰিত সোমোৱাৰ আগতে শহুৰ শাহুকে দেখা কৰি আহো বুলি ভাবিছোঁ। শাহুৱে জীয়েকলৈ চিঠি দিয়ে আছে। কাইলৈ বোৱাৰীয়েৰক আৰু ছোৱালীজনীক লগত লৈ শহুৰৰ ঘৰলৈ যাত্ৰা কৰিম বুলি ভাবিছোঁ।"

পিচদিনা কমলে ঘৈণীয়েক আৰু ছোৱালীজনীক লগত লৈ ৰেলৰ প্ৰথম শ্ৰেণীৰ কোঠা এটাত উঠি শহুৰেকৰ ঘৰলৈ যাত্ৰা কৰিলে। ৰেলত প্ৰথম শ্ৰেণীৰ কোঠাটোত কমল আৰু ঘৈণীয়েক মাত্ৰ যাত্ৰী হোৱাত, কমলে ঘৈণীয়েকক বুকুৰ মাজত সাবোটি ধৰি দেশবিদেশৰ ৰেলৰ বিষয় ক'লে। ছোৱালীজনীক দৌৰি যোৱা গছগছনি, দূৰৈৰ পৰ্বত পাহাৰ আদি দেখুৱালে। ৰেলগাড়ী গুম গুম শব্দেৰে নৈৰ দলঙত উঠিলে, কমলে জীয়েকক নৈৰ নাম কয়। ৰেলতে তিনিও ৰাতি খানা খালে। ইয়াৰ পিচত ছোৱালীজনীক শুৱাই থৈ কমল আৰু ঘৈণীয়েকে দুয়ো নানা কথা পাতিলে। ৰেলগাড়ীৰ খিড়িকীবোৰ খুলি, কোঠাৰ বিজুলী চাকিবোৰ নুমাই দি ঘৈণীয়েকক সাবোটি ধৰি কমলে নানা কথা পাতিলে, কবিতা গালে। জোনৰ মধুৰ শীতল পোহৰ খিড়িকীৰ মাজেৰে আহি কমলে সাবোটি ধৰি থকা ঘৈণীয়েকৰ মুখৰ ওপৰত পৰাত, ঘৈণীয়েকক কমলৰ মানত স্বৰ্গৰ কোনোবা অপেচৰীৰ দৰে লাগিল। জোনৰ পোহৰত পদুম ফুলৰ দৰে ঘৈণীয়েকৰ মুখখনিও জিলিকি উঠিল। ঘৈণীয়েকৰ দুয়োখন গাল কমলৰ মানত পদুম ফুলৰ পাহিৰ দৰে লাগিল। ৰঙা ওঁঠ দুটা যেন আধা মেল খোৱা পদুম ফুলৰ মাজৰ ৰঙা কেশৰবোৰহে। কমলে আবেগতে, মৰমতে, পৰম প্ৰেমত ঘৈণীয়েকৰ ৰঙা ওঁঠ দুটাত চুমা খালে। ভোমোৰাই পদুম ফুলত পৰি মৌ পিয়াৰ দৰে কমলেও ঘৈণীয়েকৰ ওঁঠত ওঁঠ লগাই মৌ পিলে।

পিচদিনা পুৱাই ৰেলতে কমলে প্ৰত্যেকৰ বাবেই ওটচ, গাখীৰ, ৰুটি, মাখন, কল, দুটাকৈ কুকুৰা কণীৰ ভজা কণীৰ আৰু নিজৰ আৰু ঘৈণীয়েকৰ বাবে চাহৰ অৰ্ডাৰ দিলে। কমলে আমেৰিকাত কিদৰে তাৰ মানুহে প্ৰাতঃ ভোজন কৰে তাকো ঘৈণীয়েকক কলে।

বাতিপুৱাই ইমান খাবলৈ ভোক নাই বুলি ঘৈণীয়েকে আপত্তি কৰাত কমলে ক'লে, "এইদৰে নাখাই নবইতো তোমাৰ চেহেৰা গৰু খেদা শুকান মাৰিদালৰ দৰে হৈছে। বুকুৰ কামি হাৰ-বোৰ গণিব পৰা হৈছে। সদায় পুৱা দুটাকৈ কণি, দুচকল কটি, আধাছতাক মাখন, এগিলাচ গাখীৰ, এবাটি ওটচ্ আৰু লগত এটাকৈ কল আজিৰ পৰা তুমি খাব লাগিব। দুদিন পিচতে দেখিবা তুমি কেনে শকত আৰু হৈছা। তেজ মঙহবে শৰীৰ ফুলি উঠিব, গালভৰি পৰিব।

কমলৰ কথাত ঘৈণীয়েকে ক'লে, "বাৰু আগেয়ে ডাঙৰ চাকৰি বাকৰি এটা হওক। তেতিয়াহে এনেদৰে খোৱাবোৱা কৰিব পৰা যাব।"

অৱশেষত বেল আহি কমলৰ শহুৰ শাহুয়েক থকা চহৰৰ ষ্টেচনত থামিলহি। কমলে বেলৰ খানচামাক খোৱাবোৱাৰ বিলৰ সকলো টকা আদায় দি খানচামাক এটকা বকচিচ দিলে। আমেৰিকাৰ দৰেই টিপ দিয়া নিয়ম আমাৰ দেশতো থকা বুলি কমলে ধৰি ললে। বগা পোছাক আৰু টুপী পিন্ধা খানচামাই অপ্ৰত্যাশিত ভাবে এটকা বকচিচ পাই বৰ খুচী হ'ল আৰু কমলক আৰু কমলৰ ঘৈণীয়েকক দীঘল চালাম দিলে। কমলে কুলীৰ হতুৱাই মালপত্ৰ নমাই ।০ অনা বকচিচ পোৱা কুলীক ১৲ টকা বকচিচ দি টেক্সিৰে আহি শহুৰেকৰ ঘৰ পালেহি। টেক্সিৱালাক একো নুশুধি কমলে ৫৲ টকাৰ নোট এখন টেক্সিৱালাই একো কব নৌ পাওঁতে দি তাক বিদায় দিলে। ইয়াৰ পিচত ভিতৰ সোমাই শহুৰ শাহুৰেকক সেৱা কৰিলে। জীয়েক, জোৱায়েক আৰু নাতিনীয়েক অহাত শহুৰ শাহুয়েকৰ অন্তৰ আনন্দৰে উপচি পৰিল। শহুৰ শাহুয়েকে বিলাত ফেৰত জোৱায়েকক কি খুৱাব, ক'ত থব এইলৈ ব্যতিব্যস্ত হৈ পৰিল। কমলে তাৰ খোৱাবোৱা থকালৈ শহুৰ শাহুয়েকক ব্যতিব্যস্ত হবলৈ মানা কৰি শাহুয়েকক কলে, "মা মোৰ খোৱালৈ একো ব্যতিব্যস্ত হব নালাগে। দালি, ভাত, শাক পাতকে

মোৰ হ'ব। খুৱাব খুজিছে যদি জীয়েকক খুৱাক। তেওঁ যেনেদৰে হাবে ছালে লাগিছে তেওঁৰহে ভাল খোৱাৰ আৱশ্যক।

এইদৰে কমল শহুৰ শাহুয়েকৰ ঘৰত ১৫ দিন থাকিল। ১৫দিনৰ মূৰত শহুৰেকে কমলক ৰাজধানীলৈ গৈ ভাল চাকৰি বাকৰি এটাৰ যোগাৰ কৰিবলৈ ক'লে। কমলে দেউতাকক কোৱা দি শহুৰেককো ক'লে। কমলে ক'লে, "মই দেশ আহি পোৱা খবৰ চৰকাৰক জনাই দিছোঁ। বিদেশত কি পঢ়িলো, কি শিকিলো তাকো জনাই দিছোঁ। আজি কিছুদিন আগতে চৰকাৰক এইবোৰ কথা মনত পেলাই আকৌ এখন চিঠি দিছোঁ।"

জোৱায়েকৰ কথাত শহুৰেকে ক'লে "চিঠিৰে কাম হলেতো ভালেই। পিচে আমাৰ দেশৰ যিহে কথা। চিঠিৰ জবাব হেনো কোনেও নাপায়। সকলো কথাৰ বাবে হেনো ৰাজধানীলৈ নিজে দৌৰিব লাগে।"

কমলে শহুৰেক ক'লে, "মোৰ কথা বেলেগ। মোক চৰকাৰেই কেইবাহাজাৰো টকা খৰচ কৰি পঢ়াই আনিছে। বিদেশৰ পৰা অহাৰ পাচত চৰকাৰক চাকৰি কৰি দিব লাগিব বুলি মোৰ পৰা চৰকাৰে দলিলো লিখাই লৈছে। গতিকে এতিয়া মোৰ বিচাৰলৈ মোক কামত খটোৱাৰ চৰকাৰৰহে জগৰ। তথাপি মই চৰকাৰক জনাই দিছোঁ। ডাঙৰ চাকৰিৰ বন্দবস্ত কৰিবলৈ অলপ দেৰি হ'বই।" কমলৰ কথাত দেউতাকৰ দৰে শহুৰেকেও মনে মনে থাকিল।

আৰু ১৫ দিন কমলৰ শহুৰেকৰ ঘৰত কৰ নোৱাৰাকৈ বাগৰি গ'ল। বিৰহৰ পিচত মিলন সদায়ে মধুৰ। তাতে সুদীৰ্ঘ তিনিবছৰ বিৰহৰ মূৰত কমল আৰু কমলৰ প্ৰিয়তমাৰ মিলন। দুয়ো দুয়োকো বুকু উজাৰি প্ৰেম বিলাইছে। সংসাৰত যে কি হৈছে, কেনে ধৰণে দেশত নানা ঘটনাই চাল লৈছে তাৰ খবৰ এইহাল প্ৰেমিক প্ৰেমিকাৰ নাই। দেশত কি হৈছে তাক জানিবৰ বাবে কমলে কেতিয়াবা দিনত এবাৰ, কেতিয়াবা দুই তিনিদিনৰ মূৰত এবাৰ খবৰৰ কাগজ হাতত লয়; কিন্তু সেই কাগজ কোন দিনৰ, তাত

কি লিখিছে কমলে কব নোৱাৰে। কমলে কাগজত কেইটামান ছপোৱা ক'লা আখৰ দেখে; কিন্তু পিচ মুহূৰ্ত্ততে সেই আখৰ কেইটা নেদেখা হয়। খবৰৰ কাগজ পঢ়াতকৈ প্ৰিয়াক বুকুত সাবোটি ধৰি কমলে ৰবি ঠাকুৰৰ কবিতা পঢ়ি বেচি ভাল পায়। কমলে কবিতা পঢ়ে আৰু প্ৰত্যেকটি কবিতা পঢ়া শেষ হলেই ঘৈণীয়েকক একোবাৰ চুমা খায়। কেতিয়াবা ঘৈণীয়েককে ৰবি ঠাকুৰৰ কবিতা পঢ়িবলৈ দিয়ে। কমলে ঘৈণীয়েকৰ মুখলৈ তধা লাগি চাই শুনি থাকে; কিন্তু পাঁচ মিনিট পঢ়াৰ পিচঁতে ঘৈণীয়েক পঢ়িব নোৱাৰা হয়। কাৰণ কমলে তাৰ প্ৰিয়াৰ ওঁঠ ছুটা তাৰ ওঁঠৰে বন্ধ কৰি দিয়ে। ঘৈণীয়েকে আপত্তি কৰিলে কমলে কয়,—'ৰবি ঠাকুৰৰ কবিতা তোমাৰ ওঁঠৰ মাজৰ পৰা ওলাই বতাহৰ তৰপ ভেদ কৰি মোৰ কাণত সোমোৱাতকৈ তোমাৰ ওঁঠৰ পৰা মোৰ ওঁঠৰ মাজেৰে গৈ পোনে পোনে অন্তৰত সোমোৱাহে মই ভাল পাওঁ; কাৰণ তেতিয়া শব্দৰ ঢৌৰ কোনো বিকৃতি নঘটে।"

এইদৰে শহুৰেকৰ ঘৰত কমলে এমাহ সংসাৰৰ কোনো খবৰ নোহোৱাকৈ ঘৰৰ ভিতৰতে ঘৈণীয়েকক লৈ কবিতা শুনি থকাত ওচৰ চুবুৰীয়াই 'বু বা' কৰিবলৈ ধৰিলে। বিলাতৰপৰা আহিল বুলিনো মানুহে কেৱল ঘৰৰ ভিতৰতে ঘৈণীয়েকক লৈ থাকে নে? এইবোৰ কথা কমলৰ কাণত নোসোমায়; কিন্তু শহুৰেক শাহুয়েকৰ কাণত সোমায়। তেওঁলোকে জীয়েকক কমলে এনেকৈ মৰম কৰাত মনে মনে সুখী হলেও, কমলে চাকৰি বাকৰি এটাৰ বাবে কোনো যত্ন নোলোৱাত মনে মনে অতিষ্ঠ অনুভৱ কৰিলে। প্ৰেমত, আনন্দততো সদায় দিন নাযায়। খোৱাবোৱা, থকামিলা, ল'ৰাছোৱালী ডাঙৰ দীঘল কৰা এইবোৰৰ বাবেও তো ব্যৱস্থা কৰা দৰ্কাৰ। এমাহৰ মূৰত কমলৰ শাহুয়েকে জীয়েকক ক'লে, "কমলৰ দেখোন বিলাতৰপৰা অহা আজি ছমাহে হ'ল; কিন্তু চাকৰিৰ দেখোন কোনো খা-খবৰ নহ'ল? তই কমলক ৰাজধানীৰ পৰা এবাৰ খা খবৰ লৈ আহিবলৈ ক। কমলে খা-খবৰ কৰি অহালৈকে তই

ছোৱালীজনীলৈ আমাৰ ইয়াতে থাক। কমলে ছুদিনতে ৰাজধানীৰ পৰা ঘূৰি আহিব পাৰিব।”

মাকৰ কথাত জীয়েকে সিদিনা ৰাতি কমলক চাকৰিৰ খবৰ কৰিবৰ বাবে ৰাজধানীলৈ যাবলৈ খাটিব ধৰিলে। কমলে ঘৈণীয়েকৰ কথা উৰাই দি ক’লে, “তোমালোক সকলোৱে দেখিছো একে কথা। কেৱল ৰাজধানীলৈ যোৱা কথা। ৰাজধানীত গৈ মই কি কৰিম? চৰকাৰক মই দেখোন মোৰ কথা জনায়ে থৈছোঁ। ছুদিন ধৈৰ্য্য ধৰা। হাজাৰ টকাৰ চাকৰিতো একেদিনাই নহয়?”

“সেই বুলিনো ৰাজধানীলৈ গৈ খবৰ কৰি আহিলে কি লোকচান হয়?” ঘৈণীয়েকে ক’লে।

“সেইবোৰ বাজে কথা এৰা। এতিয়া এইপিনে আহা। ৰবি ঠাকুৰৰ এই নতুন কবিতাটো পঢ়ি শুনোৱাহি।” এই বুলি কৈ কমলে ঘৈণীয়েকক টানি আনি কোলাত বহুৱাই চুমা খালে। ঘৈণীয়েকে জোৰ কৰি কমলৰ আলিঙ্গনৰ পৰা নিজকে মোকোলাই লৈ ক’লে, “আপুনি কাইলৈ ৰাজধানীলৈ ন’গলে মই আজি কবিতা নপঢ়ো। কেৱল চুমাই জানো পেট ভৰায়? খোৱাবোৱা থকামিলাৰ বাবে টকাৰ জানো দৰ্কাৰ নাই? আপোনাৰ বন্ধু গোসাইৰ ল’ৰা ধনেশ্বৰে হেনো খুব ডাঙৰ চাকৰি কৰে, মটৰত ঘূৰি ফুৰে; আৰু আপুনি কেৱল চাকৰি বাকৰি নোহোৱাকৈ ঘৰৰ ভিতৰতে সোমাই থাকে।” এই বুলি ঘৈণীয়েকে মুখ ওফন্দাই দূৰৈত বহি চকুৰপানী মুছিলে।

কমলে তেতিয়া ক’লে, “তোমালোক তিৰোতাবোৰৰ পৰা দেখিছো একো উপায় নাই। তিৰোতাৰ দৰে অবুজন সৃষ্টি বিধাতাই বোধকৰো আৰু কৰা নাই। বাৰু, কাইলৈ নহলেও পৰহি ৰাজধানীলৈ যাম বাৰু। তোমালোকৰে জিত। এতিয়া আহা। কন্দাকটা এৰি কবিতা এটাকে পঢ়ি শুনোৱাহি।” কমলৰ কথাত ঘৈণীয়েক কমলৰ ওচৰলৈ আহি কবিতা পঢ়িবলৈ ললে।

কমলৰ কিন্তু পৰহিৰ পাচতো আৰু ছুদিন পাৰ হ’ল।

ৰাজধানীলৈ যোৱাৰ কোনো উমঘাম নাই। পুনৰ শাহুয়েকে জীয়েকক কলে। জীয়েকে আকৌ গিৰীয়েকক ক'লে, অভিমান কৰিলে। কমলে অৱশেষত ঘৈণীয়েকক লগত লৈ ৰাজধানীলৈ যাবলৈ ঠিক কৰিলে। কমলৰ শহুৰেক বুদ্ধিমান মানুহ। কমলে ঘৈণীয়েকক লগত লৈ গলে চাকৰিৰ কি দৰে বিচাৰ কৰিব সেই সম্পৰ্কে যথেষ্ট সন্দেহ আছে। হয়তো কমল হোটেলৰ পৰাই বাহিৰে নহব। আকৌ ঘৈণীয়েকক লগতলৈ নগলে আধাবাটৰ পৰা ফিৰিও আহিব পাৰে। গতিকে শহুৰেকে জীয়েকক লগত লৈ যোৱাত আপত্তি নকৰিলে; কিন্তু কমলৰ ছোৱালীজনীক এৰি থৈ যাবলৈ ক'লে। কমলে মুগুনাকৈ মাক দেউতাকে জীয়েকক বহুত কথাও শিকালে। কমলে যাতে চাকৰি বিচাৰি মন্ত্ৰীক দেখা কৰে, অফিচবোৰত খা-খবৰ লয়, কমল হোটেলতে যাতে সোমাই নাথাকে—এইবোৰ কথা চাৰৰ বাবে জীয়েকক মাক দেউতাকে বাৰে বাৰে বুজালে। দেউতাকে জীয়েকক কলে, "ডাঙৰ চাকৰি বাকৰি এটা হোৱাৰ পিচত তহঁতে যি ইচ্ছা তাকে কৰিব পাৰিবি, কিন্তু চাকৰি বাকৰি নোহোৱাকৈতো এনেকৈ থকা টান। কমলৰ ঘৰৰ অৱস্থাও ভাল নহয়। মোৰো সেই একে অৱস্থা। গতিকে যিদৰে তহঁতৰ ভাল হয় চাবি। দেউতাকৰ কথাৰ পাচত মাকেও জীয়েকক ফুচফুচাই কিবা ক'লে। জীয়েকে মাকৰ কথাত ৰঙাপৰি গৈ মাকক কলে "যাঃ"। মুঠতে কমলক ঠিক পথত চলাবলৈ মাক দেউতাকে জীয়েকক নানাপ্ৰকাৰ শিক্ষা আৰু বুজনি দি তৈয়াৰ কৰি কমলৰ লগত ৰাজধানীলৈ পঠালে।

বাৰ

অৱশেষত এদিন কমল ঘৈণীয়েকক লগত লৈ ৰাজধানী পালেহি। ৰাজধানীত ভুয়ো এটা হোটেলত গৈ উঠিল। হোটেল পাই গা পা ধুই খানচামাৰ হতুৱাই নিজৰ কোঠালৈ খানা আনি কমল আৰু

ঘৈণীয়েকে ভাল খানা খালে। খানাৰ পিচত খাল গিলাচ নিবলৈ অহা খানচামাক কমলে ॥০ অনা বকচিচ দিলে। খানচামাই বকচিচ পাই দুয়োকো দীঘল চেলাম ঠুকিলে। খোৱাবোৱাৰ পিচত ঘৈণীয়েকে কমলক চাকৰিৰ খা-খবৰ লবৰ বাবে অফিচলৈ যাবলৈ ক'লে। ঘৈণীয়েকৰ কথাত কমলৰ হঠাতে মূৰৰ কামোৰণি উঠিল। কমলে ক'লে, "একা বেকা বাটেৰে ৰাজধানীলৈ আহি মূৰ ঘূৰাইছে। আজি অলপ শুই জিৰণি লওঁ। কাইলৈৰ পৰা চাকৰি বিচৰাত লাগিম।" এইবুলি কমলে বিছনাত দীঘল দিলে। বিছনাত পৰি মূৰ কামোৰণি বেচি যেন অনুমান হোৱাত ঘৈণীয়েকক মূৰ টিপিবলৈ ওচৰলৈ মাতিলে। ঘৈণীয়েকে মূৰ টিপি দিয়াত ভাল পাই চকুমুদি থাকিল। অলপ পিচতে বুকুখনে কিবা কৰা যেন পাই ঘৈণীয়েকক বুকুৰ মাজত সাবোটি ধৰিলে।

ৰাতি খোৱাবোৱাৰ পিচত কমলে খানচামাক বকচিচ দিবলৈ বেগ খুলিলে। এনেতে ঘৈণীয়েকে ক'লে, "প্ৰত্যেক বাৰেই নো কিয় বকচিচ দিব লাগে? পিচত একেলগে দিলে নহব জানো?" কমলে ঘৈণীয়েকৰ কথাত খানচামাক সিহঁত হোটেলত থকা দিন কেইটা ভালদৰে আলপৈচান ধৰিবলৈ ক'লে। ভালদৰে খোৱাবোৱা দি আলপৈচান ধৰিলে শেষত ভাল বকচিচ পাব বুলি খানচামাক ক'লে। খানচামাই দুয়োকো দীঘল চেলাম দি সকলো কাম ভাল দৰে কৰিব বুলি প্ৰতিশ্ৰুতি দি ওলাই গ'ল। খোৱাবোৱাৰ পিচত কমলে ঘৈণীয়েকক সাবোটি ধৰি কিছু সময় কবিতা শুনিলে। তাৰ পিচত টোপনি লগা বুলি কৈ লেপৰ তল সোমাল। ঘৈণীয়েকেও লাইট নুমাই অগত্যা কমলৰ লগতে একেখন লেপৰ তলতে সোমাল।

পিচদিনা পুৱা চাহ জলপান খোৱাৰ পিচত ঘৈণীয়েকে কমলক সজাই পৰাই মন্ত্ৰীৰ ঘৰলৈ পঠালে। মন্ত্ৰীৰ ঘৰৰ সমুখত কমলে দেখে যে তাতকৈ আগৰে পৰা বহুত মানুহ বৈ আছে। চাপ্ৰাচীয়ে সেই ভিৰৰ পৰা এজন এজনকৈ মানুহ ৫ মিনিট, ১০ মিনিট আৰু

কেতিয়াবা আধা ঘন্টাৰ অন্তৰে অন্তৰে মন্ত্ৰীৰ ওচৰলৈ মাতি নি আছে। কমললৈ চাপ্ৰাচীয়ে ভ্ৰুক্ষেপেই কৰা নাই। কমলে তেতিয়া চাপ্ৰাচীক মাতি আনি তাৰ নাম ছপোৱা কাৰ্ড এটা চাপ্ৰাচীৰ হাতত মন্ত্ৰীক দিবলৈ দি বাহিৰত থকা মানুহবোৰৰ ৰেহৰূপ চাই বাহিৰতে থিয় হৈ থাকিল; কিন্তু দুঘন্টাৰ ওপৰ থিয় হৈ থকা সত্বেও কমলক চাপ্ৰাচীয়ে নমতাত কমলৰ আমনি লাগিল; মনে মনে খঙো উঠিল। ইপিনে হোটেললৈ যাবৰ বাবেও মনটো উচপিচাই আছে। অৱশেষত কমলে চাপ্ৰাচীক মাতি আনি তাৰ কাৰ্ডটো মন্ত্ৰীক দিলে নে সুধিলে। চাপ্ৰাচীয়ে ক'লে "আজি দেখা নহব। আপোনাৰ কাৰ্ড মোৰ হাততে আছে। মই মন্ত্ৰীক দিয়াই নাই।"

কমলে তেতিয়া চাপ্ৰাচীক এটকা বকচিচ দি সোনকালে মন্ত্ৰীক দেখা কৰি দিয়াৰ কিবা এটা ব্যৱস্থা কৰি দিবলৈ ক'লে। চাপ্ৰাচীয়ে টকাটো পাই খুচী হ'ল আৰু কমলক ক'লে "এতিয়াই মন্ত্ৰীৰ লগত দেখা হব। মন্ত্ৰীৰ লগত কোনে দেখাশুনা কৰিব সেই কথা মইহে নিৰ্ণয় কৰোঁ।" এইবুলি চাপ্ৰাচীয়ে হাঁহি ভিতৰ সোমাল আৰু একমিনিট পিচতে কমলক ভিতৰলৈ মাতি নি মন্ত্ৰীৰ লগত দেখা কৰাই দিলে।

মন্ত্ৰীয়ে মূৰত বগা টুপী, গাত জহৰ কোট পিন্ধি, টেবুলৰ ওপৰত ভৰি দুখন থৈ আৰামকৈ চিগাৰেট খাই আছে। কমলে ভিতৰ সোমাই মন্ত্ৰীক নমস্কাৰ কৰিলে। মন্ত্ৰীয়ে কমলক বহিবলৈ কৈ সুধিলে, "তুমি কোন, ডেকা ল'ৰা? তোমাক কি লাগে।"

কমলে তেতিয়া তাৰ কথা বিবৰি ক'লে। কেনেকৈ চৰকাৰেই কমলক লো উৎপাদনৰ বিষয় শিকিবলৈ বৃত্তি দি আমেৰিকাত তিনিবছৰ পঢ়াইছিল, কেনেকৈ বিদেশত দিন ৰাতি একে কৰি পঢ়ি ডক্টৰেট ডিগ্ৰী পালে, কেনেকৈ আমেৰিকাৰ বৃহৎ বৃহৎ কাৰখানাত ছ মাহ থাকি কাম কাজ হাতে কলমে শিকিলে এই-বোৰ সকলো কথা মন্ত্ৰীক ক'লে।

মন্ত্রীয়ে কমলৰ কথা শুনি কমলে আমেৰিকালৈ যোৱাৰ আগতে কি কৰিছিল সুধিলে। কমলে এইদেদ কলেজৰ ৰসায়নৰ প্ৰফেচাৰি কৰা বুলি ক'লে। লগতে কমলৰ আগৰ ছাত্ৰ জীৱনৰ কথা, পৰীক্ষাত ফাৰ্ষ্ট ক্লাচ পোৱা, সোণৰ মেদেল আদি পোৱাৰ কথাও ক'লে।

কমলৰ কথা শুনি মন্ত্ৰীয়ে হাঁহি ক'লে, "তোমাৰ কথা শুনি বৰ ভাল পালো। মইও সদায়ে কওঁ—আমাৰ ল'ৰাবো বুদ্ধি আছে। সুবিধা পালে আমাৰ ল'ৰাইও ডাঙৰ বৈজ্ঞানিক, ডাঙৰ ইঞ্জিনিয়াৰ, ডাঙৰ ডাক্তৰ, ডাঙৰ কবি আৰু ডাঙৰ ৰাজনীতিজ্ঞও হব পাৰে। তুমি বিদেশত আমাৰ দেশৰ নাম ৰখাত মই বৰ সুখী হলো।"

কমলে তেতিয়া মন্ত্ৰীক সৰুকৈ ক'লে, "এতিয়া ইমান কষ্টৰে অৰ্জা বিদ্যা দেশৰ কামত লগাব পাৰিলে ভাল লাগিব। এটা ভাল চাকৰি বাকৰি—"

কমলৰ কথাত মন্ত্ৰীয়ে টেবুলৰ ওপৰৰ পৰা ভৰি দুখন নমাই ক'লে, "সেইবোৰ কথা মোৰ নহয়। তুমি তোমাৰ সকলো কথা চেক্ৰেটাৰীক কৰা। চাকৰি বাকৰি ক'ত খালি আছে, ক'ত তোমাক ৰাখিব খুজিছে, কিমান দৰমহা তোমাক দিব এই সকলোবোৰ কথা চেক্ৰেটাৰীয়েহে জানে। মই তেওঁৰ কথাত 'তথাস্তু'হে কৰো।" এইবুলি মন্ত্ৰীয়ে হাঁহিলে।

এনেতে চাপ্ৰাচীয়ে মন্ত্ৰীৰ কোঠাত ব্যস্ত হৈ ফোপাই জোপাই সোমাই মন্ত্ৰীক ক'লে, "চাহাব, আমি হ'লে এনেকৈ আৰু কাম কৰিব নোৱাৰোঁ। মোক আজিয়ে বিদায় দিয়ক।"

মন্ত্ৰীয়ে চাপ্ৰাচীক সুধিলে, "কি হ'ল বাহাদুৰ ?"

চাপ্ৰাচীয়ে ক'লে, "কি হব আৰু ? সোৱা চাওক, ভিতৰ সোমাবলৈ আহিছে। খদ্দৰৰ ধুতি আৰু বগা টুপী পিন্ধিলে বুলিয়ে তেওঁলোক বজা হ'ল নেকি ? মই তেওঁলোকক ক'লো—খন্তেক ৰওক। মন্ত্ৰী চাহাবে অন্য এজন চাহাবৰ লগত কথা পাতি আছে। সেইজন চাহাব ওলাই আহিলেই আপোনালোকক লৈ যাম ; কিন্তু

৯

তেওঁলোকে ক'লে—আমি কোন চিনি পাইছ নে নাই? চাপ্রাচী হৈ বজা হৈছ—এইবুলি জোৰকৈ ভিতৰ সোমাবলৈ আহিল। সোৱা চাওক, দুৱাৰমুখ পালেহিয়েই।"

মন্ত্রীয়ে তেতিয়া দূৰ দাড়ি কেইজনমান বগা টুপী পিন্ধা মানুহ দেখি তেওঁলোকক ক'লে, "আপোনালোক বাহিৰৰ কোঠাতে অলপ বহক। মই এওঁক বিদায় দিয়ে আপোনালোকক দেখা কৰিছোঁ। বাহাদুৰ, এখেত চাহাবসকলক ড্ৰইং ৰুমত বহিবলৈ দেগৈ।"

মন্ত্রীৰ কথাত চাপ্রাচীয়ে অসন্তুষ্ট মনেৰে বগা টুপী পিন্ধা চাহাব কেইজনক অন্য এটা কোঠালৈ লৈ গ'ল। বাটত সি ভোৰভোৰাই গ'ল—"স্বাধীন হোৱাত ৰাম হৰি যদু সকলো চাহাব হ'ল।"

বগা টুপী পিন্ধা মানুহ কেইজন অদৃশ্য হোৱাত মন্ত্রী চকিৰ পৰা উঠিল আৰু কমলক ক'লে, "বুজিছা, আমি এইবোৰ অবুজন মানুহ-বোৰৰ কথাত লাগি থাকোতেই যায়। ভাল কথা ভাবিবলৈ, ভাল কথা পাতিবলৈ, ভাল কাম কৰিবলৈ সময়কে নাপাওঁ। দেশ বিদেশীৰ তলত থাকোতে, দেশখন স্বাধীন কৰিলৈ ধনে ধানে নদন বদন কৰি গঠন কৰাৰ কিমান সপোন দেখিছিলো। বৃটিছ সিংহৰে সৈতে কিমান যুদ্ধ নকৰিলো। ঘৰ দুৱাৰ, ল'ৰাছোৱালী এৰি জেল খাটিলো, পুলিচৰ মাৰ খালো। তোমালোকে পঢ়াশুনা কৰি থাকিলা। আমি কিন্তু ভাৰতবৰ্ষ স্বাধীন কৰিবলৈ পঢ়াশুনা এৰিলো, গাৱেঁ ভূঞেঁ মিটিং কৰি চিঞৰি ফুৰিলো। দেশ স্বাধীন হোৱাৰ পিচত, দেশখন শস্য, শিল্প আদিত চহকী কৰি দুৰ্ভিক্ষ, মহামাৰী, ৰোগ ব্যাধি দূৰ কৰি ইমান দিনৰ সপোন দিঠকত পৰিণত কৰিব পাৰিম বুলি ভাবিলো। মনত বিশ্বাস হ'ল প্রত্যেক মানুহে দুবেলা দুমুঠি পেট ভৰাই খাব পাৰিব, প্রত্যেক ল'ৰা-ছোৱালীয়ে গাখীৰ একণ পাব, প্রত্যেকৰে ঘৰদুৱাৰ টিনৰ হব, দেশত অশিক্ষিত লোক নাথাকিব, গৱেষণা, সাহিত্য, কাব্য, বিজ্ঞান আদিৰ চৰ্চাত দেশে আগশাৰীত স্থান লব। সকলো মানুহে আনন্দত, তৃপ্তিত, চোৰ, ডকাইতৰ ভয় নোহোৱাকৈ বাস

কৰিব। গাওঁ,-ভুঁই, নগৰ চহৰ, পৰ্বত ভৈয়ামত থকা সকলোবোৰ মানুহ মিলিজুলি বিৰাট এক জাতি গঠন কৰিব। আমাৰ দেশৰ পৰ্বত ভৈয়ামৰ নৃত্যগীত, নুপুৰৰ কমজুম শব্দ, খোলতাল ঢোলৰ দুমদুম শব্দ, কেৱল আমাৰ দেশৰ পৰ্বত ভৈয়ামৰ মাজতে আৱদ্ধ হৈ নাথাকি পৃথিবীৰ চাৰিওপিনে বিয়পি পৰিব। বলিষ্ঠ দেহৰ, সবল মনৰ, তীক্ষ্ণ প্ৰতিভাৰ, অন্তৰত অফুৰন্ত আশা আকাঙ্ক্ষা থকা আমাৰ দেশৰ পৰ্বত ভৈয়াম, নগৰ গাওঁত বাস কৰা যুৱক যুৱতী দলে একেলগে একেটা ঢোলৰ বাদ্যত বাদ্ধখাই দেশৰ বিজয় ডঙ্কা গাব; কিন্তু দেশ স্বাধীন হোৱাৰ কিছুদিন পিচতে সেই সপোন ভাঙি গ'ল। দলাদলি, হিংসা, কুৰ্চ্চুট দেখি সেই সপোন ত্যাগ কৰিলো। যিবোৰে দেশৰ কাৰণে ত্যাগ কৰিছিল, সেই-বোৰকে এতিয়া লগা হ'ল ত্যাগৰ পুৰস্কাৰ। ত্যাগৰ পূজাৰী হ'ল, ভোগৰ পূজাৰী। সততা, সাধুতা এৰি তেওঁলোকে মুখত পিন্ধিলে মিছাৰ মুখা। যিবোৰ মানুহক ত্যাগৰ বাবে আগতে গাওঁৰ মানুহে বৃটিছৰ পুলিচ, বন্দুককো ভয় নকৰাকৈ স্বাধীনতাৰ যুদ্ধৰ সময়ত নিজৰ ঘৰত লুকাই ৰাখিছিল, আশ্ৰয় দিছিল, নিজে নাখাই খুৱাইছিল, ধুৱাইছিল, সেই একেবোৰ গাৱঁৰ মানুহে এতিয়া সেই স্বাধীনতাৰ যুঁজাৰুসকলৰ স্বাৰ্থপৰতা দেখি, পুৰস্কাৰ লৈ টনাটনি কৰা দেখি তেওঁলোকক ঘৃণা কৰা হ'ল, মূৰত বগা টুপী দেখিলেই শিয়াল কাউৰীক খেদা দি খেদা হ'ল, জুতা, শিল দলিওৱা হ'ল।" মন্ত্ৰীয়ে এইখিনি কৈ খণ্ডতে কোঠাটোৰ এমূৰৰ পৰা আনমূৰলৈ ঘনঘনকৈ খোজ কাঢ়িবলৈ ধৰিলে। কমলে মন্ত্ৰীৰ উত্তেজনা দেখি ভয়তে নিমাত হ'ল। কিছু সময় কোঠাটোত দুই তিনিবাৰ খোজ কাঢ়ি মন্ত্ৰীয়ে আকৌ কবলৈ ধৰিলে, "এই খদ্দৰৰ ধুতি, মূৰত বগা টুপী পিন্ধা, চাপ্ৰাচীক গালাগালি পৰা মানুহবোৰৰ ব্যৱহাৰকে চোৱাচোন। তেওঁলোকে চাপ্ৰাচীক গালাগালি কৰি জোৰকৈ মোৰ কোঠালৈ সোমাবলৈ আহি জানো মূৰত পিন্ধা বগা টুপীৰ অপমান কৰা নাই? মুখত তেওঁলোক মহাত্মাৰ শিষ্য, গান্ধীৰ ভক্ত, অহিংসাৰ পূজাৰী; কিন্তু

কামত তেওঁলোক ডকাইতৰ দৰে। অকথ্য ভাষাত অমুকক দেখিম, তমুকক চাম, এইবোৰ কয়। কাকো কাকো মাৰধৰো কৰে। মিছা কথা কবলৈও সঙ্কোচ নকৰে। গাৱঁত তেওঁলোকৰ কথা কোনো মানুহে নুশুনিলে তাৰ বিৰুদ্ধে পুলিচক লগায়, পুলিচে নুশুনিলে আমাক আহি পুলিচৰ বিৰুদ্ধে লগায় আৰু আমি নুশুনিলে আমাক মন্ত্ৰীৰ গদিৰ পৰা খেদিবলৈ নানা ষড়যন্ত্ৰ কৰে। আমাৰ এতিয়া মন্ত্ৰীত্ব বজায় ৰাখোতেই সময় যায়। ষড়যন্ত্ৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰোঁ। দেশৰ, দহৰ বিষয় এতিয়া চিন্তা কৰিবলৈ আমাৰ সময় নাই। বাৰু, তুমি এতিয়া যোৱা। চাপ্ৰাচী!" চাপ্ৰাচী আহি মন্ত্ৰীক চেলাম ঠুকিলে।

কমলে ব্যস্ত হৈ তাৰ চাকৰিৰ বাবে কি কৰিব বুলি সোধাত মন্ত্ৰীয়ে বিৰক্তিৰে ক'লে, "কৈছোৱেই নহয়। আমি একো কৰিব নোৱাৰো। চেক্ৰেটাৰীক কোৱাগৈ। চাপ্ৰাচী, মূৰত বগা টুপী পিন্ধা মানুহ কেইজনক ইয়ালৈ ভালদৰে মাতি আন।"

তেৰ

কমলে মন্ত্ৰীৰ কথাত হতাশমনে হোটেললৈ উভটিল। হোটেলত ঘৈণীয়েকক সকলো কথা ক'লে। কমলে ক'লে, "মন্ত্ৰীয়ে মোৰ কথা শুনক ছাৰি মইহে তেওঁৰ দুখৰ কথা শুনিব লগা হ'ল।"

ঘৈণীয়েকে ক'লে, "মন্ত্ৰীয়েতো ঠিকেই কৈছে। চেক্ৰেটাৰীয়ে যি কৰে তাতে তেওঁ তথাস্তু কৰিব। এতিয়া চেক্ৰেটাৰীয়ে যদি আপোনাক ভাল চাকৰি এটা দিয়ে, তেতিয়া মন্ত্ৰীৰ পৰা কোনো বাধা পোৱা নাযাব। গতিকে খাই বৈ আজিয়ে আবেলি চেক্ৰেটাৰীক অফিচতে দেখা কৰকগৈ।"

কমলৰ আজি আৰু উৎসাহ নাই। চকী এখনত ভাগৰ পলাবলৈ ভৰি মেলি বহি ক'লে, "বাৰু সেয়ে হব। এতিয়া খানচামাক মাতা।

খোৱাবোৱা কৰোঁ। মন্ত্ৰীৰ ঘৰৰ সমুখতো দুঘণ্টামান ওপৰ গিয়ৈহে থাকি ভবিৰ বিষত তত নোহোৱা হৈছে। পেটেও ইপিনে কলমলাইছে।"

খাইবৈ উঠি কমলে ভাগৰ পলাবলৈ বিছনাত দীঘল দিব খুজিছিল; কিন্তু ঘৈণীয়েকে ৰবকৈ কোৱাত চেক্ৰেটাৰীক দেখা কৰিবলৈ অফিচলৈ গ'ল। অফিচলৈ গৈ চেক্ৰেটাৰীৰ কোঠাৰ মুখতে বৈকুণ্ঠত গোসাইৰ ঘৰৰ দুৱাৰ মুখত থকা জয়বিজয়ৰ দৰে মূৰত দীঘল টুপী, গাত দীঘল পোছাক পিন্ধা চাপ্ৰাচীক পালে। কমলে চাপ্ৰাচীক তাৰ নাম ছপোৱা কাৰ্ড এটা দি চেক্ৰেটাৰীক সেইটো দিবলৈ ক'লে। চাপ্ৰাচীয়ে কিন্তু কাৰ্ড নলৈ কমলক ক'লে, 'এতিয়া দেখা নহব। চাহাবে ডেপুটি চেক্ৰেটাৰীৰ লগত মিটিং কৰিছে।' কমলে চাপ্ৰাচীক তেতিয়া ॥০ অনা পইচা বকচিচ দি কাৰ্ডটো চেক্ৰেটাৰীক দিবলৈ খাটিলে। বকচিচ পাই চাপ্ৰাচীয়ে কমলৰ হাতৰ পৰা কাৰ্ডটো নি চেক্ৰেটাৰীক দিলেগৈ আৰু চেক্ৰেটাৰীক ভাল চাহাবী পোছাক পিন্ধা ডাঙৰ মানুহ এজন অহা বুলি ক'লে। চেক্ৰেটাৰীয়ে কাৰ্ডত 'ডক্টৰ কমলেশ্বৰ' নাম দেখি কোনোবা ডাঙৰ ভদ্ৰলোক অহা বুলি ভাবি কমলক ভিতৰলৈ মাতি আনিবলৈ চাপ্ৰাচীক ক'লে।

কমলে চেক্ৰেটাৰীৰ কোঠা সোমাই 'গুড্ আফটাৰমুন, চাৰ' বুলি চেক্ৰেটাৰীক অভিবাদন কৰিলে। চেক্ৰেটাৰীয়ে "গুড্ আফটাৰ মুন, ডক্টৰ" বুলি প্ৰত্যাভিবাদন কৰি কমলক চকী এখনত বহিবলৈ অনুৰোধ কৰিলে। ডেপুটি চেক্ৰেটাৰী কমল ভিতৰ সোমোৱাত চেক্ৰেটাৰীক পিচত আহিম বুলিকৈ ওলাই গ'ল। কমলে তেতিয়া নিজৰ পৰিচয় দি আমেৰিকাত কেনেকৈ তিনিবছৰ শিক্ষা কৰিলে, কি কি পঢ়িলে ইত্যাদি সকলো কথা বিবৰি ক'লে। তাৰ পিচত ৰাতিপুৱা মন্ত্ৰীৰ লগত ভেট হোৱাৰ কথাও ক'লে আৰু মন্ত্ৰীৰ কথাতে কমলে এতিয়া চেক্ৰেটাৰীক দেখা কৰা বুলি ক'লে। চেক্ৰেটাৰীয়ে এতিয়া কমলক ভাল চাকৰি এটাত নিয়োগ কৰি তাৰ কষ্টেৰে অৰ্জা বিদ্যা কামত লগালে সি দেশৰ সেৱা কৰিবলৈ সুযোগ

পাই ধন্য মানিব। চেক্রেটাৰীয়ে যি কৰে মন্ত্ৰীয়ে তাতে সম্মতি দিব বুলি মন্ত্ৰীয়ে কোৱা বুলিও কমলে ক'লে।

চেক্রেটাৰীয়ে কমলৰ সকলো কথা শুনি প্ৰথমতে কোনোবা ডাঙৰ মানুহ অহা বুলি যি ব্যস্ততাৰ ভাব দেখুৱাইছিল, সেই ভাব এৰি এতিয়া প্ৰভুৰ ভাব ললে। চেক্রেটাৰী বয়সস্থ মানুহ। মূৰৰ চুলিও ভালেখিনি পকিছে। কাৰ লগত কেনেকৈ কথা কব লাগে জানে। বৃটিছৰ দিনত চেক্রেটাৰীয়ে কোনো মানুহৰ লগতে দেখা নকৰিছিল আৰু কাৰোবাৰ লগত দেখা কৰিলেও 'এইটো নহব, সেইটো নহব' বুলি কৈ ৰূঢ় ভাবে বিদায় দিছিল। বৃটিছৰ দিনত চেক্রেটাৰীয়ে গল্‌ফ, টেনিছ খেলিছিল, ক্লাবলৈ গৈ বল নাচ কৰিছিল। শনিবাৰে সদায় ৰেচ কোৰ্চলৈ গৈ ঘোঁৰদৌৰ খেলিছিল। তেতিয়া চেক্রেটাৰীৰ গাত ডেকা তেজো আছিল। এতিয়া চেক্রেটাৰীয়ে গল্‌ফ, টেনিছ আদি খেলা বাদ দিছে, বল নাচো বাদ দিছে, কেৱল মাজে মাজে অভ্যাসৰ দোষত ৰেচ কোৰ্চলৈ যায় আৰু কেতিয়াবা কেতিয়াবা ক্লাবত গৈও অকলে অকলে 'বাৰ'ত বহে। স্বাধীনতাৰ পিচত চেক্রেটাৰীৰ কথাবাৰ্তাৰো পৰিবৰ্তন হৈছে। এতিয়া কথাৰ সুৰ নৰম, অতি মিঠা। মানুহক ভদ্ৰ ভাবে ব্যৱহাৰ কৰে; কিন্তু কামত হ'লে সেই একেই, অৰ্থাৎ 'এইটো নহব' এই-খিনি কথা মানুহক বুজাকৈ, আশা ভঙ্গ নকৰাকৈ কৈ বিদায় দিয়ে। কমলৰ কথাত চেক্রেটাৰীয়ে ক'লে, "মন্ত্ৰীয়ে মোৰ কথাত 'তথাস্তু' কৰিব বুলি যি কৈছে সেইটো সঁচা কথাই কৈছে। পিচে মন্ত্ৰীৰ দৰে মোৰো অৱস্থা। ময়ো অফিচে যি কয় তাতে 'তথাস্তু' কৰোঁ। বাৰু ৰবা, মই চুপাৰিণ্টেণ্ডেণ্টক মাতি আনি সোধো। তোমাক এতিয়া 'তুমি' বুলি সম্বোধন কৰিছোঁ। বেয়া নাপাবা দেই।" এই বুলি চেক্রেটাৰীয়ে বেল টিপিলে। চাপ্ৰাচী আহিলত চুপাৰিণ্টেণ্ডেণ্টক মাতিবলৈ ক'লে। চাপ্ৰাচীয়ে গৈ চুপাৰিণ্টেণ্ডেণ্টক চাহাবে চেলাম দিয়া বুলি ক'লে। চুপাৰিণ্টেণ্ডেণ্ট অহাত চেক্রেটাৰীয়ে কমলক পৰিচয় দি ক'লে, "এওঁ আমেৰিকাত তিনিবছৰ থাকি ডক্টৰেট ডিগ্ৰী

লৈ আহিছে। পঢ়াশুনাত খুব নাম কৰিছে। এতিয়া এওঁক এওঁৰ বিদ্যা অনুযায়ী কামত খটাবলৈ আমাৰ কিবা কাম খালি আছে জানো?"

চুপাৰিণ্টেণ্ডেণ্টে ক'লে যে বিলাতৰ পৰা ঘূৰি অহা ছাত্ৰ-ছাত্ৰী সকলৰ বিষয় অন্য এজন কেৰাণীয়েহে কৰে। সেইজন কেৰাণীক নোসোধাকৈ তেওঁ একো কব নোৱাৰে। চেক্ৰেটাৰীয়ে তেতিয়া চুপাৰিণ্টেণ্ডেণ্টক কমলক লগত লৈ গৈ কমলৰ 'ফাইল'টো ভালদৰে চাবলৈ ক'লে। চুপাৰিণ্টেণ্ডেণ্টে কমলক তেওঁৰ লগত মাতি নি অন্য এজন কেৰাণীৰ লগত কমলৰ পৰিচয় কৰি দি সেইজন কেৰাণীক কমলৰ ফাইলটো চাবলৈ ক'লে। তেওঁ কমলৰ ফাইলটো উলিয়াই সকলোবোৰ কাগজ পত্ৰ চাবলৈ ধৰিলে। কমলৰ মনত তাৰ ফাইলটো যমৰজাৰ প্ৰধান সচীৱ চিত্ৰগুপ্তৰ খাটাৰ দৰে অনুমান হ'ল। চিত্ৰগুপ্তৰ খাটাত পাপ পুণ্যৰ হিচাপ থকাৰ দৰে সচীৱালয়ৰ কেৰাণীজনৰ হাতত থকা তাৰ ফাইলটোতো তাৰ ভূত ভৱিষ্যত কৰ্মৰ হিচাপো তাত লিপিবদ্ধ হৈ থকা যেন তাৰ ভাব হ'ল। কমলৰ ফাইলৰ সকলো কাগজ পত্ৰ চাই চিন্তি কেৰাণীজনে ক'লে, "মোৰ তলৰ কেৰাণীজনেও আপোনাৰ বাবে একো চাকৰি নাই বুলি লিখিছে। লো উৎপাদনৰ বিষয় জ্ঞান জনা কোনো মানুহৰ হেনো আৱশ্যক নাই।"

যমৰ নগৰত চিত্ৰগুপ্তই পাপ পুণ্যৰ হিচাপ মৃতাত্মাক শুনোৱাৰ দৰে কেৰাণীজনৰ পৰাও কমলে তাৰ ভাগ্যলিপি শুনি জাপ মাৰি উঠিল। কমলে খঙেৰে ক'লে, "লো উৎপাদনৰ জ্ঞান থকা মানুহৰ আৱশ্যক নাই। দেশত লোৰখনি আবিষ্কাৰ হৈছে। সেই লোৰ খনিৰ পৰা লো উৎপাদন কৰি কাৰখানা চলাবলৈ কোনো মানুহৰ দৰ্কাৰ নাই! এইবোৰ কি অদ্ভুত কথা লিখিছে?"

কেৰাণীজনে কমলক ৰাগ কৰিবলৈ মানা কৰি ক'লে, "বাক বৰ, মই তেখেতক সোধো তেখেতে কিয় এনেকৈ লিখিছে।"

সক কেৰাণীজন অলপ দূৰৈতে বহি আছিল। বৰ কেৰাণীজনে

সৰু কেৰাণীক তেওঁ এনেকৈ কিয় লিখি থৈছে সুধিলে। সৰু কেৰাণীজনে কমলৰ কথা শুনি আছিল। সেইবাবে তেওঁ খঙেৰে ক'লে, "তাকে নিলিখি কি লিখিব লাগে ? লো উৎপাদনৰ জ্ঞান থকা মানুহৰ আমাৰ কলেজতে আৱশ্যক নে বিশ্ববিদ্যালয়তে আৱশ্যক ? কাৰখানাতো হোৱাই নাই। চাকৰি তৈয়াৰ নকৰাকৈ এখেতক ক'ত বাক সোমায় ?"

কমলে তেতিয়া সৰু কেৰাণীজনক ক'লে, "চাকৰিকে তৈয়াৰ কৰক। কাৰখানা নিৰ্মাণ কৰিবলৈ, কাৰখানাৰ প্ৰাথমিক কামবোৰ কৰিবলৈ জানো বিশেষ জ্ঞান থকা মানুহৰ আৱশ্যক নাই ?"

"সেইবোৰ কাম কৰিবলৈ বিশেষ জ্ঞান থকা মানুহৰ আৱশ্যক নাই। সেইবোৰ কাম কৰিবলৈ আমাৰ এক শ্ৰেণীৰ মানুহ বৃটিছৰ দিনৰে পৰা আছে। এতিয়া স্বাধীনতাৰ পিচতো তেনে এক শ্ৰেণী মানুহ আমাৰ চৰকাৰে তৈয়াৰ কৰিছে। লোৰ কাৰখানাৰ জেনেৰেল মেনেজাৰ, সাৰ উৎপাদন কৰা কাৰখানাৰ জেনেৰেল মেনেজাৰ, বৈদ্যুতিক আচনিৰ জেনেৰেল মেনেজাৰ আদি কাম তেওঁলোকৰ বাবেহে—আপোনাৰ বাবে নহয়। কাৰখানাৰ প্ৰাথমিক কামৰ বাবেও আমাৰ চৰকাৰে আমাৰ ডেপুটি চেক্ৰে-টাৰীকে বাচি থৈছে।" সৰু কেৰাণীয়ে ক'লে।

"এইবোৰ কি অদ্ভুত কথা! লোৰ 'ল' টোকে নজনা মানুহে এইবোৰ কাম কৰিব ?" কমলে আচৰিত হৈ সুধিলে।

"এইবোৰ একো অদ্ভুত কথা নহয়। শাসন যন্ত্ৰ চলোৱাৰ জ্ঞান থকা মানুহে এইবোৰ কাম নকৰি কোনে কৰিব ? তেওঁলোক সকলোকামৰ বাবেই উপযুক্ত। শিক্ষাই হওক, কৃষিই হওক, শিল্পই হওক, যি কোনো বিষয়তে তেওঁলোক উপযুক্ত, যি কোনো বিষয়তে তেওঁলোকে আনক পৰিচালনা কৰিব পাৰে। বৃটিছে এই সকলো বিষয়তে উপযুক্ত, সকলো বিষয়তে লগাবপৰা এই শ্ৰেণীৰ মানুহৰ তৈয়াৰ নকৰাহেঁতেন, স্বাধীনতাৰ পিচত আমাৰ দেশত কি বিপৰ্যয়ে যে নহ'লহেঁতেন !" সৰু কেৰাণীয়ে ক'লে।

কমলে তেতিয়া এই লৈ কথা কটাকটি কৰা অনুচিত বুলি ভাবি সৰু কেৰাণীক ক'লে, "লোৰ কাৰখানাৰ প্ৰাথমিক কাম কৰিবলৈ ডেপুটি চেক্ৰেটাৰীৰ ঠাইত দেখোন মোৰ নামকে প্ৰস্তাব কৰিব পাৰে? যদি অগত্যা তেনেকৈ লিখিলে ডেপুটি চেক্ৰেটাৰীয়ে বেয়া পায় বুলি ভাবে তেনেহ'লে ডেপুটি চেক্ৰেটাৰীৰ সহকাৰী হিচাপেও মোৰ নাম উল্লেখ কৰিব পাৰে। ডেপুটি চেক্ৰেটাৰী জন বুৰঞ্জীৰহে মানুহ। শুনিছো তেওঁ হেনো মাত্ৰ বি,এ,। গতিকে তেওঁৰ তলত লোৰ জ্ঞান থকা এজন মানুহ সহকাৰী হিচাপে থকা নিশ্চয় আৱশ্যক।"

সৰু কেৰাণীয়ে তেতিয়া বিজ্ঞ মানুহৰ দৰে ক'লে, "মই সেইটো কেতিয়াও নকৰোঁ। এজন মানুহে কৰিব পৰা কামত দুজন বেচি দৰ্মহাৰ মানুহ লব লাগে বুলি লিখিলে চেক্ৰেটাৰীয়ে বা মোক কি ভাবিব? আপোনাৰ কথামতে আপোনাক বেচি দৰ্মহাৰ চাকৰি দিব লাগে বুলি লিখিলে মোৰ কি লাভ? বৰং লোকচানৰহে ভয়। চেক্ৰেটাৰীয়ে মোৰ লিখা বেয়া পালে মোৰ জানো প্ৰমোচন হব? আপোনাৰ বিষয় যি কৰিব লাগে তাক মই 'নোটত' লিখিয়ে থৈছোঁ। আপুনি এইদেদ কলেজত আগেয়ে প্ৰফেচাৰি কৰিছিল। এতিয়াও সেই কলেজতে চাকৰি কৰক। ভৱিষ্যতে কেতিয়াবা আপোনাৰ দৰ্কাৰ হ'লে আমি মাতি আনিম।"

বৰ কেৰাণীয়েও তেতিয়া সৰু কেৰাণীৰ কথাতে হয় ভৰ দিলে আৰু কমলক আগৰ এইদেদ কলেজতে বৰ্ত্তমানে চাকৰি কৰি থাকিবলৈ ক'লে। ইয়াৰ পিচত বৰ কেৰাণীয়ে কমলক চুপাৰিণ্টেণ্ডেণ্টৰ ওচৰলৈ নি কমলৰ বিষয় ফাইলত কি লিখা আছে সেই কথা চুপাৰিণ্টেণ্ডেণ্টক ক'লে। চুপাৰিণ্টেণ্ডেণ্টেও সৰু কেৰাণীৰ কথাতে হয় ভৰ দিলে। কমলে তেতিয়া পুনৰ চেক্ৰেটাৰীক দেখা কৰি সকলো কথা ক'লে। চেক্ৰেটাৰীয়েও সৰু কেৰাণীৰ কথাতে হয় ভৰ দিলে আৰু কমলক বৰ্ত্তমানে আগৰ কলেজতে প্ৰফেচাৰ হৈ থাকিবলৈ ক'লে। চেক্ৰে-টাৰীয়ে কমলক লগতে এইটো আশ্বাসো দিলে, "কলেজত তুমি বেচি

দিন থাকিব নালাগিব। কেইমাহমানৰ ভিতৰতে খুবসম্ভৱ আমি তোমাক উপযুক্ত কাম দিব পাৰিম। এতিয়া ইমান দিনৰ মূৰত বিদেশৰ পৰা অহাৰ পিচত আগৰ চিনাকী বন্ধুবান্ধৱবোৰৰ লগত কলেজত কেইমাহমান কাম কৰিলে তোমাৰে ভাল লাগিব। চাকৰিৰ পৰা ছুটি লৈ জিৰণিত থকা যেন পাবা।”

কমলেও চেক্রেটাৰীৰ মিঠা কথাত আৰু আশ্বাসত ভোল গৈ বৰ্তমানে আগৰ কলেজতে প্ৰফেচাৰী কৰা ভাল বুলি ভাবিলে। চেক্রেটাৰীয়েতো কৈছেই কেইমাহমানৰ পিচতে কমলৰ ভাল চাকৰি হ'ব। কমলে হোটেললৈ গৈ কমলৰ বাবে অধীৰ আগ্ৰহৰে অপেক্ষা কৰি থকা ঘৈণীয়েকক সকলো কথা ক'লে। “মই আগতেই কৈছিলো নহয় ৰাজধানীলৈ অহাৰ কোনো আৱশ্যক নাই বুলি। এতিয়া মোৰ কথাই ঠিক হ'ল। মোৰ চিঠি পত্ৰ সকলো অফিচত পাইছে আৰু মোক ভাল চাকৰি নোহোৱা পৰ্য্যন্ত আগৰ কলেজতে বৰ্তমানে চাকৰি কৰি থাকিব লাগে বুলি সক কেৰাণীয়ে চিঠি এখনো লিখি থৈছে। দুই এদিনতে চেক্রেটাৰীয়ে সেই চিঠিত চহি কৰি চিঠিখন মোলৈ ডাক যোগে পঠাবও।”

কমলৰ কথাত ঘৈণীয়েকে একো উৎসাহ বোধ নকৰিলে। ঘৈণীয়েকে ক'লে, “আপোনাৰ পুৰণি বন্ধু গোসাইৰ ল'ৰাই হেনো ইয়াত বৰ ডাঙৰ চাকৰি কৰে। তেওঁতো একো পাচকে কৰা নাই। তথাপি শুনিছোঁ তেওঁ হেনো ডাঙৰ ঘৰ, চাকৰবাকৰ, মটৰ আদি পাইছে। তেওঁক কাইলৈ দেখা কৰিলে কিজানি কিবা এটা আপোনাৰো হয়েই।”

ঘৈণীয়েকৰ কথাত কমলে ক'লে, “ধনেশ্বৰে এতিয়া মোক চাকৰি যোগাৰ কৰি দিব! আগেয়ে তাক মই হাতত ধৰি লৈ ফুৰাইছিলোঁ। পিন্ধিব নাজানে, খাব নাজানে, কথা কব নাজানে; কোনো ছোৱালীয়েও তাক বিয়া কৰাব খোজা নাছিল।”

কমলৰ কথাত ঘৈণীয়েকে ক'লে, “তথাপি এবাৰ কাইলৈ দেখা কৰক। আপোনাৰ আগৰ নলে গলে লগা পুৰণি বন্ধু নহয় জানো?”

"বাক, বাক, সেইটো হব। এতিয়া মোৰ বৰ পিয়াহ লাগিছে। পিয়াহতে অষ্ঠ কণ্ঠ শুকাই গৈছে। এটোপাল পানী আগতে দিয়া।" কমলে ক'লে।

কমলৰ কথাত ঘৈণীয়েকে বটলৰ পৰা পানী এগিলাছ ঢালি আনি কমলৰ আগত ধৰিলেহি। কমলে তেতিয়া ক'লে "এই পানীৰ কথা মই কোৱা নাই। এই পানীয়ে জানো মোৰ অন্তৰৰ পিয়াহ পলাব পাৰিব? তোমাৰ ওঁঠৰ মৌ মিহলোৱা পানীয়েহে মোৰ পিয়াহ গুচাব পাৰিব।" এই বুলি কমলে ঘৈণীয়েকক সাবোটি ধৰি চুমা খালে। ঘৈণীয়েকে 'ধেৎ' বুলি মৃদু আপত্তি কৰিলে।

চৈধ্য

পিচদিনা ৰাতিপুৱা চাহ জলপান খোৱা শেষ কৰি ঘৈণীয়েকৰ পিড়াপিড়িত কমল দুৰ্যোৰ অনিচ্ছা সত্বেও সাজি পাৰি ধনেশ্বৰক দেখা কৰিবলৈ ওলাল। ঘৈণীয়েককো লগত ওলাবলৈ ক'লে। কমলৰ কথাত ঘৈণীয়েকে গা পা ধুই কানি কাপোৰ পিন্ধি ওলাবলৈ গ'ল: ইতিমধ্যে কমলে টেলিফোনত ধনেশ্বৰৰ লগত দেখা সাক্ষাতৰ বন্দবস্ত কৰিবলৈ হোটেলৰ অফিচ ঘৰলৈ ওলাই গ'ল। কমলে টেলিফোন গাইদত ধনেশ্বৰৰ টেলিফোনৰ নম্বৰটো বিচাৰিলে; কিন্তু ধনেশ্বৰৰ নাম বিচাৰি নাপালে। অৱশেষত হঠাৎ কমলৰ মনত পৰিল আমেৰিকা এৰাৰ সময়ত ধনেশ্বৰে কমললৈ লিখা চিঠিখনলৈ। সেই চিঠিত ধনেশ্বৰ যে 'মিষ্টাৰ ধান' হৈছে লিখা আছিল। টেলিফোন গাইদত মিষ্টাৰ ধানৰ নাম বিচাৰি পাই কমলে টেলিফোন কৰিলে। অলপ পিচতে টেলিফোনৰ সিমূৰৰ পৰা কোৱা তিৰোতা মানুহৰ মিঠা বিদেশী মাতৰ 'হেলো' শুনিলে। কমলে তিৰোতাৰ মাত শুনি মিচেচ ধানে টেলিফোনত কোৱা বুলি জানিলে। কমলে 'গুদ্‌মৰ্নিং, মিচেচ ধান' বুলি অভিবাদন কৰিলে। টেলিফোনৰ সিমূৰৰ পৰা 'গুদ্‌মৰ্নিং', বুলি প্ৰত্যাভিবাদন আহিল। কমলে তেতিয়া মিষ্টাৰ

ধানৰ লগত কথা কৰলৈ বিচাৰিলে। কমলৰ কথাত মিষ্টাৰ ধান টেলিফোনলৈ আহি উত্তৰ কৰিলে, "মিষ্টাৰ ধান স্পিকিং।" কমলে তেতিয়া তাৰ নাম ধাম কৈ তাক চিনি পায়নে বুলি ইংৰাজীত সুধিলে ; কাৰণ টেলিফোনত কথা কোৱা মিষ্টাৰ ধান মদনপুৰসত্ৰৰ গোসাইৰ ল'ৰা ধনেশ্বৰ নহৈ আন কোনোবা 'ধানো' হব পাৰে। মিষ্টাৰ ধানে কমলৰ পৰিচয় পাই নিজ মাতৃভাষাত কৈ উঠিল, "অ কমল, কেতিয়া আমেৰিকাৰ পৰা আহিলি ? এতিয়া ক'ৰ পৰা কথা কৈছ ?" কমলে আমেৰিকাৰ পৰা দুমাহমান আগতে অহা বুলি আৰু বৰ্তমানে ৰাজধানীৰে হোটেল এটাৰ পৰা কথা কোৱা বুলি ক'লে। লগতে ধনেশ্বৰৰ সৈতে যে কমলৰ দৰ্কাৰি কথা আছে সেইটোও জনালে। ধনেশ্বৰে তেতিয়া কমল আৰু কমলৰ ঘৈণীয়েকক দুপৰীয়া তাৰ ঘৰলৈ 'লাঞ্চ' খাবলৈ মাতিলে। কমলে কিন্তু দুপৰীয়া তাৰ কিবাকিবি আন দৰ্কাৰি কাম আছে বুলি 'লাঞ্চ'ৰ নিমন্ত্ৰণ ভদ্ৰ-ভাবে প্ৰত্যাখান কৰিলে আৰু এতিয়াই ধনেশ্বৰৰ লগত দেখা হব নে সুধিলে। ধনেশ্বৰে 'নিশ্চয়, নিশ্চয়' বুলি ক'লে ; কিন্তু কমলে জানো ধনেশ্বৰৰ ঘৰ বিচাৰি উলিয়াব পাৰিব ? ধনেশ্বৰে সেইবাবে কমলক ক'লে, "তই আৰু তোৰ পৰিবাৰে কাপোৰ-কানি পিন্ধি ওলাই থাকিবি। ঠিক ১০ বজাত মোৰ মটৰ গৈ তহঁকত হোটেলৰ পৰা মোৰ ঘৰলৈ লৈ আনিব। এতিয়া গুদ্‌বাই, কমল।"

টেলিফোনত ধনেশ্বৰৰ লগত দেখা সাক্ষাতৰ সকলো বন্দবস্ত কৰি কমল তাৰ কোঠাত সোমাই দেখে যে ঘৈণীয়েকে পাটৰ ৰিহা মেখেলা, চাদৰ পিন্ধি, খোপাত ফুল এটা লৈ সাজি কাছি ধুনীয়া পখিলাটোৰ দৰে চকীত বহি আছে। কমলৰ তেতিয়া ঘৈণীয়েকক পৃথিবীৰ ভিতৰতে আটাইতকৈ বেচি ধুনীয়া যেন লাগিল। তাহানি সত্যযুগত সকলো ধুনীয়া বস্তুৰে সৌন্দৰ্য্য তিল তিলকৈ লৈ বিধাতাই তিলোত্তমাক স্ৰজন কৰিছিল। তাৰ ঘৈণীয়েকেই যেন সেই তিলোত্তমা। কমলৰ অন্তৰ ঘৈণীয়েকৰ প্ৰতি প্ৰেমৰ ৰসেৰে ভৰি পৰিল। শৰীৰ উত্তেজিত হৈ উঠিল। শিৰা উপশিৰাৰে গৰম তেজ

ববলৈ ধৰিলে। কমলে বলিয়া হাতীৰ দৰে একো নভবা নিচিন্তাকৈ ঘৈণীয়েকক সাবোটি ধৰিলেগৈ, জোৰকৈ বুকুত চেপি ধৰিলে আৰু জোৰকৈ ঘৈণীয়েকৰ ওঁঠ দুটা কমলৰ ওঁঠৰ মাজত সোমাই লৈ চুহিবলৈ ধৰিলে। কমলৰ এই আকস্মিক আক্রমণলৈ ঘৈণীয়েক অকণো প্রস্তুত নাছিল। সেইবাবে কমলৰ আক্রমণত ঘৈণীয়েকে প্রথমতে বাধা দিব পৰা নাছিল ; কিন্তু ক্ষন্তেক পিচতে কি হ'ল ধৰিব পাৰি ঘৈণীয়েকে ছতফতাবলৈ ধৰিলে আৰু কিছু সময় এইদৰে ছতফতাই থাকি কমলৰ আলিঙ্গনৰ পৰা নিজকে মুক্ত কৰিলে, ওঁঠ দুটাও কমলৰ ওঁঠৰ মাজৰ পৰা উলিয়াই আনিলে আৰু কমলক এনেকৈ নভবানিচিন্তাকৈ সাৱোটি ধৰা বাবে খং কৰিলে। কমলৰ আলিঙ্গনত ঘৈণীয়েকৰ নতুন কানি কাপোৰৰ ভাজ নষ্ট হোৱাত বিৰক্তি প্রকাশ কৰিলে। কমলৰ দানবীয় চুমাৰ চিন গালত, ওঁঠত প্রকাশ পোৱাত ঘৈণীয়েকৰ বৰ খং উঠিল। ধুনীয়া পখিলাৰ আলফুল ডেউকা দুখনি মানুহৰ নিষ্ঠুৰ স্পর্শত নষ্ট হোৱাৰ দৰে কমলৰো নিষ্ঠুৰ আলিঙ্গনত ঘৈণীয়েকৰ ধোবাই ধোৱা কানি কাপোৰ, অতি কষ্টেৰে পাউদাৰ, স্নো আদি সানি ধুনীয়া কৰি ৰখা নিমজ গাল দুখনি, বহু সময় ধৰি বন্ধা খোপাটো নষ্ট হোৱাত ঘৈণীয়েকৰ সঁচাকৈ কমলৰ ওপৰত খং উঠিল। খং আৰু দুখত দুই চকুৰ পৰা পানীও ওলাল। আয়নাৰ ওচৰলৈ গৈ আকৌ পাউদাৰ আদি নতুনকৈ সানি কমলৰ দানবীয় চুমাৰ চিনবোৰ লুকাই ৰাখিবলৈ যত্নকৰি খঙেৰে ক'লে, "সময় অসময় নোহোৱাকৈ এনেবোৰ কাম কৰা মই ভাল নাপাওঁ। মানুহৰ আগত এনেয়ে মোক ওলাব নোৱাৰা কৰিছে। এইবাৰ ঘৰত মায়ে গালত ক'লা ক'লা দাগবোৰ দেখি সেইবোৰ কি বুলি মোক সুধিছিল। মই কি কম ? মায়ে পিচত বুজিলে আপোনাৰ কীৰ্তিৰ কথা আৰু মোক মানুহৰ আগত ওলাওঁতে গালত পাউদাৰ আদি সানি ক'লা দাগবোৰ লুকাই ৰাখি ওলাবলৈ ক'লে। এতিয়া, দেখক কি কৰিলে ? কানি কাপোৰ বোৰবো ইস্ত্রি নষ্ট হ'ল !"

কমলে তেতিয়া ঘৈণীয়েকক ক'লে, "তোমাক দেখিলেই মই দেখোন বৰ নেৰ্ব্বাৰা হওঁ। মই ইচ্ছা কৰি জানো ধুনীয়া পখিলাৰ নিমজ পাখি দুখনি নষ্ট কৰিবলৈ বিচাৰোঁ? তোমাৰ সৌন্দৰ্য্যই মোক মতলীয়া কৰে। আকৌ অন্য মানুহলৈ লাজ বা ভয়কে কিয় কৰিব লাগে? সকলোৱেতো জানে আমি স্বামী স্ত্ৰী আৰু তোমাৰ গালৰ চিন তোমাৰ স্বামীয়ে কৰা বুলিয়ে আনে ধৰি লব। বিয়াবাৰু নোহোৱা ছোৱালীৰ গালত তেনে চিন থকা অৱশ্যে লাজ আৰু ভয়ৰ কথা। স্বামীৰ সঙ্গত থকা বিবাহিতা স্ত্ৰীৰ তাত কিয় লাজ বা ভয় হব লাগে মই বুজি নাপাওঁ।"

"সেইবুলি মোৰ লাজ নালাগে নেকি? বাৰু এতিয়া কি হ'ল আপোনাৰ বন্ধুৰ লগত দেখা সাক্ষাতৰ?"

কমলে ক'লে, "১০ বজাত ধনেশ্বৰৰ মটৰ গাড়ী আহি আমাক হোটেলৰ পৰা লৈ যাব। এতিয়াও এঘণ্টা সময় বাকী। তুমি কানি কাপোৰবোৰ ঠিক কৰি ওলোৱা। নতুন কাপোৰ এযোৰকে পিন্ধা। মইও গা পা ধুই ওলাওঁ।" এইবুলি কমল গা ধোৱা ঘৰত সোমাবলৈ গ'ল।

ঠিক দহবজাত ধনেশ্বৰৰ প্ৰকাণ্ড ধুনীয়া মটৰগাড়ীখন আহি হোটেল পালেহি। কমল আৰু ঘৈণীয়েক গাড়ীৰ পিচত বহিল। ধনেশ্বৰৰ গাড়ী ৰাজধানীৰ অকিয়া পকিয়া ৰাস্তাৰে আহি ৰাজধানীৰ সোঁমাজতে থকা 'লেক'ৰ ওচৰৰ এটা প্ৰকাণ্ড ধুনীয়া বঙলাত সোমাল। বঙলাৰ গেটত দুৱাৰ খুলিবলৈ ড্ৰাইভাৰে মটৰ ৰখা সময়ত কমলে ধনেশ্বৰৰ নাম ফলিখন লক্ষ্য কৰিলে। নাম ফলিত লিখা আছিল। "Mr. Dhan M. A. (Cal.), Gold Medalist, A. M. A. M. O., M. A. S. A., F. A. H. K. S. etc." (মি. ধান এম, এ, (কেল,) গোল্ড মেদালিষ্ট এ, এম, এ, এম, ও ; এম, এ, এছ, এ ; এফ, এ, এচ, কে, এছ, ইত্যাদি। ধনেশ্বৰ আৰু ধনেশ্বৰৰ বিলাতী ঘৈণীয়েক বঙলাৰ সমুখত থকা ধুনীয়া ঘাঁহনিৰ মাজত দুখন আৰামী চকীত বহি ৰ'দ লগাই আছিল। ঘাঁহনিৰ

ঘঁাহবোৰ ছুটি ছুটিকৈ এনে ধুনীয়াকৈ কাটি ৰখা হৈছে যে সেই ঘঁাহনিখনক এখন সেউজীয়া দলিছা বুলি বহুতে ভুলকে কৰিব। ঘঁাহনিৰ ঠায়ে ঠায়ে অঁকা বং বেৰঙৰ ফুলবোৰ যেন কোনোবা নিপুণ শিল্পীয়ে ৰচা দলিছাৰ ফুলহে। ধনেশ্বৰৰ হাতত ইংৰাজী খবৰৰ কাগজ আৰু ঘৈণীয়েকৰ হাতত এখন ইংৰাজী উপন্যাস। দুয়োৰো মাজত এখন সৰু টেবুল। তাত ছিগাৰেটৰ ছাই পেলোৱা ধুনীয়া থাল। ধনেশ্বৰে আমেৰিকাৰ ফ্লাম হাৱাইন চাৰ্ট পিন্ধি আছে। ঘৈণীয়েকে বুকুৰ স্তন হালি উধানৰ দৰে উন্নত কৰি লৈ বগা ব্লাউচ আৰু ক'লা স্কাৰ্ট পিন্ধিছে। কমলে ধনেশ্বৰক প্ৰথমতে চিনিবকে পৰা নাছিল। সেই কপালত ফোট মৰা, দীঘল চুলি ৰখা, জুতা নিপিন্ধা, আঠুৰ মুৰত ধুতি পিন্ধা মদনপুৰৰ গোসাইৰ ল'ৰা ধনেশ্বৰবো যে এনে পৰিবৰ্তন হব পাৰে কমলে ভাবিবকে পৰা নাছিল।

কমল আৰু কমলৰ ঘৈণীয়েকক দেখি ধনেশ্বৰেই চিঞৰি উঠিল "Hello, Kamal, my buddy, how are you ?" (হেলো কমল, মাই বাদি, হাউ আৰ ইউ ?) তাৰ পিচত কমলৰ ঘৈণীয়েকক কলে, 'গুড মৰ্ণিং, মাদাম, হাউ আৰ ইউ ?"

কমলে ধনেশ্বৰক ক'লে, "ধনেশ্বৰ তোৰ যে ইমান পৰিবৰ্তন হব পাৰে মই ভাবিবই পৰা নাছিলোঁ। তোৰ দেখিছোঁ আগৰ ধনেশ্বৰৰ লগত কোনো তুলনাই নহয় !"

কমলৰ কথাত ধনেশ্বৰে ক'লে, "সেই তাহানিৰ ধনেশ্বৰ কেতিয়াবাই মৰিল। সি আৰু নাই। মই মিষ্টাৰ ধান। মোক ধান বুলিহে মাতিবি।" এই বুলি কৈ ধনেশ্বৰে হাঁহিলে। তাৰ পিচত ঘৈণীয়েক বাৰবাৰাৰ লগত কমল আৰু কমলৰ ঘৈণীয়েকক পৰিচয় কৰাই দি ক'লে, "মৌমুখী, এওঁ কমল, মোৰ নলেগলে লগা বন্ধু আৰু এওঁ মিচেচ কমল।" (Honey, this is Mr. Kamal my buddy and this is Mrs. Kamal.)

বাৰবাৰাই তেতিয়া "হাউ ডু ইউ ডু, মিষ্টাৰ কমল, হাউ ডু ইউ ডু

মিচেচ কমল" বুলি মৃদু হাঁহিৰে দুয়োকো অভিবাদন কৰিলে। কমলে তাৰ নিজৰ আৰু ঘৈণীয়েক কমলাৰ হৈ উত্তৰ দি ক'লে, "বেচ ভাল, ধন্যবাদ, আপুনি কেনে মিচেচ ধান?" (Fine, thank you. How do you do Mrs. Dhan ?)। বাৰবাৰাই "বেচ ভাল, ধন্যবাদ" বুলি ক'লে। এই দৰে চিনা পৰিচয় হৈ যোৱাৰ পিচত ধনেশ্বৰে কমলৰ লগত নিজ ভাষাৰে কথা পাতিবলৈ ধৰিলে। বাৰবাৰাক ক'লে, "মৌমুখী আমি যদি কিবা দুর্বোধ ভাষাত কথা পাতো তাৰ বাবে দোষ নধৰিবা" (Excuse us, honey, if we speak in some unintelligible tongue)। বাৰবাৰাই ক'লে, "ধান, তোমালোকে কথা পাতা। মই জানো তোমালোকে দুয়ো বিশেষ বন্ধু।" তাৰ পিচত কমলৰ পিনে চাই ক'লে "কমল, তোমাৰ বিষয় ধানে বহুত কথা কৈছে।" বাৰবাৰাই মিষ্টাৰ কমল কব এৰি খালি কমল বুলি ঘনিষ্ঠ সম্বোধন কৰাত কমলে ভাল পালে আৰু প্ৰথম দেখাৰ লাজ, সঙ্কোচ গুচাত হাঁহি উত্তৰ দিলে "ধানে মোৰ বিষয় কি কব পাৰে? সি নিশ্চয় বহুত মিছা কথা কৈছে, মিচেচ ধান।" কমলৰ কথাত সকলোৱে হাঁহিলে। তেতিয়া বাৰবাৰাই ক'লে "কমল, মোক বাৰবাৰা বুলি মাতিবা।"

ধনেশ্বৰে ঘৈণীয়েকৰ কথাত হাঁহি ক'লে, "আহাহা, দুয়ো ইতিমধ্যেই প্ৰেমত পৰিলা। মিচেচ্ কমল, তোমাৰ স্বামীক কিন্তু ভালদৰে প্ৰহৰা দিবা।" (Ah, both of you have already fallen in love. Now, Mrs. Kamal, guard your husband carefully.) ধনেশ্বৰৰ কথাত সকলোৱে পুনৰ হাঁহিলে। তাৰ পিচত ধনেশ্বৰে ঘৈণীয়েকক ক'লে, "মৌমুখী, তুমি মিচেচ কমলক ভিতৰলৈ মাতি নি আমাৰ ছবিৰ এলবামটো কিয় নেদেখুৱাগৈ?"

বাৰবাৰাই ধনেশ্বৰৰ কথাত হাঁহি ক'লে, "বাৰু, তোমালোক দুষ্ট ল'ৰা দুজনে নিজৰ ভিতৰতে বোধকৰো কথা পাতিব খুজিছা?" (Ah ! you two naughty boys want to speak amongst

yourselves) এই বুলি বাৰবাৰাই কমলৰ ঘৈণীয়েকক ছবিৰ এলবাম দেখুৱাবলৈ ভিতৰলৈ মাতি নিলে।

ছয়োজনী মাইকী মানুহ ভিতৰলৈ সোমোৱাত ধনেশ্বৰে কমলক আমেৰিকাৰ পৰা কেতিয়া আহিলে, এতিয়া কি কৰিছে এইবোৰ সকলো কথা সুধিলে। কমলে-ধনেশ্বৰক সকলো কথা বিবৰি ক'লে। আমেৰিকাৰ পৰা ঘূৰি অহাৰ আজি ছমাহৰো ওপৰ হোৱা সত্বেও আৰু তাৰ আমেৰিকাত লভা শিক্ষা আদিৰ সকলো বিশদ বিবৰণ চৰকাৰক জনাই দিয়া সত্বেও চৰকাৰে তাৰ কোনো খা-খবৰ নোলোৱাত শাহুৱেক, শহুৰেক, ঘৈণীয়েক আদি সকলোৰে কথাত চৰকাৰেনো তাক কি চাকৰি বাকৰি দিব খুজিছে, ক'ত নো তাৰ শিকি অহা বিদ্যা খটুৱাব খুজিছে এইবোৰ খা-খবৰ লবলৈ সি ৰাজধানীলৈ আহিছে। যোৱাকালি মন্ত্ৰীৰ লগত আৰু চেক্ৰেটাৰীৰ লগত দেখা সাক্ষাৎ হোৱাৰ কথাও কমলে ক'লে।

"মন্ত্ৰীয়ে কি ক'লে?" ধনেশ্বৰে সুধিলে।

"মন্ত্ৰীয়ে কি কব আৰু? তেওঁ হেনো 'তথাস্তু' কৰাহে। সকলো কথা হেনো চেক্ৰেটাৰীয়ে কৰে। ইয়াৰ পিচত তেওঁ নিজৰ কথাকে গালে। তেওঁ কি কৰিম বুলি ভাবিছিল, কেনেকৈ তেওঁৰ আগৰ সহকৰ্মীসকলৰ বাবে এতিয়া সেই সকলো পৰিকল্পনা বাদ দি মন্ত্ৰীত্ব বজায় ৰখাতে ব্যস্ত থাকিবলগীয়া হৈছে তাকে গালে।"

"চেক্ৰেটাৰীয়ে কি ক'লে?" ধনেশ্বৰে পুনৰ সুধিলে।

"চেক্ৰেটাৰীও মন্ত্ৰীৰ দৰেই ক'লে। তেওঁ হেনো কেৱল 'তথাস্তু' হে কৰে। সকলো কথা হেনো তেওঁৰ অফিচেহে কৰে। এইদৰে চেক্ৰেটাৰীৰ পৰা অফিচ চুপাৰিণ্টেণ্ডেন্ট, উচ্চবিভাগৰ কেৰাণী আৰু শেষত নিম্নবিভাগৰ কেৰাণীক লগ ধৰিলোঁ। নিম্নবিভাগৰ কেৰাণীয়ে মোৰ ফাইলত লিখি থৈছে "বৰ্ত্তমানে কোনো চাকৰি এওঁক দিবলৈ নাই। চাকৰি নোহোৱা পৰ্য্যন্ত আগৰ চাকৰিকে তেওঁ কৰি থাকক।" এই কথাত ইয়াৰ পিচত উচ্চবিভাগৰ কেৰাণীয়ে ছয়ভৰ দিলে, চুপাৰিণ্টেণ্ডেণ্টে ছয়ভৰ দিলে, আৰু

চেক্রেটাৰীও হয়ভুৰ দিলে। এতিয়া কমলাৰ কথাত তই কিবা সুবিধা কৰি দিব পাৰিবি নে তাকে সুধিবলৈ আহিছোঁ। তইতো খুব ডাঙৰ চাকৰিকে কৰ ?"

বন্ধুৰ কথা শুনি ধনেশ্বৰে খং কৰি ক'লে, "মন্ত্ৰী আৰু চেক্রেটাৰী যদি কেৱল 'তথাস্তু' কৰাহে তেনেহ'লে তেওঁলোকৰ দৰ্কাৰে বা কি ? মন্ত্ৰীৰ চকিত, চেক্রেটাৰীৰ চকিত একোটা চাব মৰা মেচিন বহাই থলেই হয় দেখোন ? তেতিয়া টকাও ৰাহি হয়, কামো সোনকালে হয়। মন্ত্ৰীয়ে বাৰু একো নাজানেই। চেক্রেটাৰীয়েতো জনা উচিত। তেওঁকতো চৰকাৰে তিনিহাজাৰ টকা মাহে দৰ্মহা দিছে, মটৰ দিছে, ঘৰ দিছে। কিন্তু ইমানবোৰ দিয়া হৈছে ? এনেবোৰ মানুহ ওপৰত থাকি শাসন চলাই থাকিবলগীয়া হ'লে দেশৰ কি যে গতি হ'ব তাক মই ধৰিবকে পৰা নাই। পাচে এটা কথা ; তেওঁলোকৰ বোধকৰো তোক চাকৰি দিয়াৰ মতলব নাই। সেইবাবেই সেইবোৰ গাইছে। ডেপুটি চেক্রেটাৰীক নিদি তোকে দেখোন সেই চাকৰিটো সহজেই দিব পাৰিলেহেতেঁন। যোগ্যতা হিচাপে তোৰহে দেখোন সেই চাকৰি পোৱা উচিত। আচলতে দিব খুজিলে একেদিনাই তোক হাজাৰ টকাৰ চাকৰি দিব পাৰে। মই কেনেকৈ চাকৰি পালো জান ?"

"কেনেকৈ ?" কমলে সুধিলে।

"মই আমেৰিকাৰ পৰা বাৰবাৰাক লগত লৈ পোনে পোনেই ৰাজধানীলৈ আহোঁ আৰু তোৰ দৰেই ৰাজধানীত ডাঙৰ হোটেল এটাত থাকিবলৈ লওঁ। আমেৰিকাৰ পৰা আহি পোৱা সময়ত হাতত সামান্য মাথোন টকা আছিল। হোটেলৱালাই কিমান টকাৰ মই মানুহ সেইটো তেতিয়াই জনাহেঁতেন হোটেলত থাকিবকে নিদিলে-হেঁতেন। পিচে বিলাতী মেম বিয়া কৰোৱাৰ এইটোৱে সুবিধা। মোৰ লগত বাৰবাৰাক দেখি হোটেলৱালাই খুব শশব্যস্ত হৈ হোটেলৰ আটাইতকৈ ভাল আৰু দামী কোঠাটোতে থাকিবলৈ দিলে। আমিও খুব ভাল খানা আৰু দামী সুৰা পি থাকিবলৈ ধৰিলোঁ। দামটো

লগে লগেই দিব নালাগে। হোটেলৰ পৰা যোৱাৰ সময়তহে দিব লাগে। পিচদিনা টেক্সিত উঠি মন্ত্ৰীৰ ওচৰলৈ গলোঁ। চাপ্ৰাচীয়ে আমি চাহাব মেমক দেখি দীঘল চেলাম দি আমাক ড্ৰইং ৰুমত বহালেগৈ আৰু মন্ত্ৰীক মোৰ ছপোৱা কাৰ্ড দিলেগৈ। মোৰ কাৰ্ড দেখিছ জানো ? এই চা।"

কমলে ধনেশ্বৰৰ কাৰ্ডটো চাই আচৰিত হৈ সুধিলে, "তই দুবছৰতে আমেৰিকাত ইমানবোৰ ডিগ্ৰী ললিনে ? আকৌ তই দেখোন এম. এ দ্বিতীয় শ্ৰেণীৰ একেবাৰে শেহৰ স্থান অধিকাৰ কৰিহে পাচ কৰিছিলি ? সোণৰ মেডেল কেতিয়া পালি ? সোণৰ মেডেল ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্টক হে দিয়ে।"

ধনেশ্বৰে কমলৰ কথাত ক'লে, "তই একেবাৰে একো নাজান। আগেয়ে তই মোক শিকাইছিলি। এতিয়া দেখিছোঁ মযে তোক শিকাব লাগিব। শুন, A. M. A. M. O. (এ, এম, এ, এম, ও)ৰ অৰ্থ হ'ল এচোচিয়েট মেম্বাৰ অব আমেৰিকান মাৰ্কেটিং অৰগেনিজেচন্ (Associate Member of American Marketing Organisation), এম, এ, এচ্, এ (M. A. S. A.) ৰ অৰ্থ হ'ল মেম্বাৰ অফ্ আমেৰিকান চপকিপাৰচ্ এচোচিয়েচন (Member of American Shop-keeper's Association), এফ, এ, এইচ্, কে, এচ (F. A. H. K. S) ৰ অৰ্থ হ'ল ফেলো অব্ আমেৰিকান হোটেল কিপাৰচ্ চোচাইটি (Fellow of American Hotel keeper's Society)। সোণৰ মেডেল মই এম,এ পৰীক্ষাত পোৱা বুলি জানো লিখিছো ? সোণৰ মেডেল বা সোণৰ মাদুলি তাহানি মোক একেবাৰে সৰুতে অন্নপ্ৰাশনৰ সময়ত মোমাই দিছিল।"

ধনেশ্বৰৰ কথাত কমলে ক'লে, "তই তো কম নহয়।"

"কম নহয় বুলিতো ধুনীয়া ঘৰত থাকি, মটৰ দৌৰাই, হাজাৰ টকাৰ দৰমহাৰ চাকৰি লৈ খাই-বৈ থাকিব পাৰিছোঁ। পিচে মই একো মিছাও লিখা নাই। কিছুমানে মিছা লিখিও ডাঙৰ চাকৰি

লৈছে। নোপোৱা ডিগ্ৰীকো নামৰ পিচত লিখিছে। কোনোবাই বা আকৌ ডাঙৰকৈ নামৰ শেহত এম, এ (M. A.) লিখি কাষত অনুবীক্ষণৰে চালেহে ধৰিব পৰাকৈ 'অনুত্তীৰ্ণ' লিখিছে। মই পিচে সঁচা কথাহে লিখিছোঁ।"

"পিচে সেই এ, বি, চি, ডি বোৰ যে লিখিছ সেইবোৰতো টকা দিলেই এনেয়ে পায়? সেইবোৰতো ডিগ্ৰী বা ডিপ্লোমা নহয়" কমলে ক'লে।

"টকা দি পাই বুলিতো নামৰ পিচত লিখিব লাগে। নহ'লে মূৰ্খৰ দৰে টকা খৰচ কৰাৰ লাভ কি? আমাৰ দেশত নামৰ পিচত যাৰে এইবোৰ এ, বি, চি, ডি, লিখা নেজদাল দীঘল, তাৰে আদৰ বেচি, তাৰে মূল্য বেচি। সেইজনমানুহকে আমাৰ দেশৰ মানুহ আৰু চৰকাৰে খুব বিদ্বান বুলি ভাবে। সেই বাবেই এইবোৰ লিখিব লাগে। এতিয়া শুন, মন্ত্ৰীক চাপ্ৰাচীয়ে মোৰ ছপোৱা কাৰ্ড দিয়াৰ লগে লগেই মন্ত্ৰীয়ে আগৰে পৰা অপেক্ষা কৰি থকা মানুহবোৰক নামাতি মোক মাতি পঠালে। আমি গৈ মন্ত্ৰীক 'গুডমৰ্ণিং' দি অভিবাদন কৰিলোঁ। বাৰবাবাইও মন্ত্ৰীক গুডমৰ্ণিং দিলে আৰু 'হাউ ডু ইউ ডু "(How Do you Do ?") বুলি হাঁহি হাঁহি হাতখন আগবঢ়াই দি মন্ত্ৰীক 'হেণ্ড চেক' (Hand Shake) কৰিলে। মন্ত্ৰীয়ে বাৰবাবাৰ আমেৰিকান সুৰত কোৱা কথা নুবুজিলে নে নাৰ্ভাচে হ'ল কব নোৱাৰিলো। "লিট্‌ল্, লিট্‌ল্" (Little, little) বুলি কৈ হাঁহিলে দেখোন। তাৰপিচত মই মন্ত্ৰীক কেনেকৈ এইবোৰ নানান কথা আমেৰিকাত শিকিলোঁ। তাক ইংৰাজীৰে ক'লো আৰু মোক দেশৰ সেৱাত লগাবলৈ খাটিব ধৰিলো। মন্ত্ৰীয়ে তেতিয়া মোক খুব প্ৰশংসা কৰিলে আৰু তোক কোৱাৰদৰেই মোকো ক'লে। চেক্ৰেটাৰীয়েহে হেনো এই সকলো কৰে। চেক্ৰেটাৰীয়ে মোক ডাঙৰ চাকৰি এটা দিবলৈ প্ৰস্তাৱ দিলে তেওঁ হেনো আপত্তি নকৰে আৰু চেক্ৰেটাৰীৰ প্ৰস্তাৱত তথাস্তু কৰিব। তেতিয়া বাৰবাবাই কি কৰিলে জান?"

কমলে সুধিলে, "কি ?"

"বাৰবাৰাই হাঁহি মন্ত্ৰীক ক'লে—"You must do something for Dhan. I know you can. Isn't it ?" (আপুনি ধানৰ বাবে কিবা কৰিবই লাগিব। মই জানো আপুনি পাৰে। নহয় জানো ?) এইবুলি বাৰবাৰাই হাঁহি মন্ত্ৰীৰ পিনে চালে। মন্ত্ৰী বাৰবাৰাৰ কথাত একেবাৰে বিবুদ্ধি হ'ল।"

"তোৰ পৰিবাৰ দেখিছো বৰ চালাক" কমলে ক'লে।

"বাৰবাৰা যে চালাক সেইটোতো জনা কথাই। আমেৰিকাত ৰেষ্টুৰাঁত কাম কৰি থাকোতে খৰিদ্দাৰক এক ডলাৰৰ ঠাইত দুই ডলাৰৰ খানা খুৱাইছিল আৰু নিজেও দুগুণ টিপ্ বা বকচিচ লৈছিল এই হাঁহিৰেই। মোৰ নিচিনা নৈষ্ঠিক গোসাইৰ ল'ৰাকে কি কৰিলে চা। ত্ৰিসন্ধ্যা, গায়ত্ৰী কৰা মই ধনেশ্বৰেই শেহত সেই-সকলো বাদ দি বাৰবাৰাক বিয়া কৰাই খৃষ্টিয়ান হ'লোঁ।"

"বাৰু তাৰ পিচত কি হ'ল ?" কমলে সুধিলে।

"তাৰ পিচত কি হব ? বাৰবাৰাৰ কথাত মন্ত্ৰীয়ে ফোন হাতত ললে। চেক্ৰেটাৰীক ফোন কৰি মোৰ কথা কৈ মোক এটা ডাঙৰ চাকৰি দিবলৈ ক'লে। চেক্ৰেটাৰীয়ে চাকৰি নাই বুলি আপত্তি কৰাত মন্ত্ৰীয়ে খঙেৰে ক'লে যে তেওঁ সেইবোৰ মিছা আপত্তি শুনুনে। বজাৰ নাপাই আমাৰ দেশৰ বস্তুবোৰ হয় সুলভ মূল্যতে বিক্ৰী হৈছে নহয় পচিছে। ইপিনে বাহিৰৰ পৰা যিবোৰ বস্তু আমাৰ দেশলৈ আমদানি হয় সেই আমদানিও সন্তোষজনক নহয়। এইবোৰ নানা বিষয়বোৰ চাবৰ বাবে এজন ডাঙৰ বিষয়াৰ দৰ্কাৰ আৰু চেক্ৰেটাৰীক সেই অনুসৰি চাকৰি নাথাকিলে চাকৰি তৈয়াৰ কৰি হ'লেও মোক চাকৰি দিবলৈ কলে। মন্ত্ৰীৰ ধমকত চেক্ৰেটাৰীয়ে ফোনৰ সিমূৰৰ পৰা "বাৰু, চেষ্টা কৰি চাওঁ" বুলি ক'লে। ফোন থৈ মন্ত্ৰীয়ে বাৰবাৰাৰ পিনে চাই হাঁহি ক'লে, "তোমাৰ স্বামীৰ চাকৰি খুব সম্ভৱ হব। তোমাৰ নিচিনা লখিমী তিৰোতাক বিয়া কৰাইছে যেতিয়া চাকৰি জানো নোহোৱাকৈ থাকিব পাৰে ?" এই বুলি মন্ত্ৰীয়ে বাৰ-

বাবাৰ পিনে চাই আকৌ নকলী দাঁত হুপাৰী উলিয়াই হাঁহিলে। বাবৰাবাইও হাঁহি ক'লে, "মইতো সেইটো জানোৱেই।" তাৰ পিচত বাবৰাবাই কি কৰিলে জান ?"

কমলে সুধিলে, "কি ?"

"বাবৰাবা থিয় হৈ হাঁহি মন্ত্ৰীৰ হাত জোকাৰিলে। মন্ত্ৰীক ক'লে, "Mr. Minister, come this evening to our hotel. We shall have dinner together." (মন্ত্ৰী মহাশয়, আজি গধূলি আমাৰ হোটেললৈ আহিব। আমি সকলোৱে একেলগে ৰাতিৰ সাজ খাম।) মন্ত্ৰীয়ে আপত্তি কৰাত বাবৰাবাই ক'লে, "Oh, no, you must come, darling. We shall have a quiet dinner. No one will disturb us" (ও, সেইটো কেতিয়াও হব নোৱাৰে, মৰমী। আমি নিৰিবিলি একেলগে খাম। কোনেও আমাক আমনি নকৰে।) মন্ত্ৰীয়ে অগত্যা একো উপায় নাপাই 'বাক' বুলি নিমন্ত্ৰণ গ্ৰহণ কৰিলে। তাৰ পিচত বাবৰাবাই মোক বুঢ়া চেক্ৰেটাৰীৰ ওচৰলৈ নিলে। বুঢ়া চেক্ৰেটাৰীৰ লগতো হাঁহি কথা পাতিলে আৰু চেক্ৰেটাৰীকো গধূলি ডিনাৰ খাবলৈ নিমন্ত্ৰণ কৰিলে। তাৰ পিচত গধূলি আমি চাৰিওজনে এটা কোনেও নেদেখা বিশেষ নিৰিবিলি কোঠাত ভাল মজবুত খানা খালোঁ, দামী সুৰা পিলোঁ। খোৱাবোৱাৰ পিচত হোটেলত থকা পিয়ানো বজাই বাবৰাবাই ইংৰাজী গান গালে। ভালেমান ৰাতিলৈ এইদৰে আমি চাৰিওজনে খাই বৈ ৰং তামছা কৰি কটালোঁ। ঘৰলৈ ফিৰিবৰ সময়ত বাবৰাবাই মন্ত্ৰী আৰু চেক্ৰেটাৰীক পুনৰ মোৰ চাকৰিৰ কথা সোৱৰাই দিলে। ৰং তামছা কৰি খোৱাবোৱা কৰাত বাবৰাবাই মন্ত্ৰী আৰু চেক্ৰেটাৰীৰ লগত যিহকে তিহকে কব পাৰা হৈছিল। সেইবাবে যোৱাৰ সময়ত বাবৰাবাই মন্ত্ৰী আৰু চেক্ৰেটাৰীক ক'লে, "Old Boys, don't forget. Dhan must have his job tomorrow. Good night, sweet dream." (বুঢ়া ল'ৰাহঁত, কালিলৈ ধানে চাকৰি পাব লাগিব এইটো নাপাহৰিবা। সু-ৰজনী,

মধুৰ সপোন।) এইবুলি বাবৰাবাই হুয়োকো কপালত চুমা খাই বিদায় দিলে। আচৰিত কথা, পিচদিনাই মই মোৰ চাকৰিৰ নিয়োগ-পত্ৰ চৰকাৰৰ পৰা পালোঁ।"

ধনেশ্বৰৰ কথাত কমলে ক'লে, "তই ভাগ্যবান। মোৰ বাবা পিচে সেইটো নহব। তই যদি মোক কিবা সুবিধা কৰি দিব পাৰ চা।"

ধনেশ্বৰে ক'লে, "মই কেনেকৈ তোৰ চাকৰি যোগাৰ কৰি দিম? পিচে এটা কথা। তই যদি টকা ঘটিব খোজ তেনেহলে মই নিমখ, চেনিৰ যোগান ধৰা একচেতিয়া "পাৰ্মিট" এখন তোক দিব পাৰো; কিন্তু লাভৰ আধা হলে মোৰ থাকিব লাগিব। এইটো হলে আগতেই কৈ থলোঁ। গোটেই প্ৰদেশখনৰে চেনি, নিমখৰ যোগান ধৰা একমাত্ৰ এজেণ্ট হলে কিমান লাভ হব ভাবি চা।"

কমলে ক'লে, "মই কাৰবাৰ কৰিব নোৱাৰিম। কাৰবাৰ কৰিবলৈ মোৰ যোগ্যতাও নাই আৰু কাৰবাৰত খটাবলৈ টকাও নাই।"

কমলৰ কথাত ধনেশ্বৰে হাঁহি ক'লে, "তই দেখিছো একেবাৰে বুৰ্বক। আজিৰ দিনত তোৰ নিচিনা বুৰ্বক মানুহৰ সমাজত স্থান নাই। কাৰবাৰ কৰিবলৈ টকা কিয় লাগে? টকা কিয় এপইচাৰো দৰ্কাৰ নাই। পাৰ্মিটখন নি তই টকা থকা মানুহক দে আৰু তেওঁৰ লগত লাভৰ আধাৰ বা সিকিৰ বন্দবস্ত কৰ। দেখিবি তই একো যত্ন নকৰাকৈ তোৰ হাতলৈ মাহে হাজাৰ হাজাৰ টকা আহিব। তোৰ ঘৰত চঞ্চলা লক্ষ্মী অচলা হৈ বন্ধা থাকিব।"

ধনেশ্বৰৰ কথা শেষ হোৱাৰ লগে লগেই ভিতৰৰ পৰা বাবৰাবা আৰু কমলৰ ঘৈণীয়েক ওলাই আহিল। বাবৰাবাই ক'লে, "Have you finished emptying your hearts? Can we also join in your talk?" (তোমালোকৰ অন্তৰ খালি কৰি কথা পতা শেষ হ'ল নে? আমিও তোমালোকৰ কথাবাৰ্তাত যোগ দিব পাৰিম নে?)

ধনেশ্বৰে ক'লে, "Certainly, certainly, please sit down, honey. Be seated, Mrs. Kamal. (নিশ্চয়, নিশ্চয়, মৌমুখী বহা। মিচেচ কমল, অনুগ্ৰহ কৰি বহক।)"

কমলৰ ঘৈণীয়েকে নবহি গিৰীয়েকক ক'লে, "উঠক, দেৰি হৈছে, যাওঁ আৰু।"

কমলে ঘৈণীয়েকৰ কথাত খিয় দিলে। ধনেশ্বৰে তেতিয়া ক'লে, "Oh, no, you must have at least a cup of coffee. 'Boy' " (ও, সেইটো হব নোৱাৰে, তুইঁতে অন্ততঃ এপিয়লা কফি পিব লাগিব, বেয়াৰা" ।)

বেয়াৰা আহি ধনেশ্বৰক চালাম দিয়াত ধনেশ্বৰে তাৰাতাৰি কফি আনিবলৈ ক'লে। বেয়াৰাই অলপ পিচতে এক পট কফি, আৰু কফিৰ পিয়লা, ক্ৰিম, চেনি আদি আনি ধনেশ্বৰহঁতৰ আগত এখন টেবুলত থলে। বাৰবাৰাই পিয়লাত কফি বাকি দি কমলৰ ঘৈণীয়েকক সুধিলে, "with or without cream ?" (গাখীৰৰ সৈতে নে গাখীৰ নোহোৱাকৈ ?")

এনেতে ধনেশ্বৰে ঘৈণীয়েকক ক'লে, "Just wait for a while, honey (মৌমুখী, অকণমান ৰবা)" এইবুলি ধনেশ্বৰ ভিতৰলৈ সোমাই ভিতৰৰ পৰা এটা বটল আনি ক'লে "এইটো বৰ দামী ইটালিয়ান সুৰা। কফিৰ লগত অলপ ইয়াক মিহলাই কফি পিলে খুব ভাল লাগিব।"

কমলৰ ঘৈণীয়েকে কফিত গাখীৰ লৈ ক'লে যে তাই গাখীৰ মিহলোৱা কফি পিহে ভাল পায়। ধনেশ্বৰে তেতিয়া কমল, বাৰবাৰা আৰু নিজৰ কফিৰ পিয়লাত ইটালিয়ান সুৰা মিহলালে। কফি পি পি ধনেশ্বৰে কমলক সুধিলে "কফি কেনে লাগিছে কমল ?" কমলে ভাল বুলি শলাগিলে।

কফি পি পি ধনেশ্বৰে ক'লে, "কাৰবাৰ যদি নকৰ, তেনেহলে চেক্ৰেটাৰীয়ে কোৱামতে কিছুদিন কলেজতে প্ৰফেচাৰগিৰি কৰ। কলেজৰ প্ৰফেচাৰ, সন্মানৰ চাকৰি। টকা বেচি নহ'লেও বিশেষ

কথা নাই। টকাতকৈ বিস্তাৰ মান বেচি। তইতো জানই "স্বদেশে পূজ্যতে ৰাজা, বিদ্বান সৰ্বত্ৰ পূজ্যতে।"

কমলেও কফি পিয়া শেষ কৰি ধনেশ্বৰৰ কথাবতৰাত বিৰক্ত হৈ কলে, "সেইটোকে কৰিব লাগিব।" ইয়াৰ পিছত ধনেশ্বৰ আৰু বাৰবাৰাৰ পৰা বিদায় লৈ ঘৈণীয়েকক লৈ উঠি যাবলৈ ওলাল।

এনেতে বাৰবাৰাই সুধিলে, "How will you go? Walk?" (কেনেকৈ যাবা? খোজকাঢ়ি?)

কমলে খোজকাঢ়ি, যাম বুলি কোৱাত বাৰবাৰাই ক'লে, "Oh, no, we have got our car. I shall drop you in your hotel. I have to do some shopping, also." (ও, সেইটো হব নোৱাৰে। আমাৰ গাড়ী আছে। মই তোমালোকক হোটেলত থম। মোৰ নিজৰ অলপ বজাৰ কৰিবলৈও আছে)। এইবুলি বাৰবাৰাই ড্ৰাইভাৰক গাড়ী উলিয়াবলৈ ক'লে। ড্ৰাইভাৰে গাড়ী লৈ আহিলত বাৰবাৰাই ধনেশ্বৰক ক'লে, "You wait here, honey. Be a good boy. I shall come in no time." (মৰমৰ, তুমি ইয়াতে অপেক্ষা কৰা; বেচ শান্ত ল'ৰা হৈ থাকিবা। মই চকুৰ পচাৰ নৌ পৰোতেই আহি পাম।) বাৰবাৰাই ইয়াকে কৈ ধনেশ্বৰক কমল আৰু কমলৰ ঘৈণীয়েকৰ আগতে চুমাখাই গাড়ীত উঠিলগৈ। কমল আৰু কমলৰ ঘৈণীয়েকক হোটেলত নমাই বাৰবাৰা বজাৰ কৰিবলৈ গ'ল।

হোটেলত নিজৰ কোঠা সোমাই কমলৰ ঘৈণীয়েকে গিৰীয়েকক ক'লে "কি নিলাজ! আমাৰ আগতে কেনেকৈ চুমা খালে?"

কমলে ক'লে "বিলাতৰ কথাই তেনে। সেই দেশত প্ৰেম প্ৰেমিক-প্ৰেমিকাৰ অন্তৰৰ ভিতৰতে আৱদ্ধ নাথাকে। সি বাহিৰতো প্ৰকাশ পায়। আমাৰ দেশৰ তিৰোতাৰ দৰে বিলাতৰ তিৰোতা লাজুকী নহয়। বিলাতৰ তিৰোতাই বাপেক মাকৰ আগতো গিৰীয়েকক বা নিজৰ প্ৰেমিকক চুমা খাব। আমাৰ দেশৰ তিৰোতাৰ প্ৰেম ফল্গু নৈৰ দৰে। বাহিৰত তাৰ প্ৰকাশ

নাই। বালিৰ তলে তলে ফল্গু নৈ বৈ থকাৰ দৰে আমাৰ দেশৰ তিৰোতাৰ অন্তৰতো গোপনে গোপনে প্ৰেমৰ নৈ বৈ থাকে। বিলাতৰ তিৰোতাৰ প্ৰেম বাৰিষাৰ ব্ৰহ্মপুত্ৰ নৈৰ দৰে। বাৰিষা কেনে কোটোকাৰে প্ৰচণ্ডমূৰ্ত্তিৰে ব্ৰহ্মপুত্ৰ প্ৰকাশ হোৱাৰ দৰে, বিলাতৰ তিৰোতাৰ প্ৰেমো বাহিৰত প্ৰচণ্ডমূৰ্ত্তিৰে প্ৰকাশ পায়। লাজ, ভয় আদি বাধা মানি সেই প্ৰেম ভিতৰত লুকাই নাথাকে। থাওঁ থাওঁ মূৰ্ত্তিৰে বিলাতৰ তিৰোতাৰ প্ৰেমে প্ৰেমিকক সাবটি ধৰে।"

"পাচে বন্ধুৰ লগত কি কথা হ'ল? কিবা কৰিব পাৰিব নে নোৱাৰে?" ঘৈণীয়েকে সুধিলে।

"ভুকুতে জানো কল পকেঁ? হব চাকৰি। পিচে বৰ্ত্তমানে বন্ধুইও চাকৰি নোহোৱা পৰ্য্যন্ত কলেজতে চাকৰি কৰি থাকিবলৈ কৈছে, নহ'লে কাৰবাৰ কৰিবলৈ কৈছে। কাইলৈ সেইবাবে ইয়াৰ পৰা বিদায় হম। তাৰ পিচত তোমাক ঘৰত থৈ কলেজতে আগৰ চাকৰিত যোগ দিমগৈ। এতিয়া বাৰু সেইবোৰ যাওক। ভোক লাগিছে। খানা আনিবলৈ দিয়া; কিন্তু তাৰ আগতে চুমা এটা দি যোৱা।"

কমলৰ কথাত ঘৈণীয়েকে কৃত্ৰিম খঙ কৰি ক'লে "ইমানদিনে চুমা খাই হেপাহ পলোৱা নাই নে?"

কমলে ক'লে "এশ বছৰ খাই থাকিলেও হেপাহ নপলাব।"

ঘৈণীয়েকে তেতিয়া ক'লে "বাৰু চুমা পিচত খালেও হব। এতিয়া ভাতপানীকে খাওক।"

"পিচলৈ পেলাই নথবা। ৰাৱণে স্বৰ্গলৈ যোৱা বাট এটা কৰিম কৰিম বুলি পিচলৈ পেলাই থোৱাত সেই বাট তৈয়াৰে নহ'ল। সময় থাকোতে পিয়লা ভৰাই লব লাগে। কাইলৈ কি হব কোনে জানে?" এইবুলি কমলে ঘৈণীয়েকক সাবটি ধৰিলে।

পিচদিনা কমলে হোটেলৰ বিল আদি শোধ কৰি আৰু সিহঁতক আলপৈচান ধৰা হোটেলৰ ল'ৰাজনক ৫৲ টকা বকচিচ্ দি ঘৈণীয়েকক লৈ মটৰ আৰু ৰেলেৰে অৱশেহত শহুৰেকৰ ঘৰ পালেহি। কমলে শহুৰেক শাহুয়েকক সকলো কথা বিবৰি ক'লে। পিচদিনা জীয়েক আৰু ঘৈণীয়েকক বাৰে বাৰে চুমা খাই, চকুৰ পানী মঁচি মঁচি কমলে অকলে ৰেলত উঠি তাৰ আগৰ কলেজ থকা চহৰখনলৈ আহিল।

কলেজৰ প্ৰিন্সিপালে কমলক দেখি কমল কেতিয়া আহিলে, আমেৰিকাত কি কি পঢ়িলে এইবোৰ নানান কথা সুধিলে। কমল অহা গম পাই প্ৰিন্সিপালৰ কোঠালৈ কমলৰ আগৰ সহকৰ্মী প্ৰফেচাৰ সকলো আহিল। কাৰণ কমল সকলোৰে প্ৰিয়পাত্ৰ আছিল। কমলে সকলোকে সকলো কথা বহলাই ক'লে। দেশলৈ ঘূৰি আহি মন্ত্ৰীৰ লগত, চেক্ৰেটাৰীৰ লগত দেখা সাক্ষাৎ কৰাৰ কথাও ক'লে। মন্ত্ৰী আৰু চেক্ৰেটাৰীয়ে কমলক কি উপদেশ দিলে তাকো বৰ্ণালে। কমলৰ কথা শুনি প্ৰিন্সিপালে ক'লে, "তোমাৰ বাবেতো কলেজত কাম খালিয়ে আছে। তুমি যোৱাৰ পৰাই ছাত্ৰসকলক ৰসায়ন শিকাবলৈকে প্ৰফেচাৰ বিচাৰি পোৱা নাই। কেতিয়াবা কাৰোবাক পালেও সি কেইমাহমানৰ মূৰতে আন ভাল চাকৰি পাই গুচি যায়। গতিকে ছাত্ৰসকলৰ বহুত লোকচান হৈছে। কলেজত বিজ্ঞানৰ শ্ৰেণী খুলি বোধকৰো ভুলেই কৰিলো। শিক্ষা বিভাগত কোনো মেধাৱী মানুহেই আজিকালি থাকিব নোখোজে। থাকিবই বা কিয়? কলেজৰ প্ৰফেচাৰ হ'লে সকলো মিলি দুশ টকা দৰমহা পাব। স্কুলৰ মাষ্টৰেতো তাৰ আধাহে পায়। ইপিনে দেশৰ ভৱিষ্যত গঢ়াৰ

ভাৰ এই শিক্ষকসকলৰ ওপৰতে। আজিৰ দিনত দুশটকাৰে কোনো মানুহেইং ল'ৰাছোৱালী তিৰোতা লৈ সন্মান বজায় ৰাখি দুবেলা দুমুঠি ভালদৰে খাবকে নোৱাৰে—ল'ৰাছোৱালীক পঢ়োৱা শুনোৱাতো দূৰৈৰে কথা। ইপিনে চাকৰিত যদি প্ৰমোচন থাকিলহেঁতেন তেতিয়াও এটা কথা আছিল। যি স্কুলত বা কলেজত শিক্ষক হৈ সোমাইছে, সি একেটা দৰমহাতে একেটা পদতে জীৱনব্যাপি থাকিব লাগিব। আনপিনে অন্য চাকৰিবোৰলৈ চোৱা। তাত যোগ্যতাও লাগে কম, দৰমহাও বেচি, প্ৰমোচনো দোপতদোপে হয়। গতিকে মূৰ্খৰ বাহিৰে বা উপায় নোপোৱা জনৰ বাহিৰে আনে কোনে কলেজত বা স্কুলত শিক্ষকতা কৰিব? কোনোবাই কৰিলেও, চিনা জোকৰ দৰে আন চাকৰি বিচাৰি থাকে। বাৰু এইবোৰ যাওক। মনৰ বেজাৰত বহুত কথাই তোমাক ক'লো। বেয়া নাপাবা। এতিয়া তোমাৰ কোনো ভাল চাকৰি নোহোৱা পৰ্য্যন্ত ইয়াতে প্ৰফেচাৰি কৰি থাকা। মাহে দুশ টকাকৈ দৰমহা পাবা। ঘৰত এনেয়ে বহি থকাতকৈ এইদৰে ছাত্ৰক শিকাই তুমি নিজেও আনন্দ পাবা, ছাত্ৰসকলৰো উপকাৰ হব আৰু তোমাৰো অন্ততঃ চাহ জলপানৰ পইচা ওলাব—নহয় জানো?"

কমলে প্ৰিন্সিপালৰ কথা শলগাত প্ৰিন্সিপালে কেৰানীক মাতি আনি কমলক সেইদিনৰ পুৰাৰে পৰা চাকৰিত যোগ দিয়া বুলি কমলৰ পৰা কাগজ লিখাই লবলৈ ক'লে। কমলে চাকৰিত যোগ দিয়া কাগজত চহি কৰি দিয়াৰ পিচত লগৰ এজন প্ৰফেচাৰে ক'লে "ধনেশ্বৰৰ কিন্তু ভাগ্য ভাল। কি আছিল আৰু এতিয়া কি হ'ল ভাবিলেই আচৰিত লাগে।"

আন এজন প্ৰফেচাৰে এই কথাত টপৰাই মাত দিলে "ইয়াত আচৰিত হবৰ কি আছে? এইটো দেশৰ বৰ্ত্তমান নিয়ম। অবিদ্বান, অযোগ্যৰ এতিয়া দেশত সন্মান। কালৰ চকৰি ঘূৰিছে। আগৰ সেই দিন এতিয়া ক'ত পাব?"

প্ৰিন্সিপালে প্ৰফেচাৰ দুজনৰ কথা শুনি ক'লে "সপোনত নভবা কথাও যে এই পৃথিৱীত সম্ভৱ হব পাৰে ধনেশ্বৰৰ কথাতে প্ৰমাণ পালো। জুতা নিপিন্ধা, আঠুৰ মূৰত চুৰিয়া পিন্ধা, দীঘল চুলি ৰখা, কপালত দীঘল ফোট লোৱা, ত্ৰিসন্ধ্যা গায়ত্ৰী কৰা গোসাইৰ ল'ৰা হ'ল ফিটফাট চাহাব। অকল সেয়ে নহয়, বিলাতৰ পৰা মেমো আনিলে ইয়াতকৈ কি আচৰিত কথা আছে! আকৌ এতিয়া শুনিলোঁ ৰাজধানীত হেনো এতিয়া খুব ডাঙৰ চাকৰিও কৰে। চাকৰ বাকৰ, ঘৰদুৱাৰ, মটৰ সকলো হেনো চৰকাৰৰ পৰাই পাইছে। মেট্ৰিক তৃতীয় বিভাগ, আই, এ তৃতীয় বিভাগ, বি, এ, সাধাৰণ পাচ আৰু এম, এ দ্বিতীয় শ্ৰেণীত সৰ্বনিম্ন স্থান লৈ পাচ কৰা ধনেশ্বৰে এতিয়া হাজাৰ টকাৰ চাকৰি কৰে, মেম লৈ বিলাসত থাকে। আকৌ আনপিনে সদায় পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰা, সোণৰ মেডেল পোৱা বিদেশত ডক্টৰেট ডিগ্ৰী লভা কমললৈ দেশত চাকৰি নাই।" 'পুনৰ্মূষিক ভব' ৰ দৰে আকৌ কলেজতে প্ৰফেচাৰি কৰিবলগীয়া হ'ল। ইয়াতকৈ কি আশ্চৰ্য্য কথা হব পাৰে? দ্বাপৰযুগত ধৰ্ম ৰজাই বগলী চৰাইৰ ৰূপলৈ যুধিষ্ঠিৰক আটাইতকৈ কি আচৰিত কথা হবপাৰে সেইটো প্ৰশ্ন কৰিছিল। কলিযুগত এতিয়া বকৰূপী ধৰ্মই তেনে প্ৰশ্ন কৰাহেতেঁন যুধিষ্ঠিৰে নিশ্চয় এই অবিদ্বানৰ সন্মান, অযোগ্যৰ উচ্চস্থান, টকাকড়ি আৰু বিদ্বান, যোগ্যজনৰ নীচস্থান, অসন্মান, দাৰিদ্ৰ্যকে আটাইতকৈ আচৰিত কথা বুলি ক'লেহেঁতেন। ত্ৰেতা যুগত কোৱাৰ দৰে মানুহ নিতৌ মৰি থকা দেখিও বাচি থকা মানুহবোৰে নমৰে বুলি ভাবে বুলি নক'লেহেঁতেন। কাৰণ এতিয়াৰ দিনত মানুহে মৃত্যু ধ্ৰুব বুলি জানে আৰু সেইবাবেই বাচি থাকোতেই পুত্ৰ প্ৰপৌত্ৰ লৈ যিমান পাৰে ধন সম্পত্তি ন্যায় অন্যায় যি কোনো প্ৰকাৰে কৰিব বিচাৰে।"

প্ৰিন্সিপালৰ কথাত ডেকা ডেকা প্ৰফেচাৰসকলে আপত্তি কৰি ক'লে "চাৰ, সেইবোৰ কথা একো আচৰিত নহয়। সেইবোৰে এতিয়া দেশৰ নিয়ম। যি মিছা কব পাৰে, যি ডাঙোপ মাৰি কথা

কৰ পাৰে সিয়ে আজিৰ যুগত বাচি থাকিবলৈ যোগ্য। বাচি থকাৰ বাবে যি জীৱন যুদ্ধ, তাত সদায় যোগ্যজনেহে বাচি থাকে। আজিৰ যুগৰ নিয়ম বেলেগ। আজিৰ যুগৰ নিয়ম অনুসৰি যি নিজক খাপ খুৱাই নলয়, সি আজিৰ যুগত বাচি থাকিবলৈ যোগ্য নহয়। পাৰিপাৰ্শ্বিক অৱস্থাত, যুগধৰ্মত যি নিজক খাপ খুৱাই লয় সিয়ে জীৱন যুদ্ধত বাচি থাকে, এইটো আবহমান কালৰপৰা প্ৰমাণ হৈ অহা বৈজ্ঞানিক সত্য। ডাইনোচোৰাচ আদি প্ৰাক ঐতিহাসিক যুগৰ অতিকায় জীৱ-জন্তুবোৰ পৃথিৱীৰ বুকুৰ পৰা কিয় লুপ্ত হ'ল? পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত, যুগধৰ্মৰ লগত নিজকে খাপ খুৱাই লব নোৱাৰা কাৰণে নহয় জানো? গতিকে মিছা কব পৰা, ডাম্ফোপ মাৰি কব পৰা, মন্ত্ৰীৰ ভৰিত তেল দিবপৰা জনে আজিৰ দিনত বাচি থাকিবলৈ যোগ্য। এনেবোৰ কথা কৰিব নোৱাৰা সকলহে আজিৰ দিনত অযোগ্য। পুৰণি মানদণ্ড লৈ যোগ্য অযোগ্যৰ বিচাৰ কৰিব গলে আজিৰ দিনত নহয়।"

কমলে প্ৰফেচাৰসকলৰ কথাত মৃদু আপত্তি কৰি ক'লে, "সেইটো নহয়; সত্যৰহে সদায় জয়। আপোনালোক ইমান নিৰাশাবাদী কিয় হৈছে? পলমকৈ হ'লেও গুণীৰ গুণৰ মোল এদিন মানুহে লবই। পাচে সেইবোৰ কথা এতিয়া থাওক। এতিয়া আপোনা-লোকৰ লগতে কিছুদিন থাকিম যেতিয়া মোক এটা থাকিবলৈ ঘৰ বিচাৰি দিয়ক। মই কিন্তু সদায়ে কলেজতে থাকিব পাৰিলেই ভাল পাওঁ। কলেজৰ প্ৰফেচাৰৰ দৰমহাৰে খাব লব নাটে বুলিহে অন্য চাকৰিৰ বিচাৰ কৰো। নহ'লে পঢ়াশুনাৰ চৰ্চা এৰি কোনে আন কামলৈ যাব বিচাৰিব?"

কমলে কলেজত যোগ দিয়াত ল'ৰাবোৰে মিটিং কৰি কমলক অভিনন্দন কৰিলে। কমলেও ল'ৰাবোৰক আমেৰিকাৰ কথা ক'লে। ইয়াৰ পিচত লগৰ প্ৰফেচাৰবোৰৰ সহায়ত মাহে ১০০৲ টকাত এটা ঘৰ ভাৰা কৰি লৈ ঘৈণীয়েক আৰু জীয়েকক শহুৰেকৰ ঘৰৰ পৰা আনি থাকিব ললে।"

ষোল

আমেৰিকালৈ যোৱাৰ সময়ত কমলৰ হাতত বা বেঙ্কত এপইচাও নাছিল ; কিন্তু আমেৰিকাত আন ল'ৰাৰ দৰে আমোদ প্ৰমোদত খৰচ নকৰাত বা আমেৰিকাৰ ছোৱালী লৈ চিনেমা চোৱা বা ৰং তামছা নকৰাত কমলৰ হাতত কিছু টকা জমা হৈছিল। কমলে আমেৰিকাত পঢ়াশুনা আৰু গৱেষণাত মূৰ ডাঙিবলৈকে সময় পোৱা নাছিল ; গতিকে ৰং তামছা কৰিবলৈ কমলৰ কোনো সময়ে নাছিল। ইপিনে দেশত এৰি থৈ যোৱা নিজৰ প্ৰিয়তমাৰ কথা প্ৰায়ে মনত পৰিছিল। সপ্তাহত দুখন তিনিখনকৈ চিঠি ঘৈণীয়েকলৈ দিছিল। কেতিয়াবা চিঠি ১০।১২ পাতো দীঘল হৈছিল। ঘনাই ইমান কথা লিখিবলৈ কমলে কি কথা বিচাৰি পাইছিল তাক কমলেহে জানিছিল। ঘনাই দীঘল চিঠি লিখি থাকিলেও কথাৰ যেন অন্তই নহব। বিৰহ কাতৰ প্ৰেমিক প্ৰেমিকাৰ বাহিৰে আনে এই কথা বুজাও টান ; আকৌ ঘৈণীয়েকৰ খং তুলিবলৈ কমলে কেতিয়াবা চুটি চিঠি লিখিলে, ঘৈণীয়েকে অভিমান কৰিছিল আৰু কমলক সদায় দীঘল চিঠি লিখিবলৈ অনুৰোধ কৰিছিল। কমলৰ চিঠি পালেই ঘৈণীয়েকে সেই চিঠি বুকুৰ মাজত, কমলৰ পিচৰ চিঠিখন নোপোৱা পৰ্য্যন্ত লুকাই ৰাখিছিল আৰু সুবিধা পালেই আনক নেদেখাকৈ একেখন চিঠিকে বাৰে বাৰে পঢ়িছিল। কমলেও একেদৰেই ঘৈণীয়েকৰ একেখন চিঠিকে বাৰে বাৰে পঢ়িছিল আৰু চিঠিখনকে চুমা খাই বিৰহ কাতৰ অন্তৰত কিছু শান্তি আনিছিল। এইদৰে কমলে এপিনে কালিদাসৰ বিৰহী যক্ষৰ দৰে প্ৰিয়াৰ বিৰহত কাতৰ হৈ, বিৰহ যন্ত্ৰণা ভুগি, মিলনৰ মধুৰ দিনৰ আশাত বিদেশত দিন কটাইছিল আৰু আনপিনে সাধকৰ দৰে, মহাযোগীৰ দৰে একাগ্ৰচিত্তে পঢ়াশুনা, গৱেষণা কৰিছিল। দেশলৈ অহা সময়ত সেইবাবেই কমলৰ হাতত কিছু

টকা জমা হৈছিল আৰু পাঁচ হাজাৰ মান টকা হাতত লৈ দেশ পাব পাৰিছিল; কিন্তু কমলে দেশ পাই কুলি, ৰিক্সাৱালা, চাপ্ৰাচী আদিক মুক্ত হস্তে বকচিচ দিয়াত আৰু ঘৈণীয়েকক লৈ ঘূৰি ফুৰাত, ইচ্ছামতে খোৱাবোৱা কৰাত এই দুমাহতে তাৰ সঞ্চিত টকাৰ দেৰ হাজাৰ মান টকা শেষেই হৈছিল। বাকী ৩৫০০৲ হাজাৰ টকাৰ আকৌ এহেজাৰ মান টকা নতুন ভাৰা ঘৰত ধুনীয়া পৰ্দা লগোৱাত, নতুন টেবুল, চকি, পালং তৈয়াৰ কৰাত, বন্ধাবঢ়াৰ সা সজুলি, কাপ, প্লেট আদি কিনাত খৰচ হ'ল। তথাপি কমলৰ হাতত এতিয়াও আঢ়ৈ হাজাৰ মান টকা আছে। ইপিনে কলেজৰ পৰাও মাহে ২০০ কৈ টকা পাই থাকিব। গতিকে কমলে ঘৈণীয়েক আৰু জীয়েকক লৈ আগৰ দৰেই ভালদৰে খাই বৈ মনৰ সুখত থাকিবলৈ ধৰিলে। সদায় দুসন্ধ্যা খোৱাত মাছ বা মাংস থাকিল। আকৌ কমলে খোৱাত ভাতৰ পৰিমাণ কমাই দি মাছ বা মাংসকে আমেৰিকা, ইংলণ্ডৰ দৰে ঘাই খাদ্য কৰি ললে। ঘৈণীয়েকক কমলে ক'লে, "ভাতবোৰ খাই একো লাভ নাই। প্ৰোটিন খাদ্যহে যথেষ্ট খাব লাগে।"

এইদৰে ভালদৰে খোৱাবোৱাৰ ফলত আৰু মনৰ তৃপ্তিত থকাত কমলৰ ঘৈণীয়েকৰ গালৈও মঙহ আহিল। বুকুৰ কামিহাৰ লুকাল। গাল আৰু মুখলৈ ৰঙা তেজ আহিল। কমলৰ ঘৈণীয়েক নিতৌ বেচি ধুনীয়া হৈ যাবলৈ ধৰিলে। সূৰ্য্যৰ পোহৰত পদুম ফুল জাগি উঠাৰ দৰে, কমলৰ স্পৰ্শতো ঘৈণীয়েক কমলা এতিয়া জাগি উঠিল। পদুম ফুলৰ দৰেই ঘৈণীয়েক ইমানদিনে যেন জাপ খাই আছিল। এতিয়া কমলক পাই পদুম ফুলৰ দৰেই পূৰ্ণ প্ৰস্ফুটিত হৈ হাজাৰ পাহি মেলি দিলে। কলেজৰ আন প্ৰফেচাৰবিলাক কমলৰ ঘৰলৈ খা-খবৰ কৰিবলৈ আহিলে ঘৈণীয়েকে বহিবলৈ দিয়ে, চাহ, বিস্কুট দিয়ে আৰু গিৰীয়েকৰ কাষত থিয় হৈ থাকি প্ৰফেচাৰবিলাকে গিৰীয়েকৰ লগত কৰা দেশৰ আলোচনা, কলেজৰ আলোচনা, সাহিত্যৰ আলোচনা শুনে। কমলৰ ঘৈণীয়েকৰ সৌন্দৰ্য্যত, মিঠা

কথাত, মিঠা ব্যৱহাৰত সকলোৱে ভাল পায় আৰু কমলক ভাগ্যবান বুলি লগৰ প্ৰফেচাৰবোৰে কমলক অভিনন্দন কৰে।

কমলে কলেজত ৰসায়ন পঢ়ায়। কমল ভাল প্ৰফেচাৰ। ছাত্ৰছাত্ৰীসকলে সেইবাবে কমলক বৰ ভাল পায়। কমলে ৰসায়নৰ কঠিন তথ্যবোৰো এনেদৰে বুজাই যে ল'ৰাবোৰে নিৰস বিজ্ঞান পঢ়া বুলি গমকে নাপায়। ক্লাছত বক্তৃতা দিয়াৰ পিচত ছাত্ৰছাত্ৰীয়ে কমলক বেৰি ধৰি ইটো সিটো সুধে। দুই এজনী ছাত্ৰী আকৌ কমলক সুবুজাৰ ভাও ধৰি আমনিও কৰে। যিয়েই নহওক, কলেজত ৰসায়ন পঢ়ালেও কমলৰ মন সদায়ে থাকে ঘৰত। কলেজত বক্তৃতা শেষ হ'লেই কমলে সময়ে অসময়ে ঘৰ ওলায়হি। কেতিয়াবা দুই বজাত, কেতিয়াবা এক বজাত আৰু কেতিয়াবা এঘাৰ বজাতো ঘৰ ওলায়হি। ঘৈণীয়েকে কলেজ ইমান সোনকালে ছুটি হ'ল নে বুলি সুধিলে কমলে কেতিয়াবা কয় "ছুটি হ'ল," কেতিয়াবা কয়, "আকৌ যাব লাগিব।" "আকৌ যাব লাগিব" বুলি ক'লে ঘৈণীয়েকে সোধে "তেনেহ'লেনো কলেজৰ পৰা এই আধামাইল বাট খোজকাঢ়ি কিয় আহিব লাগিছিল? একেলগে ছুটি হ'লেই অহাহেঁতেন ভাল আছিল দেখোন?"

ঘৈণীয়েকৰ কথাত কমলে কয় "তিমান সময় তোমাক নোচোৱাকৈ যে থাকিব নোৱাৰোঁ। পিচে মই খোজকাঢ়ি অহা নাই। লগৰ প্ৰফেচাৰ এজনৰ চাইকেল এখন লৈ আহিছোঁ।"

কমলৰ কথাত ঘৈণীয়েকে হাঁহি কয় "আমেৰিকাত নো এই তিনিবছৰ তেনেহলে কেনেকৈ আছিল? আমেৰিকালৈ যোৱাৰ আগতে দেখোন আপুনি মোক এৰি চহৰত মেচ কৰি থাকিব পাৰিছিল। তেতিয়া কেনে কৈ থাকিব পাৰিছিল?"

"আমেৰিকাত বাধ্য হৈ আছিলোঁ। সাত সাগৰ তেৰ নদী পাৰ হৈতো আহিব নোৱাৰোঁ। পিচে শৰীৰটো সাত সাগৰ তেৰ নদীৰ সিপাৰে থাকিলেও মনটো সদায়ে তোমাৰ লগত আছিল। ৰাতি আমেৰিকাত শৰীৰটো এৰি থৈ, আত্মাটো উৰি

উৰি আহি তোমাৰ কাষত শুই আছিল। তুমি জানো গম পোৱা নাছিলা?”

“উহু, পোৱা নাছিলোঁ।” ঘৈণীয়েকে কয়।

“নিশ্চয় পাইছিলা। সপোন জানো দেখা নাছিলা? সপোনত জানো আমি হাতত ধৰাধৰিকৈ ৰং মনে ফুলনিত ঘূৰিফুৰা, চুমা খোৱা, সাবটাসাবটি…”

“থাকক, থাকক আৰু কব নালাগে। আপুনি দেখোন আমেৰিকাৰ পৰা আহি একেবাৰে কবি হৈ পৰিছে।” ঘৈণীয়েকে হাঁহি কয়।

“মই কবি হোৱা নাই। বিজ্ঞানৰ কথাই কৈছোঁ। সপোনেই দিঠক, দিঠকেই সপোন। কোনে জানে কেইবছৰমানৰ পিচত আমাৰ এই প্ৰেমৰ জীৱনকে আমি সপোন বুলি নাভাবিম। পিচে এটা কথা তুমি হলে সঁচা কৈছা। আমেৰিকালৈ যোৱাৰ আগতে আমাৰ জীৱনো অন্য লাখ লাখ স্বামী-স্ত্ৰীৰ জীৱনৰ দৰে গতানুগতিক আছিল। আমেৰিকাত তিনিবছৰ দীৰ্ঘ বিৰহ ভুগাৰ ফলতহে আমি পৰস্পৰে পৰস্পৰক কিমান ভাল পাওঁ বুজি পালোঁ। আমাৰ অফুৰন্ত প্ৰেমৰ বাকচটো বিৰহৰ চাবিয়েহে খুলি দিলে। তিনিবছৰ দুঃসহ বিৰহ যন্ত্ৰণা ভুগাৰ পিচতহে আমাৰ প্ৰেমৰ বাকচ খোলে, চকু নতুনকৈ মেল খায়; নতুনকৈ তোমাৰ সৌন্দৰ্য্য আবিষ্কাৰ কৰোঁ। এতিয়া মোৰ এই চকুত তোমাতকৈ বেচি ধুনীয়া কোনো স্ত্ৰীয়ে যেন এই পৃথিৱীত নাই। তোমাকেই যেন দিনৰাতি সাবটি ধৰি থাকিম, চুমা খাইয়ে থাকিম। মৰুভূমিৰ উত্তপ্ত বালিত পানী নোপোৱা পথিকে মৃত্যু যন্ত্ৰণাত ছত্‌ফত্‌ কৰা পথিকে হঠাৎ নিৰ্মল শীতল পানীৰ কুঁৱা আবিষ্কাৰ কৰিলে, সেই পানী যেনেকৈ পিয়ে থাকিবলৈ বিচাৰে সেই পানীকে যেনেকৈ অমৃত যেন পায়, সেইদৰে দীৰ্ঘ বিৰহ যন্ত্ৰণা ভোগ কৰা প্ৰেমিকেও বিৰহৰ অন্তত প্ৰেয়সীক সেই উত্তপ্ত মৰুভূমিৰ মাজৰ শীতল পানীৰ কুঁৱা যেন পায়। বিৰহৰ অন্তত প্ৰেমিকে প্ৰেয়সীৰ প্ৰেমতকৈ আন কোনো শ্ৰেষ্ঠ সম্পদ এই বিশ্বব্ৰহ্মাণ্ডত

থাকিব পাৰে বুলি ভাবিব নোৱাৰে। মৰুভূমিত পিয়াহঁত ছত্‌ফত্‌ কৰা পথিকে যেনেকৈ পানী পালে, সেই পানীকে পি থাকিবলৈ বিচাৰে তেনেকৈ বিৰহত ছত্‌ফত্‌ কৰা প্ৰেমিকেও বিৰহৰ অন্তত প্ৰেয়সীকে দিনৰাতি আলিঙ্গন কৰি প্ৰেয়সীৰ অধৰামৃতকে পান কৰি থাকিবলৈ বিচাৰে।" এই বুলি কমলে ঘৈণীয়েকক সাবটি ধৰি বহু সময় ধৰি চুমা খায়। ঘৈণীয়েকে মৃদু আপত্তি কৰে ; কেতিয়াবা কেতিয়াবা সামান্য বাধাও দিয়ে; কেতিয়াবা কেতিয়াবা পলাই লুকাই ফুৰে। তেতিয়া কমলৰ উত্তেজনা বেচিকৈহে বাঢ়ে। মত্ত হস্তীৰ দৰে কমলে ঘৈণীয়েকক খেদি খেদি ফুৰে আৰু অৱশেহত খেদাৰ যেতিয়া অন্ত পৰে তেতিয়া কমলে দুগুণ উত্তেজনাৰে, দুগুণ জোৰেৰে ঘৈণীয়েকক সাবটি ধৰি নিজৰ বুকুৰ মাজত লুকাই লয়, স্ত্ৰী-পুৰুষ এক হয়। ঘৈণীয়েকে কিছু পিচত কয়, "এৰক, ছোৱালীজনী স্কুলৰ পৰা আহি পাবৰ হৈছে।"

এদিন দুপৰীয়া কমল কলেজৰ পৰা আহি দেখে ঘৈণীয়েকে ঘৰৰ কাম বন শেষ কৰি বিছনাত চকু মুদি শুই আছে। কমলে ভালেমান সময় ঘৈণীয়েকৰ মুখলৈ চাই থাকিল। সিদিনা কমলৰ মানত ঘৈণীয়েকক আন দিনাতকৈও বেচি ধুনীয়া যেন লাগিল। ঘৈণীয়েকৰ মুখখনি যেন পুখুৰীৰ মাজৰ একেটা মাত্ৰ ফুলি থকা পদুম ফুল। কমলে কিছু সময় চাই থাকি ঘৈণীয়েকক নজগোৱাকৈ ঘৈণীয়েকৰ মুখত আলফুলকৈ এটা চুমা খালে—ফুলৰ পাপৰিত পখিলা পৰি ফুলৰ মৌ পিয়াৰ দৰে। ঘৈণীয়েকে কিন্তু সেই অতি মৃদু চুমাৰ স্পৰ্শতো সাৰ পালে। চকু মেলি কমলক দেখি হাঁহি ক'লে, "অ আপুনি কলেজৰ পৰা আহিলেই।"

কমলে ক'লে, "এৰা আজি 'হাফ' হ'ল। কলেজলৈ আৰু যাব নালাগিব।"

ঘৈণীয়েকে শুই থাকিয়ে ক'লে, "তেনেহলেতো ভালেই হ'ল। ছোৱালীজনী স্কুলৰ পৰা আহিলনে?"

কমলে "নাই অহা" বুলি কৈ ঘৈণীয়েকক সাবটি ধৰি চুমা খালে।

ঘৈণীয়েকে সেই চুমাৰ প্ৰত্যুত্তৰ ভালদৰে দি কমলৰ কোলাত মূৰ পেলাই শুই থাকিল।

কমলে কিছুসময় ঘৈণীয়েকৰ চুলিবোৰ লাৰিচাৰি থাকি হঠাতে ঘৈণীয়েকক সুধিলে, “এটা কথা, তুমি দেখোন আজিকালি সদায়ে ভাত ৰান্ধা। কিয় ?”

“মই নাৰান্ধিলে কোনে ৰান্ধিব ?” ঘৈণীয়েকে হাঁহি ক'লে।

“নহয়, মই সেইটো কোৱা নাই ? আগেয়ে দেখোন কেতিয়াবা তিনি-চাৰিদিন ভাত-পানী ৰান্ধিব নোৱাৰা হোৱা ?” কমলে ক'লে।

কমলৰ কথাত ঘৈণীয়েকে মিচিকি হাঁহি লাজ লাজকৈ ক'লে, “আপুনি একেবাৰে অজলা। আপুনি জানো গম পোৱা নাই ? আজি তিনিমাহে হ'ল আহি।”

ঘৈণীয়েকৰ কথাতে কমলে জাপমাৰি নাচি উঠিল “আঃ, কি তুষ্ট ! ইমানদিনে মোক কিয় কোৱা নাছিলা ? বেচ, বেচ, ছোৱালীজনীও বৰ অকলশৰীয়া। তাইৰ খেলাৰ অন্ততঃ এটা লগ হব। ভায়েক হব নে ভণীয়েক হব ? তুমি পিচে মোক এই কথা আগতে কব লাগিছিল। এতিয়া তোমাৰ খোৱাবোৱা আগতকৈও ভাল হব লাগিব। যথেষ্ট গাখীৰ, ফলমূল খাব লাগিব বুজিছা ?”

“আপুনি নিজেই গম পাইছিল বুলিহে মই কোৱা নাছিলো। ইয়ালৈ অহাৰে পৰা ৰাতিপুৱা ৰাতিপুৱা গা বেয়া লাগিছিল।”

“তুমি নকলে মই কেনেকৈ গম পাম ?” কমলে ক'লে।

“কিয় ? মই জানো আগতকৈ শকত হোৱা নাই ?” ঘৈণীয়েকে লাজুকীয়া হাঁহিৰে উত্তৰ দিলে।”

“বাৰু, বাৰু সেইবোৰ এৰা। এতিয়াৰে পৰা তুমি ঘৰৰ কাম বন কৰিব নোৱাৰা, ভাত পানী ৰান্ধিব নোৱাৰা। মই কাইলৈকে পৰা এজন ভাত বন্ধা ল'ৰা আনিম।” কমলে ক'লে।

যথাসময়ত কমলাৰ এটা ল'ৰা হ'ল। কমলে ঘৈণীয়েকৰ প্ৰসবৰ সময়ত ডাক্তৰণী, নাৰ্চ আদি নিজৰ ঘৰলৈ আনিলে। শাহুয়েকক সেই সময়ত লৈ আহিল। নগৰৰ প্ৰফেচাৰবোৰে কমলৰ পৰা চাহ মিঠাই খালে। সকলোৱে কমলক অভিনন্দন কৰিলে। কমলৰো মনত খুব আনন্দ হ'ল; কিন্তু আনন্দৰো এটা মূল্য আছে। এই কেইমাহ ভালদৰে খোৱাবোৱা কৰাত, ডাক্তৰণী, নাৰ্চ আদিক "ভিজিট" দিয়াত, ঘৈণীয়েকলৈ "টনিক", দৰৱ আদি কিনাত কমলৰ কলেজৰ দৰ্মহাৰ উপৰিও হাতত থকা আঢ়ৈ হাজাৰ টকাৰ আৰু দেৰ হাজাৰ টকা খৰচ হ'ল।

যিয়েই নহওক, ঘৈণীয়েক এমাহৰ মূৰত ঘৰৰ পৰা ওলাব পৰা হ'ল। তেতিয়া কমলে শাহুয়েকক থৈ আহিলগৈ। হাতত থকা টকা ইপিনে কমি কমি গৈ পাঁচশত পৰিলগৈ। কমলে তেতিয়া ঘৈণীয়েকৰ প্ৰসৱৰ দুমাহৰ মূৰত ঘৈণীয়েকক ক'লে, "চাকৰিৰ খবৰ দেখোন আজি এবছৰেও ৰাজধানীৰ পৰা নাহিল। ইপিনে হাতৰ টকাও শেষ হবলগীয়া হ'ল। এতিয়াৰে পৰা টকা অলপ সাৱধানে খৰচ কৰিব লাগিল। এটা কথা—আমাৰ খোৱাবোৱাত বৰ বেচি খৰচ হৈছে। আমাৰ গৰম দেশত আমেৰিকাৰ দৰে খোৱাবোৱা কৰা স্বাস্থ্যৰ পক্ষেও বোধকৰো ভাল নহয়। মই নিজে আকৌ সদায়, কণি খোৱাও বেয়া। 'ব্লাদ প্ৰেচাৰ' (ৰক্তচাপ) হব পাৰে। সেইবাবে মই কণি নাখাম বুলিয়ে ভাবিছোঁ। তুমি পিচে প্ৰসৱৰ পিচত কিছু দিনলৈ ভালদৰে খোৱাবোৱা কৰিব লাগে। গতিকে তোমাৰ খোৱাবোৱা আগৰ দৰেই চলি থাকিব।"

ঘৈণীয়েকে কমলৰ কথাত ক'লে, "সেইটো নহব, যি খাম তাক সকলোৱে খাম। ৰাতিপুৱা কণি, কটি আদি ইমানবোৰ বস্তু

খোৱাৰে বা কি আৱশ্যক ? মাছ মাংসও সদায় কিয় খাব লাগে ? আমাৰ দেশত কিমান মানুহে ইমান খায় বাৰু ? মাহেকত এটা কণিও খাবলৈ নোপোৱা মানুহৰ স্বাস্থ্যও দেখোন ভালে আছে ? আমিও জানো আগেয়ে ইমান খাইছিলো ? আজিৰ পৰা বাৰু খোৱাবোৱা কি কৰিব লাগে তাক মই ঠিক কৰিম। আপুনি একো হকাবাধা নকৰিব।"

পিচদিনাৰে পৰা ৰাতিপুৱাৰ খোৱাত ওট্চ্ উঠিল, কণিও উঠিল। মাছ মাংস দুসাজ থাকিলেও আগতকৈ পৰিমাণ কম হ'ল। মাছৰ টুকুৰা আগতকৈ সৰু হ'ল আৰু মাংসৰ পৰিমাণো আগতকৈ আধা হ'ল। দুমাহমান পিচত মাংস মাত্ৰ ৰবিবাৰে খোৱা হ'ল আৰু মাছ এদিন বাদে এদিন কেৱল এসাজকৈ খোৱা হ'ল। এইদৰে কমলৰ ঘৈণীয়েকে খোৱাবোৱা, থকামিলাত মিতব্যয়তা আনিলে, খৰচ কমালে। তথাপি এশ টকা ঘৰভাৰা দি কেৱলমাত্ৰ আৰু এশ টকাৰে কোনো পৰিয়াল চলা টান। গতিকে কমলৰ হাতৰ টকাও অলপ অলপ কৈ হ'লেও কমি যাবলৈ ধৰিলে।

ইপিনে ল'ৰাটোৰ পাঁচমাহ হওঁতে অন্নপ্ৰাশন পাতিলে। প্ৰথম ল'ৰা। সকলো কৃতকৰ্ম সেইবাবে শাস্ত্ৰমতে কৰা আৱশ্যক। কমলে কলেজত যোগ দিয়াৰ পিচত বন্ধু-বান্ধৱবোৰকো এদিন ভালদৰে খুওৱা নাই। এই অন্নপ্ৰাশন পতাৰ সুযোগতে লগৰ প্ৰফেচাৰ-সকলক তেওঁলোকৰ পৰিয়ালবৰ্গৰ সৈতে এসাজ খুওৱাৰ সুবিধা হ'ল। কমলৰ শহুৰ শাহুয়েকো অন্ন প্ৰাশনলৈ আহিল। প্ৰথম নাতিয়েকৰ অন্নপ্ৰাশন। জেঠেৰিয়েক, খুলশালীয়েক সকলো আহিল। ঘৰৰ পৰা মাক, দেউতাক, ভায়েকহঁত আহিল। কমলে খুব ধুমধামেৰে অন্নপ্ৰাশন নাপাতিলেও, দেৰশমান মানুহক খাবলৈ মাতিলে। মাছ, মাংস, ক্ৰিম, সন্দেশ আদিৰে সকলোকে পৰিতৃপ্তি কৰি খুৱালে। সকলোৱে কমলক খুব প্ৰশংসা কৰিলে। কমলৰ ঘৈণীয়েকৰো ল'ৰাৰ অন্নপ্ৰাশন হোৱাত মনত বৰ ফুৰ্তি। মাইকী মানুহবোৰক মিঠা কথাৰে শোধপোছ কৰিলে আৰু সকলোকে

লৰাছোৱালীবে সৈতে নিজেই তত্ত্বাৱধান কৰি খুৱালে। সকলোকে দুবাৰ তিনিবাৰকৈ শুধি খুৱালে । কোনোবাই মাছ মাংস নালাগে বুলি কলেও জোৰকৈ পাতত দিলে। সন্দেশ এটাৰ ঠাইত দুটাকৈ খুৱালে। কোনো কোনোজনীক তিনি চাৰিটাও দিলে। সকলোমানুহে কমলৰ ল'ৰাক আশীৰ্বাদ কৰিলে আৰু বিলাত ফেৰতৰ ঘৈণীয়েক হৈও কমলাৰ যে কোনো ভেম নাই, কথাই বাৰ্তাই ব্যৱহাৰে যে অনন্যা, খুওৱা ধুওৱাত যে মুক্ত হস্তা এই কথা স্বীকাৰ কৰি কমলৰ ঘৈণীয়েকক খুব প্ৰশংসা কৰিলে।

কাম কাজ খুওৱা ধুওৱা হৈ যোৱাৰ পিচত ৰাতি কমলে ঘৈণীয়েকক কাষত বহাই লৈ পৰিতৃপ্তিৰে হাঁহি হাঁহি ক'লে "ঈশ্বৰৰ কৃপাত কাম ফেৰা যেনিবা ভালদৰেই সমাধা হ'ল।" কমলৰ কথাত ঘৈণীয়েকে মিচিকি হাঁহিলে। গৰ্বত, আনন্দত ঘৈণীয়েকৰ অন্তৰ ভৰি পৰিল। কমলৰ গাত ঢলিপৰি কমলৰ কোলাত মুৰটো থৈ ক'লে, "এইদৰেই আমাৰ দিনবোৰ যেন সদায় যায়।"

ওঠৰ

কিন্তু দিনবোৰ সদায় এনেদৰে নাযায়। পশ্চিম আকাশত যে অলপ অলপ মেঘ উঠিছে সেইটো খোৱাবোৱাত মাছ, মাংস, কণি আদি প্ৰথমতে কমি যোৱাই আৰু পিচত অদৃশ্য হোৱাই প্ৰমাণ কৰে। ল'ৰাৰ অন্নপ্ৰাশনত কমলৰ হাতত জমা থকা টকাৰ প্ৰায় সমস্তই খৰচ হ'ল।

কমলৰ হাতত পইচা এইদৰে কমিলেও বা নোহোৱা হ'লেও, অন্তৰৰ প্ৰেম হ'লে ধনিষ্ঠামানো নকমিল। পইচা যিমানেই কমিছে, প্ৰেমো তিমানেই বাঢ়িছে। ফলত ল'ৰাটো হোৱাৰ সাতমাহ পিচতে কমলৰ ঘৈণীয়েক পুনৰ অন্তঃসত্ত্বা হ'ল।

ঘৈণীয়েক অন্তঃসত্ত্বা হোৱাত কমলে এইবাৰ চকুৰে ধোঁৱাকোঁৱা দেখিলে। কমলৰ লোৰ কাৰখানাৰ চাকৰিৰ কি হ'ল, এই সম্পৰ্কে

জানিবলৈ চেক্রেটাৰীলৈ দুই তিনিখন চিঠি লিখিলে ; কিন্তু ৰাজধানীৰ পৰা কমলৰ চিঠিৰ উত্তৰ হ'লে কোনোদিনে নাহিল। ৰাজধানীত চেক্রেটাৰীৰ অফিচত কমলে লিখা কাগজ কোন ফাইলত সোমাল, পৰ্বতাকাৰ ফাইলৰ স্তূপৰ মাজত কমলৰ চিঠি ক'ত লুকাল, তাক স্বয়ং সহস্রাক্ষ ইন্দ্রইও কোৱা টান হ'ল। ইপিনে ৰাজধানীলৈ গৈ হোটেলত খৰচ কৰি থাকি এইবোৰ খা-খবৰ কৰিবলৈও কমলৰ হাতত সম্বল নাই। ৰাজধানীলৈ অহাযোৱা কৰি ৩০।৪০৲ টকা খৰচ কৰাতকৈ সেই টকাৰে আন কাম কৰাই ভাল। ৩০।৪০৲ টকাত অন্ততঃ এমাহ, দেৰমাহৰ চাউলকে কিনিব পাৰি। আকৌ ঘৈণীয়েকৰ এনে অৱস্থাত যি কোনো প্রকাৰে ঘৈণীয়েকক নিতৌ কণি, গাখীৰ, ফল, কমলা খুওৱাৰ দৰ্কাৰ। 'টনিক' আদি খোৱাও আৱশ্যক। খোৱাবোৱা আগতকৈ বেয়া হোৱাত ইতিমধ্যে ঠন ধৰি উঠা ঘৈণীয়েকো শুকাবলৈ ধৰিছেই। গোবৰ পানী পাই নাথাকিলে যেনেকৈ বাগিচাৰ ফুলজোপা ঠন ধৰিব নোৱাৰে, ঠন ধৰিব খুজিও যেনেকৈ মৰহি যায়, ভাল খোৱাবোৱা নাপালে মানুহৰো সেই একে অৱস্থা হয়। সেইবাবে কমলে এদিন ঘৈণীয়েকক ক'লে, "শুনিছা, আমেৰিকাৰ পৰা অনা টকা সম্পূর্ণ শেষ হ'ল। এতিয়া কলেজৰ দু শ টকা দৰমহাৰে ঘৰ ভাৰা এশ দি চাকৰটোৰে সৈতে আমি পাঁচটা প্রাণী কোনোমতে খাই বৈ থকা টান। তাতে আকৌ ভগবানৰ অনুগ্রহত আৰু এটা প্রাণী বঢ়াৰো সম্ভাৱনা হৈছে। গতিকে কাইলৈৰ পৰা মই 'টিউচন' কৰিম বুলি ভাবিছোঁ। আগতে ভাবিছিলো কলেজৰ প্রফেচাৰে 'টিউচন' কৰা বেয়া। কলেজৰ প্রফেচাৰ পঢ়াশুনা গৱেষণাতে থাকিব লাগে। এতিয়া দেখিছোঁ 'টিউচন' নকৰিলে পেট নভৰে। পেট খালি ৰাখি পঢ়াশুনা গৱেষণা কৰা জানো সম্ভৱ ? ঋষি মুনিয়ে হয়তো গছৰ বাকলি পিন্ধি ফলাহাৰ কৰি শিষ্যসকলক শাস্ত্রৰ শিক্ষা দিব পাৰে ; কিন্তু আমি সাংসাৰিক মানুহৰ পক্ষে সেইটো অসম্ভৱ। 'টিউচন' কৰাও একো বেয়া নহয় ; সিও ছাত্রক পঢ়োৱাই। চোৰ ডকাইতি কৰাতকৈ বা ভেটি খোৱাতকৈ

'টিউচন' কৰা অনেক গুণে শ্ৰেষ্ঠ। দুজন ল'ৰাই বৰকৈ ধৰি আছে। কাইলৈৰ পৰা এজনক পুৱা আৰু আনজনক গধূলি পঢ়াম বুলি কৈ আহিছোঁ।"

কমলৰ কথাত ঘৈণীয়েকে মনত বেজাৰ পালেও কমলৰ কথা যে যুক্তিসঙ্গত মানিলে। সেইবাবে সুধিলে, "কিমান টকা পাব?"

"ল'ৰাহঁত আমাৰ ঘৰলৈ আহি পঢ়িলে প্ৰত্যেকে ৫০৲ টকাকৈ দিব; কিন্তু সিহঁতৰ ঘৰতগৈ পঢ়ালে প্ৰত্যেকে ৭৫৲ টকাকৈ দিব খুজিছে। লগত চাহ জলপানো থাকিব। এইবোৰ ভাবিচিন্তি ল'ৰাহঁতক ঘৰতে পঢ়াম বুলি কৈ আহিছোঁ। কলেজৰ দৰমহা দু শ টকাৰ উপৰিও মাহে অতিৰিক্ত ১৫০৲ টকা পাম। ৰাইজে বা চৰকাৰে যেতিয়া শিক্ষকসকলক উপযুক্ত দৰমহা নিদিয়ে, এইদৰে ধনী মানুহবোৰক আমি 'টেক্স' নকৰিলে কি উপায় আছে? মাত্র দুখ হয় ধনীৰ লগত দুখীয়াও ভুগে বুলিহে; কিন্তু চৰকাৰে শিক্ষক-সকলক উপযুক্ত দৰমহা নিদিলে, শিক্ষকসকলে স্কুল কলেজত ভালদৰে কেনেকৈ পঢ়ায়? স্কুল কলেজত ভালদৰে পঢ়ালে আকৌ ঘৰুৱা শিক্ষকৰে প্ৰয়োজন নোহোৱা হব? তেতিয়া শিক্ষকসকলেই খাবলৈ নাপাই মৰিব লাগিব। আনহাতে ইচ্ছা কৰিলেও স্কুল কলেজত জানো ভালদৰে কোনোবাই পঢ়াব পাৰে? কলেজৰ একোটা শ্ৰেণীতে এ শ ডেৰ শ ল'ৰাক পঢ়াব লাগিলে, কোন ল'ৰাই বুবুজিলে, কোন ল'ৰাই ক'ত টান পালে, তাক প্ৰফেচাৰ অন্তৰ্যামী নহ'লে কেনেকৈ জানিব? গতিকে 'টিউচন' কৰা বা ঘৰত শিক্ষকক বেতন দিব পৰা প্ৰত্যেকজন ল'ৰাকে পঢ়োৱা শিক্ষকসকলৰ কৰ্তব্যও। তুমি কি কোৱা?" কমলে সুধিলে।

ঘৈণীয়েকে কি কব! বিলাত ফেৰত, বিদ্যাৰ জাহাজ, সদায় পৰীক্ষাত প্ৰথম হোৱা, সোণৰ মেডেল পোৱা গিৰিয়েকে এতিয়া 'টিউচন' কৰি পেট প্ৰবৰ্তাবলগীয়া হ'ল। অজানিতেই ঘৈণীয়েকৰ চকু পানীৰে ভৰি পৰিল; ঘৈণীয়েকে লৰালৰিকৈ চকুৰ পানী পিন্ধিথকা

চাদৰৰ আচলত মচিলে, যাতে গিৰিয়েক তাইৰ চকুৰ পানী নেদেখে; কিন্তু গিৰিঁয়েকে ঘৈণীয়েকৰ চকুৰ পানী দেখিলে।

কমলে সেইবাবে কলে, "তুমি কান্দিছা নেকি? ছিঃ, ইয়াত কান্দিবলৈ কি আছে? মইতো কোনো বেয়া কাম কৰিবলৈও যোৱা নাই। তোমাক দেখোন সকলো বুজায়ে ক'লো। তথাপি কিয় কান্দিছা? আকৌ তুমি দেখোন জানাই লক্ষ্মী সৰস্বতীৰ সদায় দ্বন্দ্ব বুলি। মোক সৰস্বতী আইয়ে কৃপা কৰাত লক্ষ্মী আই কুপিত হৈছে। এইটো একেবাৰে সত্য কথা। পিচে লক্ষ্মীৰ কৃপা মোক নালাগে। সৰস্বতী আইয়ে কৃপা কৰি থাকিলেই নিজকে পৰম ভাগ্যবান বুলি ভাবিম। বুজিছা, ধনী মানুহবোৰ মৰিলে কোনে তেওঁলোকৰ নাম লব? বিদ্বান মৰিলেও কিন্তু অমৰ। যুগযুগান্তৰলৈ তেওঁলোকৰ নাম মানুহে লৈ থাকে। অৱশ্যে আজিকালি কোনো কোনো ধনীমানুহে নিজকে বিদ্বান বুলি জাহিৰ কৰিবলৈ, দুখীয়া গ্ৰন্থকাৰৰ কিতাপ কিনি লৈ নিজে বা ঘৈণীয়েকে লিখা বুলি ছপাবলৈ ধৰিছে। এইদৰে ফাকি কৰি ধনৰ বলত তেওঁলোক অমৰ হবলৈ বিচাৰিছে; কিন্তু এইটো মিছা প্ৰয়াস। 'নকলি সোণ' এদিন ধৰা পৰিবই। আকৌ ধনীমানুহবোৰো জানো সুখী? আচলতে তেওঁলোক অতি দুখী। সদায় তেওঁলোকৰ মনত চোৰ ডকাইতলৈ ভয়। ঘৰত ব্যাভিচাৰ। ল'ৰা-ছোৱালীয়ে মাক বাপেকক নামানে, তিৰোতাই গিৰীয়েকক এৰি আন পুৰুষৰ লগত ৰাতি দুপৰলৈ ঘূৰি ফুৰে। টকা থাকি তেওঁলোকৰ কি লাভ হৈছে? সিদিনা এজন বৰ ডাঙৰ ধনী মানুহক লগ পাইছিলোঁ। তেওঁ কথাই কথাই দেশত চোৰ ডকাইতৰ উপদ্ৰৱ বঢ়াৰ কথা কলে। চোৰ ডকাইতৰ ভয়ত হেনো ঘৰৰ গহনাগাঠি সকলো বেঙ্কত থৈ দিছে। টকা পইচাও হেনো ঘৰত নাৰাখে। মই তেওঁক কি কলো জানা?" কমলে প্ৰশ্ন কৰি ঘৈণীয়েকৰ উত্তৰলৈ অলপ ৰ'ল।

কিন্তু ঘৈণীয়েকে কমলৰ কথাত একো নমতাত কমলেই পুনৰ কলে, "মই কলো—মই আপোনাতকৈ বহুত বেচি ধনী" তেওঁ

তেতিয়া সুধিলে, "কেনেকৈ ?" "মই ক'লো "পৃথিৱীৰ শ্ৰেষ্ঠ হীৰা কোহিনুৰ আৰু অনেক সোণ, মুকুতা, হীৰা মই লণ্ডনৰ দুৰ্গত (টাওৱাৰ অব্ লণ্ডন) থৈ দিছোঁ।" তেওঁ তেতিয়া সেইবোৰ মোৰ কেনেকৈ হব পাৰে বুলি জাপমাৰি উঠিল। মই ক'লো—আপোনাৰ বেঙ্কত থোৱা গহনাগাঠি জানো আপুনি ব্যৱহাৰ কৰিব পাৰিছে ? মাত্ৰ সেইবোৰ আপোনাৰ বুলি মনত এটা তৃপ্তি পাইছে। ময়ো যদি "টাওৱাৰ অব্ লণ্ডন'ত থকা হীৰা, মণি, মুকুতাবোৰ মোৰ বুলি ভাবি তৃপ্তি পাওঁ, তেনেহ'লে সেইবোৰ মোৰ নহৈ কাৰ হ'ল ? মোৰ কথাত সেই ধনীমানুহজনে খণ্ড কৰি মুখৰ ভিতৰত কিবা বিৰবিৰাই গুচি গ'ল। বাৰু, সেইবোৰ যাওক। তুমি দুখ নকৰিবা। "টিউচন" কৰা—চুৰ কৰা, ডকাইতি কৰা, ঠগাই ধনসম্পত্তি হস্তগত কৰা আদি বহু কামতকৈ শ্ৰেষ্ঠ।"

পিচদিনাৰে পৰা কমলে টিউচন কৰিবলৈ ধৰিলে। ৰাতিপুৱা চাহ খাই এজন ল'ৰাৰ ঘৰলৈ যায়। তাক পঢ়াই অতাই কলেজলৈ যোৱাৰ সময়ত ঘৰ আহি পায়। ঘৰত বেগাবেগিকৈ গা ধুই কোনোমতে ডালি ভাত কেইটামান গিলি কলেজলৈ যায়। কলেজৰ পৰা ঘৰলৈ আহি আকৌ আন এজন ল'ৰাক পঢ়াবলৈ যায় আৰু ৰাতি ভাত পানী খোৱাৰ সময়ত ঘৰ আহি পায়। কমলে এইদৰে টিউচন কৰিবলৈ ধৰাত কমলৰ ঘৰৰ লগত সম্বন্ধ কমিল। ল'ৰা-ছোৱালীবোৰৰ লগত সম্বন্ধ গুচাৰ দৰেই হ'ল। কাৰণ কমল পুৱাই চাহ খাইয়ে ওলাই যায়। গতিকে ৰাতিপুৱা ল'ৰা-ছোৱালীৰ লগত ৰং ধেমালী কৰিবলৈ বা কথাবাৰ্ত্তা হবলৈ সময় নেপায়। দুপৰীয়া কমল কলেজতে থাকে। গধূলি আকৌ ওলাই যায় আৰু ৰাতি যেতিয়া ঘূৰি আহি ঘৰ পায় তেতিয়া ল'ৰা-ছোৱালীহাল টোপনিত থাকে।

ঊনৈশ

এনেদৰেই দিনবোৰ লাহে লাহে গৈ আছে। এদিন কমলে খবৰৰ কাগজ এখন হাতত লৈ উত্তেজিত হৈ ঘৰ সোমাল আৰু ঘৈণীয়েকক ক'লে, "এই চোৱা, মন্ত্ৰীয়ে কি কৈছে। মন্ত্ৰীয়ে কৈছে— লোৰ কাৰখানা তৈয়াৰী হ'ল। এতিয়া এই কাৰখানা চলাবলৈ শিক্ষিত ইঞ্জিনিয়াৰ, ৰাসায়নিক আদিৰ দৰ্কাৰ। আমাৰ ল'ৰাই শিক্ষা দীক্ষা লৈ এইবোৰ সুবিধা লব লাগে।"

ঘৈণীয়েকে কমলৰ কথাত একো বেচি উৎসাহ নেদেখুৱাই ক'লে, "তাত আমাৰ কি হ'ল?"

"তাত আমাৰ কি হ'ল? তুমি একো নুবুজা। মই দেখোন তাঁখা ইঞ্জিনিয়াৰিঙত ডক্টৰেট। আমেৰিকাত কেচালোৰ উৎপাদন, বিভিন্ন প্ৰকাৰৰ তাঁখা তৈয়াৰীৰ প্ৰণালী আদি সম্পৰ্কে তিনিবছৰ শিকিলোঁ। আমেৰিকাৰ বৃহৎ বৃহৎ কাৰখানাবোৰত বিৰাট যন্ত্ৰপাতি চলালোঁ। আমাৰ দেশত মোৰদৰে লোৰ উৎপাদন সম্পৰ্কে জ্ঞান থকা মানুহ আৰু জানো কোনোবা আছে? গতিকে লোৰ কাৰখানা চলাবলৈ মোক নিযুক্ত নকৰি চৰকাৰে কাক নিযুক্ত কৰিব? বুজিছা, ইমান দিনৰ মূৰত ঈশ্বৰে মূৰ তুলি চালে। আমাৰ দুখৰ অন্ত হ'ল। মই এতিয়া এবাৰ ৰাজধানীলৈ গৈ মন্ত্ৰী আৰু চেক্ৰেটাৰীক কথাটো সোঁৱৰাই আহিব লাগিব।"

"ৰাজধানীলৈ যাব খুজিছে যাওক, বাৰু; মই একো বাধা নিদিওঁ; কিন্তু এই অভাৱৰ দিনত ৩০/৪০্ টকা মিছাতে খৰচ হব বুলিহে ভয় হৈছে। এতিয়া আমাক বহুত টকাৰ দৰ্কাৰ। আৰু এমাহ পিচতে যে সময় সেইটোতো জানেই।" ঘৈণীয়েকে ক'লে।

"পইচা মোৰ হাতৰ পৰা খৰচ নহয়। কলেজৰ প্ৰফেচাৰসকলৰ

এটা "ডেপুটেচন" ৰাজধানীলৈ গৈ মন্ত্রী আৰু চেক্রেটাৰীক দেখা কৰা কথা আছে। আমাৰ দৰ্মহা সদায় ধ্রুবতৰাৰ দৰে স্থশতে স্থিৰ হৈ আছে। তাৰ বৃদ্ধিও নাই হ্রাসো নাই। এতিয়া প্রফেচাৰসকলে দাবী কৰিছে দৰ্মহা আঠৈ শ হব লাগে বুলি আৰু আমাৰ দৰ্মহা চৰকাৰী কৰ্মচাৰীৰ বেতনৰ দৰে বছৰে বছৰে বাঢ়িবও লাগে বুলি।"

কমলৰ কথাত বৈণীয়েকে ক'লে, "যাওক, এবাৰ চেষ্টা কৰি চাওক।"

পিচদিনা কমলে কলেজত প্রফেচাৰসকলক ৰাজধানীত গৈ সোনকালে মন্ত্রী আৰু চেক্রেটাৰীক দেখা কৰা যে নিতান্ত দৰ্কাৰ তাক বুজালে। সকলোৱে কমলৰ কথাত হয়ভৰ দিলে। অৱশেষত কমল আৰু আন দুজন প্রফেচাৰক ৰাজধানীত মন্ত্রী আৰু চেক্রে-টাৰীক দেখা কৰিবলৈ সকলো প্রফেচাৰে বাচিলে। তেওঁলোকৰ তৃতীয় শ্রেণীৰ বাচৰ ভাৰা আৰু ৰাজধানীত খোৱাবোৱা পকা-মিলাৰ সকলো খৰচ বাবদ প্রত্যেকৰ বাবে দিনে ৩৲ টকাকৈ বহন কৰিবলৈ সকলো প্রফেচাৰ মান্তি হ'ল আৰু চাঁদা তুলি সেইখিনি ধন তুলিলে। প্রফেচাৰসকলে সিদ্ধান্ত লোৱাৰ দুদিন পিচতে তেওঁলোকৰ প্রতিনিধিৰ দল ৰাজধানীলৈ যোৱাবো ঠিক হ'ল।

নিৰ্দিষ্ট দিনত তিনিওজন প্রফেচাৰে দুৰ্গাক চিন্তি ৰাজধানীলৈ বুলি যাত্রা কৰিলে। ৰাজধানীৰ আটাইতকৈ কম দামী আৰু লেতেৰা হোটেলটোত ৰাতিটো কটাই পিচদিনা পুৱা তিনিওজনে বহুকষ্টে আৰু চাপ্রাচীক বকচিচ দি মন্ত্রীক দেখা কৰিলেগৈ। মন্ত্রীয়ে প্রফেচাৰসকলৰ কথা শুনি ক'লে, "আপোনালোকৰ কথা অতি যুক্তিসঙ্গত; পিচে মই একেবাৰে নিৰুপায়। মোৰ অৱস্থা আমাৰ গাৱঁৰে হৰি পণ্ডিতৰ অৱস্থাৰ সৈতে একে হৈছে। হৰি পণ্ডিতৰ কথা বোধকৰো নাজানে?"

প্রফেচাৰসকলে নজনা বুলি কোৱাত মন্ত্রীয়ে কবলৈ ধৰিলে, "হৰি পণ্ডিতৰ একেটা মাথোন ল'ৰা; ল'ৰাটো গাৱঁৰ পৰা দুমাইল

দুবৈৰ স্কুলত পঢ়ে। পণ্ডিতে গাৰঁত কোনোমতে দৰমহা ১২ টকাৰে টুকটাককৈ খাই-বৈ থাকে। এদিন পণ্ডিতৰ ল'ৰাই দেউতাকক কলে স্কুললৈ অহাযোৱা কৰিবলৈ এখন চাইকেল লাগে বুলি। আকৌ স্কুললৈ আন ল'ৰাৰ দৰে পিন্ধি উৰি যাবলৈ এটা কোট, এযোৰ জুতা আৰু এটা পেণ্টও লাগে। আজিকালি সকলোৱে ফাউণ্টেন কলমৰে লিখে। গতিকে স্কুলত লিখিবলৈ ফাউণ্টেন কলম এটা নহলেও নহয়। দেউতাকে ল'ৰাৰ সকলো কথাশুনি ক'লে,—"মইনা, তই যিবোৰ বস্তু লাগে বুলিছ সকলোবোৰেই যে অতি দৰ্কাৰী সেইটো সঁচা। তই চুষ্ট ল'ৰাৰ দৰে ধুন পেচ কৰিবলৈ বা চিগাৰেট খাবলৈও যে পইচা খোজা নাই তাক মই বুজিছোঁ; কিন্তু মই কি কৰিম? চাইকেলৰ পইচা উলিয়াবলৈ গলে মাটি বাৰি বিক্ৰী কৰিব লাগিব; তেতিয়া খাই-বৈ বাচি থকাই টান হব। জুতা, ফাউণ্টেন কলম, কোট আদিৰ টকাও উলিয়াবলৈ গলে আমি লঘোণে ভোকে থাকি শুকাই মৰিব লাগিব।" মোৰো অৱস্থা ঠিক হৰি পণ্ডিতৰ অৱস্থাৰ দৰেই হৈছে। আপোনালোকৰ যে দৰমহা বাঢ়িবলৈ লাগে সেইটো ঠিক। সেইদৰে পাঠশালা স্কুল, হাইস্কুলৰ পণ্ডিত সকলোৰে দৰমহা বাঢ়িবলৈ লাগে। চাপ্ৰাচী, পুলিচ, হাকিম, চেক্ৰেটাৰী আনকি মন্ত্ৰীৰো দৰমহা বাঢ়িব লাগে। আকৌ দেশখন কৃষি, শিল্প আদিত চহকী কৰিও তুলিব লাগে। এই সকলোবোৰ অতি আৱশ্যকীয় কামৰ বাবে মই ক'ৰ পৰা টকা পাওঁ? হৰি পণ্ডিতৰ ১২ টকাই মূলধনৰ দৰে আমাৰো খাজনা খিনিয়ে মূল ধন। তাকো আকৌ ঠিক মতে নুঠে। বানপানী, ধুমুহা, ভূমিকম্প আদি হ'লে খাজনা মাফ দিব লাগে। গতিকে মই ক'ৰ পৰা টকা পাওঁ আপোনালোকে ভাবি চাওক। আপোনা-লোকৰ দৰমহা বঢ়াবলৈ গলে, পুলিচৰ দৰমহা কমাব লাগিব। তেতিয়া পুলিচবোৰ অসন্তুষ্ট হব আৰু দেশত চোৰ ডকাইত বাঢ়িব। আকৌ যদি কয়, পুলিচৰ দৰমহা কিয় কমাব লাগে, হাকিমৰ বা চেক্ৰেটাৰীৰ দৰমহা কমাই পইচা বাহি কৰিলেই হয় দেখোন? হাকিমৰ দৰমহা

কমাবলৈ গলে হাকিমে ভেটি খোৱা হব ; তেতিয়া বিচাৰ বিভ্ৰাট হ'লে দেশত কি হব পাৰে আপোনালোকে নিজেই ভাবক। আকৌ চেক্ৰেটাৰীৰ বা মন্ত্ৰাৰ দৰ্মহা কমালে কিমান পইচা ৰাহি হব ? পইচাতো ৰাহি নহয়ে বৰং চেক্ৰেটাৰী বা মন্ত্ৰীয়ে আৰ্থিক চিন্তা ভাবনাৰ পৰা মুক্ত হৈ শান্তিত শুক ৰাজকীয় কাম কৰিব নোৱা ৰলে দেশত অৰাজকে হব। হৰি পণ্ডিতে ল'ৰাৰ চাইকেল, জুতা বা কোটৰ পইচা উলিয়াব গলে যেনেকৈ লঘোণে ভোকে মৰিব লাগিব, ঠিক সেইদৰে আপোনালোকৰ দৰ্মহা বৃদ্ধি কৰিবলৈ পইচা উলিয়াবলৈ গলে, দেশত অৰাজকতা হব। আপোনালোকে তথাপি চেক্ৰেটাৰীক দেখা কৰি চাওক ; তেওঁ বুঢ়া মানুহ ; বহুদিন বিচক্ষণতাৰে ৰাজ্য চলাইছে। তেওঁৰ মূৰত কিবা বুদ্ধি ওলালেও ওলাব পাৰে। মই নিজে হ'লে একো উপায় দেখা নাই।"

প্ৰফেচাৰসকলৰ দৰ্মহা বৃদ্ধিৰ কথাবতৰা শেষ হোৱাৰ পাচত কমলে মন্ত্ৰীক ক'লে, "চাৰ, মোৰো এটা নিজাকথা আছে।"

কমলৰ কথাত মন্ত্ৰীয়ে বিৰক্তিৰে ক'লে, "তোমাৰ আৰু নিজা কি কথা ? নিজা কথা শুনিবলৈ মই ভাল নেপাওঁ।"

কমলে তেতিয়া মন্ত্ৰীক আমেৰিকাত কেনেকৈ সি বহুকষ্ট কৰি তীখা ইঞ্জিনিয়াৰিং পঢ়ি আহিলে তাক আকৌ বিৱৰি ক'লে।

মন্ত্ৰীয়ে কমলৰ কথাত ক'লে, "তুমি আমাৰ খৰচতে বিদেশত নাম ৰাখি পঢ়ি শুনি আহিছা। শুনি বেচ ভাল পাইছোঁ ; পিচে মই কি কৰিব লাগে ? মোক এইবোৰ তোমাৰ নিজা কথা শুনোৱাৰ কি উদ্দেশ্য ?"

কমলে তেতিয়া খবৰৰ কাগজখন খুলি মন্ত্ৰীক মন্ত্ৰীৰ নিজৰ কথা-খিনিকে দেখুৱালে। মন্ত্ৰীয়ে কাগজখনত চকু ফুৰাই ক'লে, "অ এই কথা ; লোৰ কাৰখানাত ভাল চাকৰি লাগে। এইবোৰ চাকৰি-ৰাকৰি দিয়াত মই নাই। তুমি চেক্ৰেটাৰীক দেখা কৰা। তেওঁ দিলে মই তাত তথাস্তু কৰিম।"

মন্ত্ৰীৰ কথাত কমল আৰু প্ৰফেচাৰসকল উঠিল। ছাত্ৰক পঢ়াই

পঢ়াই, দাৰিদ্ৰ্যৰ লগত যুঁজ কৰি কৰি প্ৰফেচাৰসকলৰ আৰু কমলৰো আগৰ দৰে সাহ নোহোৱা হৈছে। আগৰ দৰে কমলৰ সাহ থকা-হেঁতেন মন্ত্ৰীক দুই এষাৰ কথাকে হয়তো শুনাই দিলেহেঁতেন ; কিন্তু আমেৰিকাৰ পৰা ঘূৰি অহাৰ দুবছৰ পিচত কমলৰ আগৰ সাহ, নিৰ্ভিকতা নোহোৱা হৈছে। সেইবাবে সকলোৱে মন্ত্ৰীক নমস্কাৰ কৰি বিদায় ল'লে আৰু দুপৰীয়া হোটেলত ভাত খাই উঠি অফিচত চেক্ৰেটাৰীক দেখা কৰিলেগৈ।

চেক্ৰেটাৰীৰো সেই একে কথা। প্ৰফেচাৰসকলৰ দৰমহা বৃদ্ধিৰ বিষয়ত ক'লে, "এইবোৰ কথা খুব ভালদৰে পৰীক্ষা কৰি চাব লাগিব এজন প্ৰফেচাৰৰ দৰমহা ২৫০৲ টকা কৰা একো কথাৰ কথা নহয়. কিন্তু এজনৰ দৰমহা বঢ়ালে সকলোৰে দৰমহা বঢ়াব লাগিব ; আকৌ নিতৌ ন ন কলেজ হৈয়ে আছে আৰু লগতে প্ৰফেচাৰো বাঢ়ি আছে। গতিকে দৰমহা বৃদ্ধিৰ এই প্ৰস্তাৱটো সকলোপিনৰ পৰা ভালদৰে পৰীক্ষা কৰি নোচোৱাকৈ একো কোৱা টান। মোৰ বোধেৰেতো চৰকাৰে আপোনালোকৰ এই প্ৰস্তাৱ মানিব লাগিলে, চৰকাৰে মাহে কেইবালাখো টকা অতিৰিক্তকৈ খৰচ কৰিব লাগিব। আপোনালোক জনা বুজা মানুহ ; গতিকে আপোনা-লোকে ভালদৰে জানেই আমাৰ দেশখন কিমান দুখীয়া। আয় চাইহে খৰচ। "Cut your coat according to cloth"— কাপোৰৰ পৰিমাণ চাইহে কোটৰ কাপোৰ কাটিব লাগিব—নহয় জানো ? এইবোৰ কথা আপোনালোকৰ নিচিনা বিদ্বানলোক-সকলক বুজাবলৈ যোৱাটো মোৰ ধৃষ্টতাহে।" এই বুলি কৈ চেক্ৰেটাৰীয়ে হাঁহিলে

প্ৰফেচাৰসকলে চেক্ৰেটাৰীৰ কথাত ক'লে, "চাৰ, এইটো সামান্য প্ৰস্তাৱত মাহে কেইবালাখো টকা খৰচ নহয়। আমাৰ সমগ্ৰ প্ৰদেশখনত তিনি শৰ বেচি প্ৰফেচাৰ নহব। গতিকে প্ৰত্যেকৰ-বাবে মাহে ৫০৲ টকাকৈ ধৰিলেও তিনি শ প্ৰফেচাৰৰ বাবে চৰকাৰৰ ১৫,০০০৲ টকাহে মাহে খৰচ হব। আকৌ ভৱিষ্যতে কলেজ যে

খুব বেচি বাঢ়িব আৰু ফলত প্ৰফেচাৰৰ সংখ্যাও যে খুব বেচি হব সেইটো কথাও ঠিক নহয়। তৰ্কৰ খাটিৰত সেইটো মানিলেও দেশৰো আয় বাঢ়িব।”

চেক্ৰেটাৰীয়ে তেতিয়া ক'লে, “কিন্তু আপোনালোকৰ দৰমহা বৃদ্ধি কৰিলে তাৰ প্ৰতিক্ৰিয়া কি হব ভাবি চাইছে জানো? তেতিয়া হাজাৰ হাজাৰ পাঠশালা স্কুলৰ পণ্ডিত, হাইস্কুলৰ শিক্ষক, হাজাৰ হাজাৰ কেৰাণী, পুলিচ, চাপ্ৰাচী সকলোৱে দৰমহা বৃদ্ধিৰ বাবে আন্দোলন কৰিবলৈ ধৰিব। তেতিয়া চৰকাৰৰ কি অৱস্থা হব ভাবি চাওকচোন। চৰকাৰৰ ৰাজহৰ সকলো টকাৰে দেখোন তেতিয়া হৰিলুট হব। গোটেইখিনি চৰকাৰৰ ৰাজহৰ টকা দৰমহাতে ভগাই দি চৰকাৰে ৰঙা চাকি জ্বলাই হাত সাবটি দেখোন বহি থাকিব লাগিব?”

প্ৰফেচাৰসকলে তেতিয়া ক'লে, “আপুনি, চাৰ যি, ভয়াবহ চিত্ৰ আঁকিছে সেইটো পিচে প্ৰকৃততে নঘটে। আপোনালোক চেক্ৰেটাৰী, ডেপুটি চেক্ৰেটাৰী, আণ্ডাৰ চেক্ৰেটাৰী, হাকিম, বিভাগীয় বৰমূৰীয়া-সকলে দেখোন খোৱালোৱা বস্তুৰ দাম বঢ়া বুলি দৰমহা বঢ়ায়ে আছে। সেইবুলি দেশত জানো আন্দোলন হৈছে? আপোনা-লোকৰ বাবে বস্তু-বাবৰ দাম বাঢ়িলে, বাকী সকলৰ বাবেও বস্তু-বাবৰ দাম বাঢ়ে। আগতে দুই অনাতে যি বস্তু পোৱা হৈছিল এতিয়া সেই বস্তু এটকাতো পোৱা নাযায়। গতিকে সকলোৰে দৰমহা আগতকৈ কেইবাগুণো বঢ়া উচিত। নহ'লে দেশৰ, চাৰ, কি উন্নতি হৈছে? বস্তুৰ মূল্য বৃদ্ধি অনুসৰি চৰকাৰৰো আয় বাঢ়িছে; গতিকে সকলোৰে দৰমহা বঢ়ালেও, চৰকাৰে ৰঙা চাকি জ্বলাই হাত সাবটি বহি থাকিব নালাগিব। পিচে, আনবোৰৰ কথা আনবোৰে কব। আমি পাঠশালাৰ শিক্ষক, হাইস্কুলৰ শিক্ষক, কেৰাণী, চাপ্ৰাচী আদিৰ বাবে ওকালতি কৰিবলৈ অহা নাই। আমি আমাৰ কথাহে কবলৈ আহিছোঁ। কলেজত প্ৰফেচাৰ হব লাগিলে অন্ততঃ দ্বিতীয় শ্ৰেণীৰ এম. এ, বা এম. এছ. ছি. হব লাগিব; কিন্তু হাকিম, আণ্ডাৰ

চেক্ৰেটাৰী, ডেপুটি চেক্ৰেটাৰী আদি হবলৈ সাধাৰণ বি. এ. বা বি. এছ. ছি. হলেই হয়। আমাৰ ছাত্ৰ আৰু অনেক অতি সাধাৰণ ছাত্ৰইও এতিয়া হাকিম আদি হৈ আমাতকৈ বহুগুণে বেচি দৰমহা পায় আৰু বহুগুণে বেচি সুখত আছে।”

চেক্ৰেটাৰীয়ে প্ৰফেচাৰসকলৰ কথা শুনি ক'লে, “অকলতো গুণ অনুসৰি দৰমহা নিৰুপণ কৰিব নোৱাৰি। গুণৰ লগত কামৰ দায়িত্বও বিবেচনা কৰিব লাগিব।”

প্ৰফেচাৰসকলে এই কথাত ক'লে, “প্ৰফেচাৰসকলৰ কামৰ দায়িত্ব হাকিম, চেক্ৰেটাৰীসকলৰ দায়িত্বতকৈ কম নেকি, চাৰ? দেশৰ ভবিষ্যত গঢ়ি তোলা দায়িত্ব দেখোন প্ৰফেচাৰসকলৰ হাততে? প্ৰফেচাৰসকল শান্তিত, তৃপ্তিত কাম কৰিব নোৱাৰিলে, তেওঁলোকে কি শিক্ষা দিব? সদায় অভাৱ, অনাটনত থাকিলে তেওঁলোকে কি পঢ়াশুনা কৰিব, কি গৱেষণা কৰিব? সেই বাবেই আনদেশত প্ৰফেচাৰৰ দৰমহা সকলোৰে দৰমহাতকৈ বেচি আৰু সেই বাবেই আনদেশ আমাৰ দেশতকৈ অনেক গুণে সুখী, অনেক গুণে চহকী। ৰুচিয়াই যে আজি স্পুটনিক উৰাই গোটেই জগতকে বিস্ময় কৰিছে, তাৰ গুৰিতো জানো প্ৰফেচাৰসকলৰ ঐকান্তিক গৱেষণা, তেওঁলোকৰ বিদ্যা আৰু তেওঁলোকে ছাত্ৰসকলক দিয়া উচ্চমানৰ শিক্ষা নাই? পশ্চিমৰ দেশবোৰৰ অভূতপূৰ্ব উন্নতিৰ, থকা মিলাৰ অতি উচ্চ মানদণ্ডৰ মূলো জানো প্ৰফেচাৰসকলেই নহয়?”

চেক্ৰেটাৰীয়ে তেতিয়া ক'লে, “তথাপি সকলো কথা ভালদৰে নোচোৱাকৈ কোৱা টান। আপোনালোকৰে দৰমহা বৃদ্ধি কৰিব পাৰিলে মোতকৈ আন কোনো বোধকৰো বেচি সুখী নহব। আপোনালোকৰ প্ৰস্তাৱ খুব ভালদৰে আৰু সহানুভূতিৰে পৰীক্ষা কৰি চাবলৈ মই অফিচক কম। আপোনালোক এতিয়া যাওক।”

কমলে তেতিয়া ক'লে, “চাৰ, মোৰ এটা নিজা কথা আছে।”

চেক্ৰেটাৰীয়ে কমলৰ কথাত বিৰক্তিৰে উত্তৰ দিলে, “আপোনাৰ আৰু নিজৰ কি কথা?”

কমলে তেতিয়া তাৰ নিজৰ কথা বিবৰি ক'লে। চেক্ৰেটাৰীয়ে কমলৰ কথা শুনি ক'লে, "মন্ত্ৰীয়ে কিয় যে আমাক নোসোধাকৈ তেনেকৈ বক্তৃতা দি ফুৰে মই হ'লে বুজি নাপাওঁ। লোৱ কাৰখানা হৈছে সঁচা ; কিন্তু তাৰ সকলো চাকৰিবাকৰিত দেখোন ইতিমধ্যেই মানুহ ভৰ্ত্তি কৰা হ'লেই। মন্ত্ৰীৰ নিজৰ মানুহকো দেখোন মন্ত্ৰীৰ কথাতে জেনেৰেল মেনেজাৰৰ "পাৰ্চনেল এচিষ্টাণ্ট" কৰি লোৱা হৈছে? এতিয়া আমাৰ ল'বাৰ বাবে কি চাকৰি খালি আছে? কৰবাত চাপ্ৰাচী, পিয়নৰ চাকৰি খালি থাকিলে থাকিব পাৰে; অৱশ্যে সেইটোও সন্দেহৰ কথা।"

কমলে তেতিয়া চেক্ৰেটাৰীক ক'লে, "তেনেহলে মোৰ একো নহ'বই নেকি? বিদেশত যে ইমান শিক্ষা-দীক্ষা কৰিলো সেই সকলোবোৰ অথলে গ'ল নেকি?"

চেক্ৰেটাৰীয়ে ক'লে, "অথলে কিয় যাব? আপুনি কলেজত ছাত্ৰক সেইবোৰ শিকাওক।"

কমলে তেতিয়া অযথা তৰ্ক নকৰি চেক্ৰেটাৰীক তাক কিবা এটা কৰি দিবলৈ খাটিব ধৰিলে। চেক্ৰেটাৰীয়ে গহীনাই ক'লে, "মই সেইবোৰ নাজানো। অফিচেহে জানে। আপুনি অফিচত খবৰ কৰক।"

চেক্ৰেটাৰীৰ কথাত কমল অফিচলৈ গ'ল। তাতো ইজন কেৰাণীয়ে সিজনৰ কথা কয়। মুঠতে কমলে বুজিলে তাৰ বিদেশত শিকা বিদ্যা দেশৰ কামত লগাৰ কোনো সম্ভাৱনা নাই। চৰকাৰৰ খৰচতে যে সি আমেৰিকাত তিনিবছৰ থাকি আহিল সেইটোকেহে এতিয়া মানুহে তাৰ ভাগ্য বুলি কয়।

কুৰি

পিচদিনা পুৱা প্ৰফেচাৰ দুজন নিজৰ ঠাইলৈ উভটিল। কমলে ধনেশ্বৰক দেখা কৰি যাওঁ বুলি ৰৈ গ'ল। প্ৰফেচাৰ দুজন যোৱাৰ পিচত কমলে পোছাক কৰি ধনেশ্বৰে আগতে থকা বঙলাটোলৈ খোজ কাঢ়ি গ'ল। টেক্সিৰে যাবলৈ এইবাৰ কমলৰ হাতত আগৰ দৰে পইচা নাই। লেতেৰা হোটেলটোলৈ ধনেশ্বৰক গাড়ী পঠাবলৈ কবলৈও কমলে লাজ কৰিলে। আগতে ধনেশ্বৰ থকা বঙলাটোলৈ গৈ দেখে যে সেই বঙলাত ধনেশ্বৰ বা মিষ্টাৰ ধান নাই। আন-মানুহ সেই বঙলাত আছে। সেই বঙলাত থকা কোনো মানুহে ধনেশ্বৰ বা মিষ্টাৰ ধানৰ কোনো খবৰ দিব নোৱাৰিলে। ওচৰৰ মানুহবোৰেও কব নোৱাৰিলে। কমলে তেতিয়া ধনেশ্বৰৰ আগৰ অফিচত ফোন কৰি খবৰ লোৱাত জানিলে যে মিষ্টাৰ ধানৰ হেনো এতিয়া কাম নাই। ভেটি খোৱা অপৰাধত ছমাহমান আগতে কাম গৈছে। এতিয়া হেনো ৰাজধানীৰ পূবপিনে থকা 'নন্দন বন' নামৰ চুবুৰী এটাত ঘৰ ভাৰা কৰি আছে।

কমলে তাৰ বন্ধু ধনেশ্বৰৰ সম্পৰ্কে এনে এটা অপ্ৰত্যাশিত খবৰ পাই দমি গল। তথাপি আগৰ বন্ধু ধনেশ্বৰক দেখা কৰি যাওঁ বুলি 'নন্দন বন'ত ধনেশ্বৰ বা মিষ্টাৰ ধানৰ খবৰ ললে। 'নন্দন বন'তো কোনেও ধনেশ্বৰ বা মিষ্টাৰ ধানৰ বিষয় একো কব নোৱাৰিলে। অনেক খা-খবৰ কৰাৰ পিচত অৱশেষত কিছুমান মানুহে কমলক ক'লে যে ছমাহমান আগতে মূৰত বগা টুপী পিন্ধা এজন মানুহে এটা সৰু ঘৰ 'নন্দন বন'ত ভাৰা কৰি আছে সঁচা; কিন্তু সেইজন মানুহৰ নাম ধনেশ্বৰ বা মিষ্টাৰ ধান নহয়। কমলে মানুহবোৰৰ কথাত শেষ চেষ্টা কৰি চাওঁ বুলি মানুহবোৰে কোৱামতে সেই ঘৰলৈ গ'ল; কিন্তু সেইঘৰৰ সমুখত যি নামফলি দেখিলে তাত

ধনেশ্বৰ বা মিষ্টাৰ ধানৰ নাম লিখা নাই। নামফলিত "শ্ৰীমান দানী" এই নাম লিখা আছে। কমলে তেতিয়া সকলো চেষ্টা বিফল হোৱা বুলি উভটিবলৈ ধৰিছিল। এনেতে ঘৰৰ বাৰান্দাৰ পৰা কোনোবাই কমলক নাম ধৰি মতা শুনিলে। কমলে তেতিয়া ঘূৰি চাই দেখে যে গেৰুৱা ধুতি পিন্ধা, গেৰুৱা চাদৰ লোৱা, বগা টুপী পিন্ধা, দীঘল চুলি আৰু দাড়ি ৰখা এজন মানুহে কমলক নাম কাঢ়ি মাতিছে। কমলে এই অচিনাকী মানুহজনৰ মাতটো ধনেশ্বৰৰ যেনেই অনুমান কৰিলে; কিন্তু এই নতুন মানুহজনৰ চেহেৰা, পোছাক পৰিচ্ছদ, ক'তো আগৰ ধনেশ্বৰ বা মিষ্টাৰ ধানৰ কোনো সম্পৰ্ক নাই। কমলে এই অচিনাকী মানুহজনৰ ওচৰ চপাত মানুহজনে হাঁহি ক'লে, "মোক চিনিব পৰা নাই নেকি? মই আগৰ ধনেশ্বৰ, মিষ্টাৰ ধান আৰু এতিয়াৰ শ্ৰীমান দানী।"

"তোৰ এনে বেশ কিয়? বহুৰূপী সাজিবলৈ তই কেতিয়াৰ পৰা শিকিলি?" কমলে সুধিলে।

"মই বহুৰূপী নহওঁ। এয়েহে মোৰ প্ৰকৃত বেশ। আগৰ বেশবোৰহে মোৰ নকলী আছিল। তইতো জানই মোৰ পাৰ্থিব বস্তুৰ প্ৰতি মোহ কিমান কম। কলেজত পঢ়ি থকা কালত 'সত্যম শিৱম্ সুন্দৰম'ৰ অন্বেষণত মই ঘৰ এৰি পলাই যোৱা কথাও তই জান। মাজতে কেইদিনমান সাধাৰণ মানুহৰ ভোগ বাসনাৰ সোৱাদ লৈ সেইবোৰনো কি বস্তু তাক চালো। সেইসকলো বস্তু মিছা বুলি প্ৰমাণ পাই সকলো পাৰ্থিব সুখৰ বস্তুকে ফু মাৰি উৰাই দি এতিয়া এই প্ৰকৃত বেশ লৈ ভগবৎ আৰাধনাত লাগিছোঁ।"

"বাৰু সেইবোৰ বুজাৰ মোৰ বাকী নাই। পাচে আচল কথাটো কি ক চোন।" কমলে সুধিলে।

"আচল কথাটো মই তোক কৈছোৱেই; কিন্তু তই যদি আনমানুহে কি কয় জানিব খোজ তেনেহ'লে কথাটো হ'ল এই— মোৰ টকা পইচা ঐশ্চৰ্য্য দেখি আমাৰ দেশৰ হিংসুক মানুহবোৰে মোৰ বহুত বদনাম কৰিবলৈ ধৰিলে। মন্ত্ৰীক সঁচাই মিছাই নানা

কথা লগালে। মই হেনো ভেটি খাই পাৰ্মিট দিওঁ ইত্যাদি। মন্ত্ৰীয়ে মোক এই বিষয়ে সোধাত মই এইবোৰ সকলো মিছা বুলি কলো আৰু মোৰ যে টকা পইচা ধন ঐশ্চৰ্য্য একোতে কোনো লোভ বা আসক্তি নাই তাকে মন্ত্ৰীক আৰু চকুচৰহা মানুহবোৰক দেখুৱাবলৈ কামকে ইস্তাফা দিলো। হিংসুক মানুহেবোৰে পিচে ভিতৰৰ এইবোৰ কথাৰ গম নাপাই মই বাধ্যত পৰি কাম ইস্তাফা দিয়া বুলি কয়। কোনো কোনো চকুচৰহা মানুহে আকৌ মোক চৰকাৰে কামৰ পৰা খেদাই দিয়া বুলিও কয়।"

"বাৰু, সেইবোৰ যাওক। মিচেচ ধান ক'ত? ভিতৰত আছে নেকি?" কমলে সুধিলে।

"চাকৰি এৰাৰ লগে লগে সংসাৰৰ সকলো বন্ধনৰ পৰা মুক্ত হবলৈ নিজৰ স্ত্ৰীকো এৰিলো। তেওঁ এতিয়া আমেৰিকাত। শুনিছো তাত নতুনকৈ হেনো কোনোবা চাহাবৰ বাচ্চাক বিয়া কৰাইছে। মই চাকৰিত থকা সময়ৰে পৰা সেই নিমকহাৰাম চাহাবৰ বাচ্চাই মোৰ ঘৰলৈ আহি নানা দামী সুৰা পিছিল, ভজা মুৰ্গি আৰু ভজা আলু খাইছিল। মোৰ সন্দেহ হয় কি জানি সেই বদমাইছে বাৰবাৰাৰো সোৱাদ লৈছিল। যিয়েই নহক মই চাকৰি ইস্তাফা দিয়াৰ পিচত মই নানা অত্যাচাৰ কৰা বুলি বাৰবাৰাই মোৰ ওপৰত বিবাহ বিচ্ছেদৰ মোকৰ্দমা কৰে। মইতো ভালেই পালো। গাড়ী, ঘৰ, চাকৰিকে এৰিব পাৰিলো যেতিয়া সামান্য স্ত্ৰীকনো এৰিব নোৱাৰিম নে? মই আদালতত সকলো সঁচা বুলি বিবাহ বিচ্ছেদত সম্মতি দিলোঁ। তাৰপিচত বাৰবাৰা সেই চুৰঁৰ বাচ্চাৰ লগত আমেৰিকালৈ গ'ল আৰু তাত তাকে বিয়া কৰালে। মইও তাৰ পিচত মোৰ মতেৰে সকলো ধন সম্পত্তি বিলাই দি এতিয়া "শ্ৰীমান দানী" নাম লৈ নৰ-নাৰায়ণৰ সেৱাত লাগিছোঁ।"

"বাৰু, মই সেইবোৰ বুজিলো। পিচে মন্ত্ৰীৰ ওপৰত তোৰ এতিয়া কিবা প্ৰভাৱ আছে নেকি? মই কিমান কষ্ট কৰি

আমেৰিকাত তিনিবছৰ থাকি নানা কথা শিকিলো। এতিয়া মন্ত্ৰীয়ে কৈছে আমাৰ দেশত হেনো লোৰ কাৰখানা তৈয়াৰী হ'ল। সেই কাৰখানা চলাবলৈ হেনো এতিয়া শিক্ষিত বিশেষ জ্ঞান থকা মানুহৰ দৰ্কাৰ। তোৰ মন্ত্ৰীৰ ওপৰত কিবা প্ৰভাৱ আছে যদি তোৰ এসময়ৰ বন্ধুৰ বাবে পাৰ যদি কাৰখানাত ভাল চাকৰি এটাকে যোগাৰ কৰি দে।" এইবুলি কমলে ক'লে। ধনেশ্বৰৰ কাম যোৱাৰ পিচত মন্ত্ৰীৰ ওপৰত ধনেশ্বৰৰ যে কোনো প্ৰভাৱ থাকিব নোৱাৰে তাক কমলে জানে। তথাপি পানীত পৰা মানুহে যেনেকৈ খেৰ এডাল পালেও তাকে খামুচি ধৰে, খেৰডালেই মৰণৰ পৰা বচাবপাৰিব বুলি বিশ্বাস কৰে, সেইদৰে কমলেও তাৰ বিপদত ধনেশ্বৰেই ৰক্ষা কৰিব পাৰিব বুলি ভাবি, অভাৱ অনাটনৰ অকুল সাগৰৰ পৰা ধনেশ্বৰেই চাকৰি যোগাৰ কৰি দি তাক বচাব পাৰিব বুলি ধনেশ্বৰক সোধে।

কমলৰ কথাত ধনেশ্বৰে খং কৰি ক'লে, "সকলো নিমকহাৰামৰ দল। যেতিয়া মই মিষ্টাৰ ধান নাম লৈ ভোগত আছিলো, তেতিয়া কিমান জনক কিমান ৰৌ মাছ, পাঠা, সন্দেশ, দৈ খুৱালো! মন্ত্ৰীকো জানো কম খুৱালো! মোৰ ঘৰৰ পৰা মন্ত্ৰীৰ ঘৰলৈ প্ৰায়েই ৰৌ মাছ, কাৱৈ মাছ, পাঠা, তৰি তৰকাৰী, দৈ, কলহৰগুৰ, সন্দেশ গৈছিল। দৈও জানো যেই সেই দৈ। সেই দৈৰ ওপৰত আঠ আঙুল মাখন। খালে সেই দৈৰ আঠা চাবোনেৰে হাত দুই তিনিবাৰ ধুইহে গুচাব পাৰি। ৰৌ মাছো একো একোটা ১৫।২০ সেৰ ওজনৰ; আৰু কাৱৈ মাছ! দুই হাতৰ তলুৱাৰ সমান একো একোটা কাৱৈ মাছ! অৱশ্যে সেইবোৰ বস্তু ময়ো নিজে কিনা নাছিলো। মানুহে মই কৰা উপকাৰৰ বিনিময়ত কৃতজ্ঞতাৰ চিন স্বৰূপ সেইবোৰ বস্তু দিছিল। সি ভেটি নহয়। তই ভুল বুজিবি বুলি মই কথাটো কলো। ভেটি কি নিশ্চয় জান?"

কমলে ধনেশ্বৰৰ কথাত একো নমতাত ধনেশ্বৰেই কৈ গ'ল— "ভেটি হ'ল কিবা চাকৰি বাকৰি দিম বুলি কৈ তাৰ বিনিময়ত টকা

কড়ি বয়বস্তু আগতে লোৱা। মোৰ কথা হ'ল বেলেগ। মই মানুহৰ পৰা একো আশা নাৰাখি আগতে উপকাৰ কৰো। পিচত মানুহে সেই উপকাৰৰ বাবে কৃতজ্ঞ হৈ নালাগে বুলি ক'লেও বয়-বস্তু দিয়ে। গতিকে এইবোৰ ভেটি নহয়—এইবোৰ হ'ল উপহাৰ। চেক্ৰেটাৰীকো মই পোৱা বস্তুৰ ভাগ দিছিলোঁ। মন্ত্ৰীৰ জীয়েকৰ বিয়াখন কোনে পাতি দিলে? মিষ্টাৰ ধানে নহয় জানো? সেই বিয়াত মোৰ প্ৰভাৱতে মই আগতে উপকাৰ কৰা মানুহবোৰৰ পৰা মন্ত্ৰীৰ জীয়েকে দামী দামী সোণৰ, হীৰাৰ গহনা গাঠি উপহাৰ পালে। এতিয়া এইবোৰ সকলো কথা মন্ত্ৰী আৰু চেক্ৰেটাৰীয়ে পাহৰি মোক ভেটি খোৱা বুলি মোৰ ওপৰত অভিযোগ আনিলে। এনে নিমকহাৰামৰ দল! মই খণ্ডত চাকৰি ইস্তাফা দি ধন সম্পত্তি সকলো বিলাই দি মোৰ এইবোৰ বস্তুৰ প্ৰতি কিমান মায়া কম দেখুৱালো। এতিয়া মন্ত্ৰী আৰু চেক্ৰেটাৰীয়ে গম পাইছে আৰু মোৰ কথা বুজিছে। সেইবাবে মাজে মাজে ইটো সিটো চাকৰিৰ প্ৰলোভন দেখুৱাই মাতেও। মই পিচে প্ৰতিজ্ঞা কৰিছো আৰু চৰকাৰৰ চাকৰি নকৰোঁ বুলি। মন্ত্ৰী আৰু চেক্ৰেটাৰীক কৈ দিছোঁ তেওঁলোকৰ গোলাম আৰু নহওঁ বুলি। তিনিবছৰ পিচত মই নিজে মন্ত্ৰী হম। তই চাই থাক। দেশৰ মানুহে মোক খুব ভাল পোৱা হৈছে। অহা নিৰ্বাচনত দেশৰ মানুহে মোক এচেম্বলিলৈ পঠাবই। তাৰপিচত মন্ত্ৰী হোৱা একো কথাৰ কথাই নহয়।"

"তেনেহ'লে তোৰ এতিয়া কোনো হাত নাই? মোৰ বিষয় তই একো কৰিব নোৱাৰ?" কমলে সুধিলে।

"তই কষ্ট কৰি আৰু তিনিবছৰ থাক। তিনিবছৰৰ মূৰত মই মন্ত্ৰী হ'লে তোক লোৰ কাৰখানাৰ জেনেৰেল মেনেজাৰ কৰি মাহে চাৰি হাজাৰকৈ দৰমহা দিম। ঘৰ, মটৰ, চাকৰ বাকৰ যি লাগে সকলো পাবি। শ্ৰীমান দানীয়ে নিজৰ বন্ধুক কেতিয়াও নাপাহৰে।"

ধনেশ্বৰৰ কথাত কমলে উঠি ক'লে, "বাৰু সেইবোৰ থাওক।

মই এতিয়া উঠিলো। আজি আবেলি মই ৰাজধানী এৰিব লাগিব। এতিয়া ভালেখিনি দেৰি হ'ল। মই উঠিলো।" এইবুলি কমলে ধনেশ্বৰ বা শ্ৰীমান দানীৰ ঘৰ এৰি হোটেলৰ পিনে খোজ ললে। ধনেশ্বৰে কমলক পিচৰ পৰা চিঞৰি ক'লে, "কমল, আৰু মাত্ৰ তিনিবছৰ সহ্য কৰি থাক। তোক মই ৪০০০৲ টকাৰ চাকৰি দিহে মোৰ শ্ৰীমান দানী নামৰ সাৰ্থকতা কৰিম।"

কমলে ধনেশ্বৰৰ কথাত একো নামাতি হোটেললৈ গৈ থাকিল। হোটেল পাই বয় বস্তু বান্ধি হোটেলৰ বিল আদি শোধ কৰি ঘৰলৈ বুলি গাৰীত উঠিল।

এৰৈকশ

কমলে ঘৰ পাই কাকো মাতবোল নকৰাকৈ আনকি নিজৰ ল'ৰা-ছোৱালীকো মৰম নকৰি মূৰ ঘূৰোৱা বুলি বিছনাত পৰিল। ঘৈণীয়েকে মূৰ টিপি দিব নেকি বুলি সোধাত কমলে অনাহকতে ধমক দি ঘৈণীয়েকক আঁতৰাই দিলে। ঘৈণীয়েকে কমলৰ পৰা এনে ব্যৱহাৰ কোনোদিনে পোৱা নাছিল। কমলৰ ধমক খাই ঘৈণীয়েকে কান্দি পেলালে। ল'ৰা-ছোৱালীকেইটাক খুৱাই ধুৱাই শুৱাই থৈ কমলক ভাত খাবলৈ মাতিলে। কমলে ধমক দি ক'লে, "ভাত নাখাওঁ। তোমালোকৰ অত্যাচাৰত অকণমান শান্তিৰে শুব নোৱাৰোঁ। মই মৰিলেহে সকলোৰে হাৰ জুৰ হব।"

কমলৰ এনে নিষ্ঠুৰ কথাত ঘৈণীয়েকে হুক হুকৈ কান্দিলে। ঘৈণীয়েকেও সিদিনা সেইবাবে ভাত পানী নাখাই শুই থাকিল।

পিচদিনা পুৱা কমলৰ অনুশোচনা আহিল। যোৱাৰাতিৰ নিষ্ঠুৰ আচৰণৰ বাবে কমল নিজেই আচৰিত হ'ল। ঘৈণীয়েকক ক'লে "ৰাজধানীলৈ মিছাতে মোৰ যোৱা হ'ল। মোৰ আৰু চাকৰি নহয়। লোৰ কাৰখানা হৈছে ; কিন্তু তাৰ সকলো ডাঙৰ চাকৰি ৰাকৰি হয় মন্ত্ৰীৰ, বা চেক্ৰেটাৰীৰ অঙহি বঙহি নহয় তেওঁলোকৰ

ভৰিত তেল দিব পৰা সকলেই পাইছে বা পাব। উপযুক্ত মানুহে সেইবোৰ চাকৰি বাকৰি নাপায়। কালি সেইবাবেহে মোৰ মনত খং উঠিছিল আৰু সেইবাবেই মিছাতে তোমাক খং কৰিছিলোঁ।”

গিৰীয়েকৰ কথাত ঘৈণীয়েকে ক'লে “সেইবাবে একো চিন্তা কৰিব নালাগে। ভগৱানে যি মিলাইছে তাতে সন্তুষ্ট থকাই মানুহৰ কৰ্তব্য। দালি ভাত কেইটা ঈশ্বৰে মিলাই থাকিলেই হ'ল।”

ঘৈণীয়েকৰ কথাত কমলে একো নামাতিলে; কিন্তু সকলো অৱস্থাতে সন্তুষ্ট থাকিবলৈ কোৱা কথা তাৰ মনে নামানিলে। গীতাৰ এই মহৎ বাণীত মানুহে শান্তি পাব পাৰে; কিন্তু সেই শান্তি আৰু মৰিশালীৰ শান্তি একেই। অন্যায় অবিচাৰৰ বিৰুদ্ধে থিয় হোৱাই মানুহৰ কৰ্তব্য। অন্যায় অবিচাৰৰ বিৰুদ্ধে একো নকৈ নিজৰ অৱস্থাকে মানি লৈ স্থিত প্ৰজ্ঞ হৈ শান্তি লভাতকৈ মৰি যোৱাই কমলে শ্ৰেয় বুলি ভাবিলে। ভগৱানে নিজেই দেখোন অন্যায় অধৰ্ম দমন কৰিবলৈ যুগে যুগে পৃথিৱীত অৱতাৰ হয়। পিচে ভগৱান অৱতাৰ হৈ এই অন্যায় অধৰ্মবোৰ দমন কৰিবলৈ অপেক্ষা কৰি মানুহে বৈ থকাই কৰ্তব্য নে মানুহে নিজেই এই অন্যায় অধৰ্মবোৰৰ বিৰুদ্ধে থিয় হৈ যুদ্ধ কৰাই শ্ৰেয় কমলে ঠিক কৰিব নোৱাৰিলে। কমলৰ মন কিন্তু বিদ্ৰোহী হৈ ৰ'ল আৰু লগৰ প্ৰফেচাৰ আৰু আনমানুহৰ লগত কথাবতৰা কওঁতে তাৰ অজ্ঞাতে তাৰ বিদ্ৰোহী মনে এই অন্যায় অবিচাৰবোৰৰ বিৰুদ্ধে কবলৈ ধৰিলে। কেতিয়াবা কেতিয়াবা ছাত্ৰক পঢ়াই থাকোতেই ৰসায়নৰ কথা কবলৈ এৰি কমলে এইবোৰ অন্যায় অবিচাৰৰ বিৰুদ্ধে কয়। গুণীৰ গুণৰ মোল যি জাতিয়ে নিদিয়ে, যি জাতিৰ নেতাসকল নিজৰ স্বাৰ্থ সিদ্ধিতে ব্যস্ত, যি জাতি ডাঙ্কোপ মৰা, মিছা খোৱা, ভেটি খোৱা মানুহবোৰে চলায়, সেই জাতিৰ যে কেতিয়াও উদ্‌গতি হব নোৱাৰে, সেই জাতি যে ধ্বংসৰ মুখত, কমলে ছাত্ৰসকলক কয়। মাজে মাজে ছাত্ৰসকলক বিজ্ঞানৰ অৱদানৰ কথা কওঁতে, দেশত বিভিন্ন শিল্প গঢ়ি তুলি কেনেকৈ দেশ চহকী কৰিব পাৰি কেনেকৈ ভৱিষ্যতে

আজিৰ ছাত্ৰসকলেই নানা তৰহৰ শিল্পত, কৃষিত বৈজ্ঞানিক জ্ঞান খটাব লাগিব এইবোৰ কওঁতেই কমলে কয় "তোমালোকে অতি কষ্ট অতি পৰিশ্ৰম কৰি যি বৈজ্ঞানিক জ্ঞান লভিছা সেই জ্ঞান দেশৰ কামত যেতিয়া লাগিব তেতিয়া আমাৰ দেশ পৃথিৱীৰ ভিতৰতে এখন চহকী দেশ হব। এনে বিপুল প্ৰাকৃতিক সম্পদ-ৰাজিৰে ভৰি থকা সোণৰ দেশৰ সোণ আহৰণ কৰিবলৈ আমাৰ দেশত বৈজ্ঞানিক, ইঞ্জিনিয়াৰৰ বৰ দৰ্কাৰ। আশাকৰোঁ অতি কষ্টে আৰ্জা বৈজ্ঞানিক জ্ঞান বিফলে নাযাব। আশাকৰোঁ তোমালোকৰ জ্ঞানক দেশৰ মানুহে প্ৰকৃত মৰ্য্যদা দি দেশ গঢ়ি তুলিবলৈ সেই জ্ঞান দেশৰ কামত লগাব।"

বাইশ

এইদৰে এদিন দুদিনকৈ কমলৰ দিন অতি কষ্টেৰে লাহে লাহে গৈ আছে। যথাসময়ত কমলৰ ঘৈণীয়েকে এজনী ছোৱালী প্ৰসৱ কৰিলে। ঘৈণীয়েকৰ প্ৰসৱৰ সময়ত কমলৰ এইবাৰ টকা ধাৰ হ'ল। ঔষধ পাতি কিনোতে, ডাক্তৰ, ধাই আদিক ভিজিট বা দৰ্শনি দিওঁতে কমলৰ যথেষ্ট খৰচ হ'ল। যিয়েই নহক, ধাৰ ধুপাৰ হ'লেও, কমলৰ দিন কষ্টে মষ্টে একৰকম চলি থাকিল। দৰমহা দুশটকাতে ধ্ৰুবতৰাৰ দৰে স্থিৰ থাকিলেও, কমলৰ খৰচ নিতৌ বাঢ়ি থাকিল। দিনৰ পিচত দিন, মাহৰ পিচত মাহ বাগৰি যায়। কমলৰ অৱস্থা নিতৌ বেয়াহে হৈ যায়। খোৱাবোৱা, পিন্ধা উৰা এতিয়া আগৰ দৰে নাই। মাছ, মাংস নিতৌ খোৱাতো দূৰৈৰে কথা মাহেকতো এতিয়া এদিন নিমিলে। ল'ৰা ছোৱালীয়ে আপত্তি কৰিলে, কমলে নিৰামিষ খোৱাৰ গুণ বখানে। দালিও এতিয়া দালি হৈ থকা নাই; হালধি মিহলোৱা পানী বুলিলেহে সেই দালিৰ প্ৰকৃত নামাকৰণ হয়। কমলে নিজে এতিয়া টাপলি মৰা পেণ্ট পিন্ধে; ঘৈণীয়েকৰ গাতো মলিয়ন মেখেলা চাদৰ।

ল'ৰা-ছোৱালীবোৰৰ বেমাৰ হ'লে ডাক্তৰক মাতি ভিজিট দিবলৈ, বা দামী ডাক্তৰি ঔষধ কিনিবলৈ কমলৰ হাতত এতিয়া পইচা নাই। কলেজত পঢ়াই আৰু 'টিউচন' কৰি কমলে যি কেইটা পইচা পায় তাক ঘৰভাৰা দিওঁতে, ল'ৰা-ছোৱালীৰ সৈতে দালি ভাত খাওঁতে, কেচুৱাৰ গাখীৰ কিনোতে আৰু ল'ৰা-ছোৱালীৰ পঢ়াৰ খৰচ যোগাওঁতেই শেষ হয়। দেশত বস্তু-বাবৰ যেনে জুই ছাই দাম, এইদেদ্‌ কলেজৰ প্ৰফেচাৰে দুশ টকা দৰমহাৰ এশ টকা ঘৰ ভাৰাত দি বাকী টকাৰে কেনেকৈ চলে? তাতে ভূতৰ ওপৰত দানৱ পৰাদি, বস্তুৰ সেই জুই ছাই হেন দামৰ দিনতো বজাৰত মাজে মাজে চাউল, চেনি আদি অদৃশ্য হয়; তেতিয়া গোপন বা কলা বজাৰত দুই তিনিগুণ দাম দি এইবোৰ বস্তু কিনিব লাগে। যিয়েই নহক, অভাৱ অনাটনৰ মাজেদি হ'লেও, আধাপেটি খাই হ'লেও, ভাইটামিন, প্ৰোটিন শূন্য খাদ্য খাই নানা বেমাৰত ভুগি হ'লেও, দেশৰ কোটি কোটি মানুহৰ দৰে কমলৰো দিন চলে; আৰু হয়তো চলিও থাকিলহেঁতেন; কিন্তু কেচুৱাটোৰ দুবছৰ হওঁতে, কমলৰ ঘৈণীয়েক পুনৰ অন্তঃসত্বা হয়। অভাৱ অনাটনত পোত খাই থাকিলেও, জৈবিক তাৰণাত বাটৰ ভিক্ষাৰী, ভিক্ষাৰিণীৰো মিলন হয়, ল'ৰা-ছোৱালী হয়। গতিকে কমলৰ ঘৈণীয়েক পুনৰ অন্তঃসত্বা হোৱাত একো আচৰিত হবলগীয়া নাই।

আচৰিত হবলগীয়া কথা নহ'লেও, কমল কিন্তু বাটৰ ভিকহু নহয়। কমল কলেজৰ প্ৰফেচাৰ, আমেৰিকাত তিনিবছৰ থাকি ডক্টৰেট ডিগ্ৰী পোৱা মানুহ। বাটৰ মগনীয়াৰৰ দৰে কমল নওঠা হৈ বা চিৰা কানি পিন্ধি, ঘৰৰ পৰিয়ালৰ খা-খবৰ নোলোৱাকৈ, জন্তুৰ দৰে যেতিয়া যি পায় তাকে নিজে খাই থাকিব নোৱাৰে। ৰাস্তাৰ কাষত ময়লা পেলোৱা টিনৰ পাত্ৰটোৰ পৰাও আমাৰ দেশত অনেক মানুহে ভাত বুটলি বুটলি খাই শৰীৰ ৰক্ষা কৰে। সন্তান হ'লে জন্তুৰ দৰেই সেই সন্তান প্ৰকৃতিৰ হাতত এৰি দি দেউতাক গুচি যায়; কোনো কোনোৱে আকৌ বাঘে নিজৰ পোৱালী খোৱাৰ

দৰে নিজৰ সন্তানকো হত্যা কৰে ; কিন্তু কোনো শিক্ষা দীক্ষা থকা মানুহৰে, সামান্য সম্বল থকা মানুহৰে পক্ষে এইবোৰ সম্ভৱ নহয়। কমলৰ দৰে বিদেশত শিক্ষা পোৱা প্ৰফেচাৰ এজনৰ থকাৰ মানদণ্ড এটাও আছে। সেই মানদণ্ড এৰি কমলে কলেজলৈ শুদা ভৰিৰে, সন্ন্যাসীৰ দৰে আধা নঙঠা হৈ যাব নোৱাৰে ; গলে মানুহে কমলক পাগল বুলি ভাবিব। প্ৰফেচাৰৰ মানদণ্ডৰ কাৰণেই আৰু নিজে উচ্চ শিক্ষিত হোৱাবাবেই, কমলে ১০০৲ টকাৰ ভাৰা ঘৰত আছে, ল'ৰা-ছোৱালীক ভাল স্কুলত পঢ়াইছে, নাখাই নবৈ হ'লেও ল'ৰা-ছোৱালীক স্কুলত অন্ততঃ একোযোৰ ভাল কানি-কাপোৰ দিছে, আৰু নিজেও টাপলি মৰা হ'লেও, কোট পেণ্ট, পিন্ধি কলেজলৈ গৈছে ; সেইবাবেই ধাৰ ধুপাৰ কৰি হ'লেও, হাৰ ভঙা টিউচন কৰি হ'লেও কমলে ঘৈণীয়েকক অন্ততঃ অন্তঃসত্বা অৱস্থাত কল, কণি, গাখীৰ খুৱাবলৈ যত্ন কৰি থাকে।

ঘৈণীয়েকে কিন্তু কমলক এৰি, ল'ৰা-ছোৱালীক এৰি নিজে অকলে কল, কণি, গাখীৰ নাখায়। ফলত ঘৈণীয়েক ক্ৰমে দুৰ্বল হৈ গৈছে। ইপিনে কমলৰো অৱস্থা নিতৌ শোচনীয় হৈ গৈছে। বন্ধুবান্ধৱৰ পৰাও ধাৰ ধুপাৰ নোপোৱা হৈছে। দোকানত বাকী বাঢ়ি গৈছে। “টিউচন”ৰ পইচাও সদায় সমানে নাথাকে। পৰীক্ষাৰ দুমাহমান আগতে টিউচনৰ বজাৰ বেচ উঠে। তেতিয়া বহুতক নিৰাশো কৰিব-লগীয়া হয় ; কিন্তু পৰীক্ষা হৈ যোৱাৰ পিচত কেইমাহমান টিউচনৰ বজাৰ বেয়া হয়। টিউচনৰ বজাৰত ভাটা আছে। খৰালী কালৰ নিজৰাৰ পানী টিৰ টিৰ কৈ কোনোমতে বৈ থকাৰ দৰে, পৰীক্ষাৰ পাচত মাষ্টৰ, প্ৰফেচাৰসকলে একেবাৰে মূৰ্খ ধনীৰ সন্তানৰ ‘টিউচন’ৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়াত পৰে—তেওঁলোকৰ জীৱন নিৰ্বাহৰ বাবে দৰমহাৰ উপৰি লগা নিজৰ আৱশ্যকীয় অতিৰিক্ত পইচাখিনিৰ বাবে।

কমলে এইবোৰ নানাকাৰণত এদিন ঘৈণীয়েকক ক'লে, “তুমি এটা কথা কৰিলে কেনে হয় ? ল'ৰা-ছোৱালী কেইটা লৈ দেউতাৰাৰ

ঘৰত থাকাগৈ। তেতিয়া মইও সামান্য সকাহ পাওঁ। দেউতাৰাৰ ঘৰত তুমিও ভালদৰে খাই বৈ থাকিব পাৰিবা।"

কমলৰ কথাত ঘৈণীয়েকে ক'লে, "তিনিটা ল'ৰা-ছোৱালী হোৱাৰ পিচত মই চতুৰ্থটো হোৱাৰ সময়ত মা পিতাৰ ঘৰত থাকোগৈ! মানুহে কি কব? মোৰে জানো লাজ নালাগে? মোৰোটো এটা মান সন্মান আছে। আকৌ মা পিতাৰ অৱস্থাও ভাল হোৱাহেঁতেন এটা কথা আছিল। তেওঁলোকেও কোনোমতে খাই বৈ আছে। মই এতিয়া তিনিটা ল'ৰা-ছোৱালীক লগত লৈ মা পিতাৰ ঘৰত থাকিলে তেওঁলোকৰ কি অৱস্থা হব? যদি আপুনি নিজৰ ল'ৰা-ছোৱালী তিৰোতাক খুৱাই ধুৱাই ৰাখিব নোৱাৰে তেনেহ'লে বিয়াই বা কৰিছিল কিয়, ল'ৰা-ছোৱালীকে বা জন্ম দিছিল কিয়?" ঘৈণীয়েকে কথা কৈ যাওঁতে নিজৰ অজ্ঞাতেই মুখৰ পৰা শেহৰ কথাকেইফাকিও ওলায়।

ঘৈণীয়েকৰ কথাত কমলে ক'লে, "সেইটো ঠিকেই কৈছা। আমাৰ নিচিনা মানুহে হয়তো বিয়া কৰাবকে নালাগিছিল। ল'ৰা-ছোৱালীবোৰো দেখোন আমাৰ ঘৰতহে বেচি হয়। টকা পইচা থকা মানুহৰ ঘৰত হয় ল'ৰা-ছোৱালী নহয়, বা হ'লেও দুই এটাহে হয়। ঈশ্বৰৰ এইটো কি পৰিহাস বুজি নাপাওঁ।"

"পৰিহাস আৰু ই কি হব? এইটো ঈশ্বৰৰ অনুগ্ৰহহে।" ঘৈণীয়েকে কমলৰ কথাত উত্তৰ দিলে।

"অনুগ্ৰহ! খুৱাব ধুৱাব নোৱাৰা মানুহক ল'ৰা-ছোৱালী বেচিকৈ দি ঈশ্বৰে অনুগ্ৰহ কৰাতকৈ টকা পইচা দিহে অনুগ্ৰহ কৰা উচিত।"

"ছিঃ, এইবোৰ কথা নকব, নালাগে আমাক টকা পইচা। বহুতো টকা পইচা থকা মানুহ আমি দেখিছোঁ। তেওঁলোকৰ জীৱন আমাক কেতিয়াও নেলাগে। তেওঁলোকৰ দৰে থকাতকৈ দুখীয়া হৈ থকাই ভাল। ঈশ্বৰে যি কেইটা ল'ৰা-ছোৱালী আমাক দিছে সিয়ে আমাৰ সাত ৰজাৰ ধন।"

"ধনীমানুহৰ জীৱন মইও বিচৰা নাই। তেওঁলোকৰ জীৱন আমাক যে নালাগে সেইটো ঠিক। বিশেষকৈ পাশ্চাত্য ধনীমানুহবোৰৰ জীৱন। এওঁলোকৰ টকা পইচা, ধনসোণ মদত আৰু বেশ্যাত খৰচ কৰে। নিজৰ বিবাহিতা স্ত্ৰীৰ লগত সদায় হাই কাজিয়া; গতিকে এওঁলোকৰ ল'ৰা-ছোৱালীয়ে বা কেনেকৈ হয়? তথাপি যিবোৰ মানুহৰ ল'ৰা-ছোৱালী আছে সেইবোৰৰ অন্ততঃ ল'ৰা-ছোৱালীক খুৱাব ধুৱাব, পিন্ধাব উৰাব পৰা অৱস্থা থাকিব লাগে। ঈশ্বৰে জন্ম দি অনুগ্ৰহ কৰি, ধন নিদি নিগ্ৰহ কৰিলে, সি পৰিহাস নহয় কি হয়? ধন নহ'লে জনেই বা কেনেকৈ বাচে, কেনেকৈ ডাঙৰ দীঘল হয়? গছৰ পুলিটোৱে সাৰ পানী নাপালে সেই পুলিটো জানো মৰহি মৰি নাযাব? অৱশ্যে কব পাৰা ঈশ্বৰে 'Principle of abundance and wastage' বা 'আধিক্য আৰু অপব্যয়ৰ নীতি' তেওঁৰ সৃষ্টিত প্ৰয়োগ কৰি সৃষ্টি চলোৱা বুলি; কিন্তু 'মিতব্যয়ৰ নীতি' প্ৰয়োগ নকৰি 'অপব্যয়ৰ নীতি' প্ৰয়োগ কৰি সৃষ্টি চলোৱাৰ সাৰ্থকতা কি বুজি নাপাওঁ।"

"এইবোৰ কি কৈছে, কি বকিছে, মই একো বুজি পোৱা নাই।" ঘৈণীয়েকে ক'লে।

"এইবোৰ বুজিবা কেনেকৈ? এইবোৰেই বিজ্ঞানৰ খাটি সত্য কথা। নদীত মাছ হয়; কিন্তু এই মাছৰ কিমান শত্ৰু। কণি পৰাৰে পৰা পোৱালী ডাঙৰ নোহোৱালৈ মাছৰ পোৱালীৰ সদায়ে শত্ৰুৰ ভয়। ডাঙৰ ডাঙৰ মাছে মাছৰে পোৱালীবোৰ ধৰি ধৰি খায়। সেইবাবেই কোনো মাছৰ বংশ যাতে একেবাৰে ধ্বংস নহয়, সেইবাবেই এটা মাছেই লাখ লাখ কণি পাৰে। তেতিয়া লাখ লাখ কণি আৰু হাজাৰ হাজাৰ মাছৰ পোৱালী নষ্ট হ'লেও কিছু সংখ্যক পোৱালী বংশ ৰক্ষাৰ আৰু বৃদ্ধিৰ বাবে বৈ যায়। এই একে নীতিকে ঈশ্বৰে মানুহতো প্ৰয়োগ কৰিছে। নৰনাৰীৰ মিলনৰ সময়ত পুৰুষৰ বীৰ্য্যৰ লাখ লাখ পুংবীজ স্ত্ৰীৰ একেটা মাত্ৰ ডিম্বকোষৰ লগত মিলহে সন্তান উৎপত্তি কৰিবলৈ, পুৰুষৰ

বীৰ্য্যৰ লাখ লাখ পুংবীজে প্ৰতিযোগিতা কৰে। সেই প্ৰতিযোগিতাত অধিকক্ষেত্ৰতে সকলোবোৰ পুং বীজে মৰে। কেতিয়াবা মাত্ৰ এটা পুং বীজে এই প্ৰতিযোগিতাত জয়লাভ কৰি স্ত্ৰীৰ ডিম্বকোষৰ লগত মিলহে মানুহৰ সন্তানৰ উৎপত্তি কৰে। এনে ঘটনা বিৰল হ'লেও, দুখীয়া মানুহৰ বেলিকা আৰু বিশেষকৈ আমাৰ ক্ষেত্ৰত, প্ৰত্যেকবাৰ আমাৰ মিলনতে এটা পুং বিজে মৃত্যুৰ হাত সাৰি ডিম্বকোষৰ লগত মিলন হয়গৈ।" কমলে উত্তেজিত হৈ ক'লে।

"এইবোৰ বাজে কথা নবকি আপুনি গা পা ধোৱকহি। আপুনি দেখিছো আগৰদৰে নাই। কিবোৰ যে ভাবি থাকে? আমিতো দুবেলা খাই বৈ আছোঁ। কত মানুহে এবেলাও খাবলৈ নাপায়। ঈশ্বৰৰ অনুগ্ৰহত মানুহ বিৰূপ বা কুপিত হোৱা অনুচিত।"

"আকৌ ঈশ্বৰৰ অনুগ্ৰহৰ কথা কৈছা? ঈশ্বৰৰ অপব্যয়ৰ নীতিৰ গোটেইখিনি কথা শুনি পিচত ঈশ্বৰৰ অনুগ্ৰহৰ কথা কবা। মাছৰ পোৱালীৰ দৰে দুখীয়া মানুহৰো অনেক সন্তান-সন্ততি হয় আৰু মাছৰ পোৱালীৰ দৰেই দুখীয়া মানুহৰো সন্তান-সন্ততিৰ অনেকে ভালদৰে খাবলৈ নাপাই, বেমাৰত ঔষধ পাতি নাপাই অকালতে মৰে; কিন্তু মাছৰ হাজাৰ হাজাৰ পোৱালী মৰিলেও, যেনেকৈ কিছুমান বাচে, সেইদৰে দুখীয়া মানুহৰো ১০টা ল'ৰা-ছোৱালীৰ ৭টা মৰিলেও, ৩টা বাচে আৰু সিয়ে মানুহৰ বংশ বৃদ্ধি কৰে, পৃথিবীৰ জনসংখ্যা বঢ়ায়। কিন্তু এই আধিক্য আৰু অপব্যয়ৰ নীতি জীৱ জন্তু, গছ-লতাৰ ক্ষেত্ৰত খটোৱাৰ দৰে মানুহৰ ক্ষেত্ৰতো খটোৱা ঈশ্বৰৰ একেবাৰে অন্যায় হৈছে। মানুহটো জীৱ জন্তু বা গছ লতা নহয়। মানুহৰ অনুভূতি আছে। মানুহৰ কৰ্ম, মানুহৰ আচৰণ, মানুহৰ জীৱন পশুৰ দৰে কেৱল আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুন এই চাৰি বিধতে আবদ্ধ নাথাকে। এই সকলোবোৰ কাৰণতে মই কৈছো তুমি কিছুদিন দেউতাৰাৰ ঘৰত থাকাগৈ। নহ'লে মই কোনোমতে তোমালোকৰ খোৱাপিন্ধাৰ খা-খৰচ যোগাব নোৱাৰা হৈছোঁ। ধাৰো বাঢ়ি গৈছে। ধাৰ এতিয়া নোপোৱাও হৈছোঁ। মূৰ্খৰ দৰে

আমেৰিকাত তিনিবছৰ বং ধেমালি এৰি হাবভগু৷ পৰিশ্ৰম কৰিলোঁ।। কি দৰ্কাৰ আছিল এনে পৰিশ্ৰম কৰাৰ? চৰকাকে এতিয়া কয় যে চৰকাৰৰ খৰচতে আমেৰিকাত যে তিনিবছৰ থাকিলো সিয়ে মোৰ ভাগ্য। ভাগ্য যে মযো বুজিছোঁ; কিন্তু ধনেশ্বৰৰ দৰে পঢ়াশুনা একো নকৰি বং-ধেমালি কৰি খাই-বৈ চৰকাৰৰ খৰচতে আমেৰিকাত ভোগৰ পিয়লাৰ মধু আকণ্ঠভৰি পান কিয় নকৰিলো? আকৌ আমেৰিকাৰ পৰা ঘূৰি আহি মূৰ্খৰ দৰে কিয় হাতত থকা সকলো টকা পইচা দুহাতে বিলাই খৰচ কৰিলো? কোনে সেইসময়ত জানিছিল আমাৰ দেশৰ এনে দুৰ্ব্যৱস্থা, দুৰ্নীতিৰ কথা। কোনে জানিছিল দেশৰ শিক্ষিত বৈজ্ঞানিক, ইঞ্জিনিয়াৰ লগা সত্বেও সেই-বোৰক কামত নলগাই মন্ত্ৰী, চেক্ৰেটাৰীয়ে নিজৰে অঙহি-বঙহি বা নিজে ডাঙ্কোপ মাৰি ফুৰা কেতবোৰ অপগণ্ডক হাজাৰ টকা দৰ্মহা দি কাম নাজানিলেও কামত লগাব বুলি?"

"আপুনি বৰ উত্তেজিত হৈছে। এইবোৰ কথা এৰক। মই পিচে খুদ চাউল খাই হ'লেও আপোনাৰ লগতে থাকিম। আপোনাক এৰি কেতিয়াও কলৈকো নাযাওঁ।" ঘৈণীয়েকে ক'লে।

"মোৰ কথা যেতিয়া নামানিলা মই কি কৰিম? এতিয়া মোক এৰি কিছুদিনৰবাবে দেউতাৰাৰ ঘৰলৈও যাব নোখোজা? ঈশ্বৰে নকৰক, ভয় হয় কিজানি চিৰকাললৈ কেতিয়াবা এৰি যোৱা বুলিহে।" কমলে ক'লে।

"সেইবোৰ অমঙ্গলীয়া কথা কেতিয়াও নাভাবিব, আৰু নকবও। এতিয়া গা-পা ধুই আহক।" ঘৈণীয়েকে ইয়াকে কৈ পাকঘৰৰ ভিতৰ সোমাল।

তেইশ

এইদৰেই কমলৰ দিন দুখে-কষ্টে এদিন-দুদিনকৈ যাবলৈ ধৰিলে। দিন যোৱাৰ লগে লগে কমলৰ স্বভাৱো খিতখিতীয়া হৈ গৈছে। ঘৈণীয়েক কাষলৈ আহিলে কিবা টকা পইচাৰ কথা কবলৈ অহা বুলি কমলে খং কৰি উঠে। ল'ৰা-ছোৱালীবোৰক হকে বিহকে খণ্ড কৰে আৰু মাৰে। কমল আৰু আগৰ সেই প্ৰেমিক মৰমিয়াল কমল নাই। ৰাতি ঘৈণীয়েকৰ সৈতে একে কোঠাতে নুশুৱে। বেলেগ কোঠাত দুকাষে দুটা ল'ৰা-ছোৱালী লৈ কমল শুৱে। সেই কোঠালৈ কেতিয়াবা কিবা কাৰণত ঘৈণীয়েক আহিলে কমলে ভীষণ খং কৰি উঠে। খোৱা-বোৱা, পিন্ধা-উৰাও একেবাৰে সাধাৰণ হৈছে। অৱশ্যে কমলতকৈ আৰু অনেক গুণে বেয়া খোৱা, বেয়া পিন্ধা, আনকি খাবলৈ নোপোৱা মানুহো কোটি কোটি আছে। কমলৰ তলৰ সেই কোটি কোটি নৰনাৰায়ণৰ মুখলৈ চাই কমলে কেতিয়াবা সান্ত্বনা পাব খুজিলেও, কমলে যেতিয়া তাৰ ওপৰলৈ চাই আৰু ওপৰত কেতবোৰ অপগণ্ড মানুহক ধুনীয়া পকীঘৰত চাকৰ বাকৰলৈ ৰাজসুখত খাই-বৈ পিন্ধি-উৰি থকা দেখে, যেতিয়া সেই অপগণ্ড মানুহবোৰে সুন্দৰী উপপত্নীক কাষত বহাই ৰাজআলিত ধূলি উৰাই, মটৰ দৌৰাই যোৱা দেখে, তেতিয়া কমলৰ মন বিদ্ৰোহী হৈ পৰে, মন অশান্তিৰে ভৰি পৰে।

এদিন কমল কলেজৰ পৰা ঘূৰি আহোঁতে ঘৈণীয়েকে ক'লে যে ডাঙৰ ছোৱালীজনীৰ হেনো দুপৰীয়াৰে পৰা খুব জ্বৰ। ডাক্তৰক সোনকালে মাতি আনি দেখুৱাব লাগে। কমলে এই কথা শুনি কানি-কাপোৰ নসলোৱাকৈ খুব ব্যস্তভাবে ছোৱালীজনীৰ কাষলৈ গৈ গাত হাত দি জ্বৰ চালে আৰু ছোৱালীজনীক মূৰ টিপি দি মৰম কৰিলে। ছোৱালীজনীয়ে দেউতাকৰ পিনে ডাঙৰ ডাঙৰ

চকু দুটা মেলি বৰ অসহায় দৃষ্টিত চালে। কমলৰ সেই চাহনিত অন্তৰাত্মা ভেদি গ'ল। দুচকুৰ পৰাই অজ্ঞাতে টোপ টোপকৈ পানী পৰিবলৈ ধৰিলে। ঘৈণীয়েকে ডাক্তৰক সোনকালে মাতি আনিবলৈ পুনৰ ক'লে; কিন্তু মাহৰ শেষ। ডাক্তৰক ভিজিট দিবলৈ, ঔষধ কিনিবলৈও কমলৰ হাতত পইচা নাই। আগতেও ডাক্তৰক দুবাৰ মাতিছিল আৰু সেই দুবাৰৰ ভিজিটৰ টকা ডাক্তৰক দিবলৈ এতিয়াও বাকী আছে। ঔষধৰ দোকানতো ভালেখিনি বাকী হৈছে। কমলে সেইবাবে হোমিওপাথিক ডাক্তৰৰ ওচৰলৈ গ'ল। ল'ৰা-ছোৱালীৰ বেমাৰত হেনো হোমিওপাথিক ঔষধ খুব ভাল। কমলে নিজেও আগতে ল'ৰা-ছোৱালীৰ অসুখত হোমিওপাথিক ডাক্তৰৰ পৰা দৰব আনি সেই দৰব খুৱাই ল'ৰা-ছোৱালীৰ অসুখ ভাল কৰিছিল। এইবাৰো সেইবাবে হোমিওপাথিক ডাক্তৰৰ ওচৰলৈ গৈ চাৰিঅনা পইচাৰে চাৰিপালি ঔষধ আনিলে আৰু ঘৰপায়েই ছোৱালীজনীক এপালি ঔষধ খুৱালে। হোমিওপাথিক ডাক্তৰে কোৱামতেই ৰাতি আৰু দুপালি খুৱালে; কিন্তু জ্বৰ কমাৰ কোনো লক্ষণ দেখা নগ'ল; বৰং ছোৱালীজনীয়ে ভুলহে বকিবলৈ ধৰিলে। মাজে মাজে 'দেউতা, দেউতা, মা, পানী' ইত্যাদি কৈ চিঞৰি উঠে। গোটেই ৰাতি কমল আৰু ঘৈণীয়েকে ছোৱালীজনীৰ ওচৰত নিমিষ নেপেলোৱাকৈ বহি থাকি পৰ দিলে। দুয়ো গিৰীয়েক ঘৈণীয়েকৰ মুখত কোনো কথা নাই; মাত্ৰ দুয়ো ছোৱালী-জনীক বিছি আৰু পানী বুলি চিঞৰিলে মুখত চামুচৰে পানী দি ছোৱালীজনীৰ কাষত গোটেই ৰাতি বহি থাকিল। পিচদিনা ছোৱালীজনীয়ে বকিবও এৰিলে। তন্দ্ৰা গৈ থাকিল।

হোমিওপাথিক ঔষধৰে এইবাৰ ভাল হোৱাৰ লক্ষণ নেদেখি ঘৈণীয়েকে কমলক এলোপাথিক ডাক্তৰক মাতি আনি দেখুৱাবলৈ ক'লে। কমলৰ হাতত ডাক্তৰক ভিজিট দিবলৈ পইচা নাথাকিলেও, ডাক্তৰৰ লগত কমলৰ ভালদৰে জনাশুনা আছে, বন্ধুত্ব আছে। ডাক্তৰৰ সৈতে বহুদিন তাচো খেলিছে। গতিকে কমলে হোমিওপাথিক

ঔষধৰে এইবাৰ কোনো কাম নহব যেন দেখি ডাক্তৰৰ ওচৰলৈ দৌৰি গ'ল। ডাক্তৰৰ ওচৰত কিন্তু পৰমমিত্ৰও ৰোগী হ'লে, মিত্ৰভাৱ সম্বন্ধ গুচি ডাক্তৰ আৰু ৰোগীৰ সম্বন্ধ ঘটে। ডাক্তৰৰ অন্তৰত তেতিয়া সহায়, সহানুভূতি আদি ভাবৰ লোপ পায়। ডাক্তৰে সেইবাবেই কমলৰ পৰা আগতে ৰোগী চোৱাৰ ভিজিট নোপোৱাত এইবাৰ পুনৰ কমলৰ ঘৰলৈ ৰোগী চাবলৈ যাবলৈ ইচ্ছা নকৰিলে। কমলৰ পৰা ছোৱালীজনীৰ ৰোগৰ বিবৰণ মাত্ৰ শুনি আৰু ৰোগীক কোনো পৰীক্ষা নকৰাকৈ এখন 'প্ৰেচক্ৰিপচন' বা ব্যৱস্থাপত্ৰ লিখি দি কমলক ক'লে "এই ঔষধটো আনি খুৱাওক। সৰু ল'ৰা-ছোৱালীৰ জ্বৰ। ১০৬° ডিগ্ৰী জ্বৰো সিহঁতৰ পক্ষে একো বেচি নহয়। ঠাণ্ডা লাগি ইনফ্লুয়েঞ্জা হৈছে। মেলেৰিয়াৰ জীৱাণুও থাকিব পাৰে। দুয়োবিধ ৰোগৰে ঔষধ এই 'মিক্সাৰত' আছে। এবটল খালেই জ্বৰ এৰিব। মই যোৱাৰ কোনো দৰ্কাৰ নাই আপুনি কোনো চিন্তা নকৰিব।"

ডাক্তৰৰ কথাত কমলে ঔষধৰ দোকানলৈ গৈ দোকানৰ মালিকক ধৰিমিলি মিক্সাৰটো বাকী কৰি আনি ছোৱালীজনীক ডাক্তৰৰ নিৰ্দেশমতেই মিক্সাৰ খুৱালে; কিন্তু দুপালি খুওৱাৰ পিচতো ছোৱালীজনীৰ জ্বৰ কমাৰ বা তন্দ্ৰা ভঙাৰ কোনো লক্ষণ দেখা নগ'ল। দুপৰীয়া কমল আকৌ ডাক্তৰৰ ওচৰলৈ গ'ল আৰু ছোৱালীজনী যে জ্বৰত অচেতন হৈয়ে আছে ডাক্তৰক ক'লে। ডাক্তৰক যেনেতেনে এবাৰ ছোৱালীজনীক চাবলৈ কমলে প্ৰায় কান্দো কান্দোকৈ ক'লে। দুপৰীয়া ডাক্তৰে খাই-বৈ উঠিছেহে মাথোন। ডাক্তৰে কমলক ক'লে "ইমান ব্যস্ত আপুনি কিয় হৈছে? ঔষধে গুণ ধৰিবলৈ অলপ সময় লাগে। ইংলণ্ড আমেৰিকাত থাকি আহিও আৰু ইমান জনাবুজা হৈ ইমান অধৈৰ্য্য হোৱা আপোনালোকৰ দৰে মানুহৰ পক্ষে নিশ্চয় শোভা নাপায়। আপুনি যাওক। মই যোৱাৰ কোনো দৰ্কাৰ নাই। মই যি ঔষধ দিছোঁ সি গুণ দিহে এৰিব। ৰোগীক নেদেখাকৈ যি জন ডাক্তৰে ৰোগ ধৰিব পাৰে সিহে আচল ডাক্তৰ।"

ডাক্তৰৰ কথাত কমল অগত্যা বাধ্য হৈ ঘৰলৈ ফিৰিল। গিৰীয়েক ঘৈণীয়েকে ঈশ্বৰৰ ওপৰতে সকলো ভাৰ এৰি দি ছোৱালীজনীৰ কাষতে চকুলো টুকি টুকি বহি থাকিল। ঘৈণীয়েকে সত্যনাৰায়ণৰ পূজা এভাগো মনে মনে মানস কৰি থলে। ঘৰৰ বাকী দুটা ল'ৰা-ছোৱালীয়ে কন্দাকটা কৰাত ঘৈণীয়েকে বাধ্য হৈ অচেতন অৱস্থাত থকা ছোৱালীজনীৰ কাষৰ পৰা উঠি গৈ ল'ৰা-ছোৱালী-হালক গাখীৰ কল কিবা খাবলৈ দি শান্ত কৰি শুৱাই থলে। সিদিনা দুপৰীয়া ৰন্ধাবঢ়া নহ'ল। কমল আৰু ঘৈণীয়েকৰ জানো ডাঙৰ ছোৱালীজনীৰ তেনে মৰো জিউ অৱস্থাত ভোক লাগিব পাৰে ?

আবেলি হঠাতে ছোৱালীজনীয়ে 'মা' বুলি চিঞৰি চকু থিৰ কৰিলে। কমল আৰু ঘৈণীয়েক খুব ব্যস্তভাবে ছোৱালীজনীৰ ওচৰত হালি পৰিল। ঘৈণীয়েকে কান্দিকান্দি 'মা, কি লাগে, কি লাগে' বুলি চিঞৰিবলৈ ধৰিলে; কিন্তু জীয়েকে আৰু উত্তৰ নিদিলে। কমলৰ ঘৈণীয়েকৰ চিঞৰত ওচৰৰ মানুহ আহি চাই দেখে যে ছোৱালীজনীৰ প্ৰাণবায়ু কেতিয়াবাই উৰি গৈছে। কমল এনে আকস্মিক ঘটনাত বজ্ৰাহত মানুহৰ দৰে হ'ল। অলৰ অচৰ হৈ ছোৱালীজনীকে চাই ৰ'ল। আন মানুহে তেতিয়া মৃতা ছোৱালীজনী বাহিৰলৈ নিলে। কমলৰ ঘৈণীয়েক কান্দিকাটি বলিয়াৰ দৰে হ'ল। মূৰ্চ্ছা গৈ মাটিত বাগৰি পৰিল। আনমানুহে তেলপানী দি সংজ্ঞা ঘূৰাই আনিলে। কমলে এইবোৰ দৃশ্য চাই থাকিল। অকণো নাকান্দিলে। আগতে বৈ থকা চকুৰ পানীও ববলৈ এৰিলে। কমলে বুজিলে ঈশ্বৰৰ ই নিষ্ঠুৰ পৰিহাস। লগৰ প্ৰফেচাৰ, কলেজৰ ল'ৰাবোৰৰ সৈতে ছোৱালীজনীৰ মৃতদেহ কমলে নিজেই শ্মশানলৈ দাঙি নিলে, নিজহাতে চিতাত তুলি দিলে, নিজ হাতে চিতাত জুই দি পুৰিলে। কাকো মুখেৰে একাষাৰ নামাতিলে, অকণো নাকান্দিলে। অন্তৰৰ গভীৰ বেদনা, গভীৰ শোকৰ কথা কাকো নক'লে। মাতবোল নকৰাকৈ, নকন্দাকৈ

কমল শ্মশানৰ পৰা ঘৰলৈ ফিৰিল। কমলো যেন মৰি গৈছে; মাত্ৰ তাৰ হাত, ভৰি কোনোবা অদৃশ্য শক্তিয়ে চলাই নিছে। কমলৰ লগৰ প্ৰফেচাৰে কমলৰ এই নিদাৰুণ দুৰ্ঘটনাৰ কথা কমলৰ বুঢ়া দেউতাক আৰু বুঢ়া শহুৰেকলৈ টেলিগ্ৰাম কৰি জনালে।

চবিবশ

মানুহে কয় বিপদ অকলে নাহে। কমলৰ বেলিকাও সেয়ে হ'ল। ছোৱালীজনী মৰাৰ ঠিক দুদিন পিচতে অনিদ্ৰা, অনাহাৰ আৰু প্ৰচণ্ড শোকৰ ফলত কমলৰ ঘৈণীয়েকৰ ভীষণ ৰক্তস্ৰাৱ হৈ গৰ্ভত থকা সন্তানটো নষ্ট হ'ল। ঘৈণীয়েকো ভীষণ ৰক্তস্ৰাৱৰ ফলত মৰো মৰো হ'ল। কমলে এইবাৰ একেবাৰে অন্ধকাৰ দেখিলে। কি ঘোপ মৰা সেই অন্ধকাৰ! পোহৰৰ ক্ষীণ ৰেখা, পোহৰৰ সামান্য আভাও সেই অন্ধকাৰৰ পৰা বহু যোজন দূৰৈত। কমলে কি কৰিব, কি নকৰিব ভাবি নোপোৱা হ'ল। হোমিওপাথিক ডাক্তৰক মাতি আনি দেখুৱালে; কাৰণ ছোৱালীজনীৰ মৰো মৰো অৱস্থাতো যেতিয়া এলোপাথিক ডাক্তৰ নাহিল, বৰং ৰোগী নোচোৱাকৈ ৰোগ ধৰি ব্যৱস্থা দিব পৰা বুলি গৰ্ব কৰিলে, সেইজন ডাক্তৰক এতিয়া মাতিবলৈ যোৱা নিৰৰ্থক। হোমিওপাথিক ডাক্তৰে কমলৰ ঘৈণীয়েকৰ মুমূৰ্ষ অৱস্থা দেখি এপালি মাথোন দৰৱ দিলে আৰু কমলক এই ঔষধ পালিয়ে দুঘণ্টাৰ পিচত গুণ দিয়া নেদেখিলে, এলোপাথিক ডাক্তৰক মাতি আনি ৰোগীক দেখুৱাবলৈ ক'লে; কাৰণ এই ঔষধ পালিয়ে গুণ নধৰিলে, হোমিওপাথিক ঔষধে ভাল কৰিব নোৱাৰে।

কমলৰ লগৰ প্ৰফেচাৰসকলে আৰু কলেজৰ ল'ৰাসকলে কমলৰ ভীষণ বিপদ দেখি, তেওঁলোকেই কমলক নোসোধাকৈ এলোপাথিক ডাক্তৰক মাতি আনিলে। এইবাৰ এলোপাথিক ডাক্তৰ দৌৰাদৌৰি কৰিয়ে আহিল; কিন্তু ৰোগীক দেখিয়ে প্ৰমাদ

পশিলে। এলোপাথিক ডাক্তৰ হ'লেও, ডাক্তৰৰ অভিজ্ঞতা কম। মেডিকেল কলেজৰ পৰা পাছ কৰিয়ে এইখন আস্পাতালত সোমাই একে লেঠাৰিয়ে কাম কৰি আছে। মেলেৰিয়া, ইনফ্লুয়েঞ্জা ৰোগীক লৈয়ে অভিজ্ঞতা। নানা তৰহৰ জটিল ৰোগ ভুগা ৰোগীক চিকিৎসা কৰা অভিজ্ঞতা নাই। তথাপি ডাক্তৰে ৰোগীক তেওঁৰ জ্ঞানেৰেই ইনজেকচন দিলে, দৰৱ জাতিও যি জানে দিলে। ৰোগীৰ অৱস্থা তথাপি ভাললৈ নহা দেখি নগৰ প্ৰফেচাৰ এজনে কবিৰাজ এজনকো মাতি আনি ৰোগীক দেখুৱালে। কবিৰাজেও চাইচিন্তি ঔষধ দিলে; কিন্তু হোমিওপাথিক, এলোপাথিক, আয়ুৰ্বেদিক কোনোজন ডাক্তৰে ৰোগী ভাল হব বুলি আশাও নিদিলে আৰু নিৰাশাও নকৰিলে।

ৰাতি কমল ঘৈণীয়েকৰ কাষত বহি আছে। কলেজৰ ল'ৰা-ছুজনো বাহিৰত কিবা কামত কেতিয়াবা দৰ্কাৰ হয় বুলি সেই ৰাতি পৰ দিছে। ৰাতি বাৰমান বজাত ঘৈণীয়েকে কমলৰ পিনে ডাঙৰ ডাঙৰ চকু ছুটা মেলি চাই সেহাই সেহাই ক'লে, "ছোৱালী-জনীয়ে মোক মাতিছে। তাইক এৰি মই থাকিব নোৱাৰোঁ। মই যাওঁ। আপুনি বাকী ল'ৰা-ছোৱালীকেইটাক চাব। কাৰো প্ৰতি খং নকৰিব। কালৈকো হিংসা নাৰাখিব। ভগৱানত বিশ্বাস ৰাখিব।"

কমলে ঘৈণীয়েকক কথা কবলৈ মানা কৰিলে। একো চিন্তা কৰিব হাক দিলে। ডাক্তৰ, কবিৰাজ সকলোৱে সোনকালে ভাল হব বুলি কোৱা বুলি ক'লে।

কমলৰ ঘৈণীয়েকে একো নামাতিলে। কমলক একেবাৰে ওচৰত বহিবলৈ কৈ খুব ছুৰ্বল স্বৰত কমলক কমলৰ ভৰিৰ ধূলা তাইৰ মূৰত দিবলৈ ক'লে। কমলে ঘৈণীয়েকক ক'লে "ছিঃ, এইবোৰ কি কৈছা? মনে মনে শুই থাকা।"

কমলৰ কথাত ঘৈণীয়েকে একো নামাতি কমলৰ হাত ছুখন বুকুৰ মাজত সাবটি ধৰি "মই যাওঁ" বুলি কৈ চকু মুদি দিলে।

শৰীৰৰ হাত ভৰিবোৰ অলৰ অচৰ হৈ পৰিল। কমলে তেতিয়া "কমলা, কমলা" বুলি চিঞৰি ঘৈণীয়েকক মাতিবলৈ ধৰিলে। কমলৰ চিঞৰ শুনি বাহিৰত থকা ল'ৰাহুজনো ভিতৰলৈ দৌৰি সোমাই আহিল। প্ৰফেচাৰৰ ঘৈণীয়েক মূৰ্চ্ছা যোৱা বুলি ভাবি এজন ল'ৰাই কমলৰ ঘৈণীয়েকৰ মূৰত পানী ঢালিবলৈ ধৰিলে। আনজন ল'ৰা ডাক্তৰৰ ওচৰলৈ দৌৰি গ'ল। অলপ পিচতে ডাক্তৰ আহি নাড়ী টিপি চাই সকলো শেষ বুলি ল'ৰাহুজনক কৈ নিঃশব্দে গুচি গ'ল। ল'ৰাহুজনে ডাক্তৰৰ মুখৰ পৰা তেনে নিদাৰুণ কথা শুনি কি কৰিব, কি নকৰিব একো ঠিক কৰিব নোৱাৰি বিবুদ্ধি হ'ল আৰু বিবুদ্ধি হৈ কান্দি কান্দি কমলক ডাক্তৰে কোৱা কথা ক'লে। ল'ৰাহুজনৰ মুখৰ পৰা "চাৰ, সকলো শেষ" এই নিষ্ঠুৰ তিনিটা শব্দ কমলে শুনি 'কমলা' বুলি বিকট চিঞৰ মাৰি মূৰ্চ্ছা গ'ল। দেউতাকৰ চিঞৰত শুই থকা ল'ৰা-ছোৱালীহালো উঠি "মা, দেউতা" বুলি চিঞৰ বাখৰ লগালে। শেষ ৰাতি কমলৰ ঘৰত এনে হুৱাহুৱাখন শুনি ওচৰৰ মানুহ দুনুহ, লগৰ প্ৰফেচাৰসকল আহি কমলৰ ঘৰ ভৰি পৰিল। ছোৱালীজনী মৰাৰ দুদিন পিচতে কমলৰ এনে এটা ডাঙৰ দুৰ্ঘটনা হোৱাত সকলোবোৰ মানুহ নিমাত হৈ পৰিল। কোনেও এশাৰি সান্ত্বনাৰ বাণীও খুজি নাপালে। কমলক তেলপানী দিয়াত কিছু পিচত কমলৰ মূৰ্চ্ছা ভাঙিল। তেতিয়া কমলৰ লগৰ দুই এজন বয়সস্থ প্ৰফেচাৰে "নিয়তিৰ বিধান" "অদৃষ্ট" আদি কৈ কমলক সান্ত্বনা দিবলৈ প্ৰয়াস কৰিলে। কমলে কিন্তু মূৰ্চ্ছা ভঙাৰ পিচত উঠি চিঞৰ বাখৰ কন্দাকটা নকৰিলে, কাকো এষাৰ কথাও নক'লে। পাথৰৰ মূৰ্ত্তিৰ দৰে থিৰ হৈ বহি থাকিল। মাত্ৰ দুই চকুৰে দুই ধাৰা চকুৰ পানী বৈ পৰিবলৈ ধৰিলে। কমলৰ তেনে অৱস্থা দেখি, সৰবৰহী প্ৰফেচাৰৰ তেনে অৱস্থা দেখি, প্ৰফেচাৰৰ মৰমিয়াল হাঁহি মুখৰ ঘৈণীয়েকৰ হাঁহি চিৰকাললৈ বিলিন হোৱাত কলেজৰ অনেক ল'ৰাবো চকুৰ পানী ওলাল। প্ৰফেচাৰসকল নিমাত হ'ল।

ৰাতিপুৱা কমলৰ ঘৈণীয়েকৰ শ' টো সকলোৱে শ্মশানলৈ নিলে।

কমলেই নগৰ প্ৰফেচাৰৰ কথাত যন্ত্ৰৰ দৰে মন্ত্ৰ উচ্চাৰণ কৰি ঘৈণীয়েকৰ মুখত জুই লগাই দিলে। মৰমৰ ঘৈণীয়েকৰ নশ্বৰ দেহ অগ্নিয়ে পুৰি শেষ কৰিলে। প্ৰাণৰ পুতলা, সোণৰ প্ৰতিমা, হৃদয়ৰ ৰাণীক শ্মশানৰ অগ্নিত বিসৰ্জন দি কমল, কলেজৰ ল'ৰা কেইজনমান আৰু একেবাৰে অন্তৰঙ্গ দুজনমান প্ৰফেচাৰৰে সৈতে ঘৰলৈ ফিৰিল।

বিধাতাৰ কি পৰিহাস! সেইদিনা আকৌ কলেজ মন্ত্ৰীয়ে পৰিদৰ্শন কৰা আৰু ছাত্ৰসকলৰ মাজত বক্তৃতা দিয়া কথা। সেইবাবে শ্মশানৰ সকলো কাম শেষ হোৱাৰ আগতেই অধিক সংখ্যক প্ৰফেচাৰ ঘৰলৈ ফিৰে। অধিক সংখ্যক ছাত্ৰও হোষ্টেললৈ বা নিজৰ ঘৰলৈ ফিৰি গা-পা ধুই কলেজ কৰিবলৈ যায়। মন্ত্ৰীয়ে এঘাৰমান বজাত কলেজ পৰিদৰ্শন শেষ কৰি ছাত্ৰসকলৰ সভাত বক্তৃতা দিবলৈ গ'ল। সেই সভাত প্ৰথমতে সৰবৰহী প্ৰফেচাৰ কমলৰ ঘৈণীয়েকৰ বিয়োগত শোক প্ৰকাশ কৰি এটা প্ৰস্তাৱ লোৱা হ'ল। দুজন ল'ৰাই কমলৰ ঘৈণীয়েকৰ গুণ বখানি দুশাৰীমান কথাও চকুৰ পানী মোহাৰি মোহাৰি ক'লে। তাৰ পিচত কলেজৰ প্ৰিন্সিপালে মন্ত্ৰীক ছাত্ৰসকলক কেইশাৰীমান কথা কৈ উৎসাহিত কৰিবলৈ অনুৰোধ কৰিলে।

প্ৰিন্সিপালৰ অনুৰোধত মন্ত্ৰীয়ে ছাত্ৰসকলক ক'লে, "আজি তোমালোকৰ কলেজ চাই আৰু তোমালোকৰ মাজত উপস্থিত থাকিব পাৰি মই নিজকে ধন্য মানিছোঁ। তোমালোকে হৈছা আমাৰ দেশৰ ভবিষ্যত। আমাৰ দুখীয়া, নিচলা দেশখন তোমালোকেই গঢ়ি তুলি ধনে ধানে নদন বদন কৰি তুলিব লাগিব। আমাৰ দেশ খনিজ, বনজ নানা সম্পদৰে ভৰা। এই সম্পদৰাজি আহৰণ কৰিবলৈ আমাক লাগে, বৈজ্ঞানিক, ইঞ্জিনিয়াৰ। আজি আমাৰ দেশত লোৰ কাৰখানা তৈয়াৰী হৈছে; কিন্তু সেই কাৰখানা চলাবলৈ আমাৰ দেশত কাৰিকৰী জ্ঞান থকা মানুহ নাই। বিদেশী মানুহে সেই কাৰখানা চলাইছে। সাত সাগৰ তেৰ নদী পাৰ হৈ আহি বিদেশী মানুহেই সেই কাৰখানা তৈয়াৰ কৰিছে। কিমান দিন

এইদৰে দেশ চলিব? তোমালোক উঠি অহা ডেকা-ডেকেৰী সকলেই সেই বাবে অধ্যয়নকে পৰম তপ বুলি মানি লৈ ডাঙৰ বৈজ্ঞানিক, ইঞ্জিনিয়াৰ, ডাক্তৰ হবলৈ ব্ৰত লোৱা। আজি আমাৰ দেশে চিঞৰিছে "আমাক লাগে বৈজ্ঞানিক, ইঞ্জিনিয়াৰ, ডাক্তৰ।"

কমলে শ্মশানত প্ৰাণৰ প্ৰতিমাক বিসৰ্জন দি, শ্মশানত সকলো কাম কাজ শেষ কৰি কেইজনমান ল'ৰা আৰু দুজন মাত্ৰ প্ৰফেচাৰৰে সৈতে ঘৰৰ পদূলি সোমাওঁতেই মন্ত্ৰীয়ে মাইক্ৰোফোনত কোৱা শুনিলে "আমাক লাগে বৈজ্ঞানিক, ইঞ্জিনিয়াৰ, ডাক্তৰ।" ইমান পৰে একো নমতা কমলে মন্ত্ৰীৰ কথা শুনি হঠাৎ চিঞৰি উঠিল, "বেটা, ভণ্ড।" ওচৰত থকা টাকোন এদাল মন্ত্ৰীৰ উদ্দেশ্যে কলেজ ঘৰৰ পিনে ফৰ্মুটি মাৰি পঠালে আৰু প্ৰবল উত্তেজনা আৰু শোকত কমল মূৰ্চ্ছিত হৈ পৰিল। লগত থকা প্ৰফেচাৰ আৰু ল'ৰাকেইজনে কমলক ধৰি আনি বিছনাত শুৱালে আৰু মূৰত তেল পানী দিলে। এনেতে কমলৰ শহুৰ, শাহুয়েক, মাক, দেউতাক, ভায়েক বিমল, অমলো কমলৰ ঘৰ ওলালহি। তেওঁলোকে কমলৰ ছোৱালীজনীৰ মৃত্যুৰ বাতৰি পাই কমলৰ ঘৰলৈ আহিছিল—কমলৰ বিপদত, শোকত সান্ত্বনা দিবলৈ। শহুৰ শাহুয়েক আহিছিল জীয়েক জোৱায়েকক, মাক দেউতাক আহিছিল পুতেক বোৱাৰীয়েকক আৰু ভায়েকইত আহিছিল ককায়েক বৌয়েকক সান্ত্বনা দিবলৈ, তেওঁলোকৰ দুখৰ ভাগ লবলৈ। কমলৰ ঘৰ পাই কমলৰ ঘৈণীয়েকো মৰাৰ বাতৰি পাই সকলোৱে গগন ফটাই কান্দিবলৈ ধৰিলে। কমলৰ ঘৰত কান্দোনৰ কোঢ়াল, শোকৰ বিননিত হুৱাদুৱা লাগিল। সেই শোকৰ হুৱাদুৱাৰ মাজতো, কান্দোনৰ চিঞৰ বাখৰৰ মাজতো মন্ত্ৰায়ে উত্তেজিত হৈ মাইক্ৰোফোনত চিঞৰি বক্তৃতা কৰা শুনা গ'ল "আমাৰ দেশৰ কল কাৰখানা চলাবলৈ, দেশবিদেশৰ পৰা শিক্ষা লৈ তোমালোক যুবক-যুবতীৰ দল, ডেকাডেকেৰীৰ দল বৈজ্ঞানিক, ইঞ্জিনিয়াৰ হৈ ওলাই আহা। দেশৰ ভবিষ্যত তোমালোকৰে হাতত।"

উপসংহাৰ

ভালেমান বছৰৰ পিচৰ কথা। কালৰ চকৰি ঘূৰিছে। দেশত বহু পৰিবৰ্তন হৈছে। বুঢ়া মন্ত্ৰী, বুঢ়া চেক্ৰেটাৰীৰ ঠাইত নতুন মন্ত্ৰী, নতুন চেক্ৰেটাৰী হৈছে। দেশ শিক্ষা-দীক্ষাই পৃথিবীৰ শ্ৰেষ্ঠ দেশবোৰৰ সমকক্ষ হৈছে। শিক্ষা অনুসৰি, যোগ্যতা অনুসৰি নিজৰ নিজৰ ক্ষেত্ৰত, দেশৰ ডেকা-ডেকেৰীৰ দলে দেশৰ কামত লাগিছে। ধনেশ্বৰৰ দৰে অযোগ্য, তোষামোদকাৰী, ভণ্ড, এলেহুৱাবোৰৰ দেশত স্থান নোহোৱা হৈছে আৰু এই শ্ৰেণীৰ মানুহ বিলোপ হৈছে। শিক্ষকৰ প্ৰাপ্য মৰ্য্যাদা সমাজত স্থাপিত হৈছে। দেশ ডাক্তৰ, ইঞ্জিনিয়াৰ, বৈজ্ঞানিকেৰে ভৰ্তি হৈছে। ৰোগ, অকালমৃত্যু নোহোৱা হৈছে। সকলো মানুহে সুখাদ্য খাই স্বাস্থ্যবন্ত আৰু সুখী হৈছে। দেশত অসংখ্য কল-কাৰখানা তৈয়াৰ হৈছে। দেশৰ বৈজ্ঞানিক-সকলে আনদেশৰ বৈজ্ঞানিকসকলৰ লগলাগি চন্দ্ৰলোক, মঙ্গল-গ্ৰহলৈ অহা-যোৱা কৰিছে। সকলোপিনে শান্তি, সমৃদ্ধি আৰু উন্নতিৰ চিন।

লোৰ এটা বিৰাট কাৰখানাৰ পৰা শ-শ মোন গলিত লো ওলাই আহিছে। এই লোৰে ৰেলৰ ইঞ্জিন, মটৰৰ ইঞ্জিন, ৰেলৰ চকা, ট্ৰেক্টৰ আদি তৈয়াৰ হৈছে। কমলৰ ল'ৰাই এই কাৰখানাৰ জেনেৰেল মেনেজাৰ হৈছে। কমল আলৰ বুঢ়া। নিজৰ ছাত্ৰ-সকলৰ আৰু নিজৰ ল'ৰাৰ কৃতিত্বত অৱশেষত কমলৰ সপোন ফলিছে। কমলে নাতিয়েকক কোলাত লৈ চন্দ্ৰলোকৰ গল্প কৰিছে। ঋষি বঙ্কিমচন্দ্ৰ, বিশ্বকবি ৰবীন্দ্ৰনাথ, জাতিৰ জনক মহাত্মা গান্ধী, সুভাষ বোস, চৰ্দাৰ পেটেল, জৱহৰলাল নেহৰুৰ সপোন অৱশেষত দিঠকত পৰিণত হৈছে। দিল্লীৰ উত্তৰে থকা, হিমালয়ৰ পাদদেশত অৱস্থিত কমলৰ প্ৰদেশখনৰ নদ-নদীত গাখীৰৰ সোঁত বৈছে, পথাৰ সোণালী ধাননিৰে উপচি পৰিছে, প্ৰত্যেক নৰ-নাৰীৰে অন্তৰ সুখ-শান্তি আৰু তৃপ্তিৰে ভৰি পৰিছে।

———